মণিকুটৰ
নিবেদন

কৌশিক নন্দন বৰুৱা

সৰাফুল

সৰাফুল

কৌশিক নন্দন বৰুৱা

মণিকূট
মথুৰা নগৰ, দিছপুৰ, গুৱাহাটী-৭৮১০০৬

‘নির্জনতা নে নিসংগতা’

অনুৰাধা শৰ্মা পূজাৰী বাইদেৱে ‘নাহৰৰ নিৰিবিলি ছাঁ’ত লিখিছিল, “নির্জনতাই মানুহক সমৃদ্ধ কৰে কিন্তু নিসংগতাই হতাশা আনে, মই নির্জনতাক ভাল পাওঁ , নিসংগতাক ভয় কৰোঁ।”

কথাষাৰ মৰ্মে মৰ্মে উপলব্ধি আমি সকলোৱে এটা সময়ত কৰোঁ। এই যে দিনটোৰ ভাগৰৰ অন্তত অলপ সময় বিছনাত চকু দুটা মুদি পৰি ৰওঁ, নাইবা জোনাক ৰাতিৰ আকাশত চকু থৈ এবাৰ জীৱনটোলৈ উভতি চাওঁ, কাণত বাজি থাকে প্ৰিয় গীতৰ কলিবোৰ, নির্জনতাৰ সোৱাদ আমি তেনেকৈয়ে লওঁ। নিজৰ লগত নিজে সমৃদ্ধ হওঁ, আগুৱাবলৈ শক্তি পাওঁ। তাৰ বিপৰীতে এই মনটো থেকেচি থকা নিসংগতাবোৰ। দিনটোত শ শ মানুহ লগ পায়ো যে সেই এজনৰ অভাৱ, এফালৰপৰা যাক কৈ যাব পাৰি কথাবোৰ, ‘জানানে আজি কি হ’ল?’ কেতিয়াবা নক’লেও যে তেওঁ সোধে, ‘আৰু কোৱা, কি কৰিলা আজি?’ নাই, নাপাওঁ। বহুত সংগী থাকিও তেনে এজন নাপাওঁ। নহ’লে জানো নিজৰ মাজতে সুৱৰ্ণ নাইবা অনুৰণক বিচাৰিব লগা হ’ল হয়! বিচাৰৰ তুলাচনীয়ে জোকাৰি যোৱাৰ ভয় নথকা, অভিমানৰ পথাৰখনো এযাৰ কথাৰে চহাবপৰা সেই বিশেষজনৰ অভাৱতেই আমি ভয়ংকৰভাৱে দুখীয়া।নাই, প্ৰেমিক হ’ব নালাগে তেওঁ। ‘লাভ ইউ, মিছ ইউ’ত আবদ্ধ থকা ভালপোৱা এতিয়া বিৰক্তিহে। মাত্ৰ সকলো হেৰাই গ’লেও ‘মই আছোঁ’ বুলি কোৱাতেই জীৱনটো পূৰ্ণ।

মানুহ,অগণন মানুহ চাৰিওফালে। পৰিয়াল, বন্ধু একোৰে অভাৱ নাই। কিন্তু তাৰ মাজতো ইমান অকলশৰীয়া। এৰা, তৰা অগণন থাকে। কিন্তু জোন সদায় অকলশৰীয়া। নাই, অনবৰত কথা পতাৰ সংগীও নালাগে। মাত্ৰ দিনটোৰ অন্তত মাত্ৰ এষাৰ কথা শুনিব খোজোঁ, ‘ঠিকে আছা ন তুমি?’

'এটি গীত 'আবেগে''

২০১৭ চনৰ কোনোবা এটা দুপৰীয়া। পাটকাই হোষ্টেলৰ ১৩২নং ৰূমত বিছনাত পৰি এনেই আকাশ পাতাল ভাবি আছিলোঁ। তেনেকুৱাতে কৰিডৰেৰে ছিনিয়ৰ দাদা এজনে এটি গীতৰ কলি গুণগুণাই পাৰ হৈ গৈছিল,

"নতুন ফাগুন মোৰ নামি আহা,
দুচকুতে নামি চুমা দিয়া।"

কিয় নাজানো। কিবা এটা ভাল লাগিল। চুম্বকৰ দৰে আকৰ্ষণ কৰিছিল সুৰটোৱে। ওলাই গৈ দেখিছিলোঁ দাদাজন কাষৰ ৰূমৰে পিনাকদা। ছিনিয়ৰ আছিল বাবে একো সুধিবলৈ সাহস নহ'ল। তেতিয়াৰপৰাই দাদা কৰিডৰত অহা-যোৱা কৰালৈ বৈ থাকোঁ। প্ৰায়েই তেওঁৰ মুখত শুনো সেই বিশেষ শাৰীকেইটা। লাহে লাহে মোৰো অভ্যাস হ'ল। হোৱাই-নোহোৱাই সেই শাৰীটো আওৰাবলৈ ল'লো। মানুহে শুনিলে হয়তো হাঁহিব, কিন্তু মই যেন কিবা এটা আচৰিত positive vibe পাইছিলোঁ। সেই বছৰৰে জুন মাহত পিনাকদাহঁত দুজনমানে আবেগেৰ এটা cover video বনাইছিল। লগত হৃষীকেশ দাৰ বাঁহী। ভিডিঅ'টোৰ লিংক পাই লগা লগ শুনিছিলোঁ। এবাৰ, দুবাৰ হয়তো বহুবাৰ। বান্ধৱী গাৰ্গীক দিছিলোঁ। তাইৰো একেই অৱস্থা। কি আছিল গানটোত। কিবা এটা যেন সন্মোহন সুৰ। কোনোবাটো শাৰীত যদি 'নতুন ফাগুন মোৰ নামি আহা' বুলি আশাৰ সঞ্চাৰ কৰে, ক'ৰবাত আকৌ 'মৰীচিকা যেন এটি ছায়া' বুলি সকলো কল্পনাৰ মাজত এৰে। ক'ৰবাত আকৌ, 'চকু মেলি মোক এবাৰ চোৱা' বুলি কিবা যেন আকুল আহ্বান। লাহে লাহে জুবিনদাৰ লগতে বিভিন্নজনৰ cover শুনিলোঁ আবেগেৰ। ২০১৭ চনত মোৰ নতুন ৰূমমেট কটনৰ হোমেনদাৰপৰা জানিব পাৰিছিলোঁ, 'আবেগে'ৰ স্ৰষ্টা স্বৰ্গীয় প্ৰিয়াংশু নাথ দাদাৰ কথা। 'ফাগুনৰ স'তে তুমিও বুকুতে ৰোৱানা' বুলি গোৱা দাদাজন ফাগুনৰ লগতেই হেৰাই যোৱাৰ কাহিনী শুনি গীতটোৰ প্ৰতি আকৰ্ষণ যেন দুগুণ বাঢ়িছিল। গম পাইছিলোঁ কটনত অনুষ্ঠিত কৰা #abege_festivalৰ কথা। শুনিছিলোঁ প্ৰতিজন কটনিয়ানৰ অন্তৰত সেই গানটোৰ প্ৰতি থকা দৰদৰ কথা। সৰুৰেপৰাই বহু গান শুনিছোঁ। জুবিনদাৰ 'মন যায়' আটাইতকৈ প্ৰিয়। কিন্তু 'আবেগে' যেন অদ্বিতীয়।

মই জানো এটা গানক লৈ ইমান কথা মোক বহুতে ফোঁপোলা অনুভূতি বুলি হাঁহিব পাৰে। কিন্তু তথাপি মই নোকোৱাকৈ নোৱাৰিম। প্ৰেম কি মই নাজানো। কিন্তু এই গীতটোক যিমান ভাল পালোঁ হয়তো জীৱনত আন একোকে পাব নোৱাৰিম। ইউনিভাৰ্ছিটিৰ অলিয়ে-গলিয়ে ঘূৰোঁ। কাণত বেছিদিনেই 'আৱেগে'। ৰাতি ফিল্ডত বহিয়েই জোনলৈ চাই গুণগুণাও 'বুকুৱেদি নিগৰি যোৱা'। যিমান কষ্টত থাকিলেও 'নতুন ফাগুন মোৰ নামি আহা' শাৰীটো যেতিয়া চিঞৰি চিঞৰি গাওঁ, কিবা যেন আচৰিত শক্তি পাওঁ। বহুত গীত আহিব আগলৈও। কিন্তু 'আৱেগে' সদায় এটি সেউজীয়া আৱেগ হৈয়ে থাকিব।

'পাৰিজাত হৰণৰ নজনা কাহিনী'

শ্ৰীকৃষ্ণৰ পাৰিজাত হৰণৰ কাহিনী আমি প্ৰায় সকলোৱেই জানো। স্বৰ্গৰপৰা এপাহি পাৰিজাত আনি ৰাণী ৰুক্মিণীক উপহাৰ দিয়াৰ বাবে শ্ৰীকৃষ্ণৰ দ্বিতীয় পত্নী সত্যভামাৰ খং উঠিছিল। যাৰ বাবে সত্যভামাৰ কথা ৰাখিবলৈ তেওঁ দেৱৰাজ ইন্দ্ৰৰ লগত যুদ্ধ কৰি পাৰিজাত গছজোপাই দ্বাৰকালৈ লৈ আনিছিল। ইয়াৰ পাছতো এটি কাহিনী আছে, যিটো বহুতেই নাজানে। পাৰিজাত অনাৰ পাছত সকলোৱে চিন্তা কৰিলে যে গছজোপা ক'ত ৰোৱা যায়। শ্ৰীকৃষ্ণৰ জ্যেষ্ঠ ভ্ৰাতৃ বলৰাম আৰু তেওঁৰ পত্নী ৰেৱতীয়ে পৰামৰ্শ দিলে যে যিহেতু ৰুক্মিণীয়েই দ্বাৰকাৰ ৰাজমহিষী অৰ্থাৎ ৰাজৰাণী লগতে শ্ৰীকৃষ্ণৰ প্ৰথমা পত্নী গতিকে পাৰিজাত ৰুক্মিণীৰ ঘৰৰ সমুখতেই ৰোৱা হওক। কিন্তু ৰুক্মিণীয়ে ক'লে, পাৰিজাত যিহেতু দ্বাৰকাৰ ৰজা শ্ৰীকৃষ্ণই ৰণত জিকি আনিছে, গতিকে ই সমস্ত দ্বাৰকাবাসীৰ সম্পত্তি। গতিকে গছজোপা দ্বাৰকা নগৰীৰ মাজমজিয়াত ৰোৱা হওক যাতে তাৰ সৌন্দৰ্য্য আৰু সুবাস গোটেই নগৰত বিয়পি পৰে। কিন্তু অহংকাৰী সত্যভামাই জেদ ধৰিলে, যিহেতু পাৰিজাত তেওঁ কোৱাৰ বাবেহে শ্ৰীকৃষ্ণই আনিছে গতিকে পাৰিজাতৰ একমাত্ৰ অধিকাৰিণী সত্যভামাহে। সেয়ে গছজোপা সত্যভামাৰ ঘৰৰ সমুখতহে ৰুব লাগিব, যাতে পাৰিজাতৰ সৰাফুলে আৰু তাৰ সুবাসে সত্যভামাৰ ঘৰখন মনোৰম কৰি তোলে। অৱশেষত সত্যভামাৰ জেদৰ ওচৰত হাৰ মানি সত্যভামাৰ চোতালতে পাৰিজাত ৰোৱা হ'ল। কিন্তু যেতিয়াই পাৰিজাত সৰাৰ সময় হ'ল, দেখা গ'ল বতাহৰ কোবত আটাইখিনি ফুল উৰি গৈ কাষৰে ৰুক্মিণীৰ ঘৰৰ সমুখত পৰিছেগৈ। অৰ্থাৎ যদিও

গছজোপা সত্যভামাৰ ঘৰত আছিল, তাৰ সৰাফুলে কিন্তু ৰুক্মিণীৰ চোতালহে শুৱনি কৰিছিল। এই কাহিনী লৈয়ে এটি ডাকৰ বচনো আছে যে 'সত্যভামালৈ ৰোৱা পাৰিজাতে শুৱনি কৰে ৰুক্মিণীৰহে চোতাল'।

এই কাহিনীৰ গূঢ়াৰ্থ এয়ে যে যি সন্মানৰ যোগ্য, তেওঁৰপৰা কোনেও প্ৰাপ্ত সন্মান কাঢ়ি আনিব নোৱাৰে। কিন্তু যি অযোগ্য, তেওঁ হাজাৰ চেষ্টা কৰিলেও সন্মান লাভ কৰিব নোৱাৰে। জোৰকৈ অধিকাৰ সকলোৱে ল'ব পাৰে, কিন্তু সন্মান আৰু মৰ্য্যাদা সদায় যোগ্যজনেহে পায়। আজিৰ দিনত এই কথাষাৰৰ তাৎপৰ্য্য খুব গুৰুত্বপূৰ্ণ যেন অনুভৱ হয়।

'জীৱনৰ আটাইতকৈ ভয়ংকৰ অনুভৱটো কি জানা ?'

"এই পৃথিৱীত ময়ে অকলশৰীয়া, কোনো নাই মোৰ কাষত।"

এই অনুভৱটোৱেই তিল তিলকৈ শেষ কৰি দিয়ে মানুহক। কিন্তু যি সকল লোকে এই অনুভৱটোৰ সুবিধা লৈ দুদিনীয়া ভৰসা দেখুৱাই আঁতৰি যায়, তেওঁলোকতকৈ বিপদজনক আৰু একো নাই।

সেইবাবেই সাৱধান হোৱাটো ভাল। কাৰণ মন বুজা লোক বহুত কম কিন্তু কাহিনী শুনা মানুহৰ অভাৱ নাই। ঘাত লগোৱা মলম সকলোৱে ঘৰত নাথাকিব পাৰে, কিন্তু নিমখ ঘৰে ঘৰে থাকে।

'কৃষ্ণ'

কৃষ্ণ কি মোৰ বাবে ? কৃষ্ণ কোন মোৰ বাবে ? কিয় ইমান ভাল পাওঁ কৃষ্ণক ? এইবোৰ বহুত প্ৰশ্নৰ সন্মুখীন হওঁ সততে। কেতিয়াবাতো কোনোবাই ৰাধা বুলিও জোকায়। 'ৰাধা তয়ে আছিলি চাগে' বুলিও হাঁহে। নাই, মোৰ অলপো বেয়া নালাগে। খঙো নুঠে। কাৰণ উপহাসত যদি প্ৰিয়জনৰ নাম থাকে, তেন্তে সেয়াও যে মধুৰ হৈ পৰে। সকলোৱে ভবাৰ দৰে মই কৃষ্ণৰ ভক্ত নহয়। তেওঁৰ প্ৰেমিক। কোনোবাই প্ৰেমিকা বুলি ক'লেও আপত্তি নাই, যিহেতু প্ৰেমত বয়স, লিংগ, সময় আদিৰ পৰিধি নাই। সৰুৰেপৰাই ককাৰ মুখত শুনি আহিছিলোঁ কৃষ্ণৰ জীৱন কাহিনী। কাৰাগাৰত জন্ম, জন্মতেই মাক-দেউতাকৰপৰা বিচ্ছেদ, গকুলৰ দুষ্টালি, ৰাধাৰ লগত প্ৰেম

বিৰহ আৰু শেষত নিজ হাতেৰে নিজৰেই মোমায়েকক বধ। কিয় নাজানো, তেতিয়াৰ-পৰাই চৰিত্ৰটোৰ প্ৰতি এটা দুৰ্বলতা সোমাইছিল মনত। ডাঙৰ হৈ যেতিয়া কৃষ্ণ বিষয়ক কিতাপবোৰ পঢ়ো, সকলোতকৈ এটা বস্তুয়ে মন চুইছিল যে তেওঁ প্ৰতিটো সম্পৰ্কক কি আচৰিত ধৰণে মূল্য দিছিল। যশোদাক মাতৃসুখ, দামোদৰক বন্ধুত্ব, অৰ্জুনৰ পথ প্ৰদৰ্শক, দ্ৰৌপদীৰ ৰক্ষক, ৰুক্মিণীক মৰ্য্যাদা আৰু ৰাধাক অন্তৰৰ সমস্ত প্ৰেম। সকলোৰে মনোকামনা পূৰ্ণ কৰাজনে দায়িত্বৰ বাবে নিজৰেই মনোকামনা অপূৰ্ণকৈ কিদৰে এৰিছিল আমি চাগে' ভাবিবও নোৱাৰোঁ। হয়তো ক্লাছ ফাইভত আছিলোঁ, যেতিয়া প্ৰথমবাৰৰ বাবে এটা কৃষ্ণ মূৰ্তি আনিছিলোঁ। কিয় নাজানো তেতিয়াৰেপৰা নিজৰ সৰুতকৈও সৰু কথাবোৰ মূৰ্তিটোৰ আগতকৈ কিবা ভাল লাগিছিল। গধুৰ মনটো যেন ফৰকাল হৈ পৰে। সেই অভ্যাসটো আজিলৈকে নগ'ল। ক'ব নোৱৰাকৈ কৃষ্ণ সকলো হৈ পৰিল মোৰ বাবে। কেতিয়াবা বন্ধু, কেতিয়াবা ভাই, কেতিয়াবা প্ৰেম। হয়, প্ৰেম। মৰমবোৰ কৃষ্ণৰ আগত উলিয়াই দি যেন কিবা এটা সুখ পাওঁ। কেতিয়াবা যদি মূৰ্তিটোৰ আগত হুকহুকাই কান্দো, কেতিয়াবা কিবা হাঁহি উঠা কথা কৈ হাহোঁ। যিদিনা মা নাৰ্চিংহোমৰ আই.চি.ইউত আছিল সেইদিনাও মূৰ্তিটো সাবটিয়ে কান্দিছিলোঁ, যিদিনা ইউনিভাৰ্ছিটিত বেষ্ট কমেডিয়ানৰ পুৰস্কাৰ পাইছিলোঁ সেইদিনাও মূৰ্তিটো বুকুত লৈয়ে হাঁহিছিলোঁ। ৰাতিও মূৰ্তিটো লগত নল'লে টোপনি নাযায়। বেলেগে ভবাৰ দৰে মই ভক্ত নহয়, কেতিয়াবা গা নোধোৱাকৈও মূৰ্তিটো চোওঁ। কোনো আফছোছ নাহে। ভাল পোৱাজনৰ কাষলৈ যোৱাত কিবা নিয়মে জানো বান্ধিব পাৰে? জীৱনত আজিলৈকে প্ৰেম হোৱা নাই। কিন্তু এটা কথা ক'ব পাৰোঁ, যিমানখিনি ভালপোৱা মোৰ কল্পনাৰ কানাইলৈ আছে, সিমানখিনি ভালপোৱা বাস্তৱত কাৰোবাক দিব নোৱাৰিম। কেতিয়াও নোৱাৰোঁ। ইয়াৰ বাবে কিছুমানে দিয়া 'ৰাধা', 'মীৰাবাঈ' আদিৰ দৰে উপনামসমূহো মোৰ কাৰণে উপহাৰহে। কাৰোবাৰ বাবে এয়া পাগলামি, মূৰ্খামি হ'ব পাৰে। কিন্তু মোৰ বাবে কৃষ্ণ এক শক্তি, কৃষ্ণ এক সাহস, কৃষ্ণ এক অনুভৱ, কৃষ্ণয়ে বাস্তৱ কৃষ্ণয়ে কল্পনা।

'ৰাধা'

ৰাধা কোন? ৰাধা কি?

কাৰোবাৰ মতে কৃষ্ণৰ বিৰহী প্ৰিয়া, কাৰোবাৰ মতে বিবাহৰ পাছতো অন্য পুৰুষৰ লগত সম্পৰ্ক ৰখা কলংকিনী নাৰী। কিন্তু কেৱল এটি দুটি শব্দত দিব পাৰি

জানো ৰাধাৰ সংজ্ঞা! ৰাধা কেৱল এগৰাকী নাৰী নহয়, ৰাধা কেৱল এটি চৰিত্ৰ নহয়, ৰাধা এটি অনুভৱ। বংশীৰ কোমল সুৰে যদি তুলিব পৰিছে আপোনাৰ হৃদয়ত ভালপোৱাৰ অনুৰণন, চন্দ্ৰাৱলী আকাশৰ জোনাকে যদি জগাব পাৰিছে আপোনাৰ বুকুত সেউজীয়া স্পন্দন, যদি কাৰোবাৰ কষ্টই বোৱাব পাৰিছে আপোনাৰ দুচকুৰ অশ্ৰুধাৰা, যদি সৰাফুলৰ মাজতো আপুনি বিচাৰি পাইছে হেৰুৱা সুবাসৰ বতৰা; তেন্তে বিশ্বাস কৰক আপোনাৰ মাজতো লুকাই আছে একোজনী মৰমী 'ৰাধা'।

কাৰোবাক হেৰুৱাইও চিৰকাললৈ সাঁচি থোৱা বুকুৰ অনুভৱটো ৰাধা, প্ৰিয়জনৰ সুখত নিজক হেৰুৱাই দিয়া হাঁহিটোৰ নাম ৰাধা, সকলোকে আশাৰ কিৰণ বিলাই নিজান ৰাতি অকলশৰে সৰিপৰা সেই অশ্ৰুৰ টোপালটোৰ নাম ৰাধা।

ৰাধাক জীয়াই ৰাখক, আপোনাৰ দুচকুত, হাজাৰ দুখ ঢাকিবপৰা আপোনাৰ হাঁহিটোত, আনৰ বাবে নিজক উজাৰি দিবপৰা আপোনাৰ মনটোত সদায় জীপাল কৰি ৰাখক ৰাধাক। খুব অসহ্যকৰ এই সময়বোৰ, আপোনাৰ ভিতৰৰ ৰাধাই সেউজীয়া কৰি তোলক আপোনাৰ চৌপাশ। 'ৰাস' সঁচা প্ৰেমৰ উৎসৱ, ভালপোৱাৰ উৎসৱ। মৰমবোৰ বিলাই যাওক হৃদয়ৰ পৰা হৃদয়লৈ।

'কাহিনী শুনা মানুহ'

এটা কথা জানে নে, কিছুমান মানুহ আমাৰ জীৱনত এই কাৰণে নাথাকে যে তেওঁলোকে আমাৰ সুখ-দুখৰ সমভাগী হ'ব খোজে। বৰঞ্চ এই বাবে থাকে যাতে আমাৰ লগত ঘটা প্ৰতিটো কথা তেওঁলোকে গম লৈ থাকিব পাৰে। এনে লোকক জীৱনৰপৰা আঁতৰাই ৰখাই ভাল। ঈশ্বৰে আপোনাক জীৱনটো উদযাপনৰ বাবেহে দিছে, আনক চিনেমা উপভোগ কৰাবৰ বাবে নহয়।

'খুব সহজ, কাৰোবাক এৰি আগুৱাই যোৱাটো'

কেতিয়াবা এনেকুৱা হৈছে নে, ভিতৰি টুকুৰা টুকুৰকৈ ভাঙি আছে কাকো ক'বপৰা নাই। চিঞৰি দিবৰ মন গৈছে আকাশ বিদাৰি, কিন্তু সাহস হোৱা নাই। তেনেকুৱাতে কোনোবাই সুধিছে, 'কি খবৰ, ভালনে?' মন গৈছে, খুব মন গৈছে যেন তেওঁক সাবটি ধৰি এফালৰপৰা কৈ যাব, 'খুব কষ্টত আছোঁ অ' মই'। কিন্তু

তাৰ সলনি মাত্ৰ 'উম ভালেই' বুলি আঁতৰি আহিছে। উশাহবোৰ ঘূৰি নাহিব যেন অনুভৱ হয়। মৰা নাই, কিন্তু জীয়াইও থকা নাই। চাৰিওফালৰ পৃথিৱীখন যেন আচৰিত ধৰণে সলনি হ'ব ধৰিছে, আপোনাক এৰি যেন সকলো আগ বাঢ়িছে। এই যে বৈ যোৱাৰ ভয়টো, চিনাকিবোৰ অচিনাকি হোৱাৰ সময়টো তাতেই আমি জীৱনটোৰ খুব নিলাজ নাঙঠ ৰূপ এটা দেখোঁ। আমি কান্দো, আমি হাঁহো, আমি ভাঙি পৰোঁ, কিন্তু তাৰ লগতে আমি আগ বাঢ়োঁ।

খুব সহজ, কাৰোবাক এৰি আগুৱাই যোৱাটো। কিন্তু কাৰোবাৰ লগত একেলগে আগ বঢ়াটো খুব কঠিন।

'কিমান সহজ ন কাৰোবাক আঘাত লগাকৈ কৈ দিয়া!'

কিমান সহজ ন কাৰোবাক বুকুত আঘাত লগাকৈ কৈ দিয়া, কিমান সহজ ন এজনৰ স্থান আন কাৰোবাক দি দিয়া, কিমান সহজ ন এজনক পাহৰিবলৈ আন এজনক ব্যৱহাৰ কৰা। অথচ এই সহজবোৰৰ মাজতে বাৰে বাৰে উজুটি খাওঁ মই, আপুনি আৰু আমাৰ দৰে বহুজনে। কাৰণ আমি নাজানো আৱেগক লৈ কৌতুক কেনেকৈ কৰে, আমি নুবুজোঁ এজনৰ স্থান আন এজনে কিদৰে পূৰাব পাৰে, আমি নেদেখোঁ বস্তুৰ দৰে মানুহে মানুহক কেনেকৈ ব্যৱহাৰ কৰে। আমিতো ভাল পাব জানো, ভাল পোৱা ল'ব জানো। অভিমান কৰিব জানো অহংকাৰ নহয়, মৰম যাচিব জানো ঘৃণা নহয়। কেতিয়াবা মোৰ দৰে আপুনিও ভাবে চাগে', কি লাভ এইখন পৃথিৱীত ভাল হৈ সকলোৱেচোন লাভ-লোকচানৰ অংকত ব্যস্ত। সঁচাই ন, সম্পৰ্ক নহয় যেন কোনো ব্যৱসায়িক প্ৰতিষ্ঠানহে। যি বেছি লাভ কৰিব পাৰিছে তেওঁৰেই কদৰ বেছি। বেছি দিন ব্যৱহাৰ নকৰিলেতো লোহাতো মামৰ লাগে, গতিকে সম্পৰ্কবোৰত ঘুণে নধৰিব কিয়। এৰা, আপোনাৰ মোৰ দৰে আৱেগক সন্মান কৰা মানুহৰ কদৰ আজিকালিৰ ভালপোৱাৰ বজাৰত নাই। অনবৰতে বুকুত বিষ এটা কঢ়িয়াই ফুৰিব লগা হয় আমি। এই বিষৰ কোনো মলমো নাই জানে। আজিকালি এনেও মৰম আৰু মলম একেই, ভেজাল। বিষবোৰ বাঢ়েহে।

তথাপিও কওঁ, নিজক নসলাব। আপুনি সদায় আপুনি হৈ থাকক, মই সদায় মই হৈ থাকিম আৰু আমি সদায় আমিয়েই হৈ থাকিম। এই যে পৃথিৱীখন আজিও ধুনীয়া হৈ আছে, সেয়া ভালপোৱাৰ বেপাৰীবোৰৰ বাবে নহয়। আপোনাৰ বা মোৰ

দৰে সেউজীয়া মনৰ মানুহখিনিৰ বাবেহে। এনেকৈয়ে থাককচোন। জীয়াই থাকিবলৈ লাগেনো কি মানুহক, গছৰ সেউজীয়া, কিতাপৰ পাতৰ গোন্ধ, বৰষুণৰ শব্দ আৰু ৰাতিৰ জোনাক। একান্ত নিজৰ বুলি ক'বলৈ এইখিনিয়েই যথেষ্ট জানে। বাকী এই যে এযাৰ মাতৰ বাবে আমি হামৰাও কাঢ়ি ফুৰোঁ, থাককচোন। নিবিচাৰিব। নিজৰ চৌপাশটো সজাই তোলক, যাতে আপোনাৰ হাঁহিটোৱে আন দহজনৰ মুখতো বিৰিঙাব পাৰিছে এটা মনোৰম হাঁহি। আপোনাৰ এষাৰ মাতে যেন পাহৰাব পাৰে অইন এজনৰ নিসংগ ৰাতিৰ গল্পবোৰ। তেতিয়া চাব, সেই একেখিনি ভালপোৱা আপোনাৰ বাবেও ঘূৰি আহিছে। আপোনাকো সেউজীয়া কৰি তুলিছে। খুব কষ্টকৰ আমাৰ সময়বোৰ। এষাৰ মাতেৰেও যদি কাৰোবাৰ দিনটো সজাব পাৰি, আমি কৃপণালিনো কৰোঁ কিয়!!

'অচিনাকি আপোন'

কেতিয়াবা এনেকুৱা হয়নে, ধৰক আপুনি কিবা বিপদত পৰিছে নাইবা কিবা সমস্যা হৈছে আৰু আপোনাৰ চৌপাশৰ চিনাকি মুখবোৰ ক্ৰমান্বয়ে অচিনাকি হৈ পৰিছে। এটা ভয় লগা অকলশৰীয়াই আপোনাক গোটে গোটে গিলিবলৈ লওঁতেই এনেকুৱা কোনোবা আহি আপোনাৰ ওচৰত থিয় দিছে যাক আপুনি একেবাৰেই আশা কৰা নাছিল। তেওঁৰ লগত আপোনাৰ কথাও পতা নহয়, কিন্তু আপোনাৰ সকলো খবৰ লৈ থাকে তেওঁ, আপোনাৰ অজানিতে আৰু বিপদৰ সময়ত ক'ৰপৰা জানো আহি ঢাল হৈ থিয় দিয়ে। আপুনি আচৰিত হয়, বিশ্বাস নহয়। কিন্তু তেওঁ যে বেলিটোৰ দৰেই সঁচা। সেই 'তেওঁ'বোৰেই আমি নজনাকৈ আমাৰ জীৱনটো ভৰাই ৰাখে।

মোৰো হৈছে, চিনাকি মুখৰ অচিনাকি চেহেৰাই হতবাক কৰাৰ সময়তে তেওঁ আহে, এনেদৰে হাতখনত খামুচি ধৰে যে গোটেই পৃথিৱী তুচ্ছ যেন হৈ পৰে। নাই, তেওঁক কোনোদিন ধন্যবাদ দি পোৱা নাই। নাইবা তেওঁৰ সৈতে কেতিয়াও ভগাইও লোৱা নাই নিসংগ ৰাতিৰ উদাসী গল্প। দিনটোৰ শেষত তেওঁ কেতিয়াও নোসোধে, ভালে আছানে বুলি। মাত্ৰ শীতৰ কুঁৱলী ফালি অহা ফেঁহুজালিৰ দৰেই আহে তেওঁ। নাই, কেতিয়াও নিদিয়ে তেওঁ প্ৰতিশ্ৰুতিৰ অখণ্ড পাহাৰ। কিন্তু মইতো জানো, তেওঁ আছে, তেওঁ আছিল আৰু তেওঁ থাকিব।

'ভালপোৱাৰ বজাৰ'

ভালপোৱাৰ বদনামী বজাৰত সদায় নীলাম হয় আৱেগৰ। অনুভূতিহীন শুকান বুকুৰ পথাৰত আজি অভিমানৰ সেমেকা শেলাই। ভেজাল সময়ৰ বিষণ্ণ উশাহত আজি নাই স্পৃহা জীৱনৰ। আধা পচা কলিজাত মৰমো অবুজ সাঁথৰ। দুচকুৰ জপনাত নিষিদ্ধ স্মৃতিৰ আন্দোলন। বাৰে বাৰে হাহাকাৰ, শূন্যতাৰ ঝংকাৰ। আশাবোৰ প্ৰশ্নবোধক, হতাশাৰ ৰাজপাট। পদূলিত নতুনৰ পোহৰ, মনত সেই পুৰণি এন্ধাৰ। নিয়ৰৰ আৰ্তনাদ, দুৰৱীক পাইও হেৰুৱাৰ।

'বেয়াবোৰ খুব বেয়া'

বেয়া, বেয়াবোৰ খুব বেয়া। এই যে মন গ'লেই একেষাৰ শুনাই দিবপৰাকৈ মুখখন আছে আমাৰ, এই যে সমুখৰজনক বিধ্বস্ত কৰি দিবপৰাকৈ ভাষাৰ শক্তি আছে আমাৰ, এই যে আনক ভাঙি যোৱা চাই থকাৰ ভয়ংকৰ লোভ আছে আমাৰ, বেয়া খুব বেয়া এইবোৰ। আমি নাজানো হাঁহিৰ আঁৰত চলা বুকুৰ ভিতৰৰ যুদ্ধবোৰ, আমি নাজানো দিনৰ পোহৰত উজলা কিমানখন মুখেই ৰাতি গাৰুৰ কোলাত গুঁজে, আমি নুবুজোঁ তিৰবিৰাই থকা চকুবোৰে কিদৰে উৰে নিশা যন্ত্ৰণাৰ গল্প ৰচে। আমি মাথোঁ অভিযোগ দিব জানো, আমি শব্দৰে ধাৰাসাৰ কৰিব জানো, আমি যুক্তিৰে ছিৰাছিৰ কৰিব জানো, আমি প্ৰতিযোগিতাৰে জিকিব জানো। বেয়া, খুব বেয়া। উশাহ লৈ থকা মৰাশ হোৱাটো খুব কষ্টকৰ। খুব কষ্ট, খুব।

'প্ৰয়োজন নেকি সদায় প্ৰেক্টিকেল হোৱাটো!'

কেতিয়াবা এনেকুৱা হৈছেনে; ধৰক আপুনি খুব বেছি আৱেগিক হৈ পৰিছে, নিজক সামৰিবপৰাকৈ সক্ষম হ'বপৰা নাই, তেনেকুৱাতে আপোনাৰ আপোন কাৰোবাৰ আগত উদঙাই দিছে ঠুনুকা মনটো। বৈ যাবলৈ দিছে আৱেগবোৰক। তেতিয়াই সেই আপোনজনে আপোনাক ৰূঢ় বাস্তৱৰ পৰিচয় দিছে, যুক্তিৰে প্ৰমাণ কৰিছে যে আপুনি কিমান বেছি আৱেগিক। আৰু আপুনি! আপুনি ভাগি পৰিছে

পুনৰ। পুতৌ উপজিছে নিজলৈ, গোটেই পৃথিৱীৰ পৰা দৃষ্টি আঁতৰাব বিচাৰিছে। পলাব খুজিছে সকলোৰেপৰা। হৈছেনে এনেকুৱা?

কিয়, সকলো সময়তে যুক্তিবোৰ কঢ়িয়াই ফুৰা জৰুৰী নেকি! কোনোবাই আপোনাৰপৰা অলপ সঁহাৰি বিচাৰিছে, তেওঁক 'অভাৰ ইমোছনেল' বুলি অৱজ্ঞা কৰাটো জৰুৰী নেকি! যদি অশান্তি পাইছে, তেন্তে নীৰৱে আঁতৰি যাওক কিন্তু আৱেগক লৈ কৌতুক কৰাটো জৰুৰী নেকি! যদি গোটেই পৃথিৱী অকল যুক্তিৰেই চলিলহেঁতেন, সুৰৰ সৃষ্টি জানো সম্ভৱ হয়? যদি আৱেগৰ মূল্যই নাই, কবিতাৰ ভাষা জানো অমূল্য হয়? কিয় ইমান ঘিণ 'আৱেগ'লৈ, অশ্ৰুৰ অবিহনে জানো নয়ন পূৰ্ণ হয়? আপুনি মই ভাবিব নোৱৰা বিষ বুকুত লৈ জী থাকে বহুতো। কোনোবা যদি আপোনাৰ ওচৰত আৱেগিক হৈছে, তেওঁক মূল্য দিব নোৱাৰিলেও অন্ততঃ কৌতুক নকৰিব। সঁহাৰি জনাব নোৱাৰিলে অন্ততঃ যুক্তি নেদেখুৱাব। আপুনি ভবাৰ দৰে আৱেগিক মানুহবোৰ দুৰ্বল নহয়, সময়ত আপোনাকো তেওঁলোকেই আৱৰিব। সেয়ে কৈছোঁ, কেতিয়াবা যুক্তিবোৰ আঁতৰাই থ'বচোন। মনবোৰ সেউজীয়া হ'ব।

'অকলশৰীয়া নহয় আপুনি কেতিয়াও'

এই যে দিনটোৰ শেষত ৰাতি ভাতকেইটা খাই উঠিয়েই 'কি কৰিছা' বুলি বিশেষ মেছেজটো অহা নম্বৰটো, তাৰ পাছত অনৰ্গল কথা, 'জানা কি হ'ল আজি...'। এসময়ত কথা শেষ হোৱাৰ পাছতো যে আকৌ সোধে, 'তাৰ পাছত, আৰু কোৱা'! আকৌ কেতিয়াবা যে ভাঙি পৰোঁতে এযাৰ কথা, 'হ'ব দিয়া, ইমান নাভাবিবা মই আছোঁ নহয়।' যথেষ্ট, যথেষ্ট এই এযাৰ কথাই। জীৱনটোত আৰু নো কি লাগে ন! কথাখিনি পঢ়ি যাওঁতে আহিছেনে সেই বিশেষ এজনৰ ফটোখন? হাঁহি এটা বিৰিঙি পৰিছে ন? খুব সযতনে ৰাখিব তেওঁক। আৱেগৰ মহঙা দিনত তেনে সেউজীয়া মনৰ বিশেষজনে সদায় জীপাল কৰি ৰাখিব আপোনাক।

কি হ'ল, হুমুনিয়াহ সৰিছে? মোৰ তেনে কোনো নাই বুলি বুকুখন গধুৰ হৈছে? ওলাই আহক আগফালে, চাওকচোন আকাশলে। এই এখন আকাশৰ তলতে আপুনিও আছে, মইও আছোঁ ন? কি মৰমেৰে আৱৰি ৰাখিছে চাওক আমাক। কৈ যাওক, মনত যি যি আছে কৈ যাওকচোন আকাশক। চাব, খুব পাতল লাগিব মনটো। আচলতে সুখবোৰ আমাৰ চৌপাশেই থাকে, কিন্তু আমিহে দুখৰ কাৰণবোৰ বিচাৰি

ফুৰোঁ। শুনক, অকলশৰীয়া নহয় আপুনি কেতিয়াও। এই এখন আকাশৰ তলতেই আমি নাই জানো, তেন্তে অকলশৰীয়া কিয়! ভালে থাকক সদায়। খুব ধুনীয়া আপোনাৰ জীৱনটো, ইয়াক সজাই তোলক হাঁহি আৰু ভালপোৱাৰে।

'কেতিয়াবা মনটোৰ ভাগৰ লাগেনে?'

এই যে দিন ৰাতি একাকাৰ কৰি আপুনি দৌৰি আছে; হয়তো সপোনৰ পাছত, হয়তো সুখৰ পাছত নতুবা দায়িত্ব। ভাগৰ লাগে ন কেতিয়াবা? পৰীক্ষাৰ পাছত পৰীক্ষা দিওঁ উশাহ ল'বলৈ মন যায় ন, চাকৰিৰ অন্তত হাততপৰা খমখমীয়া নোটকেইখনে পাহৰাব পাৰে জানো মনৰ হুমুনিয়াহবোৰ! চৌপাশৰ ব্যস্ততাৰ মাজতো মাথোঁ এবাৰ অলপ সময়ৰ বাবেও ৰৈ দিবলৈ মন নাযায় নে! অথচ আমি ৰ'ব নোৱাৰোঁ, ৰ'ব নোখোজোঁ। সপোন পূৰণৰ তাগিদাত আমি টুকুৰা টুকুৰকৈ খৰচ কৰি গৈ থাকোঁ জীৱন। আমি আগুৱাও, ব্যস্ততাক মেৰিয়াওঁ। সময় চলি থাকে এনেকৈয়ে।

কেতিয়াবা ৰৈ দিব চোন। খমখমীয়া নোটৰ সলনি কেতিয়াবা জোনাক বুটলি চাবচোন। এয়াৰ কণ্ডিচনাৰৰ সলনি কেতিয়াবা পছোৱাজাকক আঁকোৱালি ল'বচোন। দামী গাড়ীৰ লং ড্ৰাইভৰ সলনি কেতিয়াবা প্ৰিয়জনৰ হাতখন মুঠি মাৰি খোজ কাঢ়ি যাবচোন। চাৰিবেৰৰ মাজত চিগাৰেটৰ সলনি আবেলিৰ আকাশখন চাই ৰঙা চাহ কাপৰ ধোঁৱাখিনিক সাবটিবচোন। চাব, হাজাৰ কষ্টৰ মাজতো আপুনি নাভাগৰে। পৃথিৱীত বিজ্ঞানে সকলো যন্ত্ৰ সাজিলে, আপুনি নিজক সেউজীয়া কৰি ৰাখকচোন। আগ বাঢ়ি যোৱাৰ অৰ্থ জানো নিজক পাহৰা কওক। ভালে থাকক, আৰু ভালে ৰাখক আপোনাক ভালপোৱাসকলকো।

'প্ৰেম!'

আজিৰ দিনটোত প্ৰেম মানে কি বুলি সুধিলে আপোনাৰ চকুত নিশ্চয় এখন বিশেষ মুখেই ভাহি উঠিব, আপোনাৰ মুখৰ পৰা নিশ্চয় বিশেষ নাম এটাই সৰি পৰিব। সেই মুখ সেই নাম আপোনাৰ প্ৰিয়জনৰ। কিন্তু প্ৰেমৰ পৰিসৰ ইমান সীমিত জানো! প্ৰেমক সংজ্ঞাৰে বান্ধিব পাৰি জানো! কিয় আমি ভাবি লওঁ, প্ৰেম হ'বলৈ

দুজন জীয়া মানুহ লাগিবই। কিয় আমি বান্ধি থওঁ কেৱল পুৰুষ আৰু নাৰীৰ মাজতে প্ৰেম হ'বই। প্ৰেমে জানো শৰীৰ, বয়স, লিংগ, সময়, সমাজ, বাস্তৱ এইবোৰ বিচাৰ কৰে! নকৰে, কেতিয়াও নকৰে। এই যে কোনোবা এটা বিশেষ গান আপুনি দিনটোত এবাৰ হ'লেও শুনে, এই যে তৰাভৰা আকাশখনলৈ ৰ লাগি চাই আপুনি জোনাক বুটলে, এই যে কেতিয়াবা এজুপি বিশেষ গছৰ তলত বহি আপুনি জীৱনটো জোখে, এই যে কোনো প্ৰিয় উপন্যাসৰ প্ৰিয় চৰিত্ৰৰ লগত আপুনি নিসংগতাৰ গল্প শুনে; বিশ্বাস কৰক সেয়াও প্ৰেম। সেই বিশেষ গানটো আপোনাৰ প্ৰেম যি আপোনাক বুজে। সেই জোনটো আপোনাৰ প্ৰেম যি কেতিয়াও অকলে নেৰে। নাইবা সেই গছজোপাও যি সদায় ছাঁ দিয়ে। নহ'লে সেই বিশেষ চৰিত্ৰটো, যি ছায়া হৈও কেৱল আপোনাৰ বাবেই নামি আহে কল্পনাৰ কুঁৱলী ফালি। প্ৰেমে কোনো সীমা নাজানে। প্ৰেমে কেৱল ভাল পাব জানে। মৰম সিঁচিব জানে। শূন্য বুকুত আৱেগ বোৱাব জানে। বুজিছে, অকলশৰীয়া নহয় আপুনি। এবাৰ চকু ফুৰাওক চোন। আপোনাৰ কাষতেই যিকোনো ৰূপত আপোনাৰ প্ৰেম আপোনাতেই বিলীন হৈ আছে। ভৰাই আছে আপোনাৰ ৰিক্ত হৃদয়। প্ৰেমত পৰিবলৈ, প্ৰেম কৰিবলৈ কাৰোবাৰ প্ৰেমিক নাইবা প্ৰেমিকা হোৱাৰ প্ৰয়োজন নাই। জীৱনৰ মূলেই হৈছে প্ৰেম। প্ৰেম আছে বাবেই আপুনি আছে, মইও আছোঁ। প্ৰেম আছে বাবেই সংগীত আছে, সুৰ আছে। প্ৰেম আছে বাবেই প্ৰকৃতি আছে, ৰং আছে আৰু আছে আশা। মাত্ৰ অনুভৱ কৰক মনৰ আৱৰ্জনাবোৰ আঁতৰাই, আপোনাৰ সেউজীয়া প্ৰেম আপোনাৰ কাষতে সদায়।

'কেতিয়াবা ভয় লাগে'

মোৰ ভয় লাগে। এই যে জীৱনটো অকলে সজাব পৰাকৈ শক্তিকণ গোটোৱাৰ সময়তে কোনোবা এজন আহে, এই যে সৰু সৰু হেঁপাহেৰে সময়বোৰ ভৰাই তোলে, এই যে সকলোবোৰ নতুন নতুন লগা অনুভৱ এটাৰে ভৰি পৰে, এই যে আগ বাঢ়িব খোজা অকলশৰীয়া হাতখনত মুঠি মাৰি ধৰে। আৰু তাৰ পাছত! তাৰ পাছতেই যে সম্পূৰ্ণ অচিনাকি হৈ পৰে দুদিনতে, হেঁপাহবোৰ সলনি হয় অজুহাতলৈ, অভিমান সলনি হয় আমনিলৈ। মোৰ সাংঘাতিক ভয় লাগে তেনে লোকলৈ। নিৰ্জনতাৰ সুযোগ লৈ নিসংগতাৰ গল্প শুনিবলৈ আহি আঁতৰি যোৱা মানুহলৈ ভয় লাগে মোৰ। কঁপি থকা হাতখনত ভৰসাৰ অভ্যাসৰ মোহৰ লগাই

পলাই যোৱা মানুহলৈ ভয় লাগে মোৰ। বেৰঙী সময়ত ৰামধেনু আঁকি বতৰৰ দৰে সলনি হোৱা মানুহলৈ ভয় লাগে মোৰ। ফাগুনৰ ৰং দেখুৱাই সৰাপাতৰ দৰে গচকি যোৱা মানুহলৈ ভয় লাগে মোৰ।

নাহিবচোন এইদৰে। পাৰোতো খোজ কাঢ়িবলৈ অকলে। কিন্তু বহুদূৰ হাতত ধৰি আগুৱাই যোৱাৰ পাছত এই যে আপুনি হঠাৎ হাতখন এৰি দিয়ে, বিশ্বাস কৰক মৃত্যুৰ সমান ভয় লাগে।

'Depression'

'মই বহুত ডিপ্রেছড হৈ আছোঁ, ওলাই যাওঁ ব'ল', 'এইকেইদিন মোৰ বহুত ডিপ্রেছন' —এই ধৰণৰ কথা আজিকালি সুলভ। আচলতে কি এই ডিপ্রেছন! ডিপ্রেছন হৈ থাকিলে 'মই ডিপ্রেছড' বুলি ক'বপৰাৰ সক্ষমতা থাকে জানো!

ব্যক্তিগত অভিজ্ঞতাৰপৰা যদি ক'বলৈ যাওঁ প্ৰায় আঠ মাহ ধৰি এই ৰোগটোৰ সৈতে যুঁজিছিলোঁ। প্ৰথম অৱস্থাত টোপনি নাহে, আহিলেও ঘনে ঘনে সাৰ পাওঁ। মানুহৰ সমাগম সহ্য কৰিব নোৱাৰোঁ। পোহৰ দেখিলে চকুত ধৰে। কেতিয়াবা একেটা ভাজতে গোটেই দিনটো বিছনাত পৰি থাকোঁ। ঘিণ লাগে নিজলৈ। খং উঠে ওচৰৰ পৃথিৱীখনলৈ। মুঠতে চাৰিওফালে অকল হতাশা, এন্ধাৰ। তাৰ পাছতে লাহে লাহে নিজক শেষ কৰি দিয়াৰ বাসনা জাগে। ঈশ্বৰৰ কৃপাত সেইখিনিতেই মই ডাক্তৰৰ পৰামৰ্শ লৈছিলোঁ। আজিৰ তাৰিখত যদিও নিজক সম্পূৰ্ণ সুস্থ বুলি দাবী কৰিব নোৱাৰোঁ, তথাপি যিকোনো পৰিস্থিতিৰ মুখা-মুখি হোৱাৰ সাহস আছে বুলি ডাঠি ক'ব পাৰোঁ।

এতিয়া কথাটো হ'ল মই এইবোৰ কৈ আছোঁ কিয়, খুব খং উঠে জানে নে যেতিয়া ডিপ্রেছনক লৈ কৌতুক কৰা হয়। খুব অসহ্য লাগে যেতিয়া 'মই ডিপ্রেছনত আছোঁ'টো এটা ফেচনত পৰিণত হয়। কি ভাবে আপোনালোকে, ডিপ্রেছনত থকা মানুহে নিজে ক'ব পাৰে যে মই ডিপ্রেছড? ডিপ্রেছনে আগুৰি ধৰিলে কি ছ'চিয়েল মেডিয়াত আপডেট দিব পাৰে? ইমান সহজ? মই কওঁ শুনক, ডিপ্রেছনত ভুগি থকা মানুহে সদায় সেই কথাটো লুকুৱাবলৈ চাই, নিজক সকলোৰে আগত সহজ দেখুৱাবলৈ উঠিপৰি লাগে, সৰু সৰু কথাত হাঁহি হাঁহি বাগৰি পৰে আৰু গোটেই কষ্টবোৰ অকলে নিজে ভোগে। যিটোক আপোনালোকে ডিপ্রেছন বুলি কৈ থাকে,

সেয়া হয়তো anxiety হ'ব পাৰে। ডিপ্ৰেছন নহয়। মই ডাক্তৰৰ ওচৰলৈ যোৱাটো ধৰা নপৰালৈকে ছাঁৰ দৰে লগত থকা বন্ধুৱেও উলিয়াবপৰা নাছিল মোৰ ডিপ্ৰেছন। কেঞ্চাৰতকৈও বহুত বেছি ভয়াৱহ এই বস্তুটো। যিয়ে ভুগিছে অকল তেওঁ জানে। হাতযোৰ কৰিছোঁ এই কথাটো লৈ আৰু কৌতুক নকৰিব। গম নোপোৱাকৈ মানুহ খাই পেলোৱা এটা ৰাক্ষস হয় ডিপ্ৰেছন। কোনোবাই যদি কিবা আপোনাক ক'ব খুজিছে, শুনক। কিন্তু কাহিনীৰ মজা ল'বলৈ নহয়। কোনোবা যদি আপোনাৰ ওচৰত আৱেগিক হৈছে তেওঁক সামৰক, কিন্তু সেই আৱেগক ঠাট্টা কৰিবলৈ নহয়। পুনৰ কৈছোঁ, আপুনি ভাবিব নোৱৰা ধৰণে ভয়ংকৰ এই ডিপ্ৰেছন বস্তুটো। ইয়াক হাঁহিৰ সঁজুলি বনাই প্ৰকৃত ভুক্তভোগীজনক আৰু অকলশৰীয়া নকৰিব। ভালে থাকক সকলো।

'ভালে থাকা বুলি নকওঁ'

Happy Journey বুলি নকওঁ মই, কিন্তু গৈ পালে ফোন কৰিব নাপাহৰিবা। ৰাতি বাৰ বজাত Happy Birthday ক'বলৈ তাৰিখ মনতে নাথাকে মোৰ। কিন্তু দিনটোৰ শেষত আজি কি কি কৰিলা মোক ক'বই লাগিব। ওৰে ৰাতি ফোনটো কাণত লগাই থোৱাতকৈ সোনকালে শুই যাবা, কিন্তু ৰাতিপুৱা মোক জগাই দিবলৈ নাপাহৰিবা। ৰেষ্টোৰাঁৰ দামী খানা খাবলৈ মোৰ নিজৰে পইচা নাই, কিন্তু প্ৰতিটো আবেলি একাপ ৰঙা চাহ হাতত লৈ কথা নিশ্চয় পাতিম। Long Drive যাবলৈ গাড়ী চলাবই নাজানো, কিন্তু সন্ধিয়া তোমাৰ হাতত ধৰি জোনাক চাই খোজ সদায় কাঢ়িম। ভালে থাকা বুলি নকওঁ কেতিয়াও, কিন্তু বিশ্বাস কৰা সদায় ভালে ৰাখিম। এতিয়া কোৱা, পাৰিবা মোৰ হ'ব!!

'নাৰী মানেই সম্পূৰ্ণা'

বহুদিনৰ পৰা ক'ম ক'ম বুলি ভাবি থকা এটা কথা কওঁ। সততে আমাৰ সমাজত শুনা এটা কথা, 'তাই এতিয়াও সম্পূৰ্ণ নাৰী হোৱাগৈ নাই'। কি অৰ্থ ইয়াৰ? কোনে সাজিছে 'সম্পূৰ্ণ নাৰী'ৰ সংজ্ঞা? নাৰী নিজেই সম্পূৰ্ণা যি আনক পূৰ্ণ কৰে, নাৰীক সম্পূৰ্ণ কিহে কৰিব? এচামৰ মতে এগৰাকী নাৰী বিয়া হৈ কেঁচুৱা এটাৰ

(ল'ৰা হ'লে ভাল) জন্ম দিলেহে পূৰ্ণ নাৰী হয়। হয়, মাতৃত্ব এগৰাকী নাৰীৰ জীৱনৰ আটাইতকৈ সুন্দৰ তথা শ্ৰেষ্ঠ অনুভৱ হয়। কিন্তু কাৰোবাৰ উদং গৰ্ভ তেওঁৰ অসম্পূৰ্ণতাৰ প্ৰতীক কিদৰে হ'ব পাৰে? কাৰোবাৰ উকা সেওঁতাই তেওঁৰ আধৰুৱা হোৱাৰ পৰিচয় কিদৰে দিব পাৰে? শুনক, নাৰীক পূৰ্ণতা নালাগে। নাৰী প্ৰকৃতি, যি নিজেই নিজতে পূৰ্ণ। বৰঞ্চ পূৰ্ণতা নাৰীয়েহে দিব পাৰে, সেয়া লাগিলে কাৰোবাৰ ঘৰতেই হওক নাইবা কাৰোবাৰ হৃদয়তেই হওক। মস্কৰাতো বাদেই সহানুভূতি দেখুৱাৰো সাহস নকৰিব সেই শক্তিশালী সত্তাক। মনত ৰাখিব, আখ্যান সাক্ষী আছে, যিগৰাকী নাৰীকেই অপূৰ্ণ বুলি সমাজে হাঁহিছে স্বয়ং নাৰায়ণে সেইগৰাকী নাৰীৰ সন্তান হৈ জন্ম লভিছে। সেয়া লাগিলে কৌশল্যাই হওক বা যশোদায়েই হওক।

'আমি সেইবোৰহে বিচাৰোঁ, যিবোৰ পাবলৈ টান'

সকলোৱে কয়, বিচৰাবোৰ পাবলৈ টান। কিন্তু এবাৰ নিজক সুধি চাবচোন, যিবোৰ পাবলৈ টান আমিওচোন সেইবোৰহে বিচাৰোঁ। আকাশৰ জোনৰ আশাত থকা আমি কেতিয়াবা জোনাকী পৰুৱাটোলৈ চাওঁনে! আবেলিৰ আকাশৰ ৰং আঁজুৰিব খোজা আমি কেতিয়াবা সৰাফুলৰ পাহিকেইখন চাওঁনে! কাঁইটৰ মাজত থকা গোলাপৰ ৰঙা চাই থকা আমি কেতিয়াবা জেতুকাৰ ৰঙাখিনি বুজোঁনে! মুক্ত পক্ষীলৈ ঈৰ্ষা কৰা আমি সূতাৰ বান্ধোনত থকা চিলাখনৰ যন্ত্ৰণা বুজোঁনে! কোনেও আমাৰ কথা নাভাবে বুলি কোৱা আমি নিজে আনৰ কথা ভাবোঁনে! ভালপোৱাজনে আমাক বুজি নাপায় বুলি কওঁ ঠিকেই, কিন্তু কেতিয়াবা আমাক ভাল পোৱাজনৰ মৰমখিনি বুজোঁনে! আমিতো কেৱল আনত দোষবোৰ জাঁপি যাওঁ, অভিযোগ দি যাওঁ, কেতিয়াবা নিজে নিজৰ অভিযোগ শুনোনে!

এবাৰ ভাবিবচোন।

'ৰাধাকৃষ্ণ আৰু হৰগৌৰী'

প্ৰেম মানেই বিৱাহ নহয়, সেয়া ৰাধা কৃষ্ণই দেখুৱাইছিল। কিন্তু বিৱাহ মানেই যে প্ৰেম সেয়া মহাদেৱ আৰু গৌৰীয়ে জনমে জনমে দেখুৱাই গৈছিল। প্ৰেমৰ সমাপ্তি বিৱাহ নহ'বও পাৰে সঁচা, কিন্তু প্ৰেম অবিহনে বিৱাহ যে অসম্ভৱ সেয়া দেৱী

পাৰ্বতীতকৈ ভালকৈ আৰু কোনে বুজিব। হাঁহি উঠে, যেতিয়া কিছুমানে কয় প্ৰেম কৰিলে শিৱ-পাৰ্বতীৰ দৰে হ'ব লাগে। ৰাধাকৃষ্ণৰ প্ৰেমনো প্ৰেমনে? এৰা, ৰাধাকৃষ্ণৰ বিৰহহে আছিল অকল। বিৰহৰ ভয়ত কাৰোবাৰ প্ৰেমক অপমান কৰাসকলে হয়তো নাজানে ৰাধাকৃষ্ণতকৈও অধিক বিৰহ মহাদেৱ আৰু গৌৰীয়ে সহিছিল। ইমান সহজনে গৌৰী হোৱা? কেৱল এজনৰ বাবেই বাৰে বাৰে জন্ম লোৱা? ইমান সহজ জানো সদাশিৱ হোৱা? প্ৰিয়জনৰ বাবে এটা জনম ধৰি সমাধিত বহা? প্ৰেমত বিৰহ স্বাভাৱিক। বিৱাহ মানেই যদি পৰম সুখ, তেন্তে কিয় সুখী নহ'ল ৰাম আৰু সীতা!

শিৱৰাত্ৰি প্ৰেমৰ উৎসৱ, প্ৰাপ্তিৰ উৎসৱ, কিন্তু ইয়েই সমাপ্তি নহয়। এই প্ৰেম তুলনাহীন। যিয়ে ইয়াক তুলনা কৰে, তেওঁ না হৰ-গৌৰীক বুজি পায় নাৰাধাকৃষ্ণক। শিৱৰ শক্তি আছিল গৌৰী। কৃষ্ণৰ প্ৰাণ আছিল ৰাধা। পূৰ্ণ কিন্তু দুয়োজনেই। মাত্ৰ সেন্দূৰৰ বাধা।

'প্ৰিয়জন আৰু প্ৰয়োজন'

কেতিয়াবা আপোনাৰ এনেকুৱা হৈছেনে, এই ধৰক জীৱনটো খুব সাধাৰণভাৱে চলি আছে একো বেছি আনন্দও নাই আৰু পাৰ ভঙা বিষাদো নাই। তেনেকুৱাতে আপুনি কাৰোবাক লগ পাই, যি খুব অকলশৰীয়া হৈ লাহে লাহে নিজক হেৰুৱাবলৈ লৈছে। খুব কাতৰভাৱে তেওঁ আপোনাৰ ওচৰত নিজৰ কঁপি থকা হাতখন তুলি ধৰে। আপোনাৰ সহ্য নহয় আৰু আপুনি আঁকোৱালি লয় সেই হাতখন। তেওঁৰ প্ৰতিটো নিসংগ গল্প আপুনি মনোযোগেৰে শুনে। তেওঁৰ উচুপি থকা সময়বোৰ আপুনি হাঁহিলৈ সলনি কৰে। তেওঁৰ বিশ্বাসৰ ভেটিটো আপুনি পুনৰ এবাৰ মজবুত কৰি তোলে। দিনবোৰ পাৰ হয় কিবা ভাল লগাৰে। আৰু তেনেকুৱাতে এদিন হঠাৎ তেওঁ সলনি হয়। উঠিব নোৱৰা তেওঁৰ জীৱনটো পুনৰ আগৰ দৰে দৌৰিবলৈ সাজু হয়। যিখন হাতক আপুনি আঁকোৱালি লৈছিল সেইখন হাতেই আপোনাক আঁজুৰি পেলায়। তেওঁৰ চৌপাশ নতুন সময় নতুন ৰং নতুন মুখেৰে আকৌ ভৰি পৰে। তেওঁ আগ বাঢ়ে। আৰু আপুনি ৰৈ যায়। আনক এটি নতুন যাত্ৰা দি আপুনি স্তব্ধ হৈ যায়। দোষী হৈ পৰে নিজৰ চকুত। পুতৌ লাগে নিজলৈ। আপুনি ভাগি পৰে। কিন্তু নাপায়, আপুনি আপোনাৰ দৰে কাকো নাপায়।

কি হ'ল? বুকুখন গধুৰ হৈছে ন? এৰি যোৱা মুখবোৰ মনত পৰিছে? নেপেলাব, জোকাৰি পেলাওঁক মনটো। এটা কথা মনত ৰাখিব, মানুহে সদায়

এন্ধাৰতহে চাকিৰ পোহৰ বিচাৰে। আপুনিও সেই চাকিৰ দৰে। এইদৰেই জ্বলি থাকক সদায়। সহায় কৰক, কিন্তু নিজৰ সৰ্বস্ব সময় দি নহয়। এই পৃথিৱীত আপুনিহে আপোনাৰ বাবে প্ৰথম। বাকীবোৰ পাছত। তেওঁলোক নিজে উঠিবপৰা হ'লেই আগুৱাই যাব। ৰৈ যাব আপুনিহে। গতিকে সাৱধান হওক। প্ৰিয়জন আৰু প্ৰয়োজনৰ মাজৰ পাৰ্থক্য বুজক। এনেও, দুদিনীয়া আলহীবোৰ ঘৰলৈ আহিলেহে ভাল লাগে, জীৱনলৈ নহয়।

'কেতিয়াবা পৃথিৱীখন হেৰাই যায়নে?'

কেতিয়াবা পৃথিৱীখন হেৰাই যায়নে আপোনাৰপৰা? নহয়, মই আমি থকা পৃথিৱীখনৰ কথা কোৱা নাই। সেই পৃথিৱীখনৰ কথা কৈছোঁ যিখন আপুনি গঢ় দি লৈছিল আপোনাৰ মনৰ মাজত। সেইখন পৃথিৱীৰ কথা কৈছোঁ যিখন কেৱল আপুনি আপোনাৰ বিশেষজনক লৈ ৰচিছিল। সেইখন পৃথিৱীৰ কথা কৈছোঁ যিখনত বতাহৰ সলনি কেৱল ভালপোৱা বৈছিল, ফুলৰ সলনি য'ত সপোনবোৰ ফুলিছিল। হেৰাই গৈছেনে কেতিয়াবা সেই পৃথিৱীখন? অচিন হৈ পৰিছেনে আজন্মৰ চিনাকিজন? আৰু তাৰ পাছত? তাৰ পাছত আমি কি কৰোঁ! নিজকে বন্দী কৰি দিওঁ এটা দুৰ্গৰ মাজত। আমাৰ চাৰিও কাষটো বেয়া বুলি নিজকে পতিয়ন নিয়াই যন্ত্ৰণাৰ বাকচটোত হেঁচি হেঁচি ভৰাই পেলাওঁ হাঁহি আৰু হেঁপাহবোৰ। এটা সময়ত সেইবোৰ পচি কেৱল হুমুনিয়াহ হৈ ওলাই আহে। আৰু আমি আমাৰ অজানিতেই কটাবলৈ লওঁ এটা বেৰঙী জীৱন।

হৈছে ন আপোনাৰো এনেকুৱা? কিন্তু কিয়? বিশ্বাস কৰক, ইমানো বেয়া নহয় আমাৰ পৃথিৱীখন। কেতিয়াবা সময়বোৰ বেয়া থাকে। আপোনাৰো আছিল চাগে'। তাৰ অৰ্থ নিজক হেৰুৱাই পেলোৱা জানো! এবাৰ সুযোগ দি চাওক সময়ক। চাব, আপোনাক আঁচল ভৰাই ভালপোৱা দিব জীৱনে। যিয়ে এৰি গৈছে, তেওঁৰ কাৰণে নিজক কষ্ট দিয়াৰ কি অৰ্থ? আপুনি আপোনাৰ বাবে। আৰু কি জানে, এই মৰম আকলুৱা মানুহবোৰক ভগৱানেও কেতিয়াও অকলশৰীয়া নকৰে। এবাৰ মূৰ তুলি চাওকচোন, আপোনাৰ কাষতেই কিজানি আছে আপুনি বিচাৰি থকা শেষ নিশাৰ জোন। পাহৰি যাওক পুৰণিবোৰ। স্মৃতি হ'লেই যে মনত ৰাখিবই লাগিব তাৰতো কোনো মানে নাই। এনেও, বুকুখন থেকেচি থকা স্মৃতিতকৈ পাহৰণি বহু গুণে শ্ৰেষ্ঠ।

'নিজক ভালে ৰখা কষ্টকৰ'

অকলে থাকি অকলশৰীয়া হোৱাতকৈ এজাক মানুহৰ মাজত অকলশৰীয়া হোৱাটো বেছি কষ্টকৰ,

অচিনাকিৰ মাজত অচিনাকি হোৱাতকৈ চিনাকিৰ মাজত অচিনাকি হোৱাটো বেছি কষ্টকৰ,

ভালকৈ থাকিবা বুলি ক'বলৈতো বৰ সহজ,

কিন্তু নিজক ভালকৈ ৰখাটো বৰ কষ্টকৰ।

'আনে নজনা কাহিনীবোৰ'

কেতিয়াবা কাৰোবাক চাই বা কাৰোবাৰ লগত কথা পাতি এইটো অনুভৱ হৈছেনে, যে কিবাকৈ যদি এওঁক একেবাৰে পালোঁ হয়। নিজৰ বুলি ক'বপৰাকৈ যদি নিজৰ হ'ল হয়। কথা পাতি থাকোঁতে হঠাৎ এইটো মনত আহেনে যে এওঁতো মোৰ নহয়। আন কাৰোবাৰহে। এটা হুমুনিয়াহ বৈ আহে। এই যে নিজক ৰখাই দিয়াৰ সময়খিনি, প্ৰিয় কাৰোবাৰপৰা নিজক আঁতৰাই অনাৰ যন্ত্ৰণাখিনি, এটা উশাহত নিজক বুজাবলৈ কৰা চেষ্টাখিনি আৰু গোটেই পৃথিবীৰপৰা লুকুৱাবলৈ হাঁহি হাঁহি কৰা অভিনয়খিনি, এইবোৰেই আমাক শিকাই যায় জীৱন কি। পোৱাবোৰ বাস্তৱ নোপোৱাখিনি সপোন। সকলো বস্তু বিচাৰিলেই পোৱা হ'লে সেয়া জানো জীৱন হ'ল হয়। সকলো পাৰফেক্টতো কাহিনীতহে হয়। আমি চলি গৈ থাকিম এনেকৈয়ে, কাৰোবাক দূৰৰপৰা চাই, উশাহৰ লগত অনুভূতিবোৰ ঠেলি, হুমুনিয়াহেৰে আৱেগবোৰ ঢাকি। এৰা, কিছুমান কাহিনী এইদৰেই চলি থাকে। শেষ নোহোৱাকৈ, কোনেও নেদেখাকৈ, কোনেও নজনাকৈ।

'নতুন আৰু পুৰণি'

নতুন আহিলে পুৰণিক আঁতৰাই পঠোৱাটো প্ৰকৃতিৰ নিয়ম। তাত নতুনৰ দোষ একো নাই। কিন্তু দোষতো পুৰণিৰো নাই ন! কাৰোবাক সদায় একেদৰেই

পাবলৈ বিচৰাটো জানো দোষ হ'ব পাৰে, কাৰোবাৰ চকুত নিজৰ বাবে সদায় একেই অনুভূতি চাব বিচৰাটো জানো দোষ হ'ব পাৰে, অকলশৰীয়া সময়বোৰত সদায় একেজনকেই কাষত বিচৰাটো জানো দোষ হ'ব পাৰে, উদাস ৰাতিবোৰত সদায় একেই এষাৰ মাত শুনিব খোজাটো জানো দোষ হ'ব পাৰে, ব্যস্ততাৰ ফেৰেঙণিত সেই একেই এখন চিনাকি হাত খামুচি ধৰিবলৈ খোজাটো জানো দোষ হ'ব পাৰে। তেন্তে কিয় আমি সলনি হওঁ! কিয় আমি আৱেগবোৰক দুদিনৰ বাবে সাঁচি থওঁ! কিয় আমি হ'ব নোৱাৰোঁ চিৰদিনৰ বাবে আপোন, ভালপোৱা জানো মাত্ৰ এনিশাৰ সপোন!

'কেতিয়াবা নিজক নিচুকাবলৈ চেষ্টা কৰিছে?'

কেতিয়াবা নিজক নিচুকাবলৈ চেষ্টা কৰিছেনে? এই ধৰক বাৰে বাৰে চকুযোৰ ভৰি আহিছে, বুকুখন ছিৰাছিৰ হৈ আছে, গোটেই পৃথিৱীখনৰপৰাই পলাই যাবৰ মন গৈছে। তেনে সময়তো দায়িত্ব, কৰ্তব্য অথবা যিকোনো কাৰণতেই নহওক কিয় নিজক জোৰ কৰি হুঁহুৰাই পাইছেনে? বাৰে বাৰে চকুৰ কোণকেইটা মোহাৰি ঘন ঘনকৈ উশাহ লৈ পাইছেনে? যন্ত্ৰণাত কঁপি উঠা ওঁঠযোৰ দাঁতেৰে কামুৰি নিজকে সহজ কৰাৰ চেষ্টা কৰিছেনে? ফেঁকুৰি উঠিব খোজা মুখখনেৰে অনৰ্গল কথা কৈ নিজক পাহৰোৱাৰ চেষ্টা কৰি পাইছেনে? জানো, আমি প্ৰায় সকলোৱে এই কাঁইট যেন সময় পাৰ কৰি আহিছোঁ হয়তো কৰিও আছোঁ। জোৰ কৰি নিজকে সময়ৰ লগত নিবলৈ চেষ্টা কৰোঁ। ফলাফল কি হয়, আমি মাত্ৰ উশাহটো লৈ থাকোঁ। শুনক, নকৰিব তেনেকুৱা। যদি পৰা নাই, অলপ বৈ দিয়ক। নিজক অলপ সময় দিয়ক। জোৰ কৰি চকুযোৰ নাবান্ধিব। বৈ আহিবলৈ দিয়ক টোপালবোৰ। মন উজাৰি কান্দক। বুকুখনক কষ্ট নিদিব। প্ৰয়োজন নাই গোটেই পৃথিৱীখনক সুখী কৰি ৰখাৰ। আপুনি নিজৰ যত্ন লওক। চকুৰে বৈ অহা পানীৰে বুকুৰ শিলটো গলি যাবলৈ দিয়ক। যিমান পাৰে কান্দক। মাত্ৰ মনত ৰাখিব, এবাৰ উঠি অহাৰ পাছত যাতে সেই একেটা কাৰণতে আকৌ কান্দিব লগা নহয়। আপোনাৰ চকুপানীৰ মূল্য বহুত বেছি, ইয়াক একেটা কাৰণতে বাৰে বাৰে খৰচ নকৰিব। চকুপানীয়ে দুৰ্বল নকৰে। সাহস লাগিব, নিজৰ সমুখত নিজক উদঙাই দিবলৈ। ভাগিপৰাটো ডাঙৰ কথা নহয়। কিন্তু উঠি আহোঁতে

এনেদৰে উঠি আহক যাতে আপুনি আকৌ নিজেতো নপৰেই লগতে পৰিবলৈ ধৰা আন দহজনকো উঠাব পাৰে।

‘কওঁ বুলিয়েই কৈ নিদিবচোন’

কাৰোবাক কিবা এটা কৈ দিয়াৰ আগত এক মুহূৰ্তৰ বাবে দুটা কথা ভাবিবচোন। প্ৰথমটো এইটো যে মোৰ এই কথাটোৱে সমুখৰজনক কিদৰে চুবগৈ, দ্বিতীয়তে সমুখৰ মানুহজনে সঁচাকৈ এই কথাটো শুনিবলগীয়ানে। পাৰিলে এই দুটা কথা মনলৈ আনিবচোন এবাৰ। আমি কিমান সহজে আনক ধৰাশায়ী কৰি পেলাওঁ কথাৰে। কিন্তু এইটো কথা কল্পনাও কৰিব নোৱাৰোঁ যে হাড় নথকা জিভাখনে কি ভয়ংকৰভাৱে কাৰোবাৰ বুকুখন ছিৰাছিৰ কৰি দিব পাৰে। পাছত যিমানেই ‘sorry’ নাইবা ‘ভুলতে ক’লোঁ’, ‘খঙতে ক’লোঁ’ বুলি নকওঁ কিয় আপোনাৰ এই sorryটোৱে কেতিয়াও বুকুৰ ঘাবোৰ শুকুৱাব নোৱাৰে। আৰু কি জানে, শুনিবপৰা মানুহে শুনাবও পাৰে। কিন্তু আপোনাৰ প্ৰতি থকা ভালপোৱাখিনিয়ে সমুখৰ মানুহজনক ৰখাই দিয়ে। আৰু তেওঁ আঘাতখিনি লৈ নীৰৱে আঁতৰি যাবলৈ বাধ্য হয়। আনফালে আপুনি অনুভৱ নকৰাকৈ নিজৰ জীৱনৰপৰা এটা মূল্যবান বস্তু হেৰুৱাই পেলায়। খুব বেছি কৃত্ৰিম এই পৃথিৱীখন। তাৰ মাজত যদি কোনোবা আপোনাৰ সুখ নাইবা দুখত কাষত থিয় দি আছে, ভাগ্য বুলি ভাবক আপোনাৰ। সেই মানুহজনক নিজৰ নিসংগতা দূৰ কৰাত ব্যৱহাৰ কৰি পাছত দলিয়াই দি নিজৰ চৌপাশটো অন্ধকাৰ কৰি নল’ব। এনেও, আকাশৰ তৰা গণি গণি ওচৰত থকা মুকুতা হেৰুৱাই পেলোৱাৰ উদাহৰণ বহুত আছে আমাৰ মাজতে। সম্পৰ্কবোৰক সময় থাকোঁতেই মূল্য দিয়ক, নহ’লে সময়ে আপোনাৰপৰা সম্পৰ্কবোৰ কাঢ়ি নিব। তাৰ পাছত মোক কোনেও নুবুজে বুলি হাহাকাৰ কৰি লাভ নাই। আপোনাক ভালে ৰখা মানুহবোৰক ভালে ৰখাৰ দায়িত্ব কিন্তু আপোনাৰেই।

‘মই যি কওঁ সমুখত কওঁ’

আজিকালি এই কথাটো প্ৰায়ে শুনা যায়। ‘মই পাছফালে কথা নকওঁ, সমুখত কওঁ’ বুলি কোৱা মানুহ বহুত পাইছোঁ জীৱনত। হয়, ভাল কথা। পিছফালে বদনাম

ৰটি ফুৰাতকৈ সমুখত কোৱাটো খুবেই ভাল কথা। কিন্তু সেই সমুখত কওঁতে অলপ সাৱধান হ'ব নোৱাৰিনে? দোষ-গুণ আলোচনা-সমালোচনা যিকোনো কথাই হওক কোৱাৰ সময়ত অলপ শব্দ প্ৰয়োগৰ ক্ষেত্ৰত নৰম হ'ব নোৱাৰিনে? 'মই সমুখত কথা কওঁ' বুলি মানুহৰ মুখলৈ নাচাই হকে-বিহকে কৈ যোৱাটো কি ধৰণৰ স্বভাৱনো? কওক, সমুখতেই কওক। কিন্তু সকলো কথাৰে এটা ধৰণ থাকে ন? কথা ক'ব পাৰে বুলি এনেকুৱা কিবা এটা কৈ নিদিব যিয়ে আপোনাৰ সমুখৰজনক নিজৰ ওচৰতে উঠিব নোৱৰা কৰি পেলায়। কাৰোবাৰ ভুলটো দেখুৱাই দিয়াটো খুব ভাল কথা। কিন্তু সেই ভুল দেখুৱাৰ পদ্ধতিটো যদি মস্কৰা, উপহাস নাইবা মানসিক আক্ৰমণ হয় তেন্তে সেয়াই কিন্তু ভালৰ সলনি বেয়াহে বেছি কৰে। পাছত আপুনিতো 'মই যি কওঁ আগত কওঁ' বুলি আঁতৰি যাব, কিন্তু যাক কৈ থৈ আহিল তেওঁৰ অৱস্থাটো কি হ'ব কল্পনা কৰিব পাৰিবনে? খুব কষ্টকৰ সময় পাৰ কৰি থাকে গোপনে বহুতে। কেতিয়াবা আপোনাৰ এষাৰি মাতেই কাৰোবাৰ দিনটো ভৰাই তুলিবলৈ যথেষ্ট। ঠিক তেনেকৈ এষাৰি মাতেই কাৰোবাক ওৰে ৰাতি চকুলো বোৱাবলৈ যথেষ্ট। অলপ সাৱধান হ'বচোন কথাবোৰ কওঁতে। ভালপোৱা বিলাবলৈ টকা-পইচা খৰচ নহয়তো, মাত্ৰ এটি মিঠা হাঁহি আৰু অলপ মৰমৰ মাতেই যথেষ্ট।

'কিছুমান কথা কাকো ক'ব নোৱাৰি'

কিছুমান কথা কাকো ক'ব নোৱাৰি, কিছুমান ভাষা কাকো বুজাব নোৱাৰি, কিছুমান কষ্ট কাকো দেখুৱাব নোৱাৰি, কিছুমান কাহিনী কাকো শুনাব নোৱাৰি, কিছুমান কবিতা ক'তো লিখিব নোৱাৰি। সেইবোৰ মাত্ৰ বৈ থাকে বুকুতে অহৰহ। কেতিয়াবা বিষাক্ত কীটৰ দৰে কামুৰি ছিৰাছিৰ কৰি পেলাই বুকুৰ ভিতৰখন। চিঞৰি দিম যেন আকাশ বিদাৰি। কিন্তু নাই, বাহিৰত মাত্ৰ এটা শেঁতা হাঁহিহে ওলায়। কেতিয়াবা আকৌ শান্ত ৰাতিৰ ৰূপালী জোনাকৰ দৰেই মন ভৰায়। ওৰে নিশা ভাল লগাবোৰেৰে সপোন সজায়। হাঁহিৰে পোহৰ ছটিয়ায়, আৰু পুৱাতে নিয়ৰৰ টোপালটোৰ দৰেই আঁতৰি যায়। বৈ যায় বিষটো। হাঁহিৰ আঁৰৰ বিষটো। নিজক লুকুৱাৰ বিষটো। নিজৰপৰা পলোৱাৰ বিষটো। নিজক হেৰুৱাৰ বিষটো। বুকুৰ ওপৰৰ শিলটো এনেকৈয়ে থাকি যায়, মাত্ৰ এন্ধাৰে চেলেকা ৰাতিবোৰ সাক্ষী হৈ ৰয় সদায়, গাৰুটো তিতে সঘনাই।

'সৰু সৰু কথাবোৰ ভগাই লৈছেনে?'

কেতিয়াবা কোনোবাই খুব সৰু সৰু কথা আপোনাৰ সৈতে ভগাই লৈছেনে? এই ধৰক, 'আজি ৰাতিপুৱা সোনকালে সাৰ পালোঁ জানা', নাইবা 'আজি ক্লাছত ছাৰে কি ক'লে জানানে', নহ'লে 'কালি ধুনীয়া সপোন এটা দেখিলোঁ জানা' ইত্যাদি ইত্যাদি। এই সৰু সৰু কথাবোৰে আপোনাক যেন ভৰাই তোলে। সঁচাই ন, কাৰোবাৰ জীৱনৰ কণ কণ সময়বোৰৰ সাক্ষী হ'বলৈ পোৱাটোও জানো কম কথা! লাহে লাহে যে আপুনিও ক'বলৈ লয়। এই ধৰক, 'আজি হোষ্টেলৰ দালিখিনি ইমান বেয়া আছিল জানানে', নাইবা 'আজি ঘৰত মায়ে ইমান গালি পাৰিলে' আৰু যে কত কি। সময়বোৰ ভাল লাগি গৈ থাকে। আপুনি নিজৰ অজানিতেই জীৱনটো ভগাই লয় বিশেষজনৰ ওচৰত। আৰু সেই বিশেষজন আপোনাৰ ওচৰত হৈ পৰে এটি মৰমলগা অভ্যাস। যেন কথাবোৰ নক'লেই নহ'ব, প্ৰতিটো খবৰ তেওঁ জানিবই লাগিব। কথাখিনি পঢ়ি যাওঁতে এখন মুখ বাৰে বাৰে ভাহি উঠিছে ন, আহোঁ আহোঁ কৰি সৰি পৰিছে ন হাঁহি এটি। তেওঁ কাষত থকাৰ দৰে অনুভৱ হৈছেনে? ৰাখক, আলফুলে ৰাখক তেওঁক। সময়বোৰ সেউজীয়া হৈ থাকক।

নে এটা হুমুনিয়াহ সৰিছে? এনে এটা সময় মইও পাৰ কৰিছিলোঁ বুলি মেলি লৈছে নেকি স্মৃতিৰ জপাটো? এতিয়া তেওঁ কাষত নাই? আচলতে ভুলটো আমি ক'ত কৰোঁ জানে, মৰম ভালপোৱালৈকে ঠিকে আছিল। আমি খুব সহজেই কাৰোবাক অভ্যাস বনাই লওঁ। জনাওক, সকলো কথা ভগাইও লওক বিশেষজনৰ মাজত। মাত্ৰ এটা কথা সদায় মনত ৰাখি থ'ব, জীৱনত কেতিয়াও কোনো মানুহক অভ্যাস কৰি নল'ব। কাৰণ এটা অপ্ৰিয় সত্য কি জানে, কোনোবা যেতিয়া আঁতৰি যায় আৱেগতকৈ বেছি কষ্ট অভ্যাসে দিয়ে। তেওঁৰ লগত কথা পতাৰ অভ্যাস, সকলো কথা জনোৱাৰ অভ্যাস। এই অভ্যাসবোৰেই আমাৰ মনটো গচকি থাকে বহু দিনলৈ। সেয়ে কওঁ, অভ্যাস নিজৰ লগত নিজক লৈ কৰক। কাৰণ সলনি হ'লে অকল বতৰহে ভাল লাগে, মানুহ নহয়।

'পিতৃ মাতৃসকললৈ'

পিতৃ-মাতৃৰ বয়সৰ লোকসকলক এটা কথা ক'ব খোজোঁ। কেতিয়াবা এনেকুৱা হৈছেনে, আপোনাৰ সন্তানে নিজৰ ৰুমত সোমাই লাইট অফ কৰি মোবাইলত ব্যস্ত হৈ আছে। আৰু আপুনি ৰুমটোত সোমাই 'কিনো আন্ধাৰখনত থাক' বুলি লাইটটো দি বহি লয়। তাৰ পাছত আৰম্ভ কৰে, 'দিনটো অকল মোবাইলত লাগি থাক, পঢ়া-শুনা নকৰ নেকি, কি কৰিবি জীৱনত'নাইবা, 'চাকৰি-বাকৰিৰ খবৰ নলৱ কিয়, অমুকে চাকৰি পালেই', নহ'লে ছোৱালী হ'লে, 'বিয়া নহ'ব নেকি' ইত্যাদি ইত্যাদি। কেতিয়াবা আপোনাৰ সন্তানে নিশ্চুপ হৈ শুনি থাকে। আৰু কেতিয়াবা ওলোটাই উত্তৰ দিয়ে, 'মোক এইবোৰ কৈ নাথাকিবি'। লগে লগে আপুনিও 'অ' তোক কথা ক'বই নোৱাৰি" আদি গালি পাৰি উঠি আহে। এটা কথা জানেনে, ল'ৰাটো বা ছোৱালীজনী মোবাইলত ব্যস্ত থকাৰ অৰ্থ কেৱল এইটোৱেই নহয় যে তাৰ বা তাই কাৰোবাৰ লগত প্ৰেমৰ সম্পৰ্কত আছে। বৰ্তমান সময়বোৰ এনেকুৱা হৈছে, এই বয়সৰ ল'ৰা-ছোৱালী মানে আমি আপোনালোকে ভাবিব নোৱৰা কিছুমান সমস্যাৰ সৈতে যুঁজি থাকোঁ। এলান্ধু যেন লগা কেৰিয়াৰ, সঘনাই সলনি হোৱা মুখ আৰু যে কত কি। তাতোকৈ কি জানে, যাক আপুনি দুই-এষাৰ কথাৰে ধৰাশায়ী কৰি আহিল, সেই ল'ৰাটো নাইবা ছোৱালীজনীয়ে আপোনালোকৰ মুখত এটি হাঁহি বিৰিঙাবলৈকে দিনে-নিশাই চিন্তা কৰে। আপোনালোকে হয়তো নুবুজিব, কিন্তু আমাৰ বাবে প্ৰেমাস্পদে মোবাইলত দিয়া চুমাটোতকৈ আপোনালোকৰ হাঁহিভৰা মুখখন বেছি প্ৰিয়। আপোনালোকৰ দোষ বুলি নকওঁ, নিশ্চয় আমাৰ ভাল বিচাৰে বাবেই আমাক গালি পাৰে। কিন্তু কেতিয়াবা কাষত বহি টকা-পইচা, চাকৰি, কেৰিয়াৰ, বিয়া আদিৰ কথা পতাতকৈ এবাৰ কাষলৈ আহি সুধিবচোন, 'ভালে আছনে তই?' কেতিয়াবা দিনটো বিছনাতে বাগৰি থকা সন্তানটিৰ মূৰটো নিজৰ কোলাত লৈ মৰম কৰি ক'বচোন, 'ইমান চিন্তা নকৰ, আছোঁ নহয় আমি'। চাব, আপোনাৰ সন্তানৰ চকুযোৰ পানীৰে ভৰি আহিব। এটা কথা কি জানে, যিমান প্ৰেম বা বন্ধু থাকিলেও মাকৰ কোলা আৰু দেউতাকৰ কান্ধখনৰ দৰে জিৰণি কোনেও দিব নোৱাৰে। সেয়ে কৈছোঁ, লাইটটো অন কৰি ৰুমটো পোহৰ কৰাতকৈ দুই-এষাৰ মৰমৰ কথা পাতি সিহঁতৰ মুখখন পোহৰ কৰিবলৈ চাওকচোন। তাৰ পাছত চাব, আপোনাৰ সন্তানক আৰু একোৱে ৰখাব নোৱাৰে।

'সময়, সপোন আৰু সম্পৰ্ক'

#Aspirants চালেনে? বহুদিনৰপৰা মনত গুঁজৰি থকা কিছুমান কথা দেখা পালোঁ seriesখনত। আমাৰ জীৱনটো মাত্ৰ তিনিটা বস্তুত গৈ থাকে। সময়, সপোন আৰু সম্পৰ্ক। সময় আগুৱাই যোৱাৰ লগে লগে আমি সপোনৰ নামত ইমানেই দৌৰিব খোজোঁ যে এটা এটা কৈ এৰি যাওঁ সম্পৰ্ক। সেয়া লাগিলে প্ৰেমেই হওক বা বন্ধুত্ব। সপোনৰ নামত টুকুৰা টুকুৰকৈ খৰচ কৰি যাওঁ জীৱন। হয়, শেষত হয়তো সফলতাও পাওঁ। কিন্তু সন্দিপে কোৱাৰ দৰে জীৱনত সেই সফলতাই কি কৰিম যদি আমাৰ সফলতাত গৌৰৱ কৰিবলৈও কোনো নাথাকে। অনুৰাধা বাইদেৱে 'নীল প্ৰজাপতি'ত লিখিছিল, "চিৰিৰে অকল উধাই যোৱাটোৱেই গতি নহয়, থমকি ৰৈ পৃথিৱীখনৰ সৌন্দৰ্য্য বুটলি ল'ব নাজানিলে এই গতিৰ শেষত মাথোঁ শূন্যতা থাকে।" সঁচাই ন, আমি সপোনক ইমানেই গুৰুত্ব দি দিওঁ যে তেওঁলোককেই পাহৰি যাওঁ যিয়ে আমাক সপোন দেখিব শিকাইছিল। যাৰ বাবে আমি সপোন দেখিছিলোঁ। আৰু এই যে প্ৰতিযোগিতা, সফলতা এইবোৰ। অকলে আগ বাঢ়ি গৈতো সকলোৱেই জিকিব পাৰে। কিন্তু সকলোৰে লগত আগ বাঢ়ি চাওকচোন, চাব সফলতাও মহোৎসৱৰ দৰে লাগিব। জীৱন গৈ থাকিব। আমি অকলেই আহিছোঁ অকলেই যাম গৈ। কিন্তু থকাৰ দিনকেইটাও যদি সপোনৰ দোহাই দি অকলেই কটাওঁ, জীৱনত আমি কি কৰিবলৈ আহিলোঁনো? অকল টকা পইচা, যশ-খ্যাতিয়ে মুখৰ হাঁহিটো দিব পাৰে জানো! আৰু হাঁহি থকা মানেইতো সুখত থকা নুবুজায়। আৰু এই যে সুখ, ই কোনো প্ৰতিযোগিতাৰ ৰিজাল্টত, খমখমীয়া নোটত নাইবা দামী হোটেলৰ বিলাসী কোঠাত নাই। ই আছে আপোনাৰ আপোনজনৰ চকুত। কেতিয়াবা আপোনাৰ যশস্যাত উৎফুল্লিত হৈপৰা বন্ধুৰ চকুযুৰিলৈ চাবচোন, আপোনাৰ হাঁহি দেখি ৰ লাগি চাই ৰোৱা মাৰ মুখলৈ চাবচোন, পৃথিৱীৰ যত চব সুখৰ সংজ্ঞা তাতেই পাব।

গতিকে আগুৱাই যাওক। সপোনবোৰ চকুত ৰাখক আৰু সম্পৰ্কবোৰ বুকুত। তাৰ পাছত চাব সময় সদায় আপোনাৰ হ'ব।

'জোন সকলোৰে'

সৰুতে আকাশৰ জোনটো দেখি খুব অহংকাৰ হৈছিল। ভাবিছিলোঁ জোনটো অকল মোৰ। মই য'লৈকে যাওঁ, সিও তালৈকে যায়। মোৰ লগে লগে থাকে। কেৱল মোৰ বাবেই যেন ওলায়। ডাঙৰ হোৱাৰ পাছত বুজি পালোঁ, অকল মোৰ নহয় জোন আচলতে সকলোৰে। সকলোৰে লগত একে। এতিয়া মানুহ দেখিছোঁ। জোনৰ দৰে মানুহ। প্ৰথমে ভাব হয় যে তেওঁ মোৰ বাবেই আছে। কেৱল মোৰ কাষত। কেৱল মোৰ লগত। অনুভৱ হয়, মই বিশেষ। পাছত উপলব্ধি কৰোঁ, তেওঁ সকলোৰে বাবেই। সকলোৰে লগতেই একেদৰে। মই বিশেষ নহয়। হুমুনিয়াহৰ বাদে আৰু একো নাথাকে। তথাপি জোনক ভালপাওঁ। এতিয়াও ভালপাওঁ। মোৰ নহয় বুলি জানিও ভালপাওঁ। জোন ভাল পোৱা মানুহে অভিযোগ দিব নাজানে, জোন ভালপোৱা মানুহে ভালপোৱা দাবী কৰিব নাজানে, জোন ভালপোৱা মানুহে প্ৰাপ্তিৰ হাবিয়াস ৰাখিব নাজানে। জানে মাথোঁ পূৰ্ণ হোৱাৰ ভুৱা আখৰা কৰি অপ্ৰাপ্তিক বুকুত সাবটি আজীৱন দূৰৈৰপৰা চাই ৰ'ব; অকলে, নিৰলে।

'কাৰোবাক জোৰকৈ পাহৰিবলৈ চেষ্টা কৰি পাইছেনে?'

কেতিয়াবা কাৰোবাক পাহৰিবলৈ চেষ্টা কৰি পাইছে? খুব জোৰকৈ? এই যেন ভুলতো তেওঁৰ নামটো শুনিলেও বৈ যাব আপোনাৰ দিনটো, যেন তেওঁ ভাল পোৱা বস্তু এটা দেখিলেও থমকি যাব আপোনাৰ সময়। মুঠতে খুব জোৰকৈ নিজক আঁতৰাই আনিব লাগে, সেইটোৱেই আহি থাকে অনবৰতে। হৈছেনে এনেকুৱা? পাৰিলে নকৰিব। কাৰণ, নিজকে সোধকচোন। এনেকৈ জোৰ কৰি কাৰোবাক আঁতৰাব পৰিছে জানো মনৰপৰা? আঁতৰিছে বুলি বুকুত হাত থৈ ক'ব পাৰিব? ওহোঁ, নোৱাৰে। হয়, লগ-সংগৰ মাজত হয়তো পাহৰি থাকি নিজক ফাঁকি দিব। কিন্তু, অকলশৰীয়া সময়বোৰক ফাঁকি দিব পাৰিব জানো, ৰাতিৰ শোৱা গাৰুটোক ফাঁকি দিব জানো পাৰিব? জোৰকৈ হুঁহাৰ পাছত বুকুলৈ নামি অহা বিষটোক ফাঁকি দিব পাৰিব? নাইবা, শেষ ৰাতি শুনা সেই দুখৰ গানটোক? নহ'লে নিসংগতাৰ এন্ধাৰবোৰক? এই সকলোৱে লগ হৈ আপোনাৰ লগত তেওঁৰ কথাই জানো দোহাৰি নাথাকে?

তেন্তে? গতিকে বাদ দিয়ক। জোৰ কৰি পাহৰিবলৈ বাদ দিয়ক। পাহৰাৰ নামত নিজৰ লগতে জবৰদস্তি কৰি নিজক হেৰুৱাবলৈ বাদ দিয়ক। যদি তেওঁক পাহৰিম বুলি ভাবিছে, অলপ সময়ৰ বাবে নহয়। হাতত সময় লৈ একেবাৰে পাহৰক। কান্দিবলৈ মন গৈছে, কান্দক। নিজৰ ওচৰত নিজক উজাৰি কান্দক। কাৰোবাৰ আগত তেওঁৰ কথা ক'বলৈ মন গৈছে, কোনোবা প্ৰিয় বন্ধুৰ আগত কৈ পেলাওক। কিন্তু লাহে লাহে ওলাই আহক তেওঁ নামৰ জালখনৰপৰা। সময় লাগিব। কিন্তু চাব, এদিন এনে এটি ৰাতি আহিব, যেতিয়া আৰু আপোনাৰ গাৰুটোৱে যন্ত্ৰণাৰ গল্পৰে ভিজিব নালাগিব। এটি এনে ৰাতিপুৱা আহিব, যিদিনা আপোনাৰ গালত শুকান চকুলোৰ দাগ নাথাকিব। এটি এনে দিন আহিব, যিদিনা গোটেই দিনটো এক মুহূৰ্তৰ বাবেও সেই বিশেষজনৰ কোনো কথা, কোনো স্মৃতি একোৱেই আপোনাক বৈ যাবলৈ বাধ্য কৰিব নোৱাৰিব। মাত্ৰ তেতিয়ালৈকে ভালে থাকক। বাকী সময়হে, পাৰ হ'বই। জীৱনহে, চলি যাবই।

'মানুহ আঁতৰি যোৱা দেখিছেনে?'

মানুহ আঁতৰি যোৱা দেখিছেনে? সময়ৰ সোঁতে সোঁতে ব্যস্ততাৰ পালতৰা নাৱত উঠি নিজৰ প্ৰিয় চিনাকিজন অচিনাকি হোৱা দেখিছেনে? আপুনি জানে যে তেওঁ দিনে দিনে দূৰলৈ গৈ আছে। তাৰ পাছতো আপুনি মৌন। কেতিয়াবা চাগে' কৈ চাইছে, 'তুমি সলনি হৈছা'। সিফালৰ উত্তৰ, 'একেই আছোঁতো'। সলনিৰ আটাইতকৈ ভয়ংকৰ কথাটো কি জানে, ইয়াক সলনি হোৱাজনৰ বাহিৰে বাকী সকলোৱে অনুভৱ কৰে। মাত্ৰ তেওঁ নিজে নকৰে। নিজৰ অজ্ঞাতে আঁতৰি গৈ থাকে। আৰু কষ্ট, কষ্টটো আমাৰ দৰে সদায় একে হৈ থাকিব খোজাবোৰৰ হয়। মন যায়, খুব মন যায় যেন তেওঁক সকলো ক'ম। কিন্তু নাই, অৱহেলাৰ ওচৰত হেঁপাহৰ নিৰ্লজ্জ পৰাজয়। আৱেগবোৰ বেৰঙী হৈ পৰে। অভিমানবোৰেও এসময়ত ঠিকনা হেৰুৱাই পেলায়। বুকুখন গধুৰ কৰি হুমুনিয়াহবোৰে নিজকে নিজেই বুজায়। মচিবলৈ কোনো নাই বুলি জানিয়েই নেকি লাহে লাহেচোন চকুপানীবোৰো নোলোৱা হয়। জীৱন গৈ থাকে। আৰু এসময়ৰ ভাল লগা চিনাকি নাম এটা লাহে লাহে এটা বিষত পৰিণত হয়। এৰা, এটি পুৰণি বিষ। কেতিয়াবা মাজনিশা জোনাকে সোঁৱৰায়, কেতিয়াবা আবেলিৰ বেলিটোৱে। উক দিয়ে পুৰণি বিষটোৱে। আকৌ জামৰে।

সলনি শব্দটোত বিশ্বাস কৰি আমি পাহৰোঁ। নে পাহৰাৰ আখৰা! এৰা, আখৰায়েই চাগে'। দোষ নাই, দোষ কাৰোৰে নাই। এয়াই নিয়ম। কুঁহিপাত ওলোৱাৰ পাছত সৰাপাতলৈ কোনেও নাচায়। কোনেও নাচায়।

'নিজেই জোন হওকচোন'

এটা কথা কওকচোন, আপোনাৰ জীৱনত এনে কোনোবা ব্যক্তি আছে নে যিয়ে দিনটোত আপুনি নোখোজাকৈয়ে কিছুমান সৰু সৰু ভাল লগা আপোনালৈ পঠিয়ায়। এই ধৰক, আপোনাৰ প্ৰিয় শিল্পীৰ ভাল লগা গান। নাইবা কোনোবা কিতাপৰ ভাল লগা শাৰী। নাইবা কিবা হাঁহি উঠা সৰু ভিডিঅ'। নহ'লে কিবা ভাল লগা ফটো, জোনাকৰ, ফুলৰ, বৰষুণৰ। যদি আছে, বিশ্বাস কৰক আপুনি সঁচাই চহকী। সেই ব্যক্তিজনৰ মৰমৰ ওপৰত কেতিয়াও সন্দেহ নকৰিব। আপোনাৰ মুখৰ এটি হাঁহিয়েই তেওঁৰ বাবে সম্পদ। আজিৰ দিনত নিমখৰ চহৰত এইদৰে মৰম ছটিয়াই ফুৰা কোনোবা যদি আপোনাৰ ওচৰত আছে তেন্তে সঁচাই আপুনি ভাগ্যৱান।

ৰ'ব, মনটো বেয়া লাগিছে? ভাল লগা বস্তু দিয়াটো বাদেই কথা পাতিবলৈ মেছেজ এটা দিবলৈকো কোনো নাই বুলি হুমুনিয়াহ সৰিছে? তেন্তে এটা কাম কৰকচোন। আপুনিয়েই আৰম্ভ কৰকচোন। আপোনাৰ ওচৰৰ মানুহখিনিৰ বাবে নাইবা এজন-দুজনৰ বাবে হ'লেও আপুনিয়েই সেইজন হৈ পৰকচোন। আপোনাৰ কোনোবা বন্ধু নাইবা যি কোনো চিনাকি কাৰোবাৰ ভাল লগা কিবা আপুনি দিবলৈ লওকচোন। চাব, এদিন সেই ভাল লগাখিনি আপোনালৈও আহিব। এই পৃথিৱীত আমি যিটো দিওঁ সেইটোৱেই ওভতাই পাওঁ। বেয়া লগাবোৰ আমি ইমান মুকলিকৈ প্ৰকাশ কৰোঁ, তেন্তে ভাল লগাবোৰ কিয় নহয়? আৰম্ভ কৰক না। চাব, যেতিয়া আপোনাৰ কাৰণে কাৰোবাৰ ওঁঠত হাঁহি এটি বিৰিঙি উঠিব। আপোনাৰ নিজে নিজেই মনটো ভৰি পৰিব। কাৰোবাৰ চকুপানীৰ কাৰণ হোৱাটো বহুত সহজ। আমি জনা বা নজনাকৈ বহুতৰ চকুপানীৰ কাৰণ হওঁ। পাৰিলে, কাৰোবাৰ ওঁঠৰ মিচিকিয়া হাঁহিটিৰ কাৰণ হৈ চাওকচোন। এতিয়াতো সকলো ফালেই এন্ধাৰ। আন কোনোবা জোন হৈ আহিব বুলি আশা কৰাতকৈ আপুনি নিজেই জোন হৈ চাওকচোন। তেতিয়া দেখিব, কোনো এন্ধাৰে আপোনাক চুবহি নোৱাৰে।

ভালে থাকক আৰু ভালে ৰাখক।

'অভিমানে মৰম বঢ়ায়'

কেতিয়াবা এনেকুৱা হৈছেনে, আপোনাৰ কোনোবা প্ৰিয় বন্ধু বা বান্ধৱী নহ'লে বাই-ভনী নাইবা আপোনাৰ চৌপাশৰ যিকোনো লোকে আপোনাৰ ওচৰত ওফোন্দ পাতিছে। এই ধৰক, আপুনি তেওঁক নোকোৱাকৈ কিবা এটা কৰিলে। যিটো তেওঁ আনৰপৰাহে গম পালে। নাইবা, ধৰি লওক আপুনি তেওঁৰ জন্মদিনৰ দৰে বিশেষ দিন এটাত শুভেচ্ছা নিদিলে। নাইবা, তেওঁ আপোনালৈ ফোন কৰিছিল আৰু আপুনি উত্তৰ দিব নোৱাৰিলে। আৰু লগে লগে তেওঁ আপোনাৰ লগত কথা নপতা হয়, আঁতৰি থাকে নাইবা দেখিলেও মাত নিদিয়ে। তেতিয়া আপুনি কি কৰে? বিৰক্তি বুলি খং কৰে? নে নিজে ঠিক হ'ব বুলি এৰি দিয়ে? শুনক, নকৰিব তেনেকুৱা। এই অভিমান তেওঁৰ ওচৰতহে কৰা যায়, যাৰ ওপৰত অভিমান ভাঙিব বুলি বিশ্বাস থাকে। কোনোবাই যদি আপোনাৰপৰা অকণমান আদৰ বিচাৰি অভিমান কৰিছে, তেন্তে তেওঁক সেই মৰমখিনি দি অভিমান ভঙাতনো কি আপত্তি কওক। আৰু এটা কথা কি জানে, যদি কোনোবাই আপোনাৰ ওচৰত অভিমান কৰিছে, তেন্তে নিশ্চয়কৈ জানিব যে আপুনি তেওঁৰ বাবে বিশেষ। সেইবাবে হে। কাৰণ বেয়া পাবলৈ হ'লে আগতে ভালোতো পাব লাগিব। আমি তেওঁলোককহে খং কৰোঁ, অভিমান কৰোঁ, যাৰ পৰা আমি আদৰ আশা কৰোঁ। যাক আমি অন্তৰেৰে ভালপাওঁ। আৰু সকলোতকৈ ভাল লগা কথাটো হ'ল, অভিমান ভঙাৰো এটা সুকীয়া মাদকতা আছে। ইয়াক সকলোৱে নাপায়। সকলোৰে জীৱনত অভিমান কৰিবপৰাও কোনো নাথাকে। আপোনাৰ কাষত যিহেতু আছে, গতিকে এবাৰ চেষ্টা কৰি চাবচোন। আপোনাক বেয়া পাই মুখ ফুলাই থকাজনক এবাৰ মৰমেৰে মাতি কথা পাতি চাওকচোন। এই যে আপোনাৰ এষাৰ কথাতে অলপ মৰমতে শিমলু তুলাৰ দৰে উৰি যাব তেওঁৰ অভিমান, এই যে আপোনাৰ অলপ আদৰতে মমৰ দৰে গলি যাব তেওঁৰ খঙৰ পাহাৰ, এই যে আপোনাৰ এটি পৰশতেই তেওঁৰ ওঁঠত ওলমি ৰ'ব আপুনি নামৰ ফাগুন যেন লগা হাঁহিটো; বিশ্বাস কৰক সেইখিনিয়ে আপোনাকো পূৰ্ণ কৰি তুলিব। যান্ত্ৰিক পৃথিৱীখনত আপোনাৰ মাতষাৰো যে কাৰোবাৰ বাবে হাঁহিৰ কাৰণ তাতেই জানো আপোনাৰ জীৱনৰ এক প্ৰাপ্তি নহয়! গতিকে অভিমানক অনাদৰ নকৰিব।

কাৰণ অভিমানে মৰমবোৰ আৰু বেছি সেউজীয়া কৰি তোলে। এটা কথা সদায় মনত ৰাখিব, আপুনি সদায় প্ৰিয় তেওঁৰ বাবে, তেওঁৰ বুকু ভৰি থাকে আপোনালৈ মৰমেৰে, গতিকে অভিমান তেওঁ কাৰ ওপৰত কৰিব আপোনাৰ বাহিৰে।

ভালে থাকক মৰম, হেঁপাহ আৰু ভালপোৱাৰে।

'ভাল পাওঁ বুলি চাগে' নকওঁ'

তোমাৰ বাবে জোন আনি দিবতো নোৱাৰিম, কিন্তু তোমাক জোন হৈ সদায় পোহৰাব পাৰিম। প্ৰতিটো সময়ত তোমাক আৱৰি ৰাখিব হয়তো নোৱাৰিম, কিন্তু আৱৰি ৰখা সময় কণ তোমাৰ ওঁঠত হাঁহি জিলিকাই থাকিব নিশ্চয় পাৰিম। পৃথিৱীৰ প্ৰতিটো সুখ হয়তো তোমাক দিব নোৱাৰিম, কিন্তু তোমাৰ বাবে এখন সৰুকৈ ভালপোৱাৰ পৃথিৱী গঢ়ি দিব পাৰিম। তোমাৰ বাবে দায়িত্ববোৰ পাহৰিব নোৱাৰিম, কিন্তু মোৰ আটাইতকৈ ভাল লগা দায়িত্ব তুমিয়েই হ'বা। কেতিয়াও দুখ নাহে বুলি কথা দিব হয়তো নোৱাৰিম, কিন্তু প্ৰতিটো দুখত তোমাৰ কাষত থিয় দিব নিশ্চয় পাৰিম। কেতিয়াবা তোমাৰ বাবে প্ৰথম হ'ব নোৱাৰিব পাৰোঁ, কিন্তু তোমাৰ বাবে সদায় শেষ ময়েই হৈ থাকিম। তোমাৰ অভিমানৰ অভ্যাস হয়তো আঁতৰাব নোৱাৰিম, কিন্তু অভিমান ভঙাৰ অধিকাৰ সদায় ল'ব পাৰিম। মোৰ বাবে মাত্ৰ আৰম্ভণি হৈ চোৱা, বাকী সামৰণি হৈ তোমাক সামৰি ৰখাৰ দায়িত্ব মোৰ। ভাল পাওঁ বুলি হয়তো নক'ব পাৰোঁ, কিন্তু তোমাক ভালে ৰখাৰ দায়িত্ব সদায় মোৰ।

'কেতিয়াবা মানুহ হেৰায়'

কেতিয়াবা মানুহ হেৰাই যায়নে? নাই নাই, মৃত্যুত হেৰুৱাৰ কথা কোৱা নাই। কোৱা নাই প্ৰেমিক-প্ৰেমিকাৰ কথাও। এই যে এসময়ত খুব প্ৰিয় সংগী সময়ৰ কোলাত লাহে লাহে অচিনাকি হৈ পৰে, এই যে এসময়ত জীৱনটো টুকুৰা টুকুৰকৈ ভগাই লোৱা কোনোবা প্ৰিয় বন্ধু এদিন নোহোৱা হৈ যায় ব্যস্ততাৰ গৰ্ভত, এই যে এসময়ৰ খুব ৰসাল ৰঙীন বন্ধুৰ জাক এটা লাহে লাহে মাথোন চিনাকি হৈ পৰে গৈ। কেৱল hi/hlwতেই সীমাবদ্ধ হৈ ৰয় কথোকথন। হয়নে এনেকুৱা? সৌ সিদিনালৈকে নতুন চোলা এটা ল'লেও প্ৰথমে খবৰ দিয়া বন্ধুজনে আজি হয়তো

অকল জন্মদিনতহে মনত পেলায়। সৌ সিদিনালৈকে দিনটোত এবাৰলৈ লগ কৰা বন্ধুজনে হয়তো আজি ফেচবুকৰ ফটোতহে আপোনাৰ মুখ দেখা পায়। সৌ সিদিনালৈকে যাক বেলেগে আপোনাৰ খবৰ সুধিছিল আজি হয়তো তেওঁ নিজেও আপোনাৰ খবৰ নাপায়। দোষ নাই কাৰো। এয়াই বাস্তৱ, এয়াই সময়। আমি আগুৱাব লাগিব। নতুনক আদৰিব লাগিব। ৰৈ গ'লে নহ'ব। কিন্তু তাৰ মাজতো কেতিয়াবা ৰৈ চাবচোন। কোনোবা এটা ব্যস্ততাৰ আবেলি একাপ চাহ লৈ বহিবচোন। নালাগে, কাকো জনাব নালাগে। মাত্ৰ নিজেই এবাৰ উভতি চাবচোন। বহুকেইখন মুখে আমনি কৰিবহি। এজাক হাঁহিৰ খিলখিলনিয়ে কোবাই যাবহি।

কথাখিনি পঢ়োঁতে অগাডেৰা কৰিছে নেকি দুই-এখন মুখ? সৌ সিদিনাৰ প্ৰতিটো সময়ৰ সাক্ষী কোনোবা আজি কেনেকৈ আছে নাজানে বুলি সৰিছেনে হুমুনিয়াহ? ব'লকচোন, আজি আবেলিটো সজাওঁ। ফোনটো উঠাওক, এবাৰ কথা পাতক তেওঁৰ লগত। নাই, মই এৰি অহা নাইবা বিচ্ছেদ হোৱা প্ৰেমৰ কথা কোৱা নাই। কৈছোঁ হয়তো আপোনাৰ প্ৰিয় বন্ধু নাইবা বান্ধৱীৰ কথাহে। এসময়ৰ আপোনাৰ প্ৰতিটো গোপন গল্পৰ একমাত্ৰ সংগী। কোনো কাৰণ নোহোৱাকৈ তেওঁলৈ এনেই ফোন এটা কৰকচোন। খা-খবৰ সুধি পুৰণি ভাল লগা স্মৃতিৰ পেৰাটো মেলকচোন। চাব, কিবা এটা ভাল লাগিব আপোনাৰ। লগতে তেওঁৰো। সময়ে আমাক খুব নিষ্ঠুৰভাৱে আগুৱাই নিয়ে। কিয় জানেনে, কাৰণ আমি সময়ক সুযোগ দিওঁ। কিন্তু কেতিয়াবা সময়ক ৰ'বলৈ দি চাবচোন। বুকুখন বহুখিনি পাতল হ'ব। পাৰিলে এতিয়া এবাৰ পুৰণি কাৰোবাৰ লগত কথা পাতিব। কাৰণ, নতুন যিমানেই নাহক। পুৰণিৰ দৰে আমাক বুজি কোনেও নাপায়। মনত ৰাখিব, বৰ্তমানৰ কুৎসিত ৰূপটো কেৱল অতীতেহে সুন্দৰ কৰিব পাৰে। এতিয়া আবেলি। বেলি ঘূৰাৰ সময়। এবাৰ আপুনিও ঘূৰি চাওকচোন। চাব, অকাশখনৰ দৰেই ৰঙীন হৈ পৰিব মনটো।

'আত্মহত্যা'

হেঁপাহবোৰৰ পৰিমাণ কিমান কমি গ'লে ফেনখনে দেহটোৰ ওজন ল'ব পাৰে বাৰু! চকুত আশাৰ পৰিমাণ কিমান কমি গ'লে চকুৱে এন্ধাৰ চাব বিচাৰে বাৰু! কিমানখিনি কান্দোনে সোপা মাৰিলে ডিঙিটোৱে ৰছীডাল বিচাৰে বাৰু! বুকুখন

কিমান বেছি খালী হৈ গ'লে শূন্যত ওলমি দিব পাৰি বাৰু! সময়বোৰ কিমান ক'লা হৈ পৰিলে নিজক বগা কাপোৰেৰে মেৰিয়াই থোৱা চাবলৈ মন যায় বাৰু! কিমান বেছি হতাশাই আগুৰি ধৰিলে নিজে নথকা পৃথিৱীখন কল্পনা কৰিব পাৰি বাৰু! কাপুৰুষ আখ্যা দি দিয়াটোতো বহুত সহজ, কিন্তু নিজক নিজে শেষ কৰাৰ আগত মৰি মৰি জীয়াই থকাটো কিমান সহজ বাৰু!

'আত্মহত্যা' —এটা খুব ভয় লগা শব্দ নহয়? কিন্তু আমি নজনাকৈয়ে দিনটোত কিমান যে মানুহক হত্যা কৰি আহিছোঁ তাৰ জানো হিচাপ ৰাখিছোঁ! আচৰিত হৈছে? হয়, মই ঠিকেই কৈছোঁ, আপুনি, মই বা আমি নিজে নজনাকৈয়ে বহু মানুহক হত্যা কৰি আহিছোঁ দিনটোত। কেতিয়াবা কাৰোবাক শব্দৰে, কেতিয়াবা কামেৰে, কেতিয়াবা অৱহেলাৰে। এই যে কাৰোবাৰ ওপৰত উঠা খং এটা খুব সহজেই আনৰ ওপৰত উঠাই দিওঁ, উৰহৰ খং ভগা ঢাৰিত বুলি ৰসিকতা কৰিলেও এবাৰলৈ ভাবোঁনে সেই মানুহজনৰ মনটোৰ অৱস্থা কি হ'ল। এই যে কাৰোবাৰ হেঁপাহবোৰক আমি অৱহেলাৰ দ'মটোলৈ দলিয়াই দিওঁ, এবাৰলৈ ভাবোঁনে তেওঁৰ আকলুৱা বুকুখনৰ কথা। এই যে দুদিনীয়া মৰম দেখুৱাই আকৌ আমি নিজৰ সৈতে ব্যস্ত হৈ যাওঁ, এবাৰ ভাবোঁনে দুখৰ দিনত আমাক আৱৰি ৰখা সেই হাত দুখনৰ কথা, এই যে নতুনৰ আগমনত আমি উত্ৰাৱল হৈ পৰোঁ, এবাৰ ভাবোঁনে পুৰণিখিনিৰ আদৰৰ কথা। ওহোঁ, নাভাবোঁ। কোনোবাই ভাবিলেও আমি কৈ দিওঁ, সলনি হোৱাটো প্ৰকৃতিৰ নিয়ম। এৰা, সলনি হোৱাটোৱেই নিয়ম। কিন্তু সলনি হোৱা আৰু বেলেগ হৈ যোৱাৰ মাজত পাৰ্থক্য আছে। আবেলিৰ পাছত এন্ধাৰৰ সাজযোৰ পিন্ধি লৈ পৃথিৱীখন সলনি হয় সঁচা, কিন্তু বেলেগ কিবা হৈ নাযায়। পোহৰৰ বাহিৰে সকলো একেই থাকে আৰু পুৱা পুনৰ আগৰ অৱস্থালৈ ঘূৰিও আহে। তেন্তে 'সলনি' শব্দটোক ওৰণিৰ দৰে ব্যৱহাৰ কৰি নিজৰ স্বাৰ্থপৰতাখিনি লুকুৱাই থৈ আমি জানো দিনে-নিশাই কোমল মনবোৰক হত্যা কৰা নাই? নকৰিব এনেকুৱা। পৃথিৱীখন সকলোৰে বাবে। গতিকে শুধৰণিবোৰ সময় থাকোঁতেই কৰক। কাৰণ পাছত চিলিং ফেন নাইবা ৰছীডালে উত্তৰ দিব নোৱাৰে। আজি সুশান্তৰ মৃত্যুৰ এবছৰ বুলিয়েই কোৱা নাই, তেনে বহুত সুশান্ত আপোনাৰ মোৰ আশে-পাশে আছে। তেওঁলোকৰ যতন লওক, যাতে মানুহে ভৰি থকা পৃথিৱীৰপৰা কোনো মানুহ মানুহৰ অভাৱত নিজে গুচি যাব লগা নহয়। ভালে থাকক আৰু সকলোকে ভালে ৰাখক।

'মৰমৰ ভিক্ষা'

মৰমৰ ভিক্ষা কৰি পাইছে কেতিয়াবা? হাজাৰজন কাষত থকাৰ পাছতো এজনৰ বাবে হাহাকাৰ কৰি পাইছেনে কেতিয়াবা? হাঁহি উঠা আড্ডাৰ মাজত ঘপকৈ উচুপি পাইছে? চকুপানী লুকুৱাবলৈ জোৰকৈ হাঁহি নিজৰ ওচৰতে ধৰা পৰি পাইছে? নাজানো, কিয় এনে হয়, হাঁহিবলৈ হাজাৰটা কাৰণ থকাৰ পাছতো বুকুখনে কান্দিবৰ সেই এটা কাৰণহে বিচাৰি লয়। কথা পাতিবলৈ অনেকজন থকাৰ পাছতো মনটোৱে সেই অৱহেলাখিনিৰহে অপেক্ষাত ৰয়। কেতিয়াবা পাৰোঁ, গোটেই দিনটো ব্যস্ততাৰ মাজত পাৰ কৰি নিজক লৈ সময় সজাবও পাৰোঁ। কিন্তু তাৰ মাজতো ব্যস্ততাৰ ফেৰেঙণিত সেই হুমুনিয়াহটোৱে লগ নেৰে, সেই বিষটোৱে লগ নেৰে। এটা বিষ, ক'ব নোৱৰা কবিতাৰ বিষ, হাঁহিব নিদিয়া কাহিনীৰ বিষ, আধৰুৱা সপোনৰ বিষ। হয়, সঁচাকৈ সময়ে সকলো পাহৰাই। কিন্তু কাৰোবাক নিজৰ প্ৰিয় সময় বুলি যেতিয়া সজাই লোৱা হয়, তেতিয়া সেই সময়ক পাহৰি যোৱা সম্ভৱ জানো। পাহৰি থাকিব পাৰি, কিন্তু পাহৰি যাব জানো পাৰি! নিদিয়ে, ইচ্ছা কৰিলেও সেই বিষটোৱে নিদিয়ে। এই নিলাজ বিষটোৱে অকলে নেৰে কেতিয়াও। আপুনি হাজাৰ ভিৰৰ মাজতে থাকক বা মাজনিশা অকলশৰে, এই বিষটোৱে আপোনাক যেন অনবৰতে সোঁৱৰাই থাকে, কিছু আধা লিখা গানৰ কথা। আৰু আপুনিও সৰাপাতৰ দৰে হুমুনিয়াহ সৰায়। মনত ৰাখিব, আপুনি অকলশৰীয়া নহয়। আমি সৰাপাত হৈ সৰো বাবেই কুঁহিপাত ওলায়। সময় আগুৱায়।

এই সৰাপাতবোৰ ভালে থাকক, সৰি সৰিও হাঁহি থাকক। নহয়, বুকুৰ বিষটোৰ উপশমতো কেতিয়াও নহয়। কিন্তু মুখৰ হাঁহিটোৰে জীৱনবোৰ চলি থাকক।

'পাহৰিবলৈ সহায় লৈ পাইছেনে?'

কেতিয়াবা কাৰোবাক পাহৰিবলৈ আন কাৰোবাৰ সহায় লৈ পাইছেনে? এই ধৰক বহুদিনীয়া পুৰণি অভ্যাস এটা হঠাতে এৰিব লগা হ'ল, এই ধৰক বহুদিনীয়া ভাল লগা সুৰ এটা আধাতেই শেষ হৈ গ'ল, চৌপাশৰ পৃথিৱীখন যেন আপোনাৰ বাবে ধূঁৱলী-কুঁৱলী হৈ পৰিছে, যেন ৰৈ গৈছে আপোনাৰ দৈনন্দিন জীৱনটো, সময়

বেৰঙী সপোন যাযাবৰী আৰু বাস্তৱ! বাস্তৱে নিষ্ঠুৰভাৱে থেকেচি আছে জীৱনটোক। তেনেকুৱা সময়ত আপুনি কি কৰে? নৈত পৰিব খোজা মানুহে খেৰকূটাকো সাবটি ধৰাৰ দৰেই আপুনিও ধৰিছে নেকি কাৰোবাৰ হাত? সেই 'কোনোবা'জনেও আৰৰি ৰাখিছে চাগে' আপোনাক। আপোনাৰ সিঁচৰতি হৈ থকা জীৱনটো যেন তেওঁ টুকুৰা-টুকুৰকৈ বোটলে। আপোনাৰ বেচিজিল সময়বোৰ যেন তেওঁ আটোমটোকাৰিকৈ সজালে। লাহে লাহে আপুনি হাঁহিবলৈ লয়। আপোনাৰ ক'লা-বগা জীৱনৰ কেনভাছ-খনত সেই বিশেষজনে আকৌ ৰামধেনুৰ ৰং সিঁচি দিয়ে। এসময়ত আপুনি সম্পূৰ্ণ আগৰ দৰে হৈ পৰে। হৈছেনে এনেকুৱা? একো নাই, আমি মানুহহে। ইজনে সিজনৰ সহায় লৈ জীয়াই থকাত একো ভুল নাই। কিন্তু তাৰ পাছত? হেৰাই যোৱা জীৱনটো আগৰ ৰূপত ঘূৰাই পোৱাৰ পাছত আপুনি কি কৰিছে? সময়বোৰ ভাল হ'ল বুলি আগৰ দৰে আগ বাঢ়ি গুচি গৈছে? সেইজনৰ খবৰ ৰাখিছেনে যিয়ে আপোনাক আপোনাৰ হেৰুৱা জীৱনটো ঘূৰাই দিলে? বেছি ভাগেই নাৰাখে। আচলতে আমি মানুহবোৰেই এনেকুৱা। সেই নৈত পৰিবলৈ ধৰোঁতে খেৰকূটাডালক যে ধৰোঁ তাৰ পাছত তাক তাতেই এৰোঁ। কিন্তু আৱেগবোৰতো আৰু খেৰকূটা নহয়। আপোনাৰ জীৱনটো চিজিল লগোৱা জনে নিজে কিদৰে আছে সেইটো চোৱাৰ দায়িত্ব জানো আপোনাৰ নহয়? যিয়ে আপোনাক ভালে ৰাখিছিল তেওঁক ভালে ৰখাৰ দায়িত্বও জানো আপোনাৰ নহয়? শুনক, জীৱনত যিয়েই নকৰে কিয়, অকলশৰীয়া সময়ত লগ দিয়াজনক কেতিয়াও অৱহেলা নকৰিব। যিয়ে আপোনাক হাঁহিবোৰ ঘূৰাই দিলে তেওঁৰ চকুলোৰ কাৰণ কোনো দিন নহ'ব। হয়তো তেওঁ মুখেৰে একো নক'ব পাৰে কোনোদিন কিন্তু আপুনি তেওঁৰ কাষত থাকক। কাৰণ আপুনিতো আগৰ দৰে হৈ পৰিল কিন্তু আপোনাক চম্ভালি থাকি তেওঁ কিজানি নিজক হেৰুৱাই পেলালে। চাকিৰ পোহৰখিনিতো সকলোৱে দেখে কিন্তু চাকিৰ তলৰ এন্ধাৰখিনি কোনোবাই চায় জানো! এই পৃথিৱীত কোনেও নাভাবে কাৰো কথা। তাৰ মাজতে যদি কোনোবাই আপোনাৰ কাৰণে অলপ হ'লেও সময় উলিইয়াছে, সঁচাকৈ কৈছোঁ তেওঁক অৱজ্ঞা নকৰিব কেতিয়াও। বেছি নহয়, মাত্ৰ ইমানলৈকে কাষত থাকক যাতে কোনোবা এদিন 'ভালনে খবৰ' বুলি সুধিব লগাৰ দৰে সময় নাহে। এন্ধাৰ দেখি এসময়ত আঁতৰি যোৱা মুখবোৰক লৈ ইমানো ব্যস্ত নহ'ব যে এন্ধাৰত আপোনাৰ কাষত থকা পোহৰকণো হেৰাই যায়। কাৰণ সময় ঘূৰিবলৈ বৰ বেছি সময় নালাগে। ভালে থাকক আৰু আপোনাক ভালে ৰখা জনকো ভালে ৰাখক।

'ইজনে সিজনৰ খবৰ ৰাখোঁ আহকচোন'

"কিবা কথা থাকিলে মোৰ আগত ক'বা, কিবা প্ৰ'ব্লেম হ'লেও শ্বেয়াৰ কৰিবা" —এই শাৰীটো আপুনি চাগে' এবাৰ হ'লেও জীৱনত শুনিছে। হয়তো প্ৰিয়জনৰ পৰা, হয়তো প্ৰিয়বন্ধুৰপৰা নাইবা নিজৰ দাদা-বাইদেউ যিকোনো লোকৰপৰা। কিন্তু সঁচাকৈ কাষত পায়নে তেওঁলোকক? সঁচাকৈ আপোনাৰ বিপদত বিনাদ্বিধাই খুলি ক'ব পাৰেনে সকলো? নে 'বেয়া পাব নেকি' বোলা ভাব এটাই ৰখাই দিয়ে? কিয় হয় এনেকুৱা? যিসকলে এই শাৰীটো কাৰোবাক কয় তেওঁলোকক কৈছোঁ, এই কথাটো কোৱাতেই দায়িত্ব শেষ হৈ যায় জানো! 'তোমাৰ কিবা হ'লে মোক ক'বা' বুলি কৈ যদি আপুনি তেওঁ ঢুকি নোপোৱাকৈ আঁতৰি যায়, তেন্তে কি সাহসত কি যুক্তিত তেওঁ আপোনাক বিচাৰি যাব? আপুনিতো আৰু ভগৱান নহয় যে প্ৰাৰ্থনা কৰিলেই শুনা পাব! আচলতে কি জানেনে, আমি খুব সহজেই কৈ দিওঁ যে মই আছোঁ কিবা হ'লে ক'বা। কিন্তু এই কথাটো কৈ আমি নিজৰ জীৱনত এনেকৈ ব্যস্ত হৈ যাওঁ যে আমি যাক এইদৰে কৈ আহিছিলোঁ তেওঁ নিজেই আমাৰ কাষ চাপিবলৈ সাহস গোটাব নোৱাৰে। চাওক, জীৱনত কাকো মুখেৰে প্ৰতিশ্ৰুতি দিব নালাগে। যদি কাৰোবাৰ বাবে সঁচাই থাকিব খুজিছে, যদি কাৰোবাৰ বিপদৰ সাৰথি হ'ব বিচাৰিছে তেন্তে মাত্ৰ সিমানখিনিলৈকে কাষত থাকক যাতে তেওঁ সহায় খুজিবলৈ আপোনাক বিচাৰি আহিব লগা নহয়। তেওঁৰ জীৱনত বিপদৰ উমান আপুনি যাতে তেওঁৰ লগতেই পায়। 'মোক ক'বা, মই আছোঁ' বুলি কৈ দিয়াটো বহুত সহজ, কিন্তু সঁচা অৰ্থত তাক কৰি দেখুওৱাটো অলপ টান। অকলেই আহিছোঁ অকলেই যাম, কিন্তু থকা দিনকেইটা একেলগে থাকোঁচোন। জীৱনটো নিজেতো আমি সজাবই লাগিব, তাৰ মাজতে ইজনে সিজনৰ খবৰ ৰাখোঁ আহক চোন। ভালে থাকক সকলো।

'কেতিয়াবা কাৰোবাৰ এটা মেছেজ'

কেতিয়াবা কাৰোবাৰ এটা মেছেজ, এটা ফোন, এযাৰি মাতেই যথেষ্ট ন দিনটো ভৰাই দিবলৈ! এই ধৰক আপুনি খুব ব্যস্ত হৈ আছে। মূৰ দাঙিব নোৱৰা, উশাহ ল'ব নোৱৰাকৈ ব্যস্ততা। তেনেকুৱাতে কোনোবাই কোনো কাৰণ নোহোৱাকৈ

যে আপোনাৰ খবৰ সোধে, কোনো কাৰণ নোহোৱাকৈ যে আপোনাৰ ব্যস্ততাবোৰৰ হিচাপ লয়, মনটো তাতেই চহকী হৈ পৰে ন! আমিতো সকলোৱেই ব্যস্ত। তাৰ মাজতো ব্যস্ততাৰ ফেৰেঙণিত যে আপুনি কাৰোবাৰ ভাৱনাত আহিব পৰাকৈ মৰম জগাব পৰিছে, সেয়াও জানো প্ৰাপ্তি নহয়? নাই, তেওঁ আপোনাৰ প্ৰেমিক বা প্ৰেমিকা কোনো নহয়। আপোনাৰ দাদা, বাইদেউ কোনো নহয়। কিন্তু তথাপি তেওঁ বিশেষ। আপোনাৰ মনগহনত ঠাই ল'বপৰাকৈ বিশেষ। যাৰ স্মৃতি আপুনি কাৰো সৈতে ভগাবও নোখোজে। স্মৃতি হ'লেই যে ভগাব লাগিব, তাৰতো মানে নাই। কিছুমান স্মৃতি বুকুত সাঁচি ভাল লাগে, কিছুমান ছবি কেমেৰাত নহয়, চকুত সাঁচি থৈ ভাল লাগে। কেতিয়াবা নিজক সুধি চাবচোন, তেওঁ আপোনাৰ কোন হয়। উত্তৰ একো নাহে, মাত্ৰ সলাজ হাঁহি এটাই কৈ যাব, নাজানো কোন কিন্তু কিবা এটা ভাল লাগে। এই ভাল লগাবোৰ সদায় বিশেষ। কোনো কাৰণ নোহোৱাকৈ খবৰ লোৱা মানুহবোৰ সদায় বিশেষ। মোৰ কোনো নোহোৱাকৈও মোৰ সকলো হৈ পৰাজন সদায় বিশেষ। এই ভাল লগাবোৰে সদায় আৱৰি ৰাখক, হেৰাই নোযোৱাকৈ, ভাগি নপৰাকৈ। এই ভাল লগাবোৰ সদায় ভাল লাগি থাকক, সলনি নোহোৱাকৈ, আঁতৰি নোযোৱাকৈ।

'বিশেষ মানুহবোৰ'

কিছুমান মানুহ সদায় বিশেষ। 'কি খবৰ' বুলি সোধাজনতকৈ 'মন বেয়া নেকি' বুলি সোধাজন সদায় বিশেষ। 'কিবা হ'লে মোক ক'বা' বুলি কোৱাজনতকৈ 'কি হৈছে মোক কোৱা' বুলি কোৱাজন সদায় বিশেষ। statusত দুশাৰী লিখাৰ পাছত 'ভাল লিখিছা, মইও দিম দেই' বুলি কোৱাজনতকৈ 'ঠিকে আছানে তুমি' বুলি সোধাজন সদায় বিশেষ। মেছেজত 'ভালে থাকা' বুলি বুজোৱাজনতকৈ 'ফোন কৰোঁনে' বুলি সোধাজন সদায় বিশেষ। status আৰু storyটো সকলোৱেই দিয়ে, কিন্তু জন্মদিনত ফোন এটা কৰাজন সদায় বিশেষ। ভুল বুজা মানুহতো হাজাৰ আছে, কিন্তু মন বুজাজন সদায় বিশেষ। মনটো জোনাক হৈ থাকে এই বিশেষ মানুহবোৰৰ বাবে। দিনটোত চাগে' আজি আপুনি বহুতকে লগ পাইছে, কিন্তু ওপৰৰ কথাখিনি পঢ়োঁতে যাৰ মুখ মনলৈ আহিছে তেওঁ আপোনাৰ বাবে সদায় বিশেষ। এনেইতো আপুনি ধুনীয়াই, কিন্তু এতিয়া মুখত যিটো হাঁহি জিলিকি আছে সেইটো সদায় বিশেষ। এইদৰেই হাঁহি থাকক সদায়।

‘কেতিয়াবা একোৱেই ভাল নালাগে’

কেতিয়াবা একোৱেই ভাল নালাগে। প্ৰিয় গীতৰ সুৰবোৰো আমনি লাগে। শব্দবোৰেও লুকাভাকু খেলে। হুমুনিয়াহবোৰে যন্ত্ৰণাৰ ওচৰত নিলাজভাৱে নীলাম কৰি থাকে অনুভৱবোৰক। চকুপানীৰ পুখুৰীটোত সপোনবোৰ ককবকাই থাকে। কেতিয়াবা জোনাকেও চকুত ধৰে, বৰষুণৰ শব্দও বুকুত বাজে। কেতিয়াবা ফুলবোৰেও যেন ঠাট্টা কৰে। একো ভাল নালাগে। প্ৰিয় উপন্যাসখনো বিৰক্তি লাগে। এনে লাগে যেন এসোপামান এন্ধাৰেৰে এটা মোনা চিলাই তাৰ ভিতৰত উশাহ হেৰাই যোৱাকৈ সোমাই যাম। কেতিয়াবা প্ৰত্যাশাবোৰক অৱহেলাই থেকেচি থাকে। বৰ্তমানটোক হানি-খুঁচি মাৰে স্মৃতিবোৰে। ওলাই আহিব খুজিও ওলাই আহিব নোৱাৰি, আচলতে মন নাযায়। নিজৰ অস্তিত্ব হেৰুৱাই দি নিজক পুতৌ কৰিবলৈ মন যায়। নিসংগতাবোৰক প্ৰত্যাহ্বান জনাই নিজক একেবাৰেই আঁতৰাই পঠাবৰ মন যায়। একো ভাল নালাগে। কেতিয়াবা জোনেও পোহৰ বিচাৰে, কেতিয়াবা নদীৰো পিয়াহ লাগে। কাৰণ, সকলো জিলিকাব পাৰিলেও চাকিয়ে কেতিয়াও নিজৰ তলৰ এন্ধাৰখিনিত পোহৰ সিঁচিব নোৱাৰে।

‘নিজক ভাল পাইনে আপুনি?’

আপুনি নিজক ভাল পাইনে? কিমান দিন হ’ল বাৰু, আইনাখনৰ সমুখত ৰৈ নিজৰ মুখলৈ চাই এটা হাঁহি নমৰা? কিমান দিন হ’ল বাৰু নিজে ভাল পোৱা কিবা এটা কাম বেলেগৰ কথা নভবাকৈ নকৰা? কিমান দিন হ’ল বাৰু নিজৰ লগত কথা নপতা? কিমান দিন হ’ল, পৃথিৱীক সুখী কৰিবলৈ গৈ নিজক এৰি থৈ অহা? জানো, উত্তৰ চাগে’ আপোনাৰো নাই। সমস্যাবোৰতো তাতেই। আমি নিজকে সদায় আনৰ চকুৰে চাওঁ। নিজক সদায় আনৰ মতামতেৰে জোখোঁ। হয়, কেতিয়াবা নিজৰ ভুলটো নেদেখিলে আনে দেখাই দিলে মানি লোৱাটো ভাল কথা। কিন্তু সেইটোকে কৰিবলৈ গৈ নিজৰ ভাল লগা বেয়া লগা সকলো আনৰ হাতত তুলি দিয়াটো কেনে ধৰণৰ কথা! এই যে ‘আনে মোৰ কথা কি কয়, কি ভাবে’ এইবোৰে আমাৰ মনত অনবৰতে পাকঘূৰণি খাই থাকে, তাৰ কাৰণটো কি? কিয় আমি ভাল বুলি আমাক আনে

ক'লে হে বিশ্বাস কৰোঁ ? কিয় আনে অলপ কিবা এটা টানকৈ ক'লেই আমি নিজকে দোষ জাপিবলৈ লাগি যাওঁ ? অজানিতেই আমি সকলোৰে নিজৰ মনৰ লেকামডাল আনক দি দিয়া নাইনে ? নিদিব, কেতিয়াও নিদিব। সমালোচনা গ্ৰহণ কৰক। ভুল হ'লে শুধৰণিও কৰক। কিন্তু আপোনাৰপৰা আপোনাক আঁতৰাই নিবলৈ কাকোৱেই অধিকাৰ নিদিব। লাগিলে সেয়া পৰিয়াল, প্ৰেম, নাইবা বন্ধু যিয়েই নহওক। প্ৰথমে আপুনি নিজে আপোনাৰ বাবে বিশেষ হওক। অহংকাৰী নোহোৱাকৈও নিজক ভাল পাব পাৰি। গতিকে নিজে নিজক ভাল পাওঁক। নিজে নিজক মূল্য দিয়ক। সৃষ্টিকৰ্তাৰ শ্ৰেষ্ঠ সৃষ্টি আপুনি। কিয় আনক অধিকাৰ দিব আপোনাক ভাল-বেয়াৰ তুলাচনীৰে জোখাৰ। কাঢ়ি লওক সেই অধিকাৰ। কৰি যাওক আনৰ ক্ষতি নোহোৱাকৈ আপোনাৰ প্ৰিয় কামবোৰ। বাকী বেলেগৰ কথালৈ বাদ দিয়ক। তেতিয়া চাব, কোনেও আপোনাক আঘাত কৰিব নোৱাৰে। পৃথিৱীৰ কোনো বেয়া লগাই আপোনাৰ সপোনৰ বাটত হেঙাৰ হ'বহি নোৱাৰে আৰু সময়বোৰ সদায় আপোনাৰেই হ'ব।

'অচিনাকিৰ মাজৰ আপোনতা'

কেতিয়াবা অচিনাকিজনৰ মাজতো এক বুজাব নোৱৰা আপোনতা বিচাৰি পাইছেনে ? এনে কোনোবা, যাক আপুনি আজিলৈকে লগ পোৱা নাই, কথাও পতা নাই, তাৰ পাছতো ফটোত দেখা তেওঁৰ চকুযুৰিৰ মাজত পুৰণি চিনাকি চাৱনি বিচাৰি পাইছেনে ? যেন তেওঁ আপোনাৰ বহু দিনৰ চিনাকি। অতদিনে যেন আপুনি সেই তেনে এযোৰ চকুলৈয়ে বৈ আছিল, নজনাকৈয়ে। নাই, কাকো কোৱা নাই আজিলৈ। প্ৰয়োজনো নাই। আপুনি জানে, হয়তো তেওঁ আপোনাৰ নহয় কোনোদিন। কিন্তু হেৰাইও নাযায়। কেতিয়াবা ভাল লগা গান এটা শুনিলেও তেওঁৰ মুখখন মনলৈ আহে, কেতিয়াবা তেওঁৰ নামটো শুনিলেও হাঁহি এটাই নিজে নিজে ওলমি নাচে। নাই, আপুনি তেওঁক বিচাৰি নাযায় কোনোদিন। উপযাচি চিনাকিও নহয়। মাত্ৰ বুকুতে সাঁচি ৰাখিছে তেওঁৰ প্ৰতি এক অনামী ভাল লগা; নে ভাল পোৱা ? নাজানে আপুনি। প্ৰাপ্তিৰ আশাও নাই, মাত্ৰ দূৰৈৰপৰাই আপুনি চাই ৰয় তেওঁক। তেওঁ আপোনাৰ নোহোৱাকৈও যেন সদায় আপোনাৰ। দুচকু জপালেই বুকুৰ জপনা খুলি আপোনাৰ সপোনৰ কাৰেংটোলৈ অবাধ অহা-যোৱা তেওঁৰ। সেই কাৰেং,

কল্পনাৰ ইটাৰে গঁথা। য'ত নাথাকে প্ৰত্যাশাৰ দাবী, প্ৰাপ্তিৰ হাবিয়াস নাইবা অৱহেলাৰ যন্ত্ৰণা। তাত কেৱল আপুনি, তেওঁ আৰু এজাক নাম নথকা ভালপোৱা। হৈছেনে এনেকুৱা!!

'আপোন মানুহৰ কষ্ট'

কেতিয়াবা এনেকুৱা হৈছেনে, এই ধৰক এসময়ৰ আপোনাৰ খুব প্ৰিয়, খুব অন্তৰংগ কোনোবা আছিল, সময়ৰ গতিত যি আপোনাৰ পৰা আজি দূৰৈত; তেওঁৰ কিবা কষ্টৰ কথা, তেওঁৰ দুখৰ কথা গম পাই আপুনি ছটফটাই উঠিছেনে কেতিয়াবা? এনে লাগে যেন এতিয়াই দৌৰি তেওঁৰ কাষলৈ যাব, তেওঁক একো যন্ত্ৰণাই চুব নোৱৰাকৈ আৱৰি ৰাখিব, ভাঙিপৰা তেওঁক সযতনে সামৰিব। কিন্তু লগে লগে আপুনি বৈ যায়। কি অধিকাৰত যাব আপুনি? যাৰ লগত অতদিনে একোৱেই সম্পৰ্ক নাই, কি বুলি তেওঁৰ কাষলৈ যাব? আৰু তেৱেঁই বা কিয় আপোনাক বিচাৰিব? এই খেলিমেলিবোৰেই বৈ যাবলৈ যেন বাধ্য কৰে। কিন্তু আপুনিও জানে, এই সময়ত কেৱল আপুনিহে তেওঁক ভালে ৰাখিব পাৰিব। আপুনি শুব নোৱাৰে, তেওঁৰ কষ্টবোৰে আপোনাকো অশান্তি দিয়ে। এতিয়াই যেন তেওঁক সাবটি লৈ সকলো চকুপানী মচি দিব। কিন্তু, এই 'কিন্তু'বোৰে যাবলৈ নিদিয়ে। নহয়, এয়া আপোনাৰ অহংকাৰ, স্বাভিমান নাইবা প্ৰতিশোধ নহয়। এয়া সময়ে আনি দিয়া সম্পৰ্কবোৰৰ ব্যৱধান। নোৱাৰে, আপুনি হাজাৰ চেষ্টা কৰিও তেওঁৰ কাষলৈ যাবপৰাকৈ নিজক সাজু কৰিব নোৱাৰে। মাত্ৰ আপোনাৰ প্ৰতিটো প্ৰাৰ্থনাত তেওঁৰ নামে স্থান পায়। তেওঁৰ হাঁহিৰ বাবে আপোনাৰ শুভকামনাবোৰ দূৰণিৰপৰাই বতাহৰ দৰে ভাহি যায়। সেয়ে কওঁ, সম্পৰ্কবোৰক কেতিয়াও সময়ৰ খেলনা হ'বলৈ এৰি নিদিবচোন। কাৰণ চকুৰ পানী ৰুমালে নহয়, এখন বুজি পোৱা বুকুৱেহে মচিব পাৰে।

'বন্ধু কোন?'

হাতত ধৰি লৈ যোৱাজন নহয়, নিজে খোজ কাঢ়িবলৈ সক্ষম কৰি তোলা জনহে বন্ধু। মুখৰ আগত নহয়, আনৰ আগত প্ৰশংসা কৰাজনহে বন্ধু। ভুল দেখি এৰি যোৱা জন বা ভুল দেখি মানি লোৱা জন নহয়, ভুলবোৰ শুধৰাই লোৱাজনহে

বন্ধু। বন্ধুৱে আপোনাক 'ভালনে' বুলি নোসোধে, বৰঞ্চ বেলেগকহে আপোনাৰ ভাল বেয়াৰ খবৰ দিয়ে। বন্ধুত্ব এটি সম্পৰ্ক নহয়, বন্ধুত্ব এটি অনুভৱ, এটি বুকু জুৰ পেলোৱা অনুভূতি। এই অনুভূতি যিটো সম্পৰ্কতেই থাকে, সেইটো সম্পৰ্কই মধুৰ হৈ পৰে। সেয়া লাগিলে স্বামী-স্ত্ৰীয়েই হওক, পিতা-পুত্ৰয়েই হওক নাইবা ককায়েক-ভায়েকেই হওক। মানৱ জাতিলৈ ঈশ্বৰে দিয়া এটা সুন্দৰ আশীৰ্বাদ এই 'বন্ধুত্ব', যিটো আমি সাধাৰণতে হেৰাই যোৱাৰ পাছতহে উপলব্ধি কৰোঁ। প্ৰেমে সপোন দেখুৱায়, কিন্তু বন্ধুত্বই সপোন পূৰণৰ বাট দেখুৱায়। প্ৰেমে প্ৰতিশ্ৰুতি দিয়ে, কিন্তু বন্ধুত্ব নিজেই এক প্ৰতিশ্ৰুতি। প্ৰেমে দিয়া আঘাতৰ দাগ নোহোৱা কৰা মলমটোৱেই বন্ধুত্ব। প্ৰেমে বলোৱা ধুমুহাজাকৰ পাছৰ কাঁচিয়লি ৰ'দখিনিয়েই বন্ধুত্ব। প্ৰেম মানুহৰ বাবে ছাঁ হ'ব পাৰে, কিন্তু বন্ধুত্ব ছাঁ নহয়। বৰঞ্চ ই ছাঁ দিয়া এজোপা গছহে। প্ৰেম হেৰাই নাযাব পাৰে, কিন্তু সলনি হয়। আনহাতে বন্ধুত্ব লাগিলে হেৰায়েই যাব, কিন্তু কেতিয়াও সলনি নহয়। বন্ধুত্বত ভৰসা নাইবা বিশ্বাস নাথাকে। কাৰণ, বন্ধুত্বৰ অৰ্থয়েই আজীৱন ভৰসা আৰু বিশ্বাস। একো নালাগে জীৱনটোত, মাত্ৰ যিকোনো সময়তে একো নভবাকৈ যদি 'ঐ শুন না' বুলি ক'ব পৰাকৈ এজন বন্ধু আছে তেন্তে আপুনি পৃথিৱীৰ আটাইতকৈ চহকী ব্যক্তি। তেওঁক নেহেৰুৱাব চিৰদিন।

'কেতিয়াবা ভাগৰ লাগে'

ভাগৰ লাগে, দিনটোৰ শেষত খুব ভাগৰ লাগে। সোঁৱৰণীৰ বন্যাক বৰ্তমানৰ বান্ধেৰে ভেটা দি দি ভাগৰ লাগে। মুখাৰ আঁৰৰ মুখবোৰ দেখি শেঁতা হাঁহি মাৰি ভাগৰ লাগে। দায়িত্ববোৰৰ গধুৰ বোজা লৈও পৃথিৱীৰ বক্তৃতা শুনি ভাগৰ লাগে। আৱেগৰ মৰুভূমিত অনুভূতিৰ মৰীচিকা খেদি ভাগৰ লাগে। শ্ৰেষ্ঠত্বৰ বজাৰত অস্তিত্বক নীলাম কৰি ভাগৰ লাগে। সলনি হোৱা সম্বন্ধবোৰক ভাৱনাৰ তুলাচনীৰে জুখি জুখি ভাগৰ লাগে। ক'লা-বগা সময়ত ৰামধেনুৰ ছবি আঁকি ভাগৰ লাগে। বুকুত হতাশাৰ পাহাৰ লৈ ওঁঠত হাঁহিৰ আকাৰ সাজি ভাগৰ লাগে। দিনে দিনে নিজক হেৰুৱাই জীয়াই থাকি ভাগৰ লাগে। কেতিয়াবা সুধিবলৈ মন যায় গাৰুটোক, প্ৰতি নিশাই মোক নিচুকাই নিচুকাই তোৰো ভাগৰ লাগেনে!!

‘মিছা কথাবোৰ’

কেতিয়াবা এনেকুৱা হৈছেনে আপোনাক কোনোবাই কিবা এটা কথাত ফাঁকি দিছে। ফাঁকি মানে কি আৰু, সঁচা কথাটো লুকুৱাবলৈ এটা বেলেগ কাহিনী বনাই শুনাইছে। আপুনি শুনিয়েই গম পাইছে যে কথাখিনি মিছা। তেওঁ মাত্র নিজক লুকুৱাবলৈ কোৱা কথাহে। কিন্তু তাৰ পাছতো আপুনি তেওঁক একো নকয়। ধৰা পেলাই নিদিয়ে। মাত্র মানি লয় তেওঁ কোৱাবোৰ। হয়তো তেওঁ আপোনাৰ ওচৰত ধৰা পৰি নিজৰ ওচৰত সৰু হৈ যোৱাটো আপুনি সহ্য কৰিব নোৱাৰে। সেয়ে বুকুৰ ভিতৰত বিষ এটা কঢ়িয়াই আপুনি তেওঁৰ মিছাবোৰ নেদেখাৰ ভাও জুৰি থাকে। তেওঁ সুখী, কাৰণ আপোনাক মিছা কথাৰে পতিয়ন যোৱাব যে পাৰিলে। কিন্তু আপুনি হয়তো কোনোবা মুহূৰ্তত তেওঁকো মনে মনে দোষে, যদি মিছাই ক'ব আছিল তেন্তে ধৰা নপৰাকৈ ক'ব লাগে। কিন্তু এই মিছাবোৰে দিয়া কষ্টবোৰৰ ভাৰ বৈ থকাটো জানো সহজ কথা! লাহে লাহে এনেকুৱা হয় যে আপুনি তেওঁ মিছা কোৱাৰ আগতেই গম পায় সঁচাটো কি, কিন্তু আপুনি নিশ্চুপ। আৰু তেওঁ নিশ্চিন্ত। শেষত, শেষত আৰু কি। এদিন আপোনাৰো ধৈৰ্য্যৰ বান্ধ ছিঙে আৰু সম্পৰ্কবোৰ তাতেই শেষ।

সেয়ে ক'ব খোজো, মিছা কথা কোৱাৰ আগত এবাৰ হ'লেও ভাবিবচোন। কাৰণ মিছা কথা কোৱাজনতকৈ শুনাজনৰ বেছি কষ্ট হয়। আৰু সঁচাটো জনাৰ পাছত প্ৰিয়জনৰপৰা মিছাটো শুনাৰ সমান কষ্ট হয়তো আন একোৱেই দিব নোৱাৰে। দুদিনীয়া হাঁহি দিয়া মিছাবোৰতকৈ চকুপানী দিয়া সঁচাবোৰেই বহুত বেছি ভাল।

‘আচলতে কোনেও কাৰো কথা নাভাবে’

নাভাবে, কোনেও কাৰো কথাই নাভাবে। কল্পনাৰ তুলিকাৰে যিমান ভাল লগা কেনভাছ আঁকিলেও ক'ৰবাত আমিও জানো, সুদৰ্শন লোৱা শ্ৰীহৰিয়ে যমুনাতীৰৰ ৰাধাৰ কথা নাভাবে। পানেইৰ লগত সোৱণশিৰীক সাবটি লোৱা জংকিয়ে ঘৃণাসুঁতিৰ ডালিমীৰ কথা নাভাবে। পলাশৰ ৰঙেৰে ৰঙাৰ মেলা পতা ফাগুনে কেতিয়াও শেঁতাপৰা সৰাপাতৰ কথা নাভাবে। পুৱাৰ হাঁহি সিঁচা ৰ'দালিয়ে কেতিয়াও

ফেঁকুৰি থকা জোনাকৰ কথা নাভাবে। নিয়ৰৰ সৈতে ভাল লগা কথা পতা শৰতে কেতিয়াও সৰি পৰা শেৱালি পাহিৰ কথা নাভাবে। কবিৰ মনত অনুভৱৰ জোৱাৰ তোলা বৰষুণজাকে কেতিয়াও তৰা দেখা ঘৰটোৰ উদাস চকু হালৰ কথা নাভাবে। মলয়াৰে বিহু নচা বহাগে কেতিয়াও মাজৰাতি সাৰে থকা কেতেকীৰ কথা নাভাবে। ধাৰ থকা শব্দবোৰে কেতিয়াও কোমল বুকুখনৰ কথা নাভাবে। যিমান সেউজীয়া হ'লেও প্ৰেমে কেতিয়াও এৰি অহা বন্ধুত্বৰ কথা নাভাবে। কোনেও কাৰো কথা নাভাবে। ভাবোঁ মাত্ৰ মই, আপুনি আৰু আমি। আমি ভাবি থাকোঁ। কল্পনাৰ মিছা সাগৰত ভাৱনাৰ নাও চলাই অপ্ৰাপ্তিক অদৃষ্ট আখ্যা দি সুখী হোৱাৰ ভাওনা আমি কৰি থাকোঁ। কিন্তু মনত ৰাখিব, পাৰ হোৱা সময়ে কেতিয়াও থুনুকা আৱেগৰ কথা নাভাবে।

'আমাৰ কোমল মনটো'

কেতিয়াবা ফুলৰ পাপৰিৰ দৰে কোমল হৈ পৰে নে মনটো? যেন চুলেই সৰি পৰিব। কেতিয়াবা দিনটোৰ নানা ব্যস্ততা নানাজনৰ নানা ৰূপ সময়ৰ মায়াজাল এইবোৰৰপৰা ওলাই আইনাৰ দৰে ঠুনুকা হৈ যায়নে আৱেগবোৰ? যেন কোনোবাই টানকৈ এষাৰ ক'লেই টুকুৰা-টুকুৰ হৈ ভাঙি পৰিম। মন যায়, খুব মন যায় যেন কোনোবাই এবাৰ সাবটি ধৰি সোধক 'কি হৈছে তোমাৰ কোৱা'। লগে লগেই যেন পাৰ ভাঙি ওলাই আহিব জোৰ কৰি সামৰি থোৱা এসোপামান কান্দোন। মানুহক মানুহ লাগে। বুকুৰ শিলটো খহাবপৰা মানুহ। বহুত নহয়, দিনটোৰ শেষত এজন মাত্ৰ মানুহ লাগে। প্ৰিয়জন কিম্বা বন্ধু। কোনোবাই হয়তো ক'ব, মা-দেউতা আছেইচোন। আছে, নিশ্চয় আছে। কিন্তু আপোনাৰ চকুলৈ আশাৰে চাই থকা দেউতাক ক'ব পাৰিবনে আপোনাৰ মনত চলি থকা ধুমুহাৰ কথা? আপোনাৰ অকণমান পানী লগা হ'লেই ঘৰ তাল-ফাল কৰা মাক ক'ব পাৰিবনে কলিজা ছিৰাছিৰ কৰা বিষটোৰ কথা? ক'লেই যেনিবা, তাৰ পাছত মা দেউতাৰ মনটো শান্তিত থাকিবনে? এইবোৰ ভাবিয়েই আমি বৈ যাওঁ। অভিনয় কৰি যাওঁ। 'ঠিকে আছোঁ মা', 'একো নাই দেউতা' বাক্যকেইটা মন্ত্ৰৰ দৰে আওৰাও। কিন্তু মনে মনে বিচাৰোঁ একেবাৰে নিজৰ বুলি ক'বপৰাকৈ কোনোবা থকা হ'লে! কেতিয়াবা যদি ভগৱানক লগ পাওঁ, এটাই কথা ক'ম যে বেলেগ একো নিদিলেও প্ৰতিজন মানুহক মূৰটো থৈ

কান্দিবপৰাকৈ এখন কান্ধ দিবা। যিকোনো সময়ত খামুচিবপৰাকৈ এখন হাত দিবা। ধন ঐশ্বৰ্য্যতো মানুহে নিজেই ঘটিব। কিন্তু চকুপানীৰ ঠিকনা হিচাপে এখন বুকু দিবা। আৰু একো নালাগে মানুহক। একো নালাগে।

'বন্ধুত্বৰ কষ্ট'

কোনে কৈছে বন্ধুত্বত কষ্ট নাই, কেতিয়াবা একপক্ষীয়ভাৱে কৰি পাইছা? একপক্ষীয় প্ৰেমত যিমান মাদকতা আছে, তাতকৈ অধিক যন্ত্ৰণা একপক্ষীয় বন্ধুত্বত আছে। এই যে আমি নিজে গম নোপোৱাকৈ আমাক আনে ব্যৱহাৰ কৰি থাকে, তাতকৈ অসহ্যকৰ কথা আৰু কি আছে। বন্ধুত্বত ভাল লগাবোৰ যিদৰে বেছি, তেনেদৰে প্ৰেমতকৈ বন্ধুত্বৰ কষ্টও সদায় বেছি। প্ৰিয়জনে কৰা প্ৰতাৰণাতকৈ বন্ধুৱে কৰা প্ৰতাৰণাৰ কষ্ট সদায় বেছি। প্ৰেমে দিয়া আঘাততকৈ বন্ধুৱে দিয়া আঘাত সদায় বেছি। প্ৰেমে এৰি গ'লেতো আমি বন্ধুৰ কাষলৈ আহোঁ; কিন্তু যদি বন্ধুৱে এৰি যায়। তেতিয়া!! পৃথিৱীখন হেৰাই যোৱাৰ দৰে লাগে ন? যেন সকলোৱেই অচিনাকি। লাহে লাহে কাকো বিশ্বাস কৰিব নোৱৰা হওঁ। শেষত নিজৰ চাৰিওফালে এটা অবিশ্বাসৰ দুৰ্গ সাজি লওঁ। সেইবাবেই কওঁ, বাচি থাকিব সেইসকলৰ পৰা যিয়ে বন্ধুত্বক প্ৰেমৰ বিকল্প হিচাপে ব্যৱহাৰ কৰে। কাৰণ তেনেলোক না সঁচা প্ৰেমিক হ'ব পাৰে না ভাল বন্ধু।

10^{th}September
suicide prevention day

কেতিয়াবা ফেনখনে হাতবাউল দি মাতেনে? এনেকুৱা লাগে যেন এই মাত্ৰ এডাল ৰছী আনিম আৰু সকলো শেষ। কেতিয়াবা ৰাস্তাৰে খোজ কাঢ়ি গৈ থাকোঁতে এনে ভাব আহে নে হঠাৎ গাড়ী এখন আহক আৰু মোক খুন্দিয়াই থৈ গুচি যাওক। কেতিয়াবা নৈৰ পাৰলৈ গ'লে মন যায়নে নৈখনে মোক সাবটি লওক। নাইবা কেতিয়াবা প্ৰকাণ্ড জুই একুৰা গাত মেৰাই ল'বলৈ মন যায়নে? হয়, আমি প্ৰত্যেকেই নিজৰ জীৱনত কেতিয়াবা এদিন নহয় এদিন এনে প্ৰৱণতাৰ সন্মুখীন হওঁ। কিন্তু কিয় হয় এনেকুৱা। নিঃসন্দেহে নিসংগতা। মানুহেৰে ভৰি থকা এই পৃথিৱীখন

কেতিয়াবা ইমান ভয় লগাকৈ খালী হৈ যায় যে আমাৰ ইয়াত থকাৰ বাসনা শেষ হৈ পৰে। কেতিয়াবা আমাৰ আপোন মানুহবোৰ ইমান বেছি ব্যস্ত হৈ পৰে যে আমি নিজকে একেবাৰে আঁতৰাই নিয়াৰ চিন্তা কৰিবলৈ বাধ্য হওঁ। কিন্তু জীৱনটো জানো সঁচাই এনেকুৱা কওক? হয়, হৈ যায় কেতিয়াবা। জীৱনৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ হেৰাই যায় কেতিয়াবা। জীৱনহে। মানুহে নিজে সজা গাড়ীখনেই দেখোন কেতিয়াবা নিয়ন্ত্ৰণ হেৰুৱায়। তেন্তে ঈশ্বৰে সজাই দিয়া এই জীৱনটোৱে নিয়ন্ত্ৰণ হেৰুৱাই দিয়াটো স্বাভাৱিক। তেনেকুৱাত ৰৈ দিয়ক। জীৱনে বাট নিজেই উলিয়াব। আপুনি মাত্ৰ ৰৈ দৰ্শকৰ দৰে চাই যাওক। জীৱনটোক থপিয়াবলৈ নিবিচাৰিব। তেতিয়া হাতত একোৱাই নৰ'ব। ৰৈ দিয়ক। দুই-এজনৰ লগত কথা পাতক। হ'ব পাৰে কেতিয়াবা। আপোনাৰ সমস্যাবোৰ বেছিয়েই। আমি সমাধান কৰিব নোৱাৰিলেও শুনিবতো পাৰিম। অকলশৰীয়া নহয় আপুনি। আমি কোনো অকলশৰীয়া নহয়। এই একেখনেই আকাশ, সেই একেটাই জোন। কেতিয়াবা মন গ'লে কথা পাতি চাবচোন। ইমান সহজে আপোনাক হাৰি যাবলৈ আমি নিদিওঁতো। আপোনাৰ মুখত এবাৰতে হাঁহি আঁকি দিব নোৱাৰিব পাৰোঁ। কিন্তু চকুলোৰ বাটতো হাত ধৰি খোজ দিবলৈ আমিবোৰ আছোঁতো। আজি আত্মহত্যা প্ৰতিৰোধ দিৱসতে আমি পণ লওঁ আহকচোন, আমি আমাৰ কাষৰ কোনো মানুহক অকলশৰীয়া হ'বলৈ নিদিওঁ, যাতে মানুহৰ অভাৱত কোনো মানুহে পৃথিৱী এৰি যাব লগা নহয়। ভালে থাকক সদায় আৰু ভালে ৰাখক আপোনাৰ ওচৰৰ সকলোকে।

'কেতিয়াবা এনেকুৱা হৈছেনে?'

কেতিয়াবা এনেকুৱা হৈছেনে, এই ধৰক কেৰিয়াৰৰ চিন্তা, ঘৰখনলৈ কিদৰে দুপইচা আনিব পাৰি তাৰ চিন্তা, ঘৰৰ দায়িত্ব লৈ লৈ কোঙা হৈপৰা দেউতাক কিদৰে মুকলি কৰি দিবপৰা যায় তাৰ চিন্তা —এইবোৰে আপোনাক ভাৰাক্ৰান্ত কৰি ৰখাৰ সময়তে হঠাৎ আপোনাৰ মা নাইবা দেউতা আপোনাৰ ওচৰলৈ আহিছে আৰু অনৰ্গল কৈ গৈছে, তই ঘৰৰ কথা নাভাব, দিনটো এনেই পৰি থাক, একো এটা নকৰ ইত্যাদি ইত্যাদি। আৰু আপুনি একো নকৈ মাত্ৰ শুনি গৈছে। শেষত এটা সেমেকা হাঁহি মাৰি উঠি আহিছে। বুকুখনৰ ফাঁটটো কাকো নেদেখুৱাই মাত্ৰ উশাহবোৰ টানিছে। যদি সেয়ে হৈছে, তেন্তে অভিনন্দন। জীৱনক গ্ৰহণ কৰিবলৈ শিকি গৈছে আপুনি।

সৰাফুল

কেতিয়াবা আকৌ এনেকুৱা হয়নে, আপোনাৰ খুব প্ৰিয় কোনোবা, বন্ধু নাইবা প্ৰিয়জন যি এসময়ত আপোনাৰ ছাঁৰ দৰে আছিল আজি লাহে লাহে আঁতৰিব ধৰিছে। আপোনাৰপৰা দূৰত্ব ৰাখিব লৈছে। জানে, আপুনি সকলো জানে আৰু বুজিও পায়। তেও আপুনি একো কোৱা নাই। মাত্ৰ নিজেই আঁতৰি আহিছে। দূৰৰপৰাই তেওঁক শুভেচ্ছা যাচি আপুনি অকলেই সময় পাৰ কৰিছে। কাকো আপোনাৰ জীৱনত থাকিবলৈ জোৰ কৰা নাই। যদি এয়ে হৈছে, তেন্তে অভিনন্দন। আপুনি জীৱনক চাবলৈ জানিছে।

আকৌ কেতিয়াবা এনেকুৱা হৈছেনে, ধৰি লওক আপুনি কিবা এটা বস্তু পাবলৈ বিচাৰিছে। তাৰ বাবে কষ্টও কৰিছে। কিন্তু সময়ত গৈ থমকি ৰ'ব লগা হৈছে। প্ৰাপ্তিৰ সলনি ওলমিছে অকল হুমুনিয়াহ। আপুনি বুজিছে যে আপুনিও সমানে কষ্ট কৰিছিল, কিন্তু কিবা কাৰণত নহ'লগৈ। ঠিক তেনেকুৱাতে পৰিয়াল, বন্ধু মহল, প্ৰিয়জন সকলোৱে মিলি আপোনাক সাধনাৰ পাঠ পঢ়াইছে। আপোনাৰ এটি কষ্টকৰ প্ৰচেষ্টাক চূড়ান্ত বিফলতাৰ নাম দি উলিয়াই পেলাইছে নিজৰ হুতাশবোৰ। প্ৰচেষ্টাৰ সময়ত মুখ নেদেখুৱাজনেও আপোনাক উপদেশৰ ফুলজাৰী সিঁচিছে। কিন্তু আপুনি মুখেৰে একো নামাতি চকু মুদি সামৰি লৈছে সকলো অপবাদ। ভিতৰি ছিঙি টুকুৰা-টুকুৰ হৈ যোৱা সপোনৰ মালাধাৰ আকৌ লাহে লাহে নতুনকৈ চিলাইছে। যদি এনে কৰিব পাৰিছে তেন্তে অভিনন্দন। আপুনি জীৱনক বুজিব পাৰিছে।

বাকী এই যে অপবাদ, অপমান, আঘাত এইবোৰ; এটা সুন্দৰ হাঁহি মাৰি আঁতৰি আহক। নিজৰ ওচৰত দায়বদ্ধ হওক। আৰু এই যে বন্ধু, প্ৰেম, ভালপোৱা। বাদ দিয়কহে, অহাবোৰ আহিবই। যোৱাবোৰ যাবই আৰু থকাবোৰ থাকিবই। সকলো যোৱাৰ পাছত যি থাকি যাব, সেয়াই জীৱন। ইয়াক উদযাপন কৰক। বাকী সময়ে আপোনাক সময়মতে সকলো দিব।

'সৰাপাত'

শুকান সৰাপাতবোৰ দেখিলে মই সদায় জ্বলায়েই দিওঁ। কাৰণ সিহঁতৰ ছাই মই সহ্য কৰিব পাৰোঁ, কিন্তু সেউজীয়াবোৰ হেৰুৱাই শুকান হোৱা হালধীয়া ৰংটো দেখিলে কষ্ট হয়, বহুত কষ্ট।

সম্পৰ্কবোৰো তেনেকুৱাই। আন্তৰিকতাবোৰ হেৰুৱাতকৈ সম্পৰ্কটো হেৰুৱাই ভাল।

'হঠাৎ কিয় সলনি হয় মানুহ?'

এনেকুৱা কিয় হয়? এই যে খুব ভাল কোনোবাও হঠাৎ সলনি হয়! এই যে নতুনৰ আগমনত উত্ৰাৱল হৈ পুৰণিক মন মগজুৰপৰাই বিদায় দিয়া হয়! ইমান সহজনে মানুহক পাহৰি যোৱা? ইমান সহজনে কাৰোবাক পাই কাৰোবাৰপৰা আঁতৰি অহা? নতুনক আদৰাটো ভাল কথা। কিন্তু পুৰণিক সমাধি নিদিলে নহয়নে? ইমান ঠেকনে বুকুখন, যে নতুন মানুহ অহাৰ লগে লগে পুৰণিক দলিয়াই দিবলৈ বাধ্য! ইমান অভাৱনে মৰমৰ, যে কাৰোবাক দিবলৈ হ'লে আন কাৰোবাৰপৰা কাঢ়ি আনিব লাগিব! জীৱনটো ভগাই লোৱা কাৰোবাক কোনো কাৰণ নোহোৱাকৈ দলিয়াই দিব পাৰেনে জীৱনৰপৰা! ভগৱানে উদযাপন কৰিবলৈ এটা জীৱনহে দিছে, ব্যৱসায় কৰিবলৈ দোকান দিয়া নাই যে নতুন কৰ্মচাৰী আহিলে পুৰণিক খেদি পঠাব। কষ্ট হয় আমাৰ দৰে সময়ৰ সোঁতে সোঁতে নতুন মুখ আদৰিব নজনাসকলৰ। কষ্ট হয়, নতুন পুৰণিৰ অংক নকৰি সকলোকে একেই মৰমেৰে আঁকোৱালি ল'ব বিচৰাসকলৰ। কষ্ট হয়, বতৰৰ দৰে নিজক সলনি নকৰি সদায় একেদৰে মৰম বিলাই যোৱাবোৰৰ। বাকী সকলোতো আজিকালি ব্যৱসায়ী, আৱেগৰ দোকানত মৰম বেচা-কিনা কৰা পাকৈত ব্যৱসায়ী।

'ডিপ্ৰেছন আৰু নিসংগতা'

ডিপ্ৰেছনক লৈ এটা নিজৰ অভিজ্ঞতা ক'ব খুজিছোঁ। ২০১৭ চনৰ কথা। মই ইউনিভাৰ্ছিটিত তৃতীয় বছৰত ভৰি দিছোঁ। অগণন বন্ধু-বান্ধৱী, ছিনিয়ৰ-জুনিয়ৰৰ মাজত সকলোৰে মৰমৰ মই। কথা চহকী বাবেই লগো সৰহ মোৰ। হোষ্টেলেই হওক বা ডিপাৰ্টমেণ্টেই, কথাৰ মহলা শেষেই নহয়। ঠিক তেনেকুৱা সময়তে কেতিয়াও নভবা কিছুমান বস্তু জীৱনলৈ আহিছিল। প্ৰথমে উপেক্ষা কৰিছিলোঁ। আচলতে পলাইছিলোঁ। কিন্তু জীৱনৰপৰা কেতিয়াও পলাব নোৱাৰি। বাৰে বাৰে ঘেৰি ধৰিলে সেই ভয়ানক সময়বোৰে। প্ৰথমে চেষ্টা কৰিছিলোঁ যে কোনোবা বন্ধুৰ আগত কওঁ। কিন্তু মোৰ সমস্যাবোৰৰ গভীৰতা বুজিবপৰাকৈ কোনো নাছিল কাষত। নানান ভয়ে আগুৰিছিল। কিছুমান মানুহে আচৰিত ধৰণে মুখা সলাইছিল। হাজাৰ

বিচাৰিও কাষত পোৱা নাছিলোঁ কাকো। লাহে লাহে মানুহৰ সমাগমলৈ ভয় লাগিবলৈ ল'লে। য'তেই বেছি মানুহ হয়, মই পলাই দিওঁ। আজিৰ বহুতে কোৱাৰ দৰে 'মই ডিপ্ৰেছনত আছোঁ' বুলি ক'বপৰাকৈ সাহস নাছিল মোৰ। একেবাৰেই নাছিল। বৰঞ্চ মই সদায় এইটো লৈহে সতৰ্ক আছিলোঁ যে মোৰ যে কিবা এটা ভিতৰি হৈ আছে মানুহে যেন গম নাপায়। সৰু সৰু কথাতে হাঁহিত বাগৰি পৰি নিজকে নৰ্মেল দেখুৱাবৰ চেষ্টা কৰিছিলোঁ যিমান পাৰোঁ। যেন একোৱেই হোৱা নাই। কিন্তু ভিতৰি খুলি খুলি খাই আহিছিল মোক হতাশাই। লাহে লাহে জীয়াই থকাটোৱেই এক সমস্যাত পৰিণত হৈছিল। যেন উশাহটো বৈ গ'লেই শান্তি। সমাধান। কেতিয়াবা হোষ্টেলৰ ৰুমৰ বিছনাত অকলে পৰি থাকিলে চিলিংফেনখনলৈ ৰ লাগি চাওঁ। কেতিয়াবা জোৰেৰে আহি থকা বাছখন দেখিও ৰাস্তাৰ কাষলৈ আঁতৰি নাযাওঁ। গভীৰ হৈ আহিছিল নিজক শেষ কৰাৰ বাসনা। এন্ধাৰবোৰ বেছি ভাল লাগিব ধৰিছিল। মানুহে সৰুকৈ কথা পাতিলেও কাণত ধৰিছিল। হয়তো মোৰ ভাগ্য ভাল যে তেনেকুৱাতে মোৰ এগৰাকী ছিনিয়ৰ বায়ে ধৰা পেলাইছিল মোক আৰু তেওঁ মোক ভালদৰে বুজাই কাউনচেলিঙৰ কথা কৈছিল। শেষত কাকো নজনোৱাকৈ মইও ডাক্তৰৰ ওচৰলৈ গৈছিলোঁ।

সেইদিনা দেওবাৰ আছিল। এটা ব্যস্ততাৰ সপ্তাহৰ পাছত দেওবাৰে ৰাতিপুৱা গোটেই ইউনিভাৰ্ছিটিয়েই শুই থাকে। তেনেকুৱাতে মই গৈ তেজপুৰ মানসিক চিকিৎসালয়ত ডাক্তৰৰ পৰামৰ্শ লৈছিলোঁগৈ। বহুকেইটা টেষ্ট কৰি-মেলি ডাক্তৰক লগ কৰি আহি যেতিয়া মই পুনৰ ইউনিভাৰ্ছিটিলৈ আহিবলৈ বাহিৰ ওলাইছিলোঁ, বাহিৰত টমটমবোৰ বৈ আছিল। তাৰেই দুখন টমটমৰ চালক দাদা দুজনে নিজৰ মাজতে কিবা কথা পাতি আছিল। মই এজনৰ টমটমত বহিলোঁ। চালকজন যাবলৈ ওলাইছিল যদিও কথা শেষ হোৱাই নাই। তেওঁলোকৰ কথাৰ সাৰমৰ্ম শুনি এইটোৱেই বুজিছিলোঁ যে দুইখন টমটমৰ চালক দুজন নলে-গলে লগা বন্ধু। তাৰে এজনৰ কিবা বিপদ হৈছে আৰু আনজনে কিবা বুজাই আছে। কথাৰ শেষত মই বহি থকা টমটমৰ দাদাজনে সিজনক 'মই আহি আছোঁ ৰহ, আহি লৈ পাতিম' বুলি মোক লৈ গুচি আহিল। বাটত তেওঁৰ সৈতে হোৱা কথাত আকৌ সিজনৰ কথা তেওঁ নিজেই উলিয়ালে, "সি বৰ চোকা আছিল বুইছা ভাইটি। কিন্তু ঘৰৰ অৱস্থাৰ বাবে পঢ়িব নোৱাৰিলে। এতিয়া তাৰ কোনোৱেই নাই। অকলে থাকে। মই তাক কৈছোঁ, মই জীয়াই থকালৈকে তই অকলশৰীয়া নহয়। মই তাক কেতিয়াও অকলশৰীয়া হ'ব নিদিওঁ। সদায় বিপদত তাৰ লগত খাড়া থাকিম মই। সি মোৰ ভাই হয়।"

বিশ্বাস কৰক, সেই কথাখিনি শুনি মোৰ চকুপানী ওলাই আহিছিল। নিজকে পৃথিৱীৰ আটাইতকৈ দুখীয়া মানুহজন যেন অনুভৱ হৈছিল। এফালে মই, যি সকলো থকাৰ পাছতো কথা পতাৰ লগ নাপাই এইমাত্ৰ নিজৰ দুখ ভগাই ল'বৰ বাবে টকা খৰচ কৰি আহিছোঁ, আৰু এফালে সেই টমটমৰ চালকজন, যি জীৱনত সকলো হেৰুৱাইও এনে এজন বন্ধু আছে যি সকলো সময়তে তেওঁৰ বাবে থিয় হ'ব। আজিও যেতিয়া কোনোবা সময়ত কথা পাতিবৰ বাবে পাঁচশৰো অধিক নম্বৰ থকা নিজৰ মোবাইলৰ contact লিষ্টখন দুই-তিনিবাৰ চাইও ফোন কৰিবৰ বাবে এটা নম্বৰ বিচাৰি নাপাওঁ তেতিয়াই সেই টমটমৰ দাদা দুজনলৈ মোৰ মনত পৰে। সঁচাকৈ, একো নালাগে জীৱনত। যদি মন গ'লেই মনটো উজাৰি কৈ যাবপৰাকৈ এজন, মাত্ৰ এজন বন্ধু আপোনাৰ ওচৰত আছে আপুনি পৃথিৱীৰ আটাইতকৈ সুখী আৰু চহকী ব্যক্তি। তাতকৈ বেছি আৰু একো নালাগে। গতিকে তেনে এজন যদি আপোনাৰ জীৱনত আছে আলফুলে সাঁচি থওক, কাৰণ টকা-পইচা সন্মান খ্যাতি যশস্যা আদিয়ে জীৱন সজাব পাৰিলেও চকুপানী মচিবলৈ কিন্তু এখন হাতহে লাগে। এখন তেজ-মঙহৰ হাত আৰু এজন সঁচা বন্ধুৰ এষাৰ বুকুৰ মাত।

'সৰু কথাবোৰ'

খুব সৰু কথাই আপোনাক আঘাত দিয়ে নেকি? মানে এই ধৰক দোষ নোহোৱাকৈয়ে ঘৰত মা বা দেউতাই কিবা এটা টানকৈ ক'লে, নহ'লে আপোনাৰ ভাল লগাজনে আপোনাক কিবা কাৰণত অৱহেলা কৰিলে। নাইবা উপন্যাস, চিনেমা, ছিৰিয়েল য'তেই নহওক আপোনাৰ ভাল লগা কল্পনাৰ চৰিত্ৰ এটাই কিবা আঘাত পালে। নহ'লে ধৰক হঠাৎ কিবা পুৰণি মধুৰ স্মৃতি মনত পৰিলে। প্ৰেম নাইবা সলনি হোৱা বন্ধুৰ ছবি মনলৈ আহিলে। তেতিয়া? বহু সময়লৈ যেন বুকুত শিল এটা কঢ়িয়াব-লগীয়া হয়। যিমান ব্যস্ত হোৱাৰ আখৰা কৰিলেও ঘূৰিপকি যেন সেই কথাবোৰৰ মাজলৈয়ে আহি পৰে। মন যায় কাৰোবাক ক'বলৈ। কিন্তু তাৰ ফল কি হয়? 'হেই, এইটো কথাতনো মন বেয়া কৰেনে মানুহে' বুলি কেতিয়াবা গালি, কেতিয়াবা ইতিকিং। কিন্তু কি কৰিমনো, মন এটা আছে যেতিয়া বেয়াতো লাগিবই ন। মনে জানো 'সৰু কথা' নে 'ডাঙৰ কথা' বুজি পায়? নাপায়। যিদৰে সমুখৰ মানুহবোৰে আপোনাক নাপায়। আৰু আপুনি নিজৰ আৱেগবোৰকে দোষ দি অকলেই গিলি থাকে বিষবোৰ।

হয়নে এনেকুৱা ? পিছে এনে কোমল মনৰ আমাৰ এটা লাভ কি হয় জানেনে? আমাক যিদৰে সৰু সৰু কথাই আঘাত দিয়ে, সেইদৰে খুব সৰু সৰু কথাই সুখীও কৰে। মুখত হাঁহি ফুল ফুলাবলৈ আমাক বহুত ডাঙৰ কিবা এটা নালাগে। এই ধৰক, আজি কিবা ভাল লগা গান এটাই শুনিলোঁ, নহ'লে কোনোবা পুৰণা বন্ধুক হঠাৎ লগ পালোঁ। নাইবা এই ধৰক আজিৰ সন্ধিয়া জোনটোৱেই খুব ধুনীয়াকৈ ওলালে, নাইবা আজি ঘৰত মায়ে আমি ভাল পোৱা কিবা এটা বনালে। বচ হৈ গ'ল। মনটো উজলি থাকিবলৈ এইখিনিয়েই যথেষ্ট আমাৰ। জোনৰ লগত কথা পাতিয়েই মনলৈ জোনাক আঁজুৰি আনিব জানো আমি। বৰষুণত তিতিয়েই মনৰ ডাৱৰ আঁতৰাব পাৰোঁ আমি। কাৰণ, সৰু সৰু হেঁপাহবোৰেৰে মনৰ ভিতৰখন আলফুলকৈ সজাব জানো আমি। সেইবাবেই কওঁ, সৰু কথাত দুখ পোৱা বুলি নাইবা আৱেগিক বুলি নাহাঁহিব দেই আমাক। কাৰণ, বেৰঙী সময়ত আপোনাকো ৰঙেৰে সামৰিব পাৰোঁ আমি। নহয়নে!

'ধন্যবাদ নোকোৱা মানুহবোৰ'

কিছুমান মানুহ থাকে। যাক কেতিয়াও ধন্যবাদ বুলি কোৱা নাযায়, যাক কেতিয়াও স্বীকৃতিও দিয়া নাযায়। তেওঁলোক গোপনে থাকে। কাৰোবাৰ বাবে এজন, কাৰোবাৰ ওচৰত দুজন। তেওঁলোক প্ৰেম নহয়, কিন্তু তেওঁলোকক একে আষাৰে বন্ধু বুলিও ক'বপৰা নাযায়। নাই, তেওঁলোক পৰিয়ালতো নপৰে। আচলতে তেওঁলোকক একো সম্পৰ্কয়েই নধৰে। কিন্তু তেওঁলোক থাকে। চৰ্তবিহীনভাৱে থাকে। অমানিশাৰ সময়বোৰত আমাক উজলাবলৈ থাকে। বেৰঙী সময়বোৰত ৰামধেনুৰ ৰং সানিবলৈ থাকে। কোনো স্বাৰ্থ নাথাকে তেওঁলোকৰ, না কিবা অভিলাষ। একো নিবিচাৰেও তেওঁলোকে। না আনৰ সমুখত চিনাকি, না পৃথিৱীৰ ওচৰত পৰিচয়। মাত্ৰ গোপনে হাতখন সাবটি ৰয়। জন্মদিনত ফটো ষ্টেটাছ লগাই দীঘল কেপচন দি উইছ নকৰে তেওঁ, বন্ধু মহলৰ আড্ডাতো নাথাকে তেওঁ। কিন্তু তেওঁ থাকে, কোনেও নজনাকৈয়ে থাকে। তেওঁক তেনেকৈয়ে ভাল লাগে। নাই, জীৱনত আপোন কৰি ল'বপৰাকৈও ওচৰৰ নহয় তেওঁ। কিন্তু কোনো কাৰণ নোহোৱাকৈ ভাল লাগে। এৰা, গছৰ আগত ফুলা ফুলতো সকলোৱেই দেখে। কিন্তু পাতৰ আঁৰত লুকাই ফুলা নাহৰ অলপ বেছিয়েই ভাল লাগে।

'বিশেষ মেছেজটো'

কেতিয়াবা বিশেষ কাৰোবাৰ বিশেষ মেছেজলৈ বুলি অপেক্ষা কৰি পাইছেনে? দিনটোৰ সেই একেটা সময়তেই যে তেওঁ মেছেজটো দিয়ে, আৰু আপুনিও জানে যে সেই নিৰ্দিষ্ট সময়টোত তেওঁৰ মেছেজ এটা আহিবই। সেইবাবেই আপুনিও ৰৈ থাকে। বাৰে বাৰে মোবাইলটো চায়। আহিল নেকি? মেছেজ টনটো বাজে, আপুনি লৰি আহে। দেখে বেলেগ মেছেজ। myntraৰ কিবা offer নহ'লে vodafone বা jioৰ কিবা official মেছেজ। খঙতে মোবাইলটো থেকেচি দিয়ে। কেতিয়াবা আকৌ হাঁহি উঠে নিজৰ ওপৰতে। অনুভৱৰ মাজত নিজলৈকে যেন লাজ লাগে। কিন্তু আপুনি ৰৈ থাকে। এই যে অপেক্ষাৰ সময় কণ, বুকুখনত বলি থকা পাতলীয়া পছোৱাজাক, বিশেষ এটা নাম দেখিবলৈ জিলিকি থকা চকুযোৰ, ইয়াতো কম মাদকতা আছেনে! এবাৰ আপুনি ভাবে নিজেই দিওঁ নেকি মেছেজটো, কিন্তু নাই। তেওঁ আপোনাক যে এইখিনি সময়ত মনত পেলাব সেই অনুভৱটো পাবলৈকে আপুনি ৰৈ যায়। আৰু এসময়ত সঁচাই তেওঁৰ সেই মেছেজটো আহে। কিনো থাকে তাত, হয়তো 'ki korisa' নাইবা 'oi asa ne' বা আন কিবা। সেই সৰু সৰু শব্দকেইটাই কি জানো কঢ়িয়াই আনে, বুকুখনৰ ভিতৰত যেন কিবা ভাল লগা সুৰ বাজিবলৈ লয়। পৰোঁ-নপৰোঁকৈ ওঁঠৰ কোণেৰে সৰি পৰে এটি মৰমসনা হাঁহি। আজিৰ দিনত চিঠিৰ মাদকতা নাই বুলি কয় বহুতে। হয়, সময়ৰ লগে লগে কিছু সলনি নিশ্চয় হৈছে। কিন্তু মৰম আৰু ভালপোৱাবোৰতো একেই আছে ন! প্ৰেম জানো সলনি হোৱা কিবা বস্তু! দিনটোৰ শেষত এই যে অকণি অকণি অনুভৱৰ টুকুৰাবোৰ তাতেই জীৱনে ৰামধেনু আঁকি যায়, আৱেগৰ তুলিকাৰে। এই মৰমবোৰ এনেকৈয়ে থাকক, সেই হাঁহিবোৰ ওঁঠৰ কোণত সদায়ে লাগি থাকক, সময়ৰ পৰশ নপৰা কৈ মধুৰ হৈ থাকক সেউজীয়া মনবোৰ।

'জোন আৰু শেৱালি'

এদিন নিশা জোনে শেৱালিক সুধিলে, "এই যে ৰাতিটো ফুলি পুৱাই সৰি যোৱা, কষ্ট নহয়নে?" শেৱালিয়ে হাঁহি মাৰি ক'লে, "আঁউসীৰ নিশা আকাশ লৈ মনত নপৰেনে, সেইবুলি নোযোৱা কৈ থাকা জানো?"

সৰিপৰা মানেই যে বিষাদ নহয়, সেয়া শেৱালিয়ে জানে। আঁতৰি যোৱা মানেই যে বিচ্ছেদ নহয়, সেয়া জোনে জানে। আৰু আমি, আমিতো মুখৰ হাঁহিটোকেই সঁচা বুলি ভাবোঁ, কিন্তু কাৰ বুকুত কিমান শেৱালি সৰে কাৰ চকুত কত আঁউসীয়ে কান্দে আমি জানো বুজোঁ!!

'অকলশৰীয়া হ'লেই উমলিবলৈ আহে কিছুমান মানুহ'

আপোনাৰ জীৱনত এনে কোনো ব্যক্তি আছেনে, যি অকলশৰীয়া হ'লে আপোনাক বিচাৰি আহে। আৰু আপুনিও তেওঁৰ নিসংগতাখিনি মৰম আৰু হেঁপাহবোৰেৰে পুৰি দিয়ে। তেওঁ বিচৰাবোৰ আপোনাৰ মাজতে পায় আৰু আপুনিও তেওঁৰ হুমুনিয়াহবোৰ হাঁহিলৈ সলায়। কিন্তু তাৰ পাছত? যেতিয়া তেওঁ লগ সংগৰ লগত থাকে, যেতিয়া নানান বন্ধুবৰ্গৰে তেওঁৰ চৌপাশ পৰিবেষ্টিত হৈ থাকে, তেতিয়া আপোনাৰ স্থান তেওঁৰ বাবে ক'ত বাৰু? নাথাকে ন ক'তোৱেই! আপুনি মাজে মাজে আচৰিত হৈ যায়, যাক আপুনি অকলশৰীয়া অৱস্থাত সামৰিছিল, তেওঁৰ এই অচিনাকি ব্যৱহাৰে আপোনাৰ বুকুত হাতুৰীৰ কোব শোধায়। কিন্তু আপুনি নিশ্চুপ। ঘটনা আকৌ ঘটে, পুনৰ তেওঁ অকলশৰীয়া হ'লে আপোনাৰ কাষলৈ আহে আৰু আপুনিও আৱৰে। কিন্তু এইবোৰ কৰি কি হৈ আছে জানে, আপুনি নিজক ব্যৱহাৰ কৰিবলৈ দি আছে। ভাবকচোন, চাৰ্জ নিদিলেতো মোবাইলো চুইছ অফ হৈ যায়, আপুনি বা মইতো মানুহ। প্ৰত্যাশা নাৰাখোঁ, কিন্তু অকলশৰীয়া হ'লেই উমলিবলৈ আমিতো পুতলাও হ'ব নোৱাৰোঁ। আমি ভাবোঁ, তেওঁৰ আমাৰ বাদে কোনো নাই। সেয়ে বাৰে বাৰে তেওঁৰ নিসংগতাৰ হলাহল বিনাদ্বিধাই পি দিওঁ। কিন্তু আচলতে কি জানে, এইবোৰ মানুহৰ মনত আপোনাৰ বাবে কোনো বান্ধোন নাথাকে, আপুনি মাত্ৰ এটা অভ্যাস তেওঁলোকৰ বাবে। এওঁলোকক মাত্ৰ কোনোবা এজনক লাগে, নিসংগ সময় কটাবলৈ। সেই কোনোবাজন আপুনি বা মই নহ'লেও কথা নাই। কিন্তু আমি, আমি তেওঁলোকক বিশেষ কৰি লওঁ আৰু মুখাবোৰ খোল খালে কষ্ট পাওঁ। গতিকে এৰি দিয়ক। কাৰোবাৰ আজৰি সময়ৰ খেলনা হ'বলৈ আৰু নিজক জোৰ নকৰিব। যদি তেওঁ সঁচাই আপোনাক বিচাৰে, তেন্তে গোটেই পৃথিৱী তেওঁৰ লগত থাকিলেও আপোনাৰ কাষতেই আহিব। কাৰণ, অকলশৰীয়া হ'লেতো সকলোৱে মনত পেলায়। কিন্তু ভিৰৰ মাজত থাকিও যি আপোনাক বিচাৰে, মনত ৰাখিব তেওঁহে আপোনাক অন্তৰেৰে ভাল পায়।

'নোকোৱাকৈ বুজি নাপাম চাগে মই'

নোকোৱাকৈ বুজি নাপাম চাগে' মই, কিন্তু তুমি কোৱাৰ পাছত এবাৰতে বুজিম তোমাক। সদায় কথা পাতিব নোৱাৰিম চাগে' মই, কিন্তু কেতিয়াও নিসংগতাৰ উচুপনি পাৰ কৰিব নিদিওঁ তোমাক। তোমাৰ হাতত ধৰি সদায় খোজ কাঢ়িব নোৱাৰিম চাগে' মই, কিন্তু কেতিয়াও পৰি যাবলৈ নিদিওঁ তোমাক। লাগে বুলিলেই সকলো আনি দিব নোৱাৰিম চাগে' মই, কিন্তু উদাসী সন্ধিয়াবোৰত ভালপোৱাৰে জীপাল কৰিম তোমাক। সদায় হাঁহিয়েই থাকিবা বুলি ক'ব নোৱাৰিম চাগে' মই, কিন্তু কেতিয়াও অকলে কান্দিব নিদিওঁ তোমাক। তোমাৰ বাবে প্ৰাণ দিম বুলি ক'ব নোৱাৰিম চাগে' মই, কিন্তু সমগ্ৰ জীৱনৰ বাবেই বিচাৰিম তোমাক কেৱল তোমাক। কোৱা না, ভাল পাবানে মোক!!!

'ভালপোৱা নৈৰ দৰে'

কিছুমান ভালপোৱা নৈ আৰু আকাশৰ দৰে। দূৰৈৰপৰা চালে এনে লাগে যেন ক'ৰবাত মিলি গৈছে। কিন্তু সেয়া জানো মিলন! সেয়া মাত্ৰ দৃষ্টি বিভ্ৰম। মিলন কেতিয়াও নহয় নৈ আৰু আকাশৰ। তাৰ পাছতো নৈয়ে সদায় আকাশৰ নীলাখিনি বুকুত জিলিকাই বৈ থাকে চিৰদিন। নৈ বেৰঙী বুলি জানিও আমি নীলা বুলিয়েই কওঁ, কাৰণ তাত আকাশৰ বুকুৰ ৰং মিলি থাকে। এৰা, কিছুমান প্ৰেম নৈৰ দৰে। মিলন অসম্ভৱ বুলি জানিও বুকুৱে সেই বিশেষজনৰ ভালপোৱাকে সামৰে। চিৰকাল চিৰদিন সেই ভালপোৱাতে জীয়াই থাকে। হাজাৰ ঘাট-পাৰঘাট পাৰ হ'লেও নৈ বৈ থাকে। লগত আকাশৰ এবুকু নীলা। আকাশৰ বাহিৰে নৈয়ে কাকো নিজৰ নকৰে। এৰা, কিছুমান প্ৰেম নৈৰ দৰে। নহয়নে!!!

'শেষ নোহোৱা কাহিনী ঃ ৰাধাকৃষ্ণ'

কিছুমান কাহিনী শেষ হৈও শেষ নহয়, আধৰুৱা হৈও পূৰ্ণ হয়। ৰাধাকৃষ্ণৰ কাহিনীও ঠিক তেনেকুৱাই। কৃষ্ণ আঁতৰি গৈছিল, ৰাধাৰো সংসাৰ হৈছিল। তথাপি আজিও তেওঁলোকৰ নাম একেলগে লোৱা হয়। তেওঁলোকৰ সেই মিলনৰ সাক্ষী মহাৰাস। বৃন্দাবনৰ সেই স্মৃতিৰ জীৱন্ত ছবি মহাৰাস। বুকুত প্ৰেমক ৰাখি দায়িত্বক

আঁকোৱালি লোৱা প্ৰতিজন কৃষ্ণৰ হৃদয়ৰ সংগীত মহাৰাস। প্ৰেমৰ স্বীকৃতিৰ বাবে সমাজৰ দৃষ্টি সলনি কৰি দিবপৰা প্ৰতিজনী ৰাধাৰ মনৰ সাহস মহাৰাস। আজি ৰাধা নাই, কৃষ্ণও নাই। কিন্তু মহাৰাস আজিও চলি আছে। প্ৰতিবাৰ শৰৎ যেন ৰাসৰ বাবেই আহে, প্ৰতি নিশা শেৱালি যেন ৰাসৰ বাবেই ফুলে, প্ৰতিবাৰ কুঁৱলী যেন ৰাসৰ বাবেই নামে। কাৰণ এই ৰাসেই বাৰে বাৰে সোঁৱৰায় প্ৰেমৰ বাবে, আজীৱন শয্যা সংগিনী হোৱা আৱশ্যক নহয়, প্ৰেম শুদ্ধ হ'লে আঁতৰি গৈও চিৰদিন কাষত ৰয়। এই ৰাসেই দেখুৱায় যেতিয়া প্ৰেম অন্তৰেৰে পৱিত্ৰ হয়, গোটেই সংসাৰৰ বাবে ই প্ৰাৰ্থনা হৈ বুকুৱে বুকুৱে বয়। এই ৰাসেই শিকায় প্ৰেম উপভোগ নহয়, উদযাপনহে কৰা যায়। বুজাৰ বাবে শাশ্বত, স্বৰ্গীয় আৰু নুবুজাৰ বাবে অসামাজিক, অশ্লীল। ৰাধাকৃষ্ণৰ পৱিত্ৰ প্ৰেমৰ কৰুণ পৰিহাস, শৰতৰ প্ৰেমৰ উৎসৱ শ্ৰীকৃষ্ণৰ মহাৰাস।

'কাৰোবাক মনত গোপনে কঢ়িয়াই পাইছেনে?'

কেতিয়াবা কাৰোবাক গোপনে মনত কঢ়িয়াই পাইছে? বুজা নাই, ৰ'ব। তৰুণ তন্ময়দাৰ যে এটা গান আছিল,

"তুমি জিলিকি জিলিকি থকা সৌ দূৰ আকাশৰ তৰা,
তুমি এখনি ধুনীয়া ছবি মই গোপনে গোপনে আঁকা।"

হয়, সেইটোৱেই কৈছোঁ। কাৰোবাৰ ছবি কেতিয়াবা কোনেও নজনাকৈ কোনেও নেদেখাকৈ বুকুত কঢ়িয়াই ফুৰি পাইছেনে? ভালপোৱাৰ তুলিকাৰে হৃদয় কেনভাচত কোনোবা বিশেষজনৰ ছবি অংকন কৰিছেনে আজিলৈ? নাই, ক'ব নোৱাৰি। কাকোৱেই ক'ব নোৱাৰি তেওঁৰ কথা। আনকি তেওঁ নিজেও নাজানে। কোৱাৰ প্ৰয়োজনো নাই দিয়কচোন। কাৰণ তেওঁৰ ওপৰত অধিকাৰ সাব্যস্ত কৰাৰ ইচ্ছা নাই আমাৰ, না তেওঁক সম্পূৰ্ণ নিজৰ কৰি লোৱাৰ হেঁপাহ। কিন্তু অহৰহ বৈ থকা জীৱন নদীখনৰ এটা সুন্দৰ পাৰঘাট তেওঁ। দিনটোৰ হাজাৰ কোলাহলৰ পাছত মৌন নিশাৰ সুমধুৰ মুৰুলী তেওঁ। ব্যস্ততাৰ ফেৰেঙণিত জিৰণি ল'ব পৰা এছাটি পাতলীয়া মলয়া তেওঁ। কিন্তু আমি গোপনে ৰাখোঁ। তেওঁকো জানিবলৈ নিদিয়াকৈ। তেওঁৰ লগত কথা নাপাতিলেও নাই, তেওঁক সদায় নেদেখিলেও নাই। কিন্তু বুকুৱে যে তেওঁকেই বিচাৰি পায়। এই গোপন ছবিবোৰ সজীৱ কৰি ৰাখক সদায়। কাকো নেদেখুৱাকৈ কেৱল আপোনাৰ মণিকোঠাত জীপাল কৰি ৰাখক এজুপি হাচনাহানাৰ দৰে। চাব, তাৰ সুবাসে আপোনাকো ৰঙিয়াল কৰি ৰাখিব, গোপনে গোপনে।

'সদায় হাঁহিব নোৱাৰি'

সদায় হাঁহিবলৈ মন নাযায়, সদায় গল্প কৰিবলৈ মন নাযায়, লগ বন্ধুৰ লগত বহি সদায় মেহফিল সজাবলৈ মন নাযায়। হয়, আমাক মানুহ লাগে। হয়, আমাক সংগ লাগে। কিন্তু কেতিয়াবা অকলে থাকিবলৈ মন যায়। ঠিক অকলে নহয়, কিছুমান সময় নিজৰ লগত কটাবলৈ মন যায়। পাৰ হৈ যোৱা সময় যুকিয়াবলৈ, আহিব লগা সময় জুখিবলৈ কেতিয়াবা নিজক সময় দিবলৈ মন যায়। আপুনি সংগপ্ৰিয়, তাৰ অৰ্থ এইটো নহয় যে প্ৰতিটো সময় প্ৰতিটো দিন আপুনি মানুহেৰেই পৰিবেষ্টিত হৈ থাকিব। আপুনি আনক হুঁহুৱাই ভাল পায়, তাৰ অৰ্থ এইটো নহয় যে নিজক সম্পূৰ্ণ ৰূপে নিলগাই থৈ দিনে-ৰাতিয়ে কেৱল আনক হাঁহিৰে সজাব। মন নাযায়, কেতিয়াবা একোৰেই মন নাযায়। আৰু ইয়াৰ অৰ্থ অহংকাৰী নহয়, ইয়াৰ অৰ্থ মদগৰ্বী নহয়, ইয়াৰ অৰ্থ মানুহৰপৰা আঁতৰি অহাও নহয়। মাত্ৰ পৃথিৱীক সুখী কৰি থকাৰ মাজত কেতিয়াবা নিজৰ ওচৰলৈ আহিবলৈ মন যায়। কাৰণ, সকলোকে ভালে ৰখা মানুহবোৰক ভালে ৰাখিবলৈ কোনো নাথাকে। সকলোৰে কথা শুনা মানুহবোৰৰ কথা শুনিবলৈ কোনো নাথাকে। সকলোকে হুঁহুৱাই থকা মানুহবোৰৰ চকুপানীৰ জোখ কোনেও নাজানে। সেয়ে আমি নিজেই নিজক ভালে ৰাখিবলৈ কেতিয়াবা পৃথিৱীৰ পৰা আঁতৰি আহিবলৈ মন যায়। কাৰণ দিনৰ পোহৰৰ হিচাপ লোৱা বহু লোক থাকে, কিন্তু ৰাতি কিমান উজাগৰী কোনেও নোসোধে।

'অসন্তুষ্ট মানুহবোৰ'

আপোনাৰ আশে-পাশে এনে মানুহ আছেনে যাৰ অসন্তুষ্টিৰ কোনো সংখ্যা নাই! তেওঁলোকৰ না অভিযোগ শেষ হয় না অপছন্দৰ সীমা। যিকোনো কামতেই তেওঁলোকে ঘূৰি-পকি কিবা প্ৰকাৰে হ'লেও এটা বেয়া দিশ উলিয়াই দেখুৱাবই। হয়, বুজি পাওঁ যে ভাল-বেয়া দুয়োটা দেখুৱাই আমাক সাৱধান কৰাটো শুভাকাংক্ষী হিচাপে কৰিবই। কিন্তু প্ৰতিটো কথাতে কিবা নহয় কিবা বেয়া দিশ উলিয়াই নিৰাশাবোৰ হেঁচি হেঁচি মনত ভৰাই দিয়াটো কেনে ধৰণৰ কথা বুজি নাপাওঁ। এই ধৰক আপুনি নতুনকৈ মোবাইল এটাই ল'লে, তেওঁৰ মন্তব্য আহিব, 'এইটো কিয় ল'লি, এইটো

চলাবলৈ ৰেয়া, দুদিনতে এৰিব লাগিব।' ধৰক আপুনি আপোনাৰ প্ৰিয় বিষয়টোত পঢ়িবলৈ লৈছে, তেওঁৰ মন্তব্য, 'এইটো পঢ়ি কি লাভ, কিমান বেকাৰ হৈ আছে।' ধৰক আপুনি কিবা লেখা-মেলাই কৰিছে, 'এই সোপা লিখি কি হ'বনো, কোনোবাই পঢ়ে জানো।' মুঠতে কাৰোবাৰ বিয়াৰ কইনায়েই হওক, নাইবা কাৰোবাৰ পৰীক্ষাৰ ৰিজাল্টেই হওক তেওঁৰ অভিযোগৰ পাৰাপাৰ নাই। আচলতে কি জানেনে, এনে মানুহবোৰ এঙাৰৰ দৰে। এঙাৰ যেতিয়া জ্বলি অঙঠা হৈ থাকে, তেতিয়া আপুনি হাত দিয়াৰ লগে লগে আপোনাৰ হাতখন জ্বলিব আৰু যদি অঙঠা নুমাই চেঁচা এঙাৰ হৈ থাকে, তেতিয়া হাত নজ্বলিলেও হাতত ক'লা ছাই লাগিব। মুঠতে সৰুকৈ হ'লেও ক্ষতি কিন্তু হ'বই। এনে ধৰণৰ লোক সেইবাবে তৰ্ক নাইবা আন একোৰে যোগ্য নহয়। মাত্ৰ, উপেক্ষা কৰক এওঁলোকক। হয়, যিমান পাৰে সিমান আঁতৰি থাকক এওঁলোকৰপৰা। গুৰুত্বহীন কৰি পেলাওক। কাৰণ অঙঠাৰ কামেই হৈছে পোৰা। তাত চুবলৈ যোৱাটো আমাৰহে ভুল, নহয় জানো? সেয়ে এটা ধুনীয়া হাঁহি মাৰক আৰু আঁতৰি আহক। জীৱন আপোনাৰ, সময় আপোনাৰ, সপোনো আপোনাৰ। কোনোবা এঙেৰুৱা মনৰ মানুহৰ কথাত কিয় থমকি ৰ'ব? হয়, কেতিয়াবা কিবা সিদ্ধান্ত ভুল হ'ব পাৰে। মানুহহে আমি। সেইবুলিয়েই সকলো বাঘজৰী আনৰ হাতত দিবনে? নিদিব। অকলে আগ বাঢ়ক। এইবোৰ এন্ধাৰ মনৰ মানুহক জীৱনৰ পৰা আঁতৰাই চাবচোন, পৃথিৱীখন বহুত ধুনীয়া। গতিকে ভালে থাকক আৰু উমাল কৰি ৰাখক আপোনাৰ সপোনবোৰক।

'নষ্টালজিয়া'

ডিচেম্বৰ মাহটো সোমালেই এটা কথা খুব মনত পৰে, সৌ তাহানিৰ জানমণি, অঞ্জনাৰ সময় লৈ। এইখিনি সময়তেই এখন এখনকৈ যে চিডিবোৰ ওলায়। গোটেই বছৰটো যেন বৈ থাকোঁ। আটাইকেইখন চিডি চোৱাটো সম্ভৱ নহয় যিহেতু, গতিকে বিশেষকেইখন মান চাওঁ। জানমণি, অঞ্জনা, বগীতৰা, ৰাংঢালী এইকেইখন প্ৰধান। তাৰ লগত আটাইতকৈ প্ৰিয়খন, যিখন নাচালে যেন বছৰটোৱেই সম্পূৰ্ণ নহয়, সেইখন 'জোনবাই'। ইন্দ্ৰ আৰু জোনালীৰ সংসাৰৰ বা আকৌ কি গতি লাগিল, নেত্ৰকায়ে মদ খাই আকৌ উৎপাত কৰিছে নেকি, মেনকাৰ মনৰ ঈৰ্যাবোৰ শেষ হৈছেগৈনে এইবোৰ এশ এবুৰি চিন্তা। কেতিয়াবা ঘৰৰপৰা গোটেইকেইখন চিডি কিনিবলৈ

নিদিয়ে। তেতিয়া কৰোঁ কি, চুবুৰিৰ দোকানৰপৰা ভাড়ালৈ আনো চিডিবোৰ। এদিনৰ বাবে বিছ টকা। নহ'লে ওচৰৰ কাৰোবাৰ লগত সলাই সলাই চাওঁ। মানে জানমণি আৰু জোনবাইখন মই কিনিম আৰু সি অঞ্জনা আৰু বগীতৰাখন কিনিব। তাৰ পাছত সলাই সলাই চাম। কেতিয়াবা আকৌ কোনোবাখন চিডি আধা চলি বৈ যায়। আকৌ মুখেৰে সা সা কৰি মচি লৈ কতনো কষ্ট ঔ! মুঠতে মাঘ বিহুৰ আগে আগে গোটেই-কেইখন চাই শেষ কৰিব লাগিব। সঁচাই, সেই জানমণি, ৰাংঢালীৰ জুনুকাহঁতলৈ কৰা অপেক্ষাবোৰ আজিৰ ৰেব-ছিৰিজৰ বাবে কৰা অপেক্ষাত কৈ বহু গুণে মধুৰ আছিল। ইয়াৰ লগতে জুবিনদাৰ শুনিলেই গা ৰাইজাই কৰা বিহুকেইটা। উফ, সেইকেইটা নলগালে যেন মাঘ বিহুৰ উৰুকায়েই আধৰুৱা। আনকি এতিয়াও, হাজাৰ নতুন গীত থাকক 'পৰ্বতৰ ঢেঁক ঢেঁকীয়া' লগালেহে উৰুকা যেন অনুভৱ হয়।

নাজানো ক'ত হেৰাল সেই দিনবোৰ। সময়ৰ সলনি মানি ল'বই লাগিব। তথাপিচোন কেতিয়াবা ইন্দ্ৰৰ বাবে চাৰিটা খুঁটি পুতি আঁঠুৱা তৰি ওৰে ৰাতি বৈ থকা জোনালীৰ খবৰ ল'বলৈ মন যায়, জোনৰ বিয়া ঠিক হোৱা বুলি শুনি কান্দি থকা জানমণিৰ লগত গাবলৈ মন যায়, 'পৰোঁ বুলি কোনেও কাৰো প্ৰেমত নপৰে'। সন্তান নহয় বুলি জানিও জুনুকাক পত্নীৰূপে আঁকোৱালি লোৱা ফটিকদাৰ ঘৰৰ ৰবাব টেঙা খাবৰ মন যায়। এৰা, বহু দূৰ আগুৱাই আহিলোঁ আমি। তেও আকৌ উভতি যাবৰ মন যায়। ল'ৰালি, তোক আকৌ পোৱাহেঁতেন বিচাৰি।

'নিজক শেষ কৰি দিয়ে কেনেকৈ?'

কেতিয়াবা পাকঘৰত কিবা বনাওঁতে হাতত তেল পৰি পাইছেনে? নহ'লে ধূপে পুৰিছেনে কেতিয়াবা? লগে লগে ছটফটাই উঠোঁ ন আমি, কত যে দৰৱ লগাওঁ। তেন্তে ভাবকচোন, নিজ ইচ্ছাত কোনোবাই যেতিয়া জুই একুৰা নিজৰ গাত মেৰিয়াই লয়, কিমান বেছি নিজক শেষ কৰাৰ বাসনা থাকিব লাগিব তেওঁৰ গাত। কেতিয়াবা ধেমালিতে কোনোবাই ডিঙিটোত ধৰিলেও আমি চিঞৰি দিওঁ। কেতিয়াবা ডিঙিত মাছৰ কাঁইট লাগিলেও ধৰফৰাই উঠোঁ। তেন্তে ভাবকচোন, কিমান বেছি নিজক ঘিণ কৰিলে সেই ডিঙিত ৰছীৰে উলমিব পাৰে। আপুনি বা মই, আমি নিজকে লৈ কিমান যে ব্যস্ত। নিজক কি সাজেনো শুৱাব কিহে ধুনীয়া কৰি তুলিব এইবোৰত লাগি থাকোঁতে আমি কল্পনাও কৰিব নোৱাৰোঁ যে আমাৰ দৰেই একে তেজ মঙহৰ আন মানুহে নিজক কিদৰে পৃথিৱীৰপৰা আঁতৰাই নিব পাৰি তাৰ চিন্তাত ডুবি আছে।

কিন্তু কিয় হয় এনেকুৱা? কিহে বাধ্য কৰে মানুহক নিজক শেষ কৰি দিবলৈ? উত্তৰটো কি জানে? সেইসকল মানুহৰ তেনে পদক্ষেপৰ বাবে দায়ী আপুনি বা মইও। হয়, আমিও ক'ৰবাত দায়ী। নিজেই ভাবকচোন, কোনোবা দিনা একো স্বাৰ্থ নথকাকৈ কথা পাতি পাইছেনে কাৰোবাৰ লগত? কোনোবাই কিবা এটা দুখৰ এশাৰী লিখিলে 'ভাল লিখিছা' বুলি কোৱাতকৈ সুধিছেনে 'তুমি ভালে আছানে' বুলি? নোসোধোঁ। কিয় সুধিম। কাৰণ আমি ব্যস্ত। আমাৰ কি গৰজ কাৰ কি হৈছে সুধি থকাৰ। কিন্তু এটা কথা মনত ৰাখিব, এই যে ঈশ্বৰে আপোনাক এটা জীৱন দিছে এইটো অকল আপোনাৰ বাবেই নহয়। আপোনাৰ অস্তিত্বই যদি অন্ততঃ এজন মানুহৰ জীৱনতো পোহৰ সিঁচিবপৰা নাই, তেন্তে মই ক'ম আপুনি জীৱনত একোৱেই কৰিব নোৱাৰিলে। অৰ্থহীন তেনে জীৱন যি ওচৰৰ মানুহখিনিক জীপাল কৰি ৰাখিব নোৱাৰে। গতিকে দিনটো ব্যস্ততাৰ মাজত অলপ সময় উলিয়াবচোন। চিনাকি দুই-এজনৰ বাবে। আপুনি নজনাকৈ আপোনাৰ একেবাৰে কাষত থকাজনে কিমান বিষ পান কৰি আছে আপুনি চাগে' কল্পনাও কৰিব নোৱাৰে। দুই-এষাৰ হাঁহি-মাতি পাতিলে যদি কাৰোবাৰ মনটো পাতল হয় তাত জানো আপত্তি থাকিব লাগে! চাবচোন আপোনাৰ মুখৰ কথাই যেতিয়া সমুখৰজনক হাঁহিৰ খোৰাক যোগাব, সেই সময়ত যি তৃপ্তি পোৱা যায়, তাৰ তুলনা একোৱেই নহয়। সেয়ে কওঁ, সদায় আনক হঁহুৱাবলৈ চাওক, কাৰণ কন্দুৱাবতো পিয়াঁজেও পাৰে। ভালে থাকক সকলো।

'উফৰি অহা বুকুৰ শেলবোৰ'

"এম.এ.টো শেষ হ'ল, এতিয়া পিছে কি ভাবিছা?"
"কিবা কৰি আছানে এতিয়া?"
"পৰীক্ষা-চৰীক্ষাবোৰ দিছানে নাই?"
"ঘৰত এনেই থকাতকৈ ক'ৰবাত সোমাই লোৱা আকৌ!"
"বয়স বৈ নাথাকে দেই, ডেকা ল'ৰা ঘৰত দুটকামান দিবহে লাগে।"
"দুপইচা নিজে ঘটিব লাগে আৰু এতিয়া!"

এই ধৰণৰ উফৰি অহা বাক্য আপুনিও শুনিছে চাগে' ন? কোবাই যায়নে বুকুখনত? সেমেকা হাঁহিটো মাৰিবলৈ খুব কষ্ট হয় ন? এনেবোৰ কথা কৈ থকাসকলক কিছু কথা ক'ব খোজোঁ। হয়, জানো আপুনি আমাৰ ভাল হোৱাটোৱেই বিচাৰে। হয়,

বুজোঁ যে আপুনি আমাৰ ভালৰ বাবেই চিন্তা কৰে যাতে আমাৰ ভৱিষ্যৎটো ভাল হয়। কিন্তু কি জানে, কেতিয়াবা আপুনি এই ভাল বুলি ভাবি সোধা বা কোৱা কথাটোৱেও কাৰোবাক ওৰে নিশা কন্দুৱাব পাৰে। বুকুখন দহাই নিব পাৰে। সেই কথা জানো আপুনি ভাবে। হয়, আপুনি ঠিকেই কৈছে দুটকামান ঘটিব লাগিব। কিন্তু আমি যে টকাতকৈ বেছি সপোন ঘটিব খোজো, লাহ-বিলাসতকৈ বেছি হাঁহিহে ঘটিব খোজোঁ। আপুনি কোৱাটোত ভুল নাই, আপোনালোকৰ অভিজ্ঞতাৰে আমাক বাট দেখুৱাই দিয়াটো খুবেই ভাল কথা। কিন্তু নিজৰ বাট এটা নিজেই তৈয়াৰ কৰিব খোজাত আমাৰ জানো ভুল হ'ব পাৰে? আনে যোৱা বাটেৰেই যাব লাগিব বুলিতো কথা নাই ন! অলপ সময় দিয়কচোন, চাব আমি ঘটি অনা হাঁহিৰ টুকুৰাৰে আপোনাকো উজলাম এদিন।

বাকী এই উফৰি অহা কথাবোৰৰ সৈতে যাঠিৰ খোঁচ খোৱা বুকুখন কঢ়িয়াই ফুৰাসকলক কওঁ, একো নাই, কোৱাসকলে ক'বই। কোৱা-নোকোৱাবোৰ তেওঁলোকৰ। কিন্তু সপোনবোৰতো আমাৰ ন, আমি সজাম সেইবোৰক। দুদিন পলম হ'ব কিন্তু এদিন আমিও হাঁহিম। বুকুত বেদনাৰ পাহাৰ লৈ নহয়, সপোন পূৰণৰ আশাপ্ৰাপ্তিৰ সুখখিনিৰ সৈতে হাঁহিম। এতিয়া এই যাত্ৰাখিনি উপভোগ কৰি যাওঁ মাত্ৰ। ভাঙি নপৰিব। আজি নহ'লেও কাইলৈ বা পৰহিলৈ সৌ আকাশখন আমাৰ হ'ব।

'ধুমুহাই কোবোৱা গছ'

জীৱনত এনে কিছুমান মুহূৰ্ত নিশ্চয় আহিছে নাইবা আহিব চাগে' আপোনাৰ যি সময়ত ধুমুহাই কোবোৱা গছজোপাৰ দৰে ভাঙিপৰা যায়। বতাহে সৰোৱা গোলাপৰ পাহিৰ দৰে টুকুৰা টুকুৰকৈ খহিপৰা যায়। আৱেগে পাৰ ভাঙে। আৰু আমি কোন আপোন কোন পৰ নোচোৱাকৈ কাষত যাক পাওঁ তেওঁৰ আগতেই উদঙাই দিওঁ নিজক। নিজক সামৰাৰ স্বাৰ্থত তেওঁৰ ওচৰত খুলি দিওঁ আমাৰ মনগহন। আচলতে ভুলটো আমি তাতেই কৰি পেলাওঁ। অনুৰাধা বাইদেৱে উপন্যাসত লিখিছিল, "পিয়াহ লাগিল বুলিয়েই যিকোনো পাত্ৰত পানী খাবানে...?" কথাবোৰ তেনেকুৱাই। এটা বেয়া সময়ৰ মাজত আছে বুলিয়েই যিকোনো লোকক চকু মুদি বিশ্বাস কৰি নিজক উজাৰি নিদিব। কাৰণ মানুহে দুখ বুজি নহয়, কাহিনী শুনাৰ স্বাৰ্থতহে কাষ চাপে। আপুনিতো আৱেগৰ পাৰভঙা জোৱাৰত তেওঁক বিশ্বাস কৰি কৈ দিলে, কিন্তু যেতিয়া আপোনাৰ অনুভৱখিনি কাৰোবাৰ বাবে কৌতুক হৈ পৰিব, যেতিয়া

আপোনাৰ আদৰৰ বুকুৰ কথাবোৰ কাৰোবাৰ ঠাট্টাত হাঁহিৰ টুকুৰা হৈ উৰিব তেতিয়া নিজকে দূষিব আপুনি। গতিকে দুখ হৈছে, কষ্ট হৈছে, ধৈৰ্য্য ধৰক। তেতিয়ালৈকে নিজক এৰি নিদিব যেতিয়ালৈকে কাষত বিশ্বাসী কাৰোবাক নাপায়। আৰু যদি কাকোৰেই নাপায় তেতিয়াও একো নাই। বেয়া সময়বোৰহে, আপুনি নাইবা আপোনাৰ জীৱনটোতো বেয়া নহয়। সময়হে, পাৰ হৈ যাবই। কিন্তু এই দুদিনীয়া শুভাকাংক্ষীৰ হাতত মনৰ চাবি-কাঠী তুলি দিয়াৰ ভুল ভুলতো নকৰিব। বিষৰ মলম আজিকালি ক'তো নাই, কিন্তু আঘাত কৰিবলৈ জিভাখনেই যথেষ্ট।

'তুমি সদায় বিশেষ'

এটা বিশেষ দিনৰ বাবে তোমাক লগ নকৰোঁ, কাৰণ তোমাক লগ পোৱাৰ দিনাই দিনটো বিশেষ হ'ব। আজৰি হ'লে তোমাৰ লগত কথা নাপাতোঁ, তোমাৰ লগত কথা পাতিবলৈ নিজক আজৰি কৰি ল'ম। তুমি নাথাকিলে মৰি নাযাওঁ, কিন্তু তুমি থাকিলে ভালকৈ জীয়াম জীৱনটো। তোমাক উপভোগ নকৰোঁ, এটা উৎসৱৰ দৰে প্ৰতিদিন উদযাপন কৰিম তোমাক। তোমাক বেলেগকৈ প্ৰতিশ্ৰুতি নিদিওঁ, কাৰণ মই নিজেই এক প্ৰতিশ্ৰুতি হৈ আহিম তোমাৰ কাষলৈ। তোমাক আনৰপৰা লুকুৱাই নাৰাখোঁ, তুমি প্ৰিয় সংগীতৰ সুৰৰ দৰে গুণগুণ হৈ বাজি থাকিবা মোৰ মনগহনত। তুমি মোৰ প্ৰয়োজন কেতিয়াও নহয়, কিন্তু বিশ্বাস কৰা সদায় মোৰ প্ৰিয়জন হৈ থাকিবা। এতিয়া কোৱা, ভাল পাব পাৰিবা নে মোক!

'তেজীমলা হৈ আগুৱাম'

আঁতৰি যাবলৈ সহজ, বিকল্প হাজাৰ আছে। কিন্তু লগত থাকিবলৈ টান, ভালপোৱাবোৰ যে দুৰ্লভ। বুজি পাওঁ, আজিকালি নিজকো বুজাওঁ। নিজৰ দৰে কাকো নাপাওঁ। মানুহ গৈ থাকে, ঘৰলৈ নাহিলেও জীৱনলৈ আলহীবোৰ আহি থাকে। দুই-এদিনতে গুচি যায়। যাবই, মইনো কাৰ কি! সেয়ে আজিকালি নৰখাও, কাকো নৰখাও। এটা হুমুনিয়াহেৰে মইও আগুৱাওঁ। বুকুৰ দুৱাৰখন আকৌ জপাওঁ। কষ্ট হয়। অলপ বিষ, অলপ প্ৰশ্ন। ভুল কাৰ, ভুল কি এইবোৰত মন আন্দোলিত। ৰাতি কেতিয়াবা অজানিতে চকুৰ টোপালবোৰে প্ৰশ্নবোৰ সোধে। সামৰি থওঁ, ঠিকনা

নোহোৱা প্ৰশ্নৰ মূল্যই বা ক'ত। নিজক বুজাওঁ, বুজি বুজি আগুৱাওঁ। মই অন্ততঃ থাকিম। মোক আঁতৰাই নিদিয়ালৈকে মই সকলোৰে কাষত থাকিম। মোৰ দৰে অকলশৰীয়া হ'ব নিদিয়াকৈ থাকিম। বাকী যোৱাবোৰ যাওক। মই এনেকৈয়ে আগুৱাম। তেজীমলা হৈ মৰি মৰি আগুৱাম। জৰাটেঙা হৈ ফুলি ফুলি আগুৱাম। এদিন কোনোবা সদাগৰৰ পানী গামোচাৰ পৰশত আকৌ জীয়াম। কিন্তু মই আগুৱাম।

'মই আছোঁতো'

'মই আছোঁতো'; চাবলৈ এটি খুব সৰু বাক্য। কিন্তু বুজিবলৈ গ'লে ইয়াতকৈ মজবুত ভৰসা আৰু একোৰেই নাই। সৰুতে ৰাতি বাৰীৰ পিছফালৰ শিয়ালৰ শব্দ শুনি যেতিয়া বিছনাত দেউতাৰ বুকুত সোমাই পৰিছিলোঁ, দেউতাই সাবটি ধৰি কৈছিল, 'কিহৰ ভয়, মই আছোঁতো।' নামঘৰত ৰাস চাই থাকোঁতে শংখচূড়ৰ প্ৰৱেশৰ সময়ত ককাৰ কোঁচত উঠা মোক ককাই কৈছিল, 'একো নহয়, মই আছোঁতো।' সেই আশ্বাসত প্ৰাণ আছিল, ইমানেই প্ৰাণ আছিল যে ভয় শব্দটোৰেই নোহোৱা হৈ পৰিছিল। লাহে লাহে ডাঙৰ হ'লোঁ। বিশ্ববিদ্যালয়ৰ ডেওনা পালোঁ। ডিপ্ৰেছনৰ সেই ভয়াৱহ দিনবোৰত যেতিয়া ডাক্তৰৰ ওচৰলৈ গৈছিলোঁ, প্ৰতিদিনাই কাউন্সেলিং শেষ হোৱাৰ পাছত ছাৰে হাতখন সাবটি কৈছিল, 'চিন্তা নকৰিবা। চব ঠিক হৈ যাব, মই আছোঁতো।' সেই সময়ত মোৰ বুকুত যি সাহসে গড় বান্ধিছিল তাক আজি হয়তো মই বুজাব নোৱাৰিম। সেই বাবেই নিজৰ সপোনসদৃশ উপন্যাসখনত এই বাক্যশাৰী এটি বিশেষ চৰিত্ৰৰ মুখত বাৰে বাৰে দিছিলোঁ, 'মই আছোঁতো।' সকলোৰে ভাল পালে, আঁকোৱালি ল'লে। কিন্তু বাস্তৱটো বৰ বেলেগ। আৱেগবোৰে চক্ৰবেহু ৰচিবৰ পৰত এদিন প্ৰিয়বন্ধুৱে কৈছিল, 'মই আছোঁতো।' বিশ্বাস কৰিব ? সেই প্ৰিয়বন্ধুৰ আজি মাতটোও পাহৰি গৈছোঁ। ব্যস্ত, খুব ব্যস্ত। নিৰিবিলিৰ সময়ৰপৰা চিনাকি হোৱা বহু পাঠক, যি পাছলৈ বন্ধুৰ শাৰীলৈ উঠিছিল, তেওঁলোকেও ক'লে, 'মই আছোঁতো।' কিন্তু সময়ৰ সোঁতত লাহে লাহে আঁতৰিও গ'ল এজন এজনকৈ। এনেকুৱাতে হাঁহি উঠে এই আশ্বাসৰ ওপৰত। হয়, 'মই আছোঁতো' এটি বুকু ভৰাই তুলিবপৰা আশ্বাস, থিয় কৰাই তুলিব পৰা ভৰসা, চকু মুদি সাবটিবপৰা বিশ্বাস। কিন্তু, এই কথাষাৰ তেতিয়ালৈকে কাৰোবাক নক'ব যেতিয়ালৈকে আপুনি ইয়াৰ গুৰুত্ব বুজি নাপায়। ইমানৰ পাছতো ক'ম, আপোনাৰ প্ৰিয়জনক, প্ৰিয়বন্ধুক মৰমেৰে কওক, 'মই

আছোঁতো'। কিন্তু সেইটো অকল কথাতে বৈ নাযাওক। কামেৰেও দেখাওক যে আপুনি আছে। তেওঁ ভাঙি পৰিলে সামৰিবপৰাকৈ থাকক। কিন্তু, উপন্যাসৰ চৰিত্ৰৰ লগত নিজৰ মিল দেখুৱাবলৈ গৈ নিজক ইমানো তৰল কৰি নিদিব যাতে আপোনাৰ নিজৰ ছবিখনেই বহুত তল পৰি যায়। মানুহবোৰ থাকক, মানুহে মানুহৰ কাষত থাকক। কাকো অকলে এৰি নিদিয়াকৈ থাকক যাতে কোনো মানুহে পইচা দি ডাক্তৰৰপৰা শুনিব লগা নহয়, 'চিন্তা নকৰিবা, আছোঁতো মই।'

'কিছুমান সলনি'

বয়স নে অভিজ্ঞতা নাজানো, কিন্তু সময়ৰ লগে লগে কিছুমান সলনি নিজৰ মাজতো হ'ল। জন্মদিন নাইবা আন কোনো বিশেষ দিনত কাৰোবাৰ ফটো লৈ এহালিচামান ৰচনাৰে ষ্টেটাছ দিয়াতকৈ ফোন এটা কৰি শুভেচ্ছা দি বেছি ভাল লগা হ'ল। কাৰোবাক মেছেজত 'কি কৰিছা' বুলি সোধাতকৈ ফোনত 'ভালে আছানে' বুলি সুধি বেছি ভাল লগা হ'ল। বিহু, পূজা, হোলী নাইবা দীপাৱলীত forwarded মেছেজতকৈ পুৰণি লগবোৰক এবাৰ লগ কৰিবলৈ মন যোৱা হ'ল। ৰঙা-নীলা লাইটৰ পোহৰত লাউড মিউজিক শুনাতকৈ শেষনিশাৰ জোনাক চাই প্ৰিয় গীতৰ পাতল সুৰ বেছি ভাল লগা হ'ল। দহ-বাৰজনীয়া বন্ধুৰ লগত বিলাসী গাড়ীত গৈ পিকনিক কৰাতকৈ মনে মিলা এজনৰ লগত আবেলিৰ ৰঙা চাহকাপৰ সৈতে দীঘলীয়া বাটত খোজ দিবলৈ বেছি মন যোৱা হ'ল। আঁতৰি যোৱাজনক ওভতাই অনাতকৈ পুৰণি স্মৃতিৰ লগত সময় কটাই বেছি ভাল লগা হ'ল। ফেঁকুৰি কন্দাতকৈ দীঘল উশাহেৰে বিষবোৰ বুকুলৈকে গিলি বেছি ভাল লগা হ'ল। মানুহ ভালপাওঁ এতিয়াও, কিন্তু কিয় জানো, ভিৰবোৰচোন একেবাৰেই অসহ্য লগা হ'ল। কথা পাতি ভালপাওঁ, কিন্তু কোলাহলবোৰচোন শুনিব মন নোযোৱা হ'ল। কেতিয়াবা বন্ধুত্ব, কেতিয়াবা আন আন সম্বন্ধবোৰৰ নামত নিজক কিমান হেৰুৱালোঁ ঠিক নাই। সেয়ে চাগে' এতিয়া নিজৰ লগত নিজৰ সৈতে উমলি বেছি ভাল লগা হ'ল।

'সম্পৰ্ক আৰু স্বাভিমান'

কেতিয়াবা এটা সম্পৰ্কক ধৰি ৰাখিবলৈ নিজৰ আত্মসন্মান নিজৰ স্বাভিমান সকলো ভৰিৰে মোহাৰি পাইছেনে? বহুতেই হয়তো পাইছে। সম্পৰ্ক মানে যিকোনো,

প্ৰেম বন্ধুত্ব নাইবা আন বেলেগ। আচলতে আমি খুব আৱেগিক বাবে এটা সম্পৰ্কক হৃদয়ৰপৰা পালন কৰোঁ। যাৰ আগত আমাৰ নিজৰ ইচ্ছা-অনিচ্ছাও কেতিয়াবা তল পৰি যায়। অহংকাৰতো দূৰৰে কথা, স্বাভিমানো নাহে। সম্পৰ্কটো যেন সকলোৰে ঊৰ্দ্ধত, লাগিলে ভুল যিয়ে নকৰক। এইদৰে আমি ভাবি লওঁ আৰু নিজক তলতকৈও তলত পেলাই সম্পৰ্কটো জীয়াই ৰখাৰ আখৰাত ব্যস্ত থাকোঁ। ভাল, কৰিব লাগে। সম্পৰ্কবোৰক জীয়াইতো ৰাখিবই লাগিব। কিন্তু সমস্যাটো কেতিয়া হয় জানে, যেতিয়া সমুখৰজনে সেই সমান মৰ্য্যাদা সেই সমান গুৰুত্ব সম্পৰ্কটোক নিদিয়ে। বহু ক্ষেত্ৰত এনেকুৱা হয় চাবচোন, আপুনি নিজৰ ভাল লগা বেয়া লগা সকলো পাহৰি সম্পৰ্কটো ৰক্ষা কৰাৰ চেষ্টা কৰি আছে আৰু সমুখৰজনে সিমানেই নিজক কেন্দ্ৰ কৰি ঘূৰি আছে। কি কৰে তেতিয়া আপুনি? সকলো আওকাণ কৰি নিজকে তল পেলাই যায় চাগে'। জানো, আমি প্ৰায়ে এইটোৱে কৰোঁ। সঁচাই যদি এনেকুৱা কৰিছে, তেন্তে শুনক, বৈ যাওক। সঁচাই, বৈ যাওক। হয়, সম্পৰ্ক এটা ৰক্ষা কৰাটো ভাল কথা। ভুলবোৰ পাহৰি আঁকোৱালি লোৱাও ভাল কথা। স্বাভিমান, অভিমান মাজলৈ ননাকৈ চলি যোৱাটোও ভাল কথা। কিন্তু এই ভাল কথাবোৰ তেতিয়া বেয়া হয়, যেতিয়া ই একপক্ষীয় হয়। মনত ৰাখিব, এটা সম্পৰ্ক কেতিয়াও এফালৰ পৰা নহয়। যদি এফালৰপৰাই হৈ আছে, তেন্তে আপোনাৰ সম্পৰ্কও চাগে' সম্পূৰ্ণ নহয়। আপোনাক জেদ ধৰিবলৈ কোৱা নাই, কিন্তু দুজনে মিলি আৰম্ভ কৰা এটা সম্পৰ্ক অকল এজনে ৰক্ষা কৰি থকাৰ যুক্তি ক'ত। কেৱল সম্পৰ্কৰ দোহাই দি নিজকে নিজে ভৰিৰে মোহাৰি থকাৰ যুক্তি ক'ত। হয়তো কোনোবাই আৱেগৰ কথা ক'ব। কিন্তু আনৰ আৱেগত নিজক কষ্ট দিয়াৰ যুক্তি ক'ত! গতিকে বৈ যাওক। যদি অনুভৱ কৰিছে যে চেষ্টা কেৱল আপোনাৰ ফালৰ পৰাহে হৈ আছে, তেন্তে বৈ যাওক। যদি সঁচাই বান্ধোন আছে, তেন্তে তেওঁ নিজে আগ বাঢ়ি আহিব। আৰু যদি নাহে, নিজক আৰু পুতৌ কৰি নাথাকি আগ বাঢ়ক। এই চকুপানী আৱেগ ভালপোৱা এইবোৰ বৰ মূল্যবান। সকলোৰে ইয়াক ৰখাৰ যোগ্যতা নাথাকে। যাৰ থাকে, তেওঁৰ বাবে সাঁচি ৰাখক। নিজক ভালে ৰাখক।

'দুটা চৰাইৰ সাধু'

আজি এটা সাধু কওঁ শুনক। এখন দেশত এটা চৰাই আছিল। এটা অকল-শৰীয়া চৰাই। ওখ আঁহত এজোপাত তাৰ বাহ। অকলে অকলেই থাকে সি। ওচৰৰ

আন আন গছবোৰত অন্য চৰাইবোৰ থাকে যদিও তাৰ লগত বিশেষ মাত-বোল নাই। দিনটো ওলাই যায়, অ'ত-ত'ত কিবা-কিবি খাই আৰু ৰাতি বাহলৈ ঘূৰি আহে। এয়ে তাৰ জীৱন। তেনেকুৱাতে এদিন তাৰ বাহলৈ আন এটা চৰাই আহিল। চৰাইটো নিজৰ বাহ হেৰুৱাই আহিছে। পুৰণি চৰাইটোৱে তাক সহায় কৰিলে সেই আঁহত-জোপাতে এটা নতুন বাহ সজাত। দুদিনৰ পাছত বাহটো সম্পূৰ্ণ হোৱাত নতুন চৰাইটোও তাত থাকিবলৈ ল'লে। পুৰণি চৰাইটোৱেও এটা লগ পালে। দিনটো দুয়ো বেলেগ বেলেগ ঠাইত খাদ্য বিচাৰি ঘূৰি ফুৰে যদিও সন্ধ্যা বাহলৈ আহি দিনটোৰ কাহিনীবোৰ ইটোৱে সিটোৰ আগত ক'বলৈ ধৰিলে। দুয়োৰে জীৱনটো যেন দুয়োৱে পূৰ্ণ কৰি ৰাখিছিল। কিন্তু দিন জানো সদায় একেদৰে যায়? এদিন আঁহতজোপাৰ কাষৰ আন এজোপা গছলৈ আন এটি চৰাই আহিল। ইহঁত দুটাইও মাজে মাজে সেইজোপা গছৰ চৰাইটোৰ লগত কথা পাতে। কিন্তু দিন বাগৰাৰ লগে লগে দ্বিতীয় চৰাইটোৱে নতুন চৰাইটোৰ লগত অধিক কথা পাতিবলৈ ল'লে। আঁহতজোপাৰ পুৰণি চৰাইটো লাহে লাহে আকৌ অকলশৰীয়া হৈ পৰিল। দিনটোৰ অন্তত জীৱনটো ভগাই ল'বলৈ তাৰ বন্ধু চৰাইটোক লগ নোপোৱা হ'ল। আৰু এদিন সেই বন্ধু চৰাইটো আঁহত জোপা আৰু পুৰণি চৰাইটোক এৰি কাষৰ গছৰ নতুন চৰাইটোৰ লগলৈ গুচি গ'ল। প্ৰথমে পুৰণি চৰাইটোৱে বৰ বেছি একো নাভাবিলে। আগতেও অকলে আছিলোঁ, এতিয়াও অকলে আছোঁ ভাবত থাকি গ'ল। কিন্তু দিন বাগৰাৰ লগে লগে সি যেন অশান্তি ভুগিবলৈ ল'লে। কষ্ট পাবলৈ ল'লে। কথা পাতিবলৈ সি নতুন লগো বিচাৰিছিল, কিন্তু ক'তা, সি চোন সেই বন্ধু চৰাইটোৰ দৰে কাৰো লগত একো পাতিব নোৱাৰে। লাহে লাহে খাদ্য বিচাৰিও সি যাব নোৱৰা হ'ল। দিনৰ দিনটো অকলে অকলে বাহতে পৰি থাকে। এনেকৈয়ে এদিন তাৰ মৃত্যু হ'ল।

মৃত্যুৰ পাছত সি ঈশ্বৰক সুধিলে, "প্ৰভু, মোৰ কিয় এনে হ'ল? মোৰ বন্ধুৱে না মোক খুৱাইছিল না কিবা সহায় কৰিছিল। তথাপি সি যোৱাৰ পাছত মই কিয় এনেকৈ ভাঙি পৰিলোঁ। আৰু সি কেনেকৈ আগৰ দৰেই আছে?" ঈশ্বৰে হাঁহি মাৰি ক'লে, "কাৰণ, তাৰ বাবে কথা পতাটো এটা অভ্যাস আছিল। যিটো সি এতিয়াও কৰি আছে। কিন্তু তোমাৰ বাবে সি নিজেই এটা অভ্যাস আছিল। যাৰ স্থান তুমি কাকোৱেই দিব নোৱাৰিলা।"

আচলতে কথাবোৰ এনেকুৱাই। বন্ধুত্ব মধুৰ যিমান, বন্ধুত্বত কষ্টও সিমান। প্ৰেমে এৰি গ'লে বন্ধুত্বই আৱৰে। কিন্তু বন্ধুৱে এৰি গ'লে, জীৱনেও হেঁপাহৰ সমাধি

পাতে। সেয়ে কওঁ, গুৰুত্ব ভালপোৱাত দিয়ক, ভালপোৱাজনক নহয়। গুৰুত্ব বন্ধুত্বক দিয়ক, বন্ধুজনক নহয়। নহ'লে সেই বন্ধুজন আঁতৰি গ'লে আপুনি বন্ধুত্ব শব্দটোকো সহ্য কৰিব নোৱৰা হ'ব।

'আপুনি সময়ক চিনিব পাৰিছে'

দিনে প্ৰতিদিনে কোনোবা বিশেষজন আঁতৰি গৈ থকাৰ উমান পাইও যদি আপুনি শেঁতা হাঁহি এটাৰে নিসংগতাক আদৰিব পাৰিছে, টুকুৰা-টুকুৰকৈ দৈনন্দিন জীৱনটো ভগাই লোৱাজন হঠাৎ ব্যস্ত হোৱা দেখিও যদি আপুনি নিজক আগুৱাই যাবলৈ সাজু কৰিব পাৰিছে, কাৰোবাৰ জীৱনত থকা আপোনাৰ বিশেষ ঠাই টুকুৰাত আন কাৰোবাৰ অনধিকাৰ দখল দেখিও যদি আপুনি প্ৰশ্নৰ সলনি নিজে উত্তৰ উলিয়াব জানিছে, পুতলাৰ দৰে আপোনাক ব্যৱহাৰ কৰি থকাৰ উমান পাই আৱেগিক হোৱাৰ সলনি যদি বিশেষজনক জীৱনৰপৰা আঁতৰাই পঠাব পাৰিছে, কেৱল নিজৰ লাভালাভৰ বাবে ওচৰ চপা বুলি জানিও যদি আপুনি ক্ষোভ সামৰি সহায়ৰ হাত মেলি দিব পাৰিছে, ভিতৰি আইনাৰ দৰে ভাঙি পৰিও যদি আপুনি কাৰোবাৰ মুখত হাঁহি বিৰিঙাব পাৰিছে, তেন্তে বিশ্বাস কৰক, আপুনি জীৱনক জিনিব পাৰিছে। আপুনি সময়ক জিনিব পাৰিছে। আপুনি আপোনাৰ হ'ব পাৰিছে। এইদৰেই থাকক সদায়। আৰু যদি পৰা নাই, তেতিয়াও কথা নাই। সময়ে দিয়া এই যন্ত্ৰণাবোৰে লাহে লাহে আপোনাকো শক্তিশালী কৰি তুলিব। মাত্ৰ প্ৰয়োজন অলপ সাহস আৰু ধৈৰ্য্যৰ। তেতিয়া চাব, এবুকু আৱেগে সেউজীয়া কৰি ৰখাৰ পাছতো আপোনাৰ মনটোক কোনো বাহিৰা শক্তিয়ে বা ব্যক্তিয়ে আঘাত কৰিব নোৱাৰে।

'প্ৰেম সদায় প্ৰেম হৈ থাকক'

প্ৰেম সদায় প্ৰেম হৈ থাকক। পৰিচালনা নহৈ প্ৰেৰণা হৈ থাকক। জেদ নহৈ অভিমান হৈ থাকক। ঈৰ্ষা নহৈ মৰম হৈ থাকক। দাবী নহৈ নিবেদন হৈ থাকক। দায়িত্ব নহৈ আকুলতা হৈ থাকক। বান্ধোন নহৈ একেলগে এটা খোজ হৈ থাকক।

প্ৰেম সদায় প্ৰেম হৈ থাকক। নিজক নিজে বেয়া পোৱাৰ সময়খিনিতো ভাল পাবপৰাকৈ থাকক। ছাঁ হোৱাতকৈ ৰ'দত ছাঁ দিবপৰা মৰমৰ গছজোপা হৈ

থাকক। প্ৰেমৰ দোহাই দি বাকী সম্পৰ্কবোৰ মৰহিবলৈ নিদিয়াকৈ থাকক। দোষবোৰ নেদেখা হোৱা বা দোষ দেখি আঁতৰি যোৱাতকৈ শুধৰাই ল'বপৰাকৈ থাকক।

প্ৰেম সদায় প্ৰেম হৈ থাকক। মানুহক মানুহৰপৰা কাঢ়ি ননাকৈ, বন্ধুত্বক মোহাৰি নিদিয়াকৈ, বিশ্বাসৰ বৰঘৰ হৈ, জীৱনৰ সেউজীয়াবোৰ গোটাই হাঁহিফুল হৈ, প্ৰেম সকলোৰে বুকুয়ে বুকুয়ে থাকক।

'কিছুমান সম্পৰ্কত অংক থাকে'

কিছুমান সম্পৰ্কত অংক থাকে। প্ৰিয়জন নহয়, প্ৰয়োজন হোৱাৰ অংক থাকে। আমনিৰ সময়বোৰ পাৰ কৰাৰ অংক থাকে। নিসংগতাক দূৰ কৰাৰ অংক থাকে। হতাশাৰপৰা আশালৈ আগ বঢ়াৰ অংক থাকে। ভাঙি যোৱা বুকুখন নতুনকৈ জোৰা দিয়াৰ অংক থাকে। আৰু যেতিয়া সেই অংক শেষ হয়, তাত বাকী হিচাপত কোনো আৱেগ নৰয়। ৰয় মাথোঁ, সফলতাৰ হাঁহি মাৰি নিজক আগুৱাই নিয়াৰ সমীকৰণ। অনুভূতি, ভালপোৱা এইবোৰ সেই দশমিকৰ পিছফালৰ সংখ্যাকেইটাৰ দৰে থাকি যায়, যাক কোনেও নাচায়। বিশ্বাস কৰক, কিছুমান সম্পৰ্কত সঁচাই অংক থাকে। আৰু সেই অংক কৰাসকলে আৱেগকো পাৰ্চেণ্টেজত উলিয়াই দিব পাৰে। নোৱাৰোঁ মাত্ৰ মই, আপুনি, আমি। আমি আৱেগৰ অংক নাজানো, ভালপোৱাৰ পাৰ্চেণ্টেজ নাজানো। জানো মাত্ৰ, প্ৰেমৰ সংলাপত হেৰাই যোৱা সময়ক আওৰাই হুমুনিয়াহ কাঢ়িব। যি হুমুনিয়াহত বিষাদৰ বিষ ঢালি থোৱা থাকে। আপুনি মানক বা নামানক, কিন্তু কিছুমান সম্পৰ্কত অংক সঁচাকৈয়ে থাকে।

'কিছুমান মানুহক আমি মনত নাৰাখোঁ'

কিছুমান মানুহক আমি মনত নাৰাখোঁ। কলেজত নোটছ দি সহায় কৰা বন্ধুজনক মনত ৰাখোঁ, কিন্তু ৰিজাল্ট বেয়া হোৱাৰ পাছত আমাৰ কাষত থাকি 'মন বেয়া নকৰ, নে'ট ভাল হ'বতো' বুলি কোৱাজনক মনত নাৰাখোঁ। অভাৱত টকা-পইচাৰে সহায় কৰাজনক মনত ৰাখোঁ, কিন্তু কান্দিবলৈ কান্ধখন পাতি দিয়াজনক মনত নাৰাখোঁ। ওৰে নিশা মায়াসনা কথাৰে জীপাল কৰি তোলা প্ৰেয়সীক মনত ৰাখোঁ, কিন্তু সেই প্ৰেয়সী আঁতৰি যোৱাৰ পাছত ভাঙি যোৱা মনটোক সামৰি অনা

বন্ধুজনক মনত নাৰাখোঁ। পকেট ওফন্দি উঠাৰ পাছত বিলাসী হোটেলত দামী খানাৰ পাৰ্টি কৰাজনক মনত ৰাখোঁ, কিন্তু দিনটো ক্লাছৰ শেষত আবেলিৰ ৰঙা চাহকাপ খাবলৈ লগ ধৰাজনক মনত নাৰাখোঁ। সফলতাৰ লগে লগে শুভেচ্ছা দিবলৈ অহাসকলক মনত ৰাখোঁ, কিন্তু সংগ্ৰামৰ দিনবোৰত হাৰি যাবলৈ নিদিয়াকৈ লগত থকাজনক মনত নাৰাখোঁ। যশস্যাৰ পাছত হেণ্ডশ্বেক কৰা হাতখনক মনত ৰাখোঁ, কিন্তু হতাশাৰ সময়ত কান্ধত ধৰি সাহস দিয়া হাতখনক মনত নাৰাখোঁ। আমাক নতুন জীৱন এটা দিয়াজনক মনত ৰাখোঁ, কিন্তু নিজৰ জীৱনটো আমাৰ সৈতে ভগাই লোৱাজনক মনত নাৰাখোঁ। আমাক আগুৱাই নিয়াসকলক ঠিকেই মনত ৰাখোঁ, কিন্তু আমি পৰি যোৱা সময়ত আঁকোৱালি ধৰাজনক মনত নাৰাখোঁ। শৰীৰটোৰ যত্ন সকলোৱেই লয়, কিন্তু আমাৰ ঠুনুকা মনটোক যিয়ে ভালে ৰাখে তেওঁলোকক কেতিয়াও মনত নাৰাখোঁ। সময় বাগৰে, সময়ৰ সোঁতত পৰিস্থিতিয়ে আমাক উভতি চাবলৈ বাধ্য কৰায়। তেতিয়া এই মনত নৰখা মুখকেইখন উজ্জ্বল হৈ জিলিকি উঠে অতীতৰ বাগিচাত। কিন্তু নোৱাৰোঁ, মনত নাৰাখি নাৰাখি আমি ইমানেই তেওঁলোকৰ-পৰা আঁতৰি আহোঁ যে হাজাৰ চেষ্টা কৰিও আমি তেওঁলোকৰ কাষলৈ উভতি যাব নোৱাৰোঁ। না তেওঁলোকক আনিব পাৰোঁ। যিয়ে আমাৰ প্ৰতিটো সময় হাঁহিফুলেৰে সজায়, তেওঁকেই আমি সময় দিব নোৱৰা হৈ যাওঁ আৰু পাছৰ উপলব্ধিত কষ্ট পাওঁ। সেয়ে কওঁ, আনক ভালে ৰখাৰ দৌৰত তেওঁক পাহৰি নাযাব, যিয়ে আপোনাক ভালে ৰাখিছিল। নহ'লে সময়ে কিন্তু সদায় সুযোগ নিদিয়ে।

'কেতিয়াবা হাঁহিবোৰ বিষ হয়'

কেতিয়াবা হাঁহিবোৰ বিষ হয়নে? বুজা নাই? কৈছোঁ ৰ'ব। এই ধৰক কিবা কথাত খুব কষ্ট হৈ আছে মনটোত। কষ্টবোৰে বাৰে বাৰে খুন্দিয়াই আছে বুকুখনত। চকুপানীক ভেটা দি ৰাখিছে যেনে-তেনে। তেনেকুৱাতে কোনোবাই খুব হাঁহি উঠা কথা এটা কৈছে আপোনাক। নাই, একেবাৰে মন নাই হঁহাৰ। কিন্তু নাহাঁহিলেতো ধৰাই পৰিব। আৰু আপোনাৰ নিজক উদঙাবৰ ইচ্ছা নাই। হয়তো তেওঁ বুজি নাপাব নহ'লে কাৰণ জনাবপৰাকৈ তেওঁ উপযুক্ত নহয়। কি কৰে তেতিয়া? এই এনেকুৱা সময়বোৰতে আমি সকলো পৃথিৱীৰ আটাইতকৈ প্ৰতিভাৱান অভিনেতাজন হৈ পৰোঁ। ইমান সুন্দৰ আৰু সাৱলীল অভিনয় কৰি দিওঁ যে কাৰো সাধ্য নাই আমাৰ

ভিতৰৰ এন্ধাৰখিনি চকুত পৰাৰ। কিন্তু তাৰ পাছত? হাঁহিখিনিৰ পাছত যে দীঘলকৈ এটা উশাহ লোৱা যায়। আচলতে গিলা যায়, এসোপা বিষ। যেনি যায় কৈ যায়। এনেকৈ লাহে লাহে খালী হৈ গৈ থাকে বুকুৰ ভিতৰখন। আৰু আমি, আমি হাঁহি হাঁহি কৰি যাওঁ জীৱন নাটৰ প্ৰদৰ্শন। তেও জীৱন চলি থাকিব, বিষবোৰ ঢাকি ঢাকি হাঁহিবোৰো জিলিকি থাকিব। এদিন বিষবোৰ অভ্যাস হ'ব। আৰু আমি ক'ম বিষবোৰ শেষ হ'ল। জীৱন গৈ থাকিব, গৈ থাকিব।

'আঁউসী মানে জোন অহাৰ প্ৰতিশ্ৰুতি'

এটা কথা জানেনে, খং মানেই সদায় সন্দেহ নহয়, শাসন মানেই সদায় পৰাধীনতা নহয়, ভয় মানেই সদায় অবিশ্বাসো নহয় আৰু ব্যস্ততা মানেই সদায় অৱহেলা নহয়। আমি সাধাৰণতে এই খং, শাসন আদিবোৰৰ পৰা আঁতৰি থাকোঁ। আমনি পাওঁ, অৱজ্ঞা কৰোঁ। কিন্তু কেতিয়াবা এই অনুভূতিবোৰৰ আঁৰত লুকাই থাকে মৰম আৰু ভালপোৱা। অৱজ্ঞা নকৰি অলপ বিচাৰি চাবচোন। খঙৰ আঁৰত থকা অভিমান, শাসনৰ আঁৰত থকা চিন্তা, ভয়ৰ আঁৰত থকা হেৰুৱাই পেলোৱাৰ আশংকা আৰু ব্যস্ততাৰ আঁৰত থকা জীৱনৰ আখৰাবোৰ অলপ বুজিবলৈ চাবচোন। লুকাই থকা বস্তু বিচাৰি ওলোৱাৰ মজা এনেও বেলেগ। অজুহাত দি আঁতৰি যোৱাটোতো বহুত সহজ, পৃথিৱীখন এনেও ভয়ংকৰ ভাবে বিকল্পৰে ভৰি আছে। কিন্তু যদি লুকাই থকা ভালপোৱা বিচাৰি উলিয়াব পাৰে, গোটেই জীৱনটোৱেই মৰমৰঙী হৈ পৰিব। প্ৰয়োজনতো নহয় যে সকলোৱে শব্দেৰেই ভালপোৱাবোৰ প্ৰকাশ কৰিব। কিছুমান ভালপোৱা কথাত নহয়, কামতহে থাকে। তাক বিচাৰি অনাটো আপোনাৰো জানো দায়িত্ব নহয়! কেতিয়াবা অভিযোগবোৰক অলপ একাষৰীয়াকৈ থ'বচোন। চাওক, অভিযোগ দিওঁ বুলি ক'লে জোনৰ বুকুতো দাগ ওলাব। কিন্তু সেই জোনকেই ৰূপৰ দেৱতা বুলি আমি প্ৰেমত নপৰোঁ জানো! কথাবোৰ তেনেকুৱাই জানেনে। প্ৰেম, ভালপোৱা বা আন বেলেগতেই হওক, পাৰফেক্ট বুলি একোৱেই নাথাকে। পাৰফেকশ্বন থাকে আপোনাৰ দৃষ্টিত। সূৰ্য্যৰ অস্ত কাৰোবাৰ বাবে সমাপ্তি হ'ব পাৰে, কিন্তু কাৰোবাৰ বাবে পুনৰ মিলনৰ প্ৰতীক্ষাও হ'ব পাৰে। আঁউসীৰ আকাশ কাৰোবাৰ বাবে বিষাদময় হ'ব পাৰে, কাৰোবাৰ বাবে জোন অহাৰ প্ৰতিশ্ৰুতিও হ'ব পাৰে। এয়া আপোনাৰ কথা, আপুনি কি বুলি লয়। অকণমান এই জটিলতাবোৰ

এৰাই চলি চাওকচোন, জীৱনটো খুব সৰল আৰু ধুনীয়া। ভালপোৱা নাইবা প্ৰেম, এয়াতো জীৱন বাগিচাৰ একোপাহ ফুল। ইয়াক আঁতৰি যোৱাৰ অজুহাতবোৰেৰে মৰহি যাবলৈ নিদিবচোন। মৰমৰ সাৰ-পানীৰে সেউজীয়া কৰি ৰাখক সদায়। ভালে থাকক আৰু ভালে ৰাখক, নিজক আৰু অনুভূতিবোৰক।

'চখ নে ভালপোৱা'

চখ আৰু ভালপোৱাৰ মাজৰ পাৰ্থক্য নাজানো বাবেই আমি বাৰে বাৰে কষ্ট পাওঁ। খোপাত ধুনীয়া ফুল এপাহ সজাই লোৱাটো চখ হ'ব পাৰে, কিন্তু ঘৰৰ সমুখত সাজি লোৱা ফুলনিখন ভালপোৱা। আলমিৰাটো ধুনীয়া কাপোৰেৰে ভৰাই তোলাটো চখ হ'ব পাৰে, কিন্তু বুকুখন মৰমেৰে ভৰাবলৈ হ'লে ভালপোৱাহে লাগিব। চখৰ বাবে বুকু ভৰাবলৈ গ'লে, সেই বুকু উদং হ'বলৈও বেছি দিন নালাগে। কাৰণ ভালপোৱা সদায় ৰৈ যায়, কিন্তু চখ দুদিনৰ মূৰে মূৰে সলনি হ'ব পাৰে।

এই যে কাৰোবাক আপোনাৰ মনৰ ভাবখিনি বুজাই ভুল বুজাবুজিবোৰ আঁতৰ কৰিবলৈ চেষ্টা কৰোঁতে সোপা মাৰি ধৰে ডিঙিটোত কিহবাই, শব্দবোৰে যে ওলাবৰ বাট বিচাৰি নাপায়, নকন্দাকৈ চকুৰপৰা পানীবোৰ যাযাবৰী হৈ ওলায়, এই যে মেছেজত দীঘলীয়াকৈ মনৰ কথাখিনি লিখিও আকৌ কাটি দিয়া যায়, কথাখিনি বুকুতে ওলোমাই থৈ যায় মাত্ৰ এটা 'Hmm' পঠিয়ায়, তাতেই মনটোৱে সমাধি পাতে। কেতিয়াবা বিশ্বাসৰ, কেতিয়াবা ভৰসাৰ, কেতিয়াবা ভালপোৱাৰ। কোনোবা বাৰে বাৰে আঁতৰি যাবলৈ খোজাৰ পাছত কেৱল ভালপোৱাৰ খাতিৰত বাৰে বাৰে ৰৈ যাবলৈ কৰা প্ৰাৰ্থনাতো এসময়ত ভাগৰ লাগে। আৰু কিমান প্ৰমাণ কৰা যায় নিজক, নিজৰ ভালপোৱাখিনিক। এহেজাৰ এটা কৈফিয়ৎ, তাৰ পাছতো আঁতৰি যোৱাৰ অজুহাত বিচাৰি লয়। আমি ৰৈ যাওঁ। ৰৈ যায় নিজক বুজাবলৈ চেষ্টা কৰা মাতটো ডিঙিতে, ৰৈ যায় দীঘলীয়া মেছেজটো। দিয়া নহয়, কোৱা নহয়। কি লাভ, আকৌ এদিন একেই। চকুত ওলমি ৰৈ যায় মেঘ দুটুকুৰা মান। চকুপানীও ওলাবলৈ সংকোচ কৰে। কি লাভ, বৰষুণৰ চহৰত চকুপানীৰ কি লাভ। তেনে এক সময়তেই আমি নিজক খামুচি ৰৈ যাওঁ আৰু আমাক এলাগী গল্পৰ দৰে এৰি তেওঁলোক আগুৱাই যায়। প্ৰয়োজন হয়, কেতিয়াবা নিজক লৈ ৰৈ যোৱা প্ৰয়োজন হয়। কাৰণ যিয়ে

যাওঁ বুলি ভাবিব, তেওঁক আপোনাৰ এশ এটা অনুৰোধেও ৰখাব নোৱাৰে। যোৱাবোৰ যাবই। আজি নহ'লে কাইলৈ, বা পৰহিলৈ। অজুহাতবোৰ এটি সুবিধাহে মাথোঁ। সেইবাবেই এৰি দিয়ক, যোৱাজনক হাতযোৰ কৰিবলৈ এৰি দিয়ক। নিজক প্ৰমাণ কৰিবলৈ এৰি দিয়ক। যোৱাবোৰক খামুচিবলৈ চোৱাৰ সলনি যিখিনি ৰৈ গৈছে সেইখিনিক মূল্য দিয়ক। প্ৰেমেই হওক বা বন্ধুত্ব, হেৰাই যোৱাটোক মূল্য দি সমুখত থকাটোক মূল্যহীন নকৰিব। মানুহ আহি থাকিব, গৈ থাকিব। কিন্তু যি একেবাৰে থাকি যাব, সি আপোনাৰপৰা একো প্ৰমাণ নিবিচাৰে। আৰু যি প্ৰমাণ বিচাৰে, সি এদিন আঁতৰিবই।

'ক'ব পাৰে বাবেই নক'ব'

কেৱল ক'ব পাৰে বাবেই কথাবোৰ নক'বচোন। বহুতকে দেখোঁ আৰু নিজেও পাইছোঁ এনে লোক, যিয়ে কওঁ বুলিয়েই কথা এটা কৈ দিব পাৰে। এই ধৰক তেওঁ ক'লে, 'কোনো নাথাকিলেও মই সদায় থাকিম তোমাৰ লগত।' কিন্তু সঁচা জানো, মনৰপৰা আহিছে জানো সদায় লগত থকাৰ কথা? কেতিয়াবা হঠাৎ কৈ দিলে, 'তোমাৰ বাহিৰে আন কোনো মোৰ ইমান আপোন নহয়।' সঁচাইনে? সঁচাকৈ কোনো আপোন নাইনে? ভুল সেই কৈ দিয়াসকলৰো নাই। পৰিস্থিতি আৰু পৰিৱেশৰ মাজত পৰি আৱেগৰ বশ হৈ হঠাৎ কৈ দিয়ে কথাবোৰ। কিন্তু তেওঁলোকে ভাবিও নাচায় যে তেওঁলোকৰ সেই এষাৰ কথাই সমুখৰজনৰ মনত আৰু জীৱনত কি দৰে প্ৰভাৱ পেলাব পাৰে। কাৰোবাৰ মনটো টুকুৰা-টুকুৰকৈ ভাঙিবলৈ যিদৰে এষাৰ কথাই যথেষ্ট, ঠিক সেইদৰে কাৰোবাৰ মনত কল্পনাৰ কাৰেং সাজিবলৈও এষাৰ কথাই যথেষ্ট। কিন্তু দুখ লাগে, সৰহ ক্ষেত্ৰতে সময়ৰ কোলাত গৈ সেই কাৰেং বালিঘৰত পৰিণত হয়। সেয়ে কওঁ, কোৱাৰ ক্ষেত্ৰত অকণমান সাৱধান হ'ব। সমুখৰজনে শুনি ভাল পাব বুলিয়েই এনে কিবা এষাৰ কৈ নিদিব য'ত ভেজা দি ঠন ধৰি উঠিব খোজে তেওঁ। কাৰণ আপুনিতো এনেই কিবা এটা কৈছিলোঁ বুলি পাহৰি যাব, কিন্তু আপোনাৰ সেই এষাৰ কথাকেই আঁউসী ৰাতিৰ বন্তি কৰি তোলাজনৰ মনটো আকৌ এবাৰ পোহৰাব নোৱৰাকৈ এন্ধাৰ হৈ যাব। কওক, ভালপোৱাৰ কথা, ভাল লগা কথা, প্ৰতিশ্ৰুতিৰ কথা কওক। কিন্তু তেতিয়া ক'ব যেতিয়া আপুনি মনৰপৰা তাক পালন কৰিবলৈ প্ৰস্তুত। ধুনীয়া, মন জয় কৰা সংলাপতো চিনেমাতো থাকে, কিন্তু

এয়াতো জীৱন হয় ন! চিনেমাৰ দৰে চৰিত্ৰবোৰক পাহৰি যাবপৰা হ'লেতো কথাই নাছিল। কিন্তু জীৱনে পাহৰিব লগা কথাবোৰহে বেছিকৈ মনলৈ আনে। সেয়ে ভাল লগা কথাবোৰ কৈ আঁতৰি যোৱাতকৈ একো নোকোৱাকৈয়ে কাষত থাককচোন। সেয়ে যথেষ্ট।

'কিছুমান ভুল আমাৰেই'

কিছুমান ভুল আমাৰ নিজৰেই হয়। যিয়ে আমাৰ অভিমানেই বুজি নাপায়, তেওঁক অভিযোগ দিবলৈ যাওঁ। যিয়ে আমাৰ হেঁপাহেই বুজি নাপায়, তেওঁক হুমুনিয়াহ বুজাবলৈ চাওঁ। যিয়ে আমাৰ শব্দয়েই বুজি নাপায়, তেওঁ আমাৰ নীৰৱতা বুজিব বুলি আশা কৰোঁ। যিয়ে আমাৰ মৰম বুজি নাপায়, তেওঁ আমাৰ প্ৰেমত পৰিব বুলি আশা কৰোঁ। যিয়ে আমাৰ কান্দোনেই শুনা নাপায়, তেওঁ চকুৰ সিপাৰৰ ডাৱৰখিনি দেখিব বুলি ভাবোঁ। যাৰ বাবে আমাৰ উপস্থিতিৰ মূল্য নাই, তেওঁ আমাৰ অনুপস্থিতি অনুভৱ কৰিব বুলি ভাবোঁ। যিয়ে আমাৰ হাঁহিত নিজৰ ছবিখনেই চিনি নাপায়, তেওঁ আমাৰ হাঁহিৰ কাৰণ হ'ব বুলি আশা কৰোঁ। যিয়ে আমাৰ মনৰ জোনকেই দেখা নাপায়, তেওঁ আমাৰ আঁউসী আঁতৰাব বুলি আশা কৰোঁ। তেওঁ জোন হৈ থাকে, আমি জোনাকী হৈ আমাৰ কাষলৈ আহিব বুলি কল্পনা কৰোঁ। আৰু জানেনে, সকলোতকৈ ডাঙৰ ভুলটো কি, যেতিয়া আমাৰ মনত পৰে সময়বোৰ আৰু আমি বিচাৰি যাওঁ মানুহবোৰ। স্মৃতিৰ দৰে মানুহো সদায় একেই থাকিব বুলি ভাবি লওঁ। কিন্তু আচল কথাটো এয়ে যে একেই অকল ফটোৰ হাঁহিবোৰ হে থাকে, মানুহ নহয়।

'দূৰ কৰে অৱহেলাই, বদনাম পায় ব্যস্ততাই'

কিছুমান কথাত মই সঁচাই ওলোটা। এই যে মানুহে কয়, বেছিকৈ গুৰুত্ব দিলে নিজৰ মূল্য হেৰুৱায় বুলি। বিশ্বাস কৰক, মোক গুৰুত্ব দিয়া মানুহজনক মোক সময় দিয়া মানুহজনক মই কেতিয়াও মূল্যহীন কৰিব নোৱাৰোঁ। বৰঞ্চ তেওঁ বেছি মূল্যৱান হৈ পৰে মোৰ বাবে। আকৌ যে কয়, কথা পতা বেছি হ'লে ভালপোৱাবোৰ কমি আহে। ক'তা মোৰচোন যাৰ লগত বেছি কথা পতা হয়, তেওঁৰ সৈতে সম্পৰ্ক

বেছি গাঢ় হৈহে পৰে। কিছুমানে যে কয়, আমি বহু দিনৰ মূৰত কথা পাতিলেও একেই থাকিম, যেতিয়াই কথা পাতোঁ তেতিয়াই আমি নিজৰ সুখ দুখৰ খবৰবোৰ দিওঁ। মই চোন মানি ল'ব নোৱাৰোঁ এইটোও। কিয়, তুমি দুই কি তিনি মাহৰ মূৰত মোৰ লগত কথা পাতিবা আৰু মই কি যুক্তিত তোমাৰ ওচৰত নিজৰ সুখ-দুখৰ খতিয়ান দাঙি ধৰিম? তুমি মোৰ বন্ধুনে প্ৰজেক্ট গাইড, যে মই দুমাহৰ মূৰে মূৰে প্ৰ'গ্ৰেছ ৰিপোৰ্ট দিম? মোৰ দুখৰ সময়খিনিত যদি তেওঁ মোৰ কাষতেই নাথাকিল, তেন্তে কিয় মই সময়খিনি পাৰ হোৱাৰ পাছত তেওঁক কাহিনী শুনাবলৈ যাম? আচলতে এই সূত্ৰবোৰ আমি মানুহেই উলিয়াই আমি মানুহেই এইবোৰ সঁচা বুলি প্ৰমাণ কৰি আছোঁ। কিন্তু কিয়, কিয় আপোনাৰ বাবে এভেইলেব্‌ল হৈ থকাজনক আপুনি মূল্যহীন কৰি দিব? কিয় আপোনাৰ সৈতে সময় কটালে বুলিয়েই আপুনি হেঁপাহবোৰ কমাই দিব? কিয় এমাহত এবাৰো আপোনাক অলপ সময় দিবলৈ অক্ষম মানুহজনক বন্ধু হ'ল বুলিয়েই পাৰ হোৱা দুখৰ কাহিনী শুনাবলৈ যাব? তাতকৈ আপোনাক গুৰুত্ব দিয়াজনক আপুনিও গুৰুত্ব দি চাওকচোন, এই গুৰুত্বহীনতাৰ সূত্ৰবোৰ নিজে নিজেই নোহোৱা হ'ব। দিনটো সকলোৰে বাবেই সমান। চৌবিছ ঘণ্টাৰ সলনি কোনোৰে পঁচিছ বা তেইছ ঘণ্টাকৈ পোৱা নাই। ব্যস্ত আমি সকলোৰেই। কিন্তু তাৰ মাজতো যদি ইচ্ছা কৰে তেওঁ আপোনাৰ খবৰ নিশ্চয় ল'ব। আপুনি বিচাৰিলে কথা নিশ্চয় পাতিব। কথাবোৰ সেই 'প্ৰাইঅ'ৰিটিমেটাৰ্ছ' আচলতে। বাকী এই যে অলপ আগতে কোৱা সূত্ৰবোৰ, এইবোৰ মাত্ৰ অজুহাত। কেতিয়াবা আনৰ বাবে আৰু কেতিয়াবা নিজৰ বাবে। কোনো কাৰোপৰা দূৰ নহয়। দূৰ কৰে অৱহেলাই, আৰু বদনাম পায় ব্যস্ততাই।

'তোমাৰ বাবে পৃথিৱীক পাহৰিব নোৱাৰিম'

তোমাৰ বাবে পৃথিৱীক পাহৰিব নোৱাৰিম, তোমাক লৈ এখনি নিজা পৃথিৱী গঢ়ি ল'ব পাৰিম। দিনটো কথা পাতিব নোৱাৰিম মই, কিন্তু দিনটোৰ সামৰণি তোমাৰ মাতটোৰেই কৰিম সদায়। মোবাইলৰ ৱাল পেপাৰত নাৰাখোঁ তোমাক, কিন্তু মোৰ প্ৰতি সন্ধিয়াৰ প্ৰাৰ্থনাত তুমি সদায় থাকিবা। 'ভেলেণ্টাইন দে'ত লগ নকৰিব পাৰোঁ, কিন্তু শিৱৰাত্ৰিৰ দিনা দুয়োৰে হৈ শিৱ মন্দিৰত চাকি জ্বলাবলৈ একেলগেই যাম। বিহু-পূজা সকলোতেই নতুন সাজ দিব নোৱাৰিম চাগে', কিন্তু প্ৰতি বছৰে তোমাৰ

জন্মদিনটোত বিশেষভাৱে সজাম তোমাক। তোমাৰ বাবে জুবিনদাৰ দৰে গান গাব নোৱাৰিম, কিন্তু মোৰ ডায়েৰীৰ পৃষ্ঠাৰ প্ৰতিটো কবিতাত তুমিয়েই আছা। তোমাক অভিযোগৰ সুযোগ নিদিওঁ, কিন্তু অভিমানত তোমাৰ ৰঙাপৰা গাল দুখন দিনটোত এবাৰ হ'লেও চামেই। গোটেই জীৱনটোৰ বাবে তোমাৰ লগ নিবিচাৰোঁ, মই মাত্ৰ তেতিয়ালৈকে জীৱনটো বিচাৰোঁ যেতিয়ালৈকে তুমি লগত থাকিবা। এতিয়া কোৱা, হ'বানে মোৰ?

'সদায় আনক হঁহুৱাব নোৱাৰি'

সদায় কিছুমান কাম নোৱাৰি। নিজে মৰি মৰি সদায় আনক জীয়াব নোৱাৰি। নিজে কান্দি কান্দি সদায় আনক হঁহুৱাব নোৱাৰি। মন কৰিবচোন, প্ৰতিটো দলত এনেকুৱা এজন বিশেষ ব্যক্তি থাকে। যি পৰিয়াল নাইবা বন্ধুমহল সকলোতে হাঁহিৰে খোৰাক যোগাই থাকে। সেই ব্যক্তিজন নাথাকিলে যেন সময় নাযায়-নুপুৱায়। তেওঁ আহি দুটামান হাঁহিৰ টোপোলা মেলিলেহে মেহফিল জমে। আমি সকলোৱে ভাবিয়েই লওঁ, সেই মানুহজন যিয়ে আনক পাগলৰ দৰে হঁহুৱাব পাৰে, তেওঁৰ নিজৰ জীৱন চাগে' হাঁহিৰেই পূৰ্ণ। কিন্তু বাস্তৱটো বেলেগ। চাকিয়ে সকলো পোহৰাব পাৰে, কিন্তু নিজৰ তলখিনি সদায় এন্ধাৰ হৈ থাকে। জোনে পৃথিৱী পোহৰাই কিন্তু নিজৰ পিছফালখন সদায় এন্ধাৰ। সেয়ে কেতিয়াবা চাবলৈ চেষ্টা কৰিবচোন। চাকিৰ তলৰ এন্ধাৰখিনি, জোনাকৰ সিপাৰৰ এন্ধাৰখিনিলৈ চাবচোন। হাঁহিৰ আঁৰৰ বিষখিনি চাবচোন। সদায় হঁহুৱাই থকা মানুহজন কোনোবা দিনা নিশ্চুপ হৈ পৰিলে কৌতুক কৰিবলৈ জোৰ কৰাতকৈ তেওঁৰ মনটো জুমি চাবচোন। কাৰণ যিয়ে আনৰ মুখৰ হাঁহিৰ দায়িত্ব লয়, জীৱনে তেওঁৰপৰাই হাঁহিবোৰ কাঢ়ি নিয়ে। নিজৰ হাঁহিবোৰ হেৰাই যোৱাৰ বাবে তেওঁ হাঁহিৰ মূল্য বুজি পায়, আৰু আনৰ মুখত হাঁহি সিঁচি ফুৰে। গতিকে পাৰিলে সকলোকে হঁহুৱাই থকা জনকো অলপ হাঁহিৰ উপহাৰ দিয়ক। কাৰণ সকলোকে ভালে ৰখা জনকো নিজে ভালে থাকিবলৈ মানুহ লাগে।

'জীৱনত এবাৰ ভাঙি পৰিব লাগে'

এটা কথা জাননে, জীৱনত এবাৰ হ'লেও ভাঙি পৰিব লাগে। জীৱনত এবাৰ হ'লেও নিজক টুকুৰা-টুকুৰকৈ খহিপৰা চাব লাগে। এবাৰ হ'লেও নিজৰ

আপোনতকৈও আপোন কাৰোবাৰ মুখা সলোৱাৰ ভাওনাখন দেখিব লাগে। এবাৰ হ'লেও বিফলতাৰ ফুট ছাই মুখত লাগিব লাগে। যেতিয়া নিজক তিলতিলকৈ জীয়াই থকাৰ নামত মাত্ৰ উশাহটো লৈ থকা দেখিব, যেতিয়া লগ বন্ধুৰ নামত নিজৰ ছাঁটোহে বিচাৰি পাব, যেতিয়া বিফলতাৰ বাবে গোটেই পৃথিৱীয়ে আপোনালৈ অপমানৰ বোকা ছটিয়াই দিব, যেতিয়া কোনোবা উজাগৰী ৰাতি গাৰুত মুখখন সোপা দি 'আৰু নাকান্দিবি' বুলি নিজক নিজে বুজাব লগা হ'ব, সেই সময়ত আপুনি বুজিব জীৱন আচলতে কি, আপুনি বুজিব সময়ৰ মূল্য কি, আপুনি বুজিব নিজৰ জীৱনত নিজৰ মূল্য কি। নাথাকে, কোনো নাথাকে শেষলৈকে। যিমানেই নাথাকক গাঢ় বন্ধুত্ব, যিমানেই নাথাকক গভীৰ প্ৰেম, যিমানেই নাথাকক তেজৰ সম্পৰ্ক, কিন্তু শেষত নিজৰ বাবে সদায় নিজে অকলে থাকিব লাগিব। জীৱনত সময়ৰ সৈতে হোৱা যুঁজখনত আপুনি নিজেহে নিজৰ সাৰথি। বাকী একো নাই। কষ্টকৰ হ'লেও এইটোৱেই সঁচা। সেয়ে কৈছোঁ, এবাৰ হ'লেও নিজে ভাঙি পৰিব লাগে। তেতিয়া আমাৰ এই 'চিৰদিনীয়া' নামৰ ভুল ধাৰণাটো আঁতৰি যায়। এবাৰ হ'লেও ৰখাব নোৱৰাকৈ কান্দিব লাগে, তেতিয়া চকুত লাগি থকা 'সদায় আছে' ধৰণৰ মায়াজালখন চাফা হয়। আৰু এই ভাঙি পৰাৰ পাছত নিজে নিজক যেতিয়া তুলি ধৰা হয়, পুনৰ যেতিয়া জী উঠা হয়, তাতকৈ শক্তিশালী সত্তা আৰু ক'তো নাই। কোনো বন্ধুত্বত, কোনো প্ৰেমত, কোনো সম্পৰ্কত সেইখিনি শক্তি নাথাকে যিখিনি নিজে নিজক জীয়াই তোলাৰ পাছত আছে। এইখন পৃথিৱীৰ সৈতে যুঁজিব পৰাকৈ আপুনি বলীয়ান। কান্দক, ভাঙি পৰক। কিন্তু তাৰ পাছত উঠি আহক। চকুপানীৰ সাগৰখন লাভালৈ সলাই উঠি আহক। আপুনি আপোনাৰ বাবে। অ', কেতিয়াবা প্ৰয়োজনত আনক সংগ দিয়ক, সহায় কৰক। কিন্তু আশা সদায় নিজৰপৰা কৰক। বিশ্বাস সদায় নিজক কৰক। বাকী পৃথিৱীত আলহীহে সৰহ। চিৰদিনীয়া হৈ আপোনাৰ জীৱনলৈ কোনো নাহে। লিখি থওক।

'কেতিয়াবা নিজক লগ পাবলৈ মন যায়'

কেতিয়াবা নিজক লগ পাবলৈ মন যায়। সেই সৰু সৰু কথাতে হাঁহিত বাগৰি পৰা ল'ৰাটোৰ সৈতে হাঁহিবলৈ মন যায়। কোনোবাই টানকৈ কিবা এষাৰ ক'লেই চকুপানী উলিয়াই কন্দা ল'ৰাটোক বুকুত সুমুৱাই ল'বলৈ মন যায়।

জোনবাইটো দেখি হাতবাউল দি মতা ল'ৰাটোক কোলাত লৈ জোনাকত খোজ কাঢ়িবলৈ মন যায়। ঘৰৰ মানুহে গম নোপোৱাকৈ বৰষুণত তিতি থকা ল'ৰাটোৰ সৈতে বৰষুণত ভিজিবলৈ মন যায়। সঁচাই, কেতিয়াবা নিজক লগ পাবলৈ মন যায়। যেন উভতি গৈ ক'ম, ৰংবোৰ যিমান পাৰা বুটলি লোৱা। হাঁহিবোৰ যিমান পাৰা সজাই লোৱা। কাৰণ আগলৈ জোনাক নাই, জোনৰ সিপাৰৰ এন্ধাৰ হে আছে। বৰষুণ নাই, ক'লা ডাৱৰ হে আছে। আৰু আছে যদি এসোপা হুমুনিয়াহ, বিষাদ আৰু পৃথিৱীৰ আগত সেমেকা হাঁহি এটা মাৰি 'আছোঁ ভালেই' বুলি কৰি যোৱা অভিনয়।

"A strong friendship doesn't need daily conversations"

এই যে শাৰীটো, কিয় জানো মোৰ এই শাৰীটো কিবা মানিবলৈ মন নাযায়। 'বহুদিন কথা নাপাতিলেও আমাৰ বন্ধুত্ব একেই থাকিব', 'কথা নাপাতিলেই যদি কমি যায় সেয়া বন্ধুত্ব কেনেকৈ হ'ল' এই ধৰণৰ শাৰীবোৰ শুনি খুব ভাল লাগে। কিন্তু কিয় জানো মনটোৱে কয়, বাস্তৱ ক্ষেত্ৰত এনেকুৱা নহয় কথাবোৰ। বহুদিন আঁতৰি থাকিলে, কথা নাপাতিলে স্মৃতি একে হৈ থাকিব পাৰে, বন্ধুত্ব নহয়। বেছি দিন পৰি থাকিলে সকলো বস্তুতে এলান্ধু লাগে। মই ভাবোঁ বন্ধুত্বও ব্যতিক্ৰম নহয়। বহু দিন মাহৰ পাছত মাহ ধৰি কথা নপতা কোনোবা বন্ধুৰ লগত হঠাৎ কথা পাতি চাবচোন, কিবা এটাই যেন মাজত দেৱাল এখন গঢ়ি দিয়ে। নিজক উদঙাই দিওঁ বুলিও যেন দিব নোৱাৰি, কথাবোৰ কওঁ বুলি ভাবিলেও যেন কিবা এটা আহি ডিঙিতে ৰৈ যায়। দুই-এটা কথা, ভাল-বেয়াৰ খবৰ লৈয়ে সামৰিব লগা হয় হেঁপাহৰ হাতনি পেৰাটো। তাৰ পাছত হুমুনিয়াহবোৰে বুকুখনত খুন্দিয়াই থাকে। শুনিবলৈ বেয়া লাগিলেও সঁচা এইটোৱেই। বাস্তৱত একো বস্তুৱেই একে হৈ নাথাকে। সম্পৰ্ক আৰু সময় ইটোৱে সিটোৰ ওপৰত পৰস্পৰ নিৰ্ভৰশীল। যদি আপুনি সম্পৰ্কক সময় নিদিয়ে, সময়ে সেই সম্পৰ্কটো কাঢ়ি নিবই। আমি জোৰ কৰি সকলো একে থকাৰ আখৰা যিমানেই নকৰোঁ কিয়, ক'ৰবাত হুমুনিয়াহ এটা বুকুৰ কোণত ৰৈ যায়। সেয়ে ভাবোঁ, পাৰিলে হাতে ঢুকি পোৱাকৈ থাককচোন মানুহবোৰ। বুজি পাওঁ, ব্যস্ত সকলো। ঘণ্টাৰ পাছত ঘণ্টা বাৰ্তালাপৰ বাঞ্ছাও নকৰোঁ। কিন্তু তথাপি প্ৰতিজন ব্যক্তিৰ জীৱনত অন্ততঃ এজনকৈ বন্ধু থাকক, যাক দিনটোত এবাৰ হ'লেও মনত পেলাব পাৰি।

এবাৰ হ'লেও কথা হ'ব পাৰি। বাকী এই 'আঁতৰি থাকিলেও আমি একেই আছোঁ' ধৰণৰ কথাবোৰ চিনেমা নাইবা উপন্যাসতহে শুৱায়। বাস্তৱত একোৱেই নিজে নিজে একেই হৈ নাথাকে। একেই কৰি ৰাখিব লাগে, অলপ হেঁপাহ, অলপ সময় আৰু অলপ মৰমেৰে।

'কেতিয়াবা মনটোক বুজাব নোৱাৰি'

কিছুমান সময় আহে, যেতিয়া একোৱে মনটোক বুজাব নোৱাৰি। কোনেও নোৱাৰে। যিমানেই প্ৰিয়বন্ধুৰ আগত নিজক উজাৰি নিদিয়ক, যিমানেই প্ৰিয়গীতৰ সুৰত মগন নহওক, যিমানেই ভাল লগা কিবা নকৰক, একোৱেই আপোনাৰ বুকুৰ শিলটোৰ ওজন কম কৰিব নোৱাৰে। সেই সময়বোৰে আমাৰ অজানিতে জীৱন দি ৰাখে যন্ত্ৰণাৰ শিল এটা। দিনে দিনে যিটো গধুৰ হৈ গৈ থাকে। নোৱাৰি, লিখি পেলালেও সেই শিলটো নোহোৱা নহয়। কেৱল হুমুনিয়াহ। লাহে লাহে গোটেই পৃথিৱীখন যেন চকুৰ আগতে নোহোৱা হ'বলৈ ধৰে। সকলো যেন অচিনাকি। কোনোবাই গালি-ধমকিতো বাদেই খঙতে 'ঐ' বুলি ক'লেও যেন হুকহুকাই কান্দি পেলাব, ইমান কোমল হৈ পৰা যায়। কিন্তু যিমান কান্দিলেও বুকুখন পাতল নহয়। উজাগৰী ৰাতি নিজেই নিজৰ মনটোক যেন ভিক্ষা খোজোঁ, বহুত হ'ল এতিয়া আৰু ভাল হচোন। নাই, সময়ে কেৱল থেকেচি থাকে। পোহৰ, শব্দ, কথা, মানুহ একোৱেই লাহে লাহে সহ্য কৰিব নোৱৰা হওঁ আমি আৰু লাহে লাহে সোমাই গৈ থাকোঁ এখন অন্ধকাৰ জগতলৈ।

তাৰ পাছত? হাৰ মানি যায়? মৃত্যু হৈ পৰে নেকি কেতিয়াবা তৃষ্ণা? এৰা, আমি প্ৰায় সকলোৱে পাৰ কৰোঁ এনে সময়। কিন্তু এনেকুৱাত এটা কথাই মনত ৰাখিব এই যে আপোনাৰ লগত হৈ আছে, এয়া হ'ল সময়হে। আপোনাৰ বৰ্তমান সময়। ই আপোনাৰ জীৱন নহয়। মনত পেলাওক অতীতৰ ভাল লগা স্মৃতিবোৰ, সেয়াওতো আপুনিয়েই পাৰ কৰি আহিছে ন, তেন্তে এইখিনিও পাৰ হ'ব। অ', অলপ সময় যেনিবা বেছি লাগিছে। লাগক। কেতিয়াবা জানেনে, আমি আমাৰ জীৱনটো এখন চিনেমাৰ দৰে চাই থাকিব লাগে। কাহিনীৰ দৰে এই কষ্টবোৰো শেষ হ'বই। জীৱনে বাট উলিয়াবই। তাত আপুনি বা মই জোৰ কৰি লাভ নাই। 'পাৰ হৈ যাব' এই কথাশাৰীক মন্ত্ৰৰ দৰে আওৰাই থাকক। বাকী বিশ্বাস কৰক বা

নকৰক আপুনি অকলশৰীয়া নহয় কেতিয়াও। নিজৰ কাহিনীত সকলোৰেই আটাইতকৈ কৰুণ চৰিত্ৰ। গতিকে বাট চাওঁচোন সকলোৱে একেলগে পুৰালৈ। ভাল হ'ব, আপোনাৰ, মোৰ আমাৰ সকলোৰে।

'উপন্যাসৰ দৰে নহয় কথাবোৰ'

উপন্যাসৰ দৰেই সঁচা নহয় কথাবোৰ। এই যে নিসংগ জীৱনটোত কাৰোবাৰ আগমন হোৱা, হাঁহি আৰু ভালপোৱাৰে সময়বোৰ সজাই তোলা, পাৰ ভঙা প্ৰতিশ্ৰুতিৰ বন্যা, মাজে মাজে বিষাদ, কেতিয়াবা বিচ্ছেদ, আকৌ মৰম আকৌ মিলন। বাস্তৱবোৰ নহয় সঁচা। বাস্তৱ কষ্টকৰ, বাস্তৱে সপোন নেদেখুৱাই, ই জগাই দিয়ে।

কেতিয়াবা ঈশ্বৰক লগ পালে ক'ম, উপন্যাস পঢ়া মানুহবোৰৰ বাবে এখন বেলেগকৈ পৃথিৱী সাজিবাচোন। বাস্তৱৰ চৰিত্ৰবোৰে টুকুৰা-টুকুৰকৈ ভাঙে। এখন নতুন পৃথিৱী লাগে, য'ত আবেগৰ কৌতুক নহয়, য'ত অনুভূতিৰ অভিনয় নহয়, য'ত মৰমৰ ভাগ-বতৰা নহয়। য'ত বিয়পি ফুৰে, ভালপোৱা কেৱল ভালপোৱা।

আত্মহত্যা আৰু মোৰ অভিজ্ঞতা

আত্মহত্যাৰ বিষয়ে আমাৰ এক সীমিত ধাৰণা আছে। আমি ভাবোঁ, ফেনখনত ওলমি, গাত জুই লৈ, নৈত জাঁপ দি আদি কৰিহে অকল আত্মহত্যা কৰা হয়। কিন্তু আমি দুৰ্ঘটনা বুলি ভবা বহু ঘটনাও আচলতে কেতিয়াবা আত্মহত্যা হ'ব পাৰে। আত্মহত্যাৰ প্ৰৱণতাৰ আৰম্ভণি যদিও হতাশাৰেই আৰম্ভ হয়, ইয়াক কিন্তু আগ বঢ়াই নিয়ে এই আত্মহত্যাৰ খবৰবোৰে।

এই ক্ষেত্ৰত মোৰ নিজৰ এটি অভিজ্ঞতা ক'ব খোজোঁ। জীৱনটোৰ আধাও পাৰ কৰা নাই যদিও খুব কম বয়সতে বহুখিনি উত্থান-পতান দেখুৱালে সময়ে। এন্ধাৰ ভাল পোৱা সেই দিনবোৰত আন বহুতৰ দৰে মোৰো নিজৰ অস্তিত্ব মোহাৰি পেলোৱাৰ বাসনা জাগিছিল। তেনে এটি দিনতে এবাৰ খবৰ পাইছিলোঁ এটি আত্মহত্যাৰ। কোনোবা ছোৱালী এজনীৰ। ঘৰ পৰিয়াল বন্ধু চবেই বাগৰি বাগৰি কান্দিছে। কিয় নাজানো, অনুভৱ হৈছিল যেন শান্তিৰ একমাত্ৰ পথ সেইটোৱেই। সেইবাবেই এবাৰ ৰাস্তাত খুব জোৰেৰে আহি থকা বাছ এখন দেখিও আঁতৰি নগৈ

ৰৈ আছিলোঁ। কিবা এটাই যেন মোক ৰখাই আছিল। কথাটো এনেকুৱা হ'ব, মোৰ মৃত্যুও হ'ল কিন্তু সি আত্মহত্যাৰ নামো নাপালে। হয়তো মোৰ ভাগ্য ভাল থকাৰ বাবে লগত থকা বন্ধু এজনে টান মাৰি আঁতৰাই আনিছিল। কিন্তু, যদি সি নাথাকিলহেঁতেন! তেতিয়া? হয়তো করুণ দুৰ্ঘটনাত যুৱকৰ মৃত্যু বুলি বাতৰি ওলালহেঁতেন। কিন্তু সঁচাই দুৰ্ঘটনা আছিল জানো সেইটো? কথাবোৰ এনেকুৱাই।

এই কথাখিনি কোৱাৰ কাৰণ এইটোৱেই যে সিদিনা দেখিলোঁ কোনোবা মহিলা এগৰাকী ভিডিঅ' বনাই নৈত জাঁপ দি আত্মহত্যা কৰিছে আৰু আমাৰ সাংবাদিক বন্ধুসকলে প্ৰায় সকলোতে সেইটোৰ বাতৰি কৰিছে। কাতৰভাৱে অনুৰোধ জনাইছোঁ, নকৰিব এনেকুৱা। আপোনালোকে ভাবিবও নোৱাৰে নিজক শেষ কৰাৰ সেই বাসনা কিমান বেছি তীব্ৰ হয়। তাক এনে ধৰণৰ খবৰে কিদৰে উদগনি যোগায় আপোনালোকৰ সপোনৰো অগোচৰ হয়। আপুনি নজনাকৈয়ে এই বাতৰিটোৰ যোগেদি আন দহজনক আপুনি সেই একে বাটলৈ ঠেলি দিছে। সেয়ে কৈছোঁ নিদিব এনে বাতৰি। টি আৰ পিতকৈ কাৰোবাৰ জীৱনৰ মূল্য বহুত বেছি।

আৰু এই পথ লোৱাসকলকো কওঁ, জীৱনৰ বিকল্প মৃত্যু কেতিয়াও নহয়। হ'ব নোৱাৰে। যুঁজকচোন, যদি নোৱাৰে মানসিক চিকিৎসালয় আছেতো। ক'বলৈ লাজ নকৰোঁ এতিয়াও কেতিয়াবা ডাক্তৰৰ পৰামৰ্শ ল'ব লগা হয়। ল'ম, সময়ত দৰৱো ল'ম। কিন্তু নিজক ভালে ৰাখিম। হাৰি যোৱাৰ উদাহৰণ হ'বলৈ নিদিওঁ নিজক। সকলোকে অনুৰোধ, জীৱনৰ কথা পাতক, ভালপোৱাৰ কথা পাতক। ভালে থাকক আৰু ভালে ৰাখক।

'কেতিয়াবা আমি আকৌ লগ পাম'

কেতিয়াবা চাগে' আমি আকৌ লগ পাম। সেইদিনা আমি আকৌ আমাৰ কথাবোৰ পাতিম। তুমি মোৰ কথাবোৰ কৈ জোকাবা, মই তোমাৰবোৰ কৈ হাঁহিম। আমি প্ৰথম কথা পতাৰ দিনটো সুঁৱৰিম। সেইদিনা আন কোনো নাথাকিব আমাৰ মাজত। খুব বেছি দুকাপ কফি আৰু এটা ৰঙীন আবেলি। আমি পাৰ কৰা মধুৰ সময়বোৰৰ কথা পাতিম, আমি দেখা আধৰুৱা সপোনবোৰৰ কথা পাতিম। তুমি চাগে' মই ভালপোৱা গানবোৰৰ কথা উলিয়াবা আৰু মই তোমাক দুই-এটা শাৰী গুণগুণাই দিবলৈ ক'ম। গানৰ সলনি হয়তো এটা হুমুনিয়াহ সৰিব। মোৰ নতুন

লেখাবোৰৰ কথা সুধিবা চাগে', মই উদং ডায়েৰীখন দেখুৱাম। আমি আমাক কেনেকৈ হেৰুৱালোঁ আমি দুয়ো বুজি পাম। কেতিয়াবা আমি আকৌ লগ পাম। বিশ্বাস কৰিবা, আজিকালি জোনাকৰ পোহৰেও মোৰ চকুত ধৰে, হীৰুদাৰ কবিতাইও মোকচোন আৱৰিব নোৱাৰে। আমি যে আমাৰ দৰে নাই, চাগে' সেই বাবে। লগ পোৱাৰ দিনা তোমাৰ অভিমানবোৰক আকৌ এবাৰ নিচুকাম। তুমিও মোৰ অভিযোগবোৰ শুনিবা। মোৰ পুৰণি অভ্যাসবোৰ একেই আছেনে বুলি চাগে' সুধিবা, সলনি হৈ যোৱা মোৰ উকা দিনবোৰ দেখি তুমি চাগে' আচৰিত হ'বা। ওভতাব নোৱৰা সময়লৈ আমি দুয়ো খুব দুখেৰে চাম। কথা দিলোঁ তোমাক, এইখন আকাশৰ তলতে কোনোবা এটা আবেলি আমি আকৌ লগ পাম।

'যদি ফুলিব লাগে গোলাপ হৈ ফুলক'

শুনিবলৈ অকণমান বেয়া হ'লেও এটা সঁচা কথা কওঁ? আপুনি যেতিয়া অকলশৰীয়া হৈ থাকে ন, তেতিয়াই আপোনাৰ কাষলৈ ভুল ব্যক্তিজন আহে। অৱশ্যে কাৰোবাৰ ক্ষেত্ৰত নহ'বও পাৰে, কিন্তু বেছি ভাগৰ ক্ষেত্ৰতে হয়। কাৰণ অকলশৰীয়া সময়ত আমি মানুহ চিনিব নোৱৰা হওঁ। কোনোবাই মৰমৰ মাত এষাৰ দিলেই পমি যাওঁ। তেওঁক বিশ্বাস কৰি লওঁ। এখন এখন কৈ খুলি দিওঁ মনৰ দুৱাৰ। জীৱনৰ পৃষ্ঠাবোৰ লুটিয়াই কৈ যাওঁ তেওঁক। আৰু তাৰ পাছত, পুতলাৰ দৰে খেলি খেলি আমনি লগৰ পাছত তেওঁ আমাক দলিয়াই থৈ আঁতৰি যায়। তেওঁৰ অৱসৰ বিনোদনৰ সামগ্ৰী হিচাপে আমি পৰি ৰওঁ কোনোবা এচুকত। আকৌ সেই একেই একাকিত্ব, চকুপানী আৰু এন্ধাৰ।

সেয়ে কওঁ, নিসংগ হৈ আছে বুলিয়েই এনে কাৰোবাৰ বাবে দুৱাৰ খুলি নিদিব যি আপোনাৰ থকাখিনিও ভাঙি-ছিঙি শেষ কৰি যায়। কাৰণ আজিকালি মানুহে চিনেমাতকৈও আনৰ জীৱনৰ কাহিনী শুনি বেছি ভাল পায়। অকল শুনাই নহয়, দুদিনমানৰ বাবে নিজে সেই কাহিনীৰ চৰিত্ৰ হৈও চায়। আৰু আমনি লাগিলেই, প্ৰস্থান। আপুনি ৰৈ যায় আপোনাৰ সৈতে। গতিকে নিসংগতাক স্বীকাৰ কৰক, হতাশ হৈ যাকে তাকে জীৱনত আদৰি লোৱাৰ সলনি নিজক মজবুত কৰি গঢ়ি লওক। কাৰণ আপুনি নাজানে, আপোনাক আঘাত কৰিবৰ বাবে কোন কোন আপোনাৰেই আশে-পাশে ফুৰিছে। যদি ফুলিবই লাগে গোলাপ হৈ ফুলক, যাতে আপোনাক ছিঙিবলৈ অহা প্ৰতিখন হাতক তেজেৰে ৰাঙলী কৰি দিয়াৰ শক্তি থাকে।

'কাৰ ইমান গৰজ যে মোক ৰ'দ আনি দিব' (হীৰুদা)

আজিকালি অভিযোগ দিবলৈ এৰি দিলোঁ। সময়কো, মানুহকো। বোৱঁতী নৈৰ দৰে বৈ আছোঁ, বৈ থাকিম। কোনোবাই কেতিয়াবা সমালোচনা আৰু ঠাট্টাৰে থকা-সৰকা কৰিছে, মৌন হৈ আঁতৰি আহিছোঁ। কোনোবাই প্ৰশংসাৰে ওপচাই পেলাইছে, নীৰৱ হাঁহি এটাৰেই আঁতৰিছোঁ। কোনোবা আঁতৰি গৈছে, স্মৃতিকে আঁকোৱালি যাবলৈ দিছোঁ। কোনোবা নতুন আহিছে, শেঁতা হাঁহিৰে আদৰিছোঁ। কোনোবাই ঘৃণাৰ ক'লা ছাই মুখত সানি দিছে, প্ৰতিবাদ নকৰি পানীৰে ধুই পেলাইছোঁ। কোনোবাই ভালপোৱাৰ ৰঙা ৰং ছটিয়াই দিছে, সেয়াও পাছতে মচি দিছোঁ। একো ভাল লগা বা বেয়া লগাই চুব নোৱৰাকৈ অদৃশ্য হৈ পৰিছোঁ। সকলো বেয়াই হ'ব বুলি ভাবি নিৰাশা অনা নাই, কিন্তু কিবা ভাল হ'ব বুলি আশাও ৰখা নাই। জীৱনক লৈ হতাশ হোৱা নাই, কিন্তু নিজক লৈ উচ্ছ্বাসো একো নাই। কন্দা নাই, কিন্তু হাঁহিবও পৰা নাই। চকুপানীৰ পুখুৰীটোও শেষ হ'ল যেন, এতিয়া শুকান। লাহে লাহে হেৰাই যাম মইও, কোনোবা শ্মশানৰ আকাশত ধোঁৱা হৈ উৰি থাকিম। সময়ে পাহৰাব সকলোকে। এতিয়া মাত্ৰ গৈ আছোঁ। সময়ৰ ঠেলাত নৈৰ দৰে বৈ আছোঁ। কেতিয়াবা খুব বেছি বুকুৰ বিষটোৱে উক দিলে, হীৰুদাৰ কবিতাৰ শাৰীকেইটা আওৰাইছোঁ,

"কাৰ ইমান গৰজ যে মোক ৰ'দ আনি দিব...
... ...মই নো কাৰ কি"

'বেয়া পাই থকালৈকে মানুহবোৰ আপোন হৈ থাকে'

- বেয়া পাই থকালৈকে মানুহবোৰ আপোন হৈ থাকে। আচৰিত হৈছে চাগে'? এটা কথা মন কৰিবচোন, যেতিয়ালৈকে আপুনি কাৰোবাক বেয়া পাব পাৰে বা বেয়া পাইছোঁ বুলি ক'ব পাৰে তেতিয়ালৈকে সেই ব্যক্তিজন আপোনাৰ ওচৰৰ হৈ থাকে। তেওঁক আপুনি বেয়া পাইছে, কাৰণ তেওঁৰপৰা আপুনি অন্য কিবা আশা কৰিছিল। আপুনি বেয়া পাব পাৰিছে, কাৰণ তেওঁক আপুনি ভাল পায়। আপুনি বেয়া পাইছে কাৰণ তেওঁৰ কামে আপোনাক প্ৰভাৱ পেলায়। কিন্তু যেতিয়া তেওঁৰ

কিবা কথা বা কামে আপোনাক প্ৰভাৱ নেপেলোৱা হয়, যেতিয়া তেওঁৰপৰা কিবা আশা বা প্ৰত্যাশা একো নোহোৱা হয়, তেতিয়াই আপুনি বেয়া পাবলৈ এৰি দিয়ে। আক্ষেপ কৰিবলৈ এৰি দিয়ে। কিবা বিচাৰিলেহে আক্ষেপ কৰিব, একো নিবিচাৰিলে আক্ষেপ কিয় আহিব। আৰু এনেকৈয়ে সেই মানুহজন আপোনাৰ বাবে লাহে লাহে অচিনাকি হৈ পৰে। যিটো আপোনালোক এজনেও উপলব্ধি নকৰে। যেতিয়া কৰে, তেতিয়ালৈ হয়তো জোৰা দিবপৰাৰ অৱস্থাত সম্পৰ্কটো নাথাকে।

সেয়ে কওঁ, অভিমান কৰি থাকক। অভিমানবোৰ থকালৈকে সম্পৰ্কবোৰো থাকে, যেতিয়া অভিমান নোহোৱা হৈ মাত্ৰ এৰা ধৰাহে বাকী ৰয়, তেনে সম্পৰ্ক শেষ হ'বলৈ বেছি সময় নালাগে। গতিকে ভালপোৱাৰ মাজে মাজে বেয়াও পাই থাকক। মাত্ৰ আপোন মানুহখিনি সদায় আপোন হৈ থাকক। 'তোমাক বেয়া পাইছোঁ' বুলি ক'বপৰাকৈ মানুহবোৰ কাষত থাকক।

'কেতিয়াবা এনেই কথা পাতিবলৈ মন যায়'

কেতিয়াবা এনেই কথা পাতিবলৈ মন যায়। কোনো কাৰণ নাই, কোনো বিষয় নাই, কোনো সময় নাই। এনেই কথা। ভালপোৱাৰ কথা, হুমুনিয়াহৰ কথা, চকুপানীৰ কথা, হাঁহিৰ কথা, জোনাকৰ কথা, এন্ধাৰৰ কথা, গানৰ কথা, উপন্যাসৰ কথা, আজিৰ কথা, এৰি অহা কালিৰ কথা, আহিব লগা কাইলৈৰ কথা। অনৰ্গল পাতি যাবলৈ মন যায়। বুকুখন পাতল নোহোৱালৈকে পাতি থাকিবলৈ মন যায়। ঘড়ীটোলৈ নোচোৱাকৈ পাতিবলৈ মন যায়। কিন্তু ফোনটোৰ নম্বৰবোৰ এটা এটাকৈ চাই চাই শেষ হোৱাৰ পাছত কথা পাতিবলৈ সেই নিজৰ হুমুনিয়াহটোহে ৰৈ যায়। এনেকুৱাতে জীৱনে বিশেষজন বিচাৰে। নাই নাই, প্ৰেম বুলি কৈ ভুল নকৰিব। তেওঁ যিকোনো হ'ব পাৰে, কোনোবা বন্ধু নাইবা পৰিয়াল। মাত্ৰ বিচাৰৰ তুলাচনীত অনুভৱৰ দৰ-দাম নকৰা এজন হওক, সময়ৰ আলোচনীত আৱেগৰ কৌতুক নিলিখা এজন হওক,সেয়ে যথেষ্ট।

যদি আপোনাৰ কাষত এনে কোনো আছে, বৰ যতনেৰে ৰাখক। কাৰণ নিজে নিজৰ বন্ধু হোৱা মানুহবোৰে বাহিৰে যিমান কঠিন হ'লেও ভিতৰি এখন যন্ত্ৰণাৰ নৈত ওপঙি ফুৰে, সংগোপনে।

'বন্ধু'

পৃথিৱী অচিন হোৱাৰ সময়ত বুকুত বাজি থকা চিনাকি সুৰটো বন্ধু। বিফলতাৰ বোকাবোৰ ধুই মচি নিবপৰা নির্মল পানী ছাটি বন্ধু। হঠাৎ মৰি যোৱা জীৱন নামৰ গছজোপাৰপৰা নতুনকৈ ওলোৱা সেই আশাৰ কুঁহিপাতকেইখিলাৰ নাম বন্ধু। সপোনৰ সমাধিতো আশাৰ জন্ম দিবপৰা শক্তিৰ নাম বন্ধু। মৃত্যুৰ তৃষ্ণাত জীৱনৰ নিজৰা বোৱাবপৰা সৰোবৰটোৰ নাম বন্ধু। পৃথিৱীৰ তিতা সোৱাদবোৰ পাহৰাই দিবপৰা মৌচাকৰ নাম বন্ধু। ভুল বুজাজন অৰণ্যৰ মাজত মন বুজি পোৱাজনৰ নাম বন্ধু। বন্ধুত্বত প্রতিশ্রুতি নাথাকে, বন্ধুত্ব নিজেই এক প্রতিশ্রুতি। বন্ধু জীৱনৰ ছাঁ কেতিয়াও নহয়। কাৰণ ছাঁতো এন্ধাৰত আঁতৰি যায়। বন্ধু সেইজোপা বৰগছ, যি প্রখৰ ৰ'দতো সদায় একে ঠাইতে ৰৈ থাকে, যাতে আমাৰ মন গ'লেই আমি তাৰ ছাঁত জিৰাব পাৰোঁ। বন্ধুৱে খোজ কাঢ়ি যোৱাত সহায় নকৰে, কিন্তু উজুটি খাই পৰিলে থাপ মাৰি ধৰা প্রথম হাতখন বন্ধুৰেই থাকে।

এই বন্ধুবোৰ এনেকৈ থাকক। কাষত থাকিব নোৱাৰিলেও অন্ততঃ লগত সদায় থাকক। এদিন 'কি খবৰ' বুলি সুধিব নলগাকৈ লগত থাকক। আঁতৰি যোৱাৰ খেলখনত সময়ক হৰুৱাই জীৱনক উদযাপন কৰি বন্ধুবোৰ সদায় হাঁহিফুল হৈ ফুলি থাকক।

'সময় সদায় নিজে নাহে, কেতিয়াবা আমি আনিব লাগে'

কেতিয়াবা এনেকুৱা হয়নে, এই ধৰক কিবা এটা প্রিয় কাম আপোনাৰ কৰাৰ খুব ইচ্ছা। সকলো সুযোগ-সুবিধা থকাৰ পাছতো আপোনাৰ এলাহ বা আন সৰু কিবা কাৰণত কৰা নহ'ল, পাছত কেতিয়াবা কৰিম বুলি পেলাই থ'লে। কেতিয়াবা আকৌ ধৰক কোনোবা এজনক লগ কৰাৰ কথা, সকলো ঠিকেই মিলি থকাৰ পাছতো সেই সৰু অজুহাতত 'এস, হ'ব আকৌতো লগ পামেই' বুলি আঁতৰি থাকিল। কাৰোবাক কিবা এটা ক'বলৈ খুব ইচ্ছা থকাৰ পাছতো ভয়, সংকোচ বা আন কিবা কাৰণত পাছত ক'ম বুলি থৈ দিলে। হৈছে চাগে' ন! মনত পেলাওকচোন, এনেকৈ পাছলৈ থৈ দিয়া কিমান কাম সম্পূর্ণ হৈছে গৈ? লগ কৰা হয়নে পাছত? ক'বপৰাকৈ

কাষত থাকেগৈনে মানুহ? কোনো কোনোৰ ক্ষেত্ৰত হয়তো থাকে। বেছিভাগৰ বাবে নাথাকে। সেয়ে কওঁ, সময় থাকোঁতেই ভাল লগাবোৰ, ভাল পোৱাবোৰ কৈ পেলাওক কৰি পেলাওক। কাৰণ কি জানে, সময় সলনি হওঁতে সময় নালাগে। পাছত লগ কৰিম বুলি ভাবি থোৱা বন্ধুজন হয়তো পাছলৈ লগ কৰিবপৰাকৈ বন্ধু হৈ নাথাকে। ক'ম বুলি সাঁচি থোৱা কথাষাৰৰ মানুহজন হয়তো কথাই ঢুকি নোপোৱাকৈ আঁতৰি যায়। নাথাকে, কোনো একে হৈ নাথাকে। না আপুনি, না মই, না সময়। তাৰ মাজতো যদি কিবা কৈ আপুনি একে হৈ ৰৈ দিলে, তেন্তে প্ৰতি মুহূৰ্ততে এসোপা যন্ত্ৰণা ৰৈ থাকিব আপোনাৰ বাবে। এইখন পৃথিৱী সলনি হোৱাৰ পৃথিৱী। একে হৈ থকাৰ বাবে নহয়। বতৰৰ দৰে সলনি হৈ থাকক, আপুনি আগুৱাই গৈ থাকিব পাৰিব। এবাৰ যদি ৰৈ দিয়ে চাৰিওফালে অচিনাকি মুখে আগুৰি ধৰিব। সেয়ে কৈছোঁ, সময় আহিব বুলি ৰৈ নাথাকিব। সময়ে কাক কেতিয়া কাৰ পৰা কাঢ়ি নিয়ে কোনেও নাজানে।

'কথাবোৰ কেতিয়ালৈ ক'ব পাৰিম?'

এই যে চবেই কয়, মনটো বেয়া লাগিলে কাৰোবাৰ আগত ক'ব লাগে। কথাবোৰ পাতিব লাগে। হয়, একেবাৰে সঁচা কথা। ক'ব লাগে। কিন্তু কেতিয়ালৈ? কেতিয়ালৈ ক'ব পাৰিম? সলনিৰ পৃথিৱীত কোনোবা থাকিব জানো শেষলৈকে? সদায় শুনিব বুলি কথা দিব পাৰিব? নোৱাৰে, কোনেও নোৱাৰে। মুখেৰে নক'লেও কামত বিৰক্তি প্ৰকাশ পাবই। ফোনৰপৰা মেছেজলৈ নামিব। লাহে লাহে কথাবোৰ চমু হ'ব। এসময়ত মেছেজত কথা নহয়, মাত্ৰ উত্তৰ দিয়া হ'ব। লাহে লাহে উত্তৰ অহাৰ সময়বোৰ দীঘলীয়া হ'ব। সেই বিশেষজনৰ চ্যেটত এলাগী হৈ পৰি ৰ'ব আপোনাৰ অনুভৱবোৰ, হুমুনিয়াহবোৰ। নীলা চিনলৈ ৰৈ ৰৈ ভেঁকুৰ লাগিব কথাবোৰত। তাৰ পৰা ওলোৱা দুৰ্গন্ধত উশাহ বন্ধ হ'ব আপোনাৰ। তেতিয়া? পাৰিব অকলে? সেয়ে আজিকালি নকওঁ, কাকোৱেই নকওঁ। এসময়ত কৈছিলোঁ। কিন্তু সাঁচি থোৱা অনুভূতিবোৰত এতিয়া অৱহেলাৰ ভেঁকুৰ লাগিল। সেয়ে এতিয়া আৰু ক'বলৈ মন নাযায়। আচলতে মন নোযোৱাও নহয়, কিন্তু এক জেদ। কিয় ক'ম? কিয় উদঙাই দিম নিজক? কিয় নিজৰ হুমুনিয়াহবোৰক আনৰ আমনিৰ কাৰণ হ'বলৈ এৰি দিম? নিদিওঁ। থাকক। এনেকৈয়ে থাকক। কান্দিম, ঠিক আছে। কোনোবা

দিনা গোটেই ৰাতি শিতানৰ গাৰু ভিজাই কান্দিম। কিন্তু পিছদিনাই আকৌ হাঁহি হাঁহি উঠি আহিম। তেও নকওঁ। কাৰোৰেপৰা সময় ভিক্ষা নকৰোঁ। কাকোৱেই নিদিওঁ নিজক জানিবলৈ। এই জেদখিনি কেতিয়াবা লাগে। নিজক মজবুত কৰিবলৈ লাগে। নিজক নতুনকৈ গঢ়িবলৈ লাগে। নিজক বুজিবলৈ লাগে। আমাৰ সকলোৰে মাজত এই শক্তি আছে, মাত্ৰ আমি নাজানো আৰু আনৰ অৱহেলা পাই ফুৰোঁ। সাঁচি থোৱা এই কথাবোৰ জমা হৈ হৈ নিজক আৰু বেছি শক্তিশালী কৰিব। বাদ দিয়ক, অনুভৱৰ পাত্ৰত কথাবোৰ লৈ লৈ সময় ভিক্ষা কৰিবলৈ বাদ দিয়ক। মইও বাদ দিছোঁ এতিয়া। নিজক এটা দুৰ্গৰ মাজত ৰাখি থৈছোঁ, যিটো পাৰ হৈ মোক কোনোবাই আঘাত কৰাটো দূৰ, স্পৰ্শও কৰিব নোৱাৰে।

'কৃষ্ণক বুজিব নোৱাৰি'

কৃষ্ণ; কৃষ্ণক সকলো ক'ব পাৰি। কৃষ্ণক অভিযোগ দিব পাৰি। খং বা অভিমান কৰিব পাৰি। যশোদাৰ কোলা উদং কৰি কিয় দৈৱকীৰ কাষলৈ গ'ল বুলি প্ৰশ্ন তুলিব পাৰি, ৰাধাক ভাল পাই ৰুক্মিণীক বিয়া কৰালে বুলি বদনাম দিব পাৰি। দ্ৰৌপদীৰ লগত হোৱা অন্যায় কিয় আঁতৰৰপৰা চালে বুলি খং কৰিব পাৰি, ভাই ভাইৰ মাজত কাজিয়া লগোৱা বুলি ইতিকিং কৰিব পাৰি। কিন্তু কৃষ্ণক বুজিব নোৱাৰি। জন্মতে মাক-দেউতাকৰপৰা আঁতৰ হোৱা কৃষ্ণৰ দুৰ্ভগীয়া কপালখন চাব নোৱাৰি, জন্মৰপৰা পাই অহা মানুহখিনিক, মাকজনীক, ঠাইখন দায়িত্বৰ বাবেই এৰি আহিব লগা হোৱা কৃষ্ণৰ মনটোৰ হাহাকাৰবোৰ শুনিব নোৱাৰি, প্ৰেম হেৰুৱাই নিথৰুৱা হোৱা কৃষ্ণৰ অষ্টভাৰ্য্যাৰ পাছতো বুকুৰ শূন্যতাখিনি দেখিব নোৱাৰি। কানাইৰপৰা দ্বাৰকাধিপতি হোৱাৰ যন্ত্ৰণাখিনি বুজিব নোৱাৰি, সঁচাই বুজিব নোৱাৰি। মাত্ৰ গালি দিব পাৰি, নাৰী মহলৰ মাজত জনপ্ৰিয় পুৰুষক 'শ্ৰীকৃষ্ণ' বুলি হাঁহিব পাৰি। কাৰোবাৰ প্ৰেমৰ নিষ্ঠুৰ প্ৰতাৰণাক ৰাধাকৃষ্ণৰ লগত ৰিজাই উপহাস কৰিব পাৰি। কিন্তু সকলোৰে মনোবাঞ্ছা পুৰাই নিজে বিচৰা একো নোপোৱা কৃষ্ণৰ জীৱনটো জীৱনৰ দুখখিনি চাব নোৱাৰি, বুজিব নোৱাৰি। কৃষ্ণক যিয়ে যেনেকৈ বিচাৰিলে তেনেকৈয়ে পালে। কৃষ্ণ সকলোৰে হ'ল, কিন্তু কোনো কৃষ্ণৰ হ'ব নোৱাৰিলে। তথাপি হাজাৰ অভিযোগ ঠাট্টা-মস্কৰাৰ পাছতো আমি সকলোৱে ক'ৰবাত কৃষ্ণকেই বিচাৰি ফুৰোঁ। প্ৰতিজনী নাৰীয়ে নিজৰ সন্তানৰ মাজত কৃষ্ণকেই বিচাৰে, প্ৰতিজনী গাভৰুৱে প্ৰেমিকৰ মাজত

এবাৰ হ'লেও কৃষ্ণৰ চঞ্চল চাৱনিয়েই বিচাৰে, প্ৰতিজনী ভনীয়েকে ককায়েকৰ মাজত কৃষ্ণকে বিচাৰে যি ভনীয়েকৰ প্ৰেমৰ বাবে নিজৰ সন্মানো ভৰিৰে মোহাৰিছিল। প্ৰেমিক, স্বামী, পৰিয়াল থকাৰ পাছতো সকলোৱে বিচাৰে কৃষ্ণৰ দৰে এজন বন্ধু যি সকলো বিপদত কাষত থাকে। কৃষ্ণ ভগৱান হয়নে নহয় নাজানো, কৃষ্ণৰ অস্তিত্ব কিমান সঁচা নাজানো, কিন্তু আমাৰ সকলোৰে মাজতে কৃষ্ণ আছে আৰু থাকিব সেয়া সত্য। কৃষ্ণ মানে এক আশ্বাস, কৃষ্ণ মানেই বন্ধুত্ব, কৃষ্ণ মানেই প্ৰেম, কৃষ্ণ মানেই ভালপোৱা। এই ভালপোৱা বৈ থাকক। কৃষ্ণ জী থাকক আপোনাৰ, মোৰ সকলোৰে বুকুত।

'Attachment'

আজি Attachmentৰ বিষয়ে কওঁ। Attachment, অৰ্থাৎ আসক্তি বা অনুৰাগ। শুনিবলৈ ভাল যদিও এই বস্তুটো আপুনি ভাবিব নোৱৰা ধৰণে ভয়ংকৰ। বিশেষকৈ যেতিয়া এই attachment কোনোবা মানুহৰ লগত থাকে। মনত পেলাওকচোন আপোনাৰ জীৱনত এনে কোনো ব্যক্তি নিশ্চয় আছিল বা আছে যাৰ লগত আপুনি সাংঘাতিকভাৱে অন্তৰংগ। সেই ব্যক্তিজন যিকোনো হ'ব পাৰে, আপোনাৰ পৰিয়ালৰ কোনো সদস্য, আপোনাৰ প্ৰিয়বন্ধু, আপোনাৰ প্ৰেমিক বা প্ৰেমিকা। পৰিয়ালৰ সদস্য হ'লে বাৰু এই ভয়াৱহতা তুলনামূলকভাৱে কম হয়, কাৰণ সকলোৰে শেষত লগত পৰিয়ালৰ মানুহেই হে থাকে। কিন্তু, তাৰ বাহিৰে অন্য কোনোবাৰ লগত যদি আপোনাৰ এই ধৰণৰ attachment থাকে, তেন্তে ধৰি লওক আপুনি নজনাকৈয়ে নিজেই আঘাত পোৱাৰ এটা ভয়ংকৰ পথ নিজে তৈয়াৰ কৰি আছে। শুনিবলৈ বেয়া হয়, কিন্তু সঁচা কথা এইটো। কাৰণ, যাৰ লগত আপুনি বিশেষভাৱে অন্তৰংগ সেই ব্যক্তিজনৰ সৰু-সুৰা অৱহেলা, কঠোৰ সুৰ আদিয়েও আপোনাৰ দিনটো ধ্বংস কৰি দিবলৈ যথেষ্ট। যিমানেই ভাল লগাৰে আৰৰি নাথাকক কিয় আপোনাৰ চৌপাশ, সেই ব্যক্তিজনৰ এষাৰ কথাই এই ভাল লগাবোৰ নোহোৱা কৰি পেলাব পাৰে। আপুনি নজনাকৈয়ে আপোনাৰ মনটোৰ লেকামডাল তেওঁক দি দিয়ে। তেওঁৰ যেনেকৈ মন যায় চলাব পাৰে। লাহে লাহে আপোনাৰ নিজৰ ওপৰত নিজৰ কণ্ট্ৰোল নোহোৱা হয়। আৰু বিশ্বাস কৰক বা নকৰক, এই কথাটো কেৱল মানসিক বিষয়তে সীমাবদ্ধ হৈ নাথাকে। নিজে পাইছোঁ বাবে জানো, ই

আপোনাৰ শৰীৰতো প্ৰভাৱ পেলায়। অনবৰত বুকুখন গধুৰ হৈ থাকে, উশাহ ল'বলৈ যেন কষ্ট হয়। যিজন মানুহক আপুনি আপোনাৰ পৃথিৱী বুলি ভাবি লয়, তেওঁৰ ব্যৱহাৰৰ সলনিয়ে আপোনাৰ মনটো ভাঙি শৰীৰটোকো লাহে লাহে যেন অৱশ কৰি আনে। সৰু সৰু কথাত খং, চাৰিওফালৰ সকলোকে বেয়া বুলি ভবা, সঘনাই মুড সলনি এইবোৰ হ'বলৈ লয়। মনোবিজ্ঞানৰ ভাষাত আপুনি লাহে লাহে BPDৰ চিকাৰ হ'বলৈ ধৰে। অৰ্থাৎ Borderline Personality Disorderৰ। ই আপোনাৰ শৰীৰটোকো এলেহুৱা, দুৰ্বল কৰি পেলায়। টোপনি কম হয়, আত্মবিশ্বাস কমি যায়, খাবলৈ মন নোযোৱা হয়। আৰু সকলোৰে শেষত সেই ভয়ংকৰ ইচ্ছাটো জাগি উঠে। নিজক শেষ কৰাৰ বাসনা। গতিকে ভাবক, এটা সাধাৰণ attachmentৰ বাবে আপোনাৰ জীৱন কি এক সংকটৰ মাজলৈ গৈ থাকে। কথাখিনি এইবাবেই ক'লোঁ যে এটা সময়ত মই নিজেও এই BPDৰ চিকাৰ হৈছিলোঁ, আৰু চিকিৎসা কৰাৰ পাছত গম পাইছিলোঁ তাৰ প্ৰধান কাৰণ আছিল, attachment। সেয়ে কওঁ, মানুহ হিচাপে যিহেতু জন্ম হৈছোঁ গতিকে আমাক মানুহ লাগিবই। সেয়া লাগিলে পৰিয়ালেই হওক, বন্ধুৱেই হওক বা প্ৰেমেই হওক। কিন্তু, নিজৰ মনটোৰ অধিকাৰী সদায় নিজে হওক। কাকো তুলি নিদিব নিজক ভাঙি পেলাব পৰা বাঘজৰী। মানুহ আহি থাকিব, গৈ থাকিব। কিন্তু আপুনি শেষ হৈ যাব নোৱাৰে। কাৰোৰে বাবেই নোৱাৰে। ভালে থাকক। যদি attachment ৰাখিবই লাগে, কিতাপৰ সৈতে ৰাখক, গানৰ সৈতে ৰাখক, জোনাক, ফুল বা বৰষুণৰ সৈতে ৰাখক। যি সলনি নহয়, যিয়ে আপোনাক এৰি নাযায়। কিন্তু মানুহৰ লগত নাৰাখিব, ভুলতো নাৰাখিব।

'কথাবোৰ এতিয়া মানি লওঁ'

এতিয়া কথাবোৰ মানি ল'ব পাৰোঁ। এদিন জীৱনৰ আটাইতকৈ মূল্যৱান বুলি অনুভৱ কৰাই পিছদিনাই অচিনাকি যে হৈ যায় মানুহ, মানি ল'ব পাৰোঁ। নিজৰ জীৱনৰ ব্যৰ্থতা ঢাকিবলৈ সাময়িক বিফলতাবোৰ আলোচনা কৰি নিক্ষেপ কৰা কথাৰ শৰবোৰ, মানি ল'ব পাৰোঁ। নতুন আহিলেই পুৰণিক মনৰ পৰা দলিয়াই মোহাৰি পেলায় যে বুকুৰ আপোনবোৰে, মানি ল'ব পাৰোঁ। অকলে থকা সময়খিনিত সংগ বিচাৰি মানুহ ভৰি আহিলেই যে আঁতৰি গুচি যায়, মানি ল'ব পাৰোঁ। বন্ধুত্বৰ উদাহৰণ দি দি প্ৰেমৰ নামত হেৰাই যে যায় বন্ধুবোৰ, মানি ল'ব পাৰোঁ। নিজাকৈ কিবা এটা

ভাবি এখোজ আগ বাঢ়োঁতেই যে ছিঙি-ভাঙি পেলায়হি সময়ে, মানি ল'ব পাৰোঁ। সংগ্ৰামৰ সময়খিনিত হাতখন খামুচি ধৰি থকাৰ পাছত সফলতা পায়েই ব্যস্ততাৰ অজুহাত দিয়ে যে মানুহে, মানি ল'ব পাৰোঁ। মানি লৈছোঁ, আজিকালি বহু কথাই মানি লৈছোঁ। অভিমানবোৰ এতিয়া আৰু অনৰ্থক। আনৰ ওচৰতো আৰু নিজৰ ওচৰতো। গৈ থাকিব লাগিব। এনে বহু কথাই নিজক মানিবলৈ শিকাই গৈ থাকিব লাগিব। ৰৈ দিলেই কষ্ট। বুকুৰ ভিতৰে-বাহিৰে বিষ। মনটোক ভাগৰায়। মানি ল'লে ভাল। গৈ থাকিব পাৰি, হুমুনিয়াহৰ সৈতে স্মৃতিৰ শুকান পাত সৰাই সৰাই।

'নিজক শেষ কৰাৰ বাসনা'

প্ৰত্যেক মানুহৰ জীৱনত অন্ততঃ এবাৰৰ বাবে হ'লেও আত্মহত্যাৰ কামনা আহে। অন্ততঃ এবাৰলৈ হ'লেও নিজক শেষ কৰাৰ ইচ্ছা জাগি উঠে, যেন উশাহটো ৰৈ গ'লেই শেষ হ'ব সকলো সমস্যা। কিন্তু কথাটো হ'ল আমি এই মায়াজালখনৰপৰা ওলাই আহিছোঁ কেনেকৈ? আহিছোঁনে সঁচাকৈ? কাৰণ বহু লোকে নিজক শেষ কৰাৰ কামনা লৈয়ে বাস্তৱ জীৱনত স্বাভাৱিকভাৱে চলি থাকে। বহুতেই আকৌ নিজক শেষ কৰি দিয়ে ভিতৰৰ পৰা। আত্মহত্যা দুই ধৰণে হয়। প্ৰথম নিজক সম্পূৰ্ণৰূপে শেষ কৰি মৃত্যুৰ আশ্ৰয় লোৱা আৰু দ্বিতীয় নিজক লাহে লাহে ভিতৰৰপৰা শেষ কৰি অনা, অৰ্থাৎ নিজৰ প্ৰিয় বস্তুবোৰ, অভ্যাসবোৰ, প্ৰিয় মানুহবোৰ সকলোৰেপৰা নিজক আঁতৰাই নি নি কেৱল উশাহটো লৈ গৈ থকা। মনত ৰাখিব, দুয়োটাই ক্ষতি কৰক। কেৱল উশাহ লৈ পৃথিৱীত এটেনডেন্স দি থকা মানুহবোৰৰ জীৱন আৰু বেছি দুৰ্বিষহ। এই দুই ধৰণৰ লোকক ক'ব খোজোঁ, শুনক। পৃথিৱীত অকল মানুহেই নাইতো। ঈশ্বৰে সকলো জীৱকে সমানে স্ৰজিছে। নিজেই নিজক জীৱশ্ৰেষ্ঠ বুলি জাহিৰ কৰি ল'লেও পৃথিৱীখন অকল মানুহৰ বাবে নহয়। তেনেকৈ আপোনাৰ জীৱনটোও অকল আপোনাৰ বাবেই নহয়। যদি কষ্ট পাইছে মানুহৰ পৰা বাদ দিয়ক। কৰ্তব্যবোৰ কৰি গৈ থাকি নিজক এৰি দিয়ক না প্ৰকৃতিৰ সৈতে। গছ, ফুল, ৰ'দ, জোনাকৰ সৈতে। পখিলা, চৰাই, জন্তুৰ সৈতে। নৈ, বতাহ বা গানৰ সৈতে। উমলি থাকক সিহঁতৰ মাজত। তাৰ পাছতো যদি মানুহৰ অনুভৱ লাগে, তেন্তে কল্পনাৰ পৃথিৱীখনতো আছে। পঢ়ি যাওক এখনৰ পাছত আন এখন উপন্যাস। উপন্যাসৰ চৰিত্ৰবোৰে লগ এৰা নিদিয়ে। অৰুণাভ, সুৱৰ্ণ, ভাস্বতী, চম্পা বা সেই

অনুভৱ মাষ্টৰ; সকলোৱে আৱৰি থ'ব আপোনাক। তাৰ পাছতো যদি অভাৱ, তেন্তে তুলি লওক কলম। নিজে সৃষ্টি কৰক এখন জগত। ৰচি যাওক এটাৰ পাছত আন এটি চৰিত্ৰ। বাস্তৱ জীৱনত আপুনি বিচৰা ধৰণে লিখি যাওক। আনে পঢ়ক বা নপঢ়ক, চাব এটা বেলেগ শান্তি লাগে। কাৰণ সেইখন আপোনাৰ পৃথিৱী। নিজৰ মতে ঘূৰি ফুৰক তাত। প্ৰেম কৰক, মৰম কৰক। তাত কোনো অকলশৰীয়া নহয়। আপোনাৰ মোৰ দৰে বহু লোকে বাস্তৱত আঘাত পায়েই তুলি লৈছে কলম। তেন্তে কেনেকৈ অকলশৰীয়া আপুনি! আমি সকলোচোন একে পথৰ যাত্ৰী। আজিৰ এই দিনটোত নিজক নিজে কথা দিওঁ আহকচোন। আমি একেলগে আগুৱাম। ভালে থাকিম আৰু ভালে ৰাখিম। মাত্ৰ, এটাই কথা আওৰাই যাম, আমি কিন্তু শেষলৈকে জীৱন চাম।

'ভালে আছেনে আপুনি?'

আপোনালোকৰো এনেকুৱা হয়নে, এই যে কেতিয়াবা কিছুমান মানুহে খুব আন্তৰিকতাৰে সোধে, 'ভালে আছা?' অলপ সময় বোবা হৈ ৰৈ যাওঁ। এনে লাগে যেন হুকহুকাই কান্দি দিম তেওঁক আঁকোৱালি লৈ। চিঞৰি দিম, 'নাই অ', ভালে নাই মই। কষ্টত আছোঁ, খুব কষ্ট।' বা কেতিয়াবা গোমা মুখখন দেখি কিবা এটা অনুমান কৰি যে মা বা দেউতাই সোধে, 'কি হৈছে, ঠিকে চলি আছেনে চব?' মন যায়, একেলৰে মাৰ বুকুত সোমাই যেন ক'ম, 'নাই অ' মা, পৰা নাই মই।' কিন্তু নাই, সেইবোৰ একো কৰা নহয়গৈ। নিমাত হাঁহি এটাৰে 'উম ভালেই দিয়া' বুলি ওৰণিখন টানি লোৱা হয়। চলি থাকে, লাহে লাহে অনুভৱবোৰ শিল হৈ চলি থাকে। এই ওৰণিখনৰ আঁৰত বহু শিল এনেকৈয়ে চলি থাকে। মানুহে সেই শিলবোৰক জীৱন বুলি ভুল কৰে।

'জোনবাই হোৱাই ভাল'

কেতিয়াবা ভাবোঁ, ভালেই হ'ল জোনবাই যে ঢুকি নোপোৱাকৈ ওপৰত থাকে। কাৰণ তললৈ অহা হ'লে নিপুণ খেলুৱৈ মানুহে চাগে' জোনৰ লগতো খেলিলেহেঁতেন। কোনোবাই ফুটবল বুলি গুৰিয়ালেহেঁতেন, কোনোবাই গাত থকা ক'লা দাগবোৰ চাই হাঁহিলেহেঁতেন। কোনোবাই চাগে' ভালপোৱাৰ ভাও ধৰি নিথৰুৱা

কৰিলেহেঁতেন। জোনক লৈ গান, কবিতা, অনুভৱ এইবোৰো কিজানি নাথাকিলহেঁতেন। এৰা, নামি অহা হ'লে জোন চাগে' ক'ত জোন হৈ থাকিলহেঁতেন।

সেয়ে আজিৰ পৃথিৱীতো জোন হোৱাটো ভাল। নিজক নিজে ভালে ৰাখিবলৈ জোন হোৱাটো জৰুৰী। সকলোৰে হৈও কাৰো নোহোৱাকৈ থকাটো জৰুৰী। সকলোৱে চাব পাৰে, কথা পাতিব পাৰে, ভালো পাব পাৰে। কিন্তু কোনেও ঢুকি পাব যাতে নোৱাৰে। আঁতৰৰপৰা চাই অনুমান কৰিব পাৰে, কিন্তু ভিতৰখন জুমি চাব যাতে নোৱাৰে। আজিৰ দিনত জোনবাই হোৱাটো সঁচাই জৰুৰী। নামি আহি স্বাৰ্থপৰতাৰ মাজত পোহৰ হেৰুৱাই এন্ধাৰ সাবটি লোৱাতকৈ এনিশাৰ আঁউসীয়েই ভাল। পিছদিনা আকৌ নতুন ৰূপত ওলাব পাৰি। কিন্তু ইয়ালৈ নামি অহা হ'লে চাগে' জোনেও নিজৰ জোনাকক হেৰুৱালেহেঁতেন।

'শিলবোৰৰ কথাৰে'

শিলবোৰক হাঁহিবলৈ নিশিকাব। আচৰিত হৈছে চাগে'। ঠিকেই পঢ়িছে। আপুনি মই নেদেখাকৈ বহু শিল উশাহ লৈ জীৱনটোত গৈ থাকে। কাৰোবাৰ দায়িত্ব কাৰোবাৰ কৰ্তব্য মূৰ পাতি লৈ নিজক শিল সাজি গৈ থাকে। এই শিলবোৰক কিছুমানে নিজৰ কৰে। কথা পাতে, নিজৰ মতে সজায়, বুকুৰ উম দি সেউজীয়া কৰি তোলে, হাঁহিবলৈ শিকায়, জীৱনটোৰ প্ৰতি মোহ আনি দিয়ে। শিলবোৰক এই মানুহবোৰে জীয়াই তোলে। কেৱল উশাহটো থকা ক'লা-বগা জীৱনটোত ৰামধেনু আঁকে। তাৰ পাছত, শিলটো জী উঠাৰ পাছত, হাঁহিবোৰ কথাবোৰ অভ্যাস হোৱাৰ পাছত আকৌ গুচি যায় জীয়া মানুহবোৰ। বুকুৰপৰা দলিয়াই দিয়ে শিলবোৰক। শিলবোৰ ৰৈ যায়। কথাবোৰ হেৰুৱাই আকৌ বোবা হৈ ৰৈ যায়। সেয়ে কওঁ, এই শিলবোৰক হাঁহিবলৈ নিশিকাব। আপুনিতো গুচি যায় আগুৱাই, কিন্তু শিলবোৰ আৰু আগুৱাব নোৱাৰে। সেউজীয়াবোৰ হেৰুৱাই এই জীয়া শিলবোৰ ভাঙে। টুকুৰা টুকুৰাকৈ ভাঙে। ভঙাৰ শব্দ কোনেও নুশুনে, কিন্তু ভাঙে। লাহে লাহে গুৰি হৈ যায় শিলটো। কোনেও নাজানে, কোনেও নেদেখে। অনুৰোধ কৰিছোঁ সেয়ে, এই শিলবোৰক হাঁহিবলৈ নিশিকাব। আপোনাৰ আমনিৰ সময় পাৰ কৰিবৰ বাবে শিলৰ হাঁহি চাবলৈ নাহিব। এৰি দিয়ক শিলবোৰক। সিহঁত গৈ থাকিব। কেতিয়াবা কোনোবা নদীয়ে সিহঁতক আঁকোৱালি ল'ব। কিন্তু সদায় থাকিব নোৱাৰিলে শিলবোৰ বুটলি নল'ব, হাঁহিবোৰ নিশিকাব।

'অহা জনমত নৈ হ'ম'

"মানুহৰ পৃথিৱীত উশাহ ল'বলৈ বৰ কষ্ট...
অভিমান কৰিবলৈও অধিকাৰ লাগে...
ভালপোৱাৰো হেনো নিয়ম থাকে...
প্ৰেমৰো থাকে নিজা ৰীতি...
সেয়া নামানিলেই অবৈধ নিষিদ্ধ বা অশ্লীল...
অহা জনমত মই নৈ হ'ম,
বুকুৰেদি বৈ থাকিম,
তুমি হ'লেও হ'বা শিল!!"

'কেতিয়াবা নিজৰ কথা শুনাবলৈ মন যায়'

সদায় আনৰ মনৰ কথা শুনি অহা মানুহৰো কেতিয়াবা নিজৰ কথা শুনাবলৈ মন যায়। সদায় আনক বুজাই অহা মানুহৰো কেতিয়াবা কাৰোবাৰ বুজনি শুনিবলৈ মন যায়। সদায় আনৰ কাষত থিয় দিয়া মানুহকো নিজৰ কাষত মানুহ লাগে। সদায় আনক সাহস দিয়া মানুহৰো কেতিয়াবা সাহস হেৰায়। সহজ নহয়, আনক গঢ়াৰ দৰে নিজক গঢ়া সহজ নহয়। আনক ৰখাৰ দৰে নিজক আৰবি ৰখা সহজ নহয়। পোহৰকো কেতিয়াবা পোহৰ লাগে, নৈৰো কেতিয়াবা পিয়াহ লাগে। কিন্তু পোৱা নাযায়, পোৱা নাযায়। নিজৰখিনি হ'লেই সকলো ব্যস্ত; ভয়ংকৰভাৱে ব্যস্ত। আনৰ কথা ভবা মানুহবোৰৰ কথা ভাবিবলৈ কোনো নাথাকে, কোনোৰেই নাথাকে। পোহৰ সিঁচা বেছিভাগ মানুহেই নিজে এন্ধাৰত থাকে। কিন্তু সেয়া চাবলৈ কোনো নাথাকে। হাঁহি বিলোৱা বেছি ভাগ মানুহেই চকুপানীৰে ভিজি থাকে, সেয়া চাবলৈ কোনো নাথাকে। ব্যস্ত সকলো ব্যস্ত। উপন্যাসৰ পাততহে চম্পাৰ আদৰ। বাস্তৱত কত চম্পাই অকলেই যন্ত্ৰণা সহি থাকে। দেখিবলৈ, শুনিবলৈ কোনো নাথাকে, কোনোৰেই নাথাকে।

'সময় ঃ শ্ৰেষ্ঠ উপহাৰ'

ঃ কোৱা, পূজাত কি গিফ্‌ট লাগিব!

ঃ অলপ সময় লাগিছিল।

ঃ সময়?

ঃ উম, ব্যস্ততাৰ পোছাকযোৰ খুলি মোবাইলৰ সিপাৰৰ পৃথিৱীখনৰপৰা ওলাই ভালপোৱাৰ সাজযোৰ পিন্ধি অলপ সময় দিব পাৰিবা? আন একো নালাগে।

পূজা বুলি নামী দামী উপহাৰ প্ৰতিবাৰেই চাগে' দিয়ে, পাৰিলে এইবাৰ আপোনাৰ বিশেষজনক অলপ সময় দিয়কনা। এখন হাতেৰে মোবাইলত কথা পাতি আনখন হাতেৰে তেওঁক ধৰাৰ কথা কোৱা নাই, কাৰো সৈতে নভগোৱাকৈ কিছু সময় একান্তই তেওঁৰ বাবে ৰাখকচোন। শৰতৰ জোনাকৰ দৰে স্নিগ্ধ হৈ থাকিব মৰমবোৰ।

'মানুহ কিয় যান্ত্ৰিক হয়?'

এই যে খুব মৰম আকলুৱা মানুহবোৰ হঠাৎ যান্ত্ৰিক হৈ পৰে, এই যে মৰমসনা আদৰুৱা মাতবোৰ এসময়ত কঠুৱা হৈ পৰে, এই যে ৰসাল কথাবোৰ এসময়ত খঙাল হৈ পৰে, এই যে জোনাক দেখিও প্ৰেমত পৰা মানুহবোৰে এসময়ত প্ৰেমৰ অনুভৱকো সহ্য নকৰে, এই যে সৰু কথাতে অভিমান কৰা কোমল মনবোৰ কোনেও চুব নোৱৰাকৈ কঠিন হৈ পৰে, এই যে আৱেগত উথলি উঠা চকুবোৰ কোনেও বুজি নোপোৱাকৈ কঠোৰ হৈ পৰে, এই যে ভালপোৱাৰ নামত নিজক উজাৰি দিবপৰা মানুহবোৰ হঠাৎ স্বাৰ্থান্বেষী হৈ পৰে, এই যে হাঁহিত সদায় জিলিকি থকা মুখবোৰ হঠাৎ একো অনুভৱে চুব নোৱৰাকৈ নিষ্ক্ৰিয় হৈ পৰে, তাৰ আঁৰতো কাহিনী থাকে। সেইবোৰ কাহিনী কোনেও নিলিখে, সেইবোৰ কাহিনী কোনেও নুশুনে। ক'তো চিন নথকাকৈ বুকুতে বৈ বৈ শুকাই যায় সেইবোৰ কাহিনী। মানুহে মাত্ৰ বাহিৰৰ ৰূপটো চাই কৈ দিয়ে, ইমান অহংকাৰী, ইমান কঠুৱা আৰু যে কত কি! কিন্তু ভিতৰখনলৈ জুমি চাই সেই কাহিনীবোৰ না মানুহে পঢ়িব জানে, না পঢ়িব বিচাৰে।

'মনবোৰ ভালে ৰাখক'

শৰীৰটো ভালে ৰাখিবলৈ বহু লোক আছে, কিন্তু মনটো ভাল ৰাখিবলৈ কেৱল আপুনি নিজেহে আছে। শৰীৰৰ দায়িত্ব কাৰোবাক দিয়ক বা নিদিয়ক, কিন্তু মনটোৰ দায়িত্ব কাকোৱেই নিদিব। অ', কেতিয়াবা কাৰোবাৰ লগত কথাবোৰ কষ্টবোৰ, অনুভৱ-বোৰ ভগাই লোৱাটো ভাল কথা। কিন্তু মনৰ লেকামডাল তেওঁৰ হাতত তুলি নিদিব। আপোনাৰ মনটো ভাল কৰাৰ দায়িত্ব কাকোৱেই দি নিদিব। তেনেদৰে মনটো বেয়া কৰি দিবপৰাৰ অধিকাৰকণো কাকো নিদিব। গোলাপৰ পাহিৰ দৰে কোমল আমাৰ মনবোৰ। সৰি সৰি পৰে কণমান বতাহতে। সেই বতাহবোৰ বলিবলৈ নিদিব। সংগ বহুত আছে সঁচা, কিন্তু নিজৰ বাবে আপুনি অকল নিজেহে আছে। এটা সময়ত আমি সকলোৱে ইয়াক উপলব্ধি কৰোঁ। সেয়ে লাহে লাহে নিজক নিজে পূৰ্ণ কৰিবলৈ শিকিছোঁ। নিজৰ অভিমানবোৰ নিজে ভাঙিবলৈ শিকিছোঁ। মনটো নিজেই ভাল লগাবলৈ শিকিছোঁ। আনক দায়িত্ব দিবলৈ এৰিছোঁ। প্ৰতিশ্ৰুতিবোৰ বিশ্বাস কৰিবলৈ এৰিছোঁ। অ', কোনোবাই যদি বিচাৰে তেন্তে কাষত থাকোঁ। সময়ত আৱৰিও ৰাখোঁ। কিন্তু প্ৰত্যাশা কাৰো পৰা নকৰোঁ। কাৰণ, মনবোৰ ভাঙিলে শব্দ নহয়, কিন্তু কষ্ট বহুত হয়। হাড় ভাঙিলে জোৰা লাগি যায়, কিন্তু মনবোৰ জোৰা নালাগে। কেতিয়াবা জোৰা লাগিল বুলি ভাবোঁ, কিন্তু নালাগে। আচলতে অভ্যাসহে হৈ যায় আৰু আমি তাক নিৰাময় বুলি ভুল কৰোঁ। সেয়ে কওঁ, মনবোৰ ভালে ৰাখক। নিজক ভালে ৰাখক। হাঁহিয়েই থাকক বুলি নকওঁ, মাজে মাজে কান্দিও থাকক। কান্দোনৰ সৈতে কষ্টবোৰ পাতল হওক, আনক লৈ কৰা প্ৰত্যাশাবোৰ চকুপানীৰ লগত উলিয়াই দিয়ক। কিন্তু মনবোৰ ভালে ৰাখক। মনবোৰ সেউজীয়া হৈ থাকক।

'আমি কেৱল প্ৰয়োজন'

কষ্টকৰ হ'লেও এইটোৱেই সত্য যে পৃথিৱীখনত আমি সকলো কাৰোবাৰ নহয় প্ৰয়োজন মাত্ৰ। পৃথিৱীখন ভয়ংকৰভাৱে বিকল্পৰে উভৈনদী। কাৰোবাৰ জীৱনত আজি আপুনি আছে, কাৰণ আপুনি তেওঁৰ অতীতৰ আন কাৰোবাৰ ঠাই পূৰাইছে। কাইলৈ যদি আন এজন আহে, আপোনাক আঁতৰাই দিবলৈ তেওঁ সাজু। আচৰিত

নহ'ব, এয়ে সত্য। আকাশ বিদাৰি চিঞৰি উঠিলেও, হাত-ভৰি আছাৰি চকুলোৰ সাগৰ বোৱালেও, যিমান ভালপোৱাৰ ভিক্ষা কৰিলেও আমি এই সত্যক মানি ল'বলৈ বাধ্য। সদায় একে হৈ থাকিব খোজা মানুহৰ বাবে এই পৃথিৱী এক যন্ত্ৰণা মাত্ৰ। যি সলনি হৈ থাকিব পাৰিছে, যি আৱেগ আৰু হেঁপাহক অংকৰ দৰে যোগ-বিয়োগ কৰিব পাৰিছে তেওঁ হাঁহি হাঁহি গৈ থাকিব। আপুনি বা মই তেওঁলোকৰ বাবে ভিৰৰ মাজত হেৰাই যোৱা সাধাৰণ সংগী মাত্ৰ। তাতকৈ বেছি একো নহয়, একোৱেই নহয়। যিমান সোনকালে ইয়াক মানিব পাৰিব, নিজৰ বাবে ভাল। সেয়ে সদায় কওঁ, নিজক নিজে পূৰ্ণ কৰক আৰু গৈ থাকক। যদি হ'বই লাগে কাৰোবাৰ প্ৰিয়জন হওক, প্ৰয়োজন নহয়।

'অকলশৰীয়া'

ঃ তুমি সকলোৰে মনবোৰ ইমান ভালকৈ কেনেকৈ বুজি পোৱা?

ঃ মোৰ মনটো কোনেও বুজা নাছিল যে!

সকলোৰে মন বুজা মানুহজনৰ আঁৰত এজন অকলশৰীয়া মানুহ থাকে, যাক কোনেও নুবুজে। সকলোৰে কথা শুনা মানুহজনৰ আঁৰত এবুকু নোকোৱা কাহিনী থাকে, যাক কোনেও নুশুনে। সকলোকে সময় দিয়া মানুহজনৰ আঁৰত এজন নিঠৰুৱা মানুহ থাকে, যাৰ বাবে কাৰোৰে সময় নাথাকে। নিজে নোপোৱাবোৰ আনক দিবলৈ এই মানুহবোৰ জোন হৈ থাকে। নিজৰ পোহৰ নাই, কিন্তু গোটেই পৃথিৱীৰ এন্ধাৰ নাশে।

'তুমি যেন, উপহাৰ এটি'

কেতিয়াবা এনেকুৱা হয়নে, এই ধৰক আপুনি কেৰিয়াৰ, চাকৰি বা অন্য কোনো কাৰণত কিছু ব্যস্ত হৈ পৰিছে। আপোনাৰ আপোন মানুহবোৰৰপৰা কিছু দূৰলৈ আহিছে। নাই, আঁতৰি অহা নাই। কিন্তু এটা দূৰত্ব আহি পৰিছে। তেনেকুৱাতে ধৰক আপোনাৰ কোনোবা বন্ধু বা আত্মীয়ই অভিমান কৰিছে নহ'লে অভিযোগ দিছে যে আপুনি লাহে লাহে আঁতৰি গৈছে বুলি। কি কৰে তেতিয়া? কোনেও মোক নুবুজে বুলি দোষ দি মনে মনে থাকে, নে ব্যস্ততাবোৰ বুজাই উপেক্ষা কৰে? নে খং কৰে?

আচল কথা কি জানেনে, দোষ কাৰোৰে নাই। না হঠাৎ ব্যস্ততাৰ মাজত সোমাইপৰা আপোনাৰ, না আপোনাৰ অকণমান সময় বিচাৰি অভিমান কৰা বিশেষ-জনৰ। আচলতে আমাক বুকু ভৰি ভাল পোৱা মানুহবোৰ কেতিয়াবা আমাৰ মোহত পৰি ইনছিকিউৰিটিত ভোগে। কিজানি আমি আঁতৰি যাম, কিজানি তেওঁ আমাক হেৰুৱাই দিব, ইত্যাদি। আপোনাৰ আপোনজনেও এইবাবেই ভয় খায়। আৰু আপোনাৰ সৰু এটি অৱহেলাকো বেছিকৈ ভাবি কষ্ট পায়। হয়, আপুনি জানে যে আপুনি আঁতৰি যোৱা নাই, না সলনি হৈছে। কিন্তু কেতিয়াবা এই যে আপুনি তেওঁৰপৰা আঁতৰি যোৱা নাই, এইটো দেখুওৱাটো জৰুৰী হৈ পৰে। কথাৰেই হওক বা কামেৰেই হওক। নহ'লে কি হ'ব জানে, আপুনিতো আকৌ এদিন তেওঁৰ কাষলৈকে ঘূৰি যাব। কিন্তু সেই মানুহজন আৰু আগৰ দৰে হৈ নাথাকে। বা হয়তো আপোনাক তেওঁ আগৰ দৰে গ্ৰহণ কৰিব নোৱৰা হৈ পৰে। কাৰণ আপোনাৰ সেই ব্যৱহাৰবোৰ লৈ তেওঁ ভয় খাই নিজকে সলাই পেলায়। চাবচোন, বেছিভাগ সম্পৰ্ক এইবাবেই ভাঙি যায়। সদায় মানুহ আঁতৰি নাযায়। কিন্তু আঁতৰি গ'ল বুলি ভুল কৰি আনজনে নিজক হেৰুৱাই পেলায়। সেয়ে কওঁ, কেতিয়াবা অকণমান আদৰ, অকণমান হেঁপাহ দেখুওৱাটো জৰুৰী হৈ যায়। পৰিয়ালেই হওক, প্ৰেমেই হওক বা কোনো বন্ধুৰেই হওক, অভিমান-বোৰ দেখি আমনিৰ মোহৰ লগাই দিয়াতকৈ অকণমান সময় দি চাবচোন। আপোনাক হেৰুৱাই দিব বুলি ভয় কৰাও যে কোনোবা আপোনাৰ জীৱনত আছে, এয়াও জানো জীৱনৰেই এক উপহাৰ নহয়? বিশ্ৰুতৰ ভাষাৰেই কওঁ, জীৱনৰ এই উপহাৰবোৰক সযতনে ৰাখক। অকণমান ভুল বুজিতে হেৰাই যাবলৈ নিদিব। ভালে থাকক।

'ৰাধাৰ সংজ্ঞা'

ৰাধা কলংকিনী, পৰপুৰুষগামিনী, ৰাধা কল্পনা, কাব্যিক সৃষ্টি, ৰাধা মায়া, ৰাধা নিচা। আৰু যে কত কি ৰাধাৰ বিশেষণ। তাৰ পাছতো এই সমস্ত অপবাদ, ব্যাখ্যাক উলাই কৰিও প্ৰতি বছৰে ৰাধা আহে, শৰতে শেৱালিৰ কোলাত ৰাধাক কঢ়িয়াই আনে। ৰাধা আহে, অকলে নহয়। 'ৰাধাকৃষ্ণ' হৈ আহে। শাৰদীয় জোনাকৰ সাজ পিন্ধি আহে, নিয়ৰে সজোৱা বাটেৰে কুঁৱলীৰ ওৰণি টানি আহে। হাজাৰ কল্পনা বুলি উৰুৱাই দিলেও ৰাধাৰ নাম ভাৰতৰ আটাইতকৈ প্ৰভাৱশালী চৰিত্ৰৰ আগত লয়। হাজাৰ মায়া বুলি উপহাস কৰিলেও ৰাধাৰ নাম জগতৰ ঈশ্বৰ বুলি মনা জনৰ

সৈতেই উচ্চাৰিত হয়। হাজাৰ অপবাদ দিলেও ৰাধা সদায় কৃষ্ণৰ বুকুৱে বুকুৱে বয়। ৰাধা আছে, ৰাধা থাকিব। যেতিয়ালৈকে পৃথিৱীত কৃষ্ণ বন্দনা হৈ থাকিব, যেতিয়ালৈকে পৃথিৱীলৈ শৰৎ আহি থাকিব, যেতিয়ালৈকে পৃথিৱীত প্ৰেমৰ অনুভৱ জী থাকিব, যেতিয়ালৈকে পৃথিৱীত বাঁহীৰ সুৰ বাজি থাকিব, তেতিয়ালৈকে ৰাধাও থাকিব। আপোনাৰ, মোৰ, আমাৰ বুকুত জী থাকিব ৰাধা। ৰাধাৰ পৰা কৃষ্ণক বেলেগ কৰিবলৈ না তেতিয়া পাৰিছিল, না আজি পাৰিছে না আগলৈ পাৰিব। নোৱাৰে, নোৱাৰে কোনেও। না তত্ত্বগধুৰ যুক্তিয়ে, না অপবাদে, না পণ্ডিতৰ ব্যাখ্যাই। মহাৰাস সেইবাবেই প্ৰিয়। ই প্ৰাপ্তিৰ উৎসৱ, সমাজৰ নিয়মে বেলেগ কৰিও বেলেগ কৰিব নোৱৰা মিলনৰ উৎসৱ, ই যুগে যুগে সমাজে নতশিৰ হোৱাৰ প্ৰেমৰ উৎসৱ, ই ভালপোৱাৰ উৎসৱ, ই ত্যাগৰ উৎসৱ। ই ৰাধাকৃষ্ণৰ উৎসৱ। প্ৰেমময় হৈ থাকক জীৱন, প্ৰেমময় হৈ থাকক পৃথিৱী।

‘কথাবোৰ ক’লে শুনক’

এটা কথা মন কৰিবচোন, এই যে কেতিয়াবা আপোনাৰ খুব ওচৰৰ কোনোবা বন্ধু বা যিকোনো এজন ব্যক্তিয়ে আহি আপোনাক তেওঁৰ মনৰ কিবা কথা অলপ কয়; হয়তো তেওঁৰ নিজৰ অতীতৰ কিবা ঘা, নাইবা কোনোবাই দিয়া আঘাত নাইবা আন যিকোনো কথা, তেতিয়া তেওঁ খুব হেঁপাহ আৰু আশা লৈ আপোনাৰ কাষলৈ আহে যে আপুনি তেওঁৰ কথাবোৰ শুনি তেওঁৰ ভাগৰুৱা মনটোক অলপ হ’লেও সকাহ দিব। সেই সময়ত হয়তো আপোনাৰ মনটো কাৰোবাৰ কথা শুনিবপৰাকৈ সাজু নাথাকিবও পাৰে বা আপুনি ব্যস্তও থাকিব পাৰে। যদি সঁচাই তেনে হৈছে, তেন্তে অনুগ্ৰহ কৰি যিয়ে আপোনাক কিবা ক’বলৈ আহিছে তেওঁক কওক। তেওঁক বুজাই দিয়ক যে আপুনি এতিয়া তেওঁৰ কথা শুনিবপৰাকৈ আজৰি নহয়, খুব সোনকালেই আপুনি তেওঁৰ কাষলৈ আহিব। তেতিয়ালৈকে যেন তেওঁ নিজক ভালে ৰাখে। কিন্তু তাকে নকৰি কেৱল শুনিব লাগে বাবেই শুনি থৈ নিদিব। কেৱল তেওঁ বেয়া পাব বুলিয়েই মন নথকা সত্ত্বেও বিৰক্তিৰ চিন মুখত লৈ তেওঁৰ কথাবোৰ নুশুনিব যাতে তেওঁৰ গছৰ আগত কৈ থকাৰ দৰে অনুভৱ হয়। এটা কথা মনত ৰাখিব, এই যে তেওঁ আপোনাক নিজৰ কিবা এটা অধ্যায় জনাবলৈ আহিল তাৰ একমাত্ৰ কাৰণ হ’ল যে তেওঁ আপোনাক এখন বিশেষ আসন দিয়ে। গতিকে সেই

মানুহজনক পুতৌ কৰি সেই আসনখন নেহেৰুৱাব। তেওঁ এটা আঘাতৰ বাবে আপোনাৰ ওচৰলৈ আহিছে, তাক অৱজ্ঞা কৰি তেওঁক পুনৰ আন এটা আঘাত নিদিব। শৰীৰৰ খবৰতো গোটেই পৃথিৱীয়ে জানে, কিন্তু মনৰ খবৰ মনৰ মানুহবোৰকহে দিয়া যায়। আৰু কাৰোবাৰ মনৰ পৰা নিজৰ আসনখন হেৰুৱাৰ কষ্টখিনি আপুনি এতিয়া নুবুজিলেও সময়ত নিশ্চয় বুজিব।

সেয়ে কওঁ, কথাবোৰ ক'লে শুনক। আমনিৰ মোহৰ নলগোৱাকৈ শুনক। নিজৰ কাহিনীৰ সৈতে প্ৰতিযোগিতা নকৰাকৈ শুনক। মনত ৰাখিব, কোনোবাই কথা কৈ থাকিলে তাক অকাৰণ বুলি ধৰি লৈ উপেক্ষা কৰিলে, পাছত তেওঁ মৌন হৈ গ'লে কিন্তু কাৰণ সুধি লাভ নাই। একো লাভ নাই।

'আজিকালি হাঁহি এটা মাৰোঁ'

আজিকালি প্ৰায়বোৰ কথাত উত্তৰ দিয়াৰ সলনি হাঁহি এটা মাৰোঁ। 'আকৌ এম.এ. কৰিছা যে চাকৰি পোৱা নাই নেকি' বুলি যে সোধে, উত্তৰত হাঁহি এটা মাৰোঁ। 'ফেচবুকত এইবোৰ লিখি যে থাকা, কি লাভ হয়নো? পা-পইচা পোৱা নেকি?' বুলি অহা কৌতূহলবোৰৰ উত্তৰত হাঁহি এটা মাৰোঁ। নিজৰ হেজাৰ দুখৰ কাহিনী শুনাই শুনাই কোনোবা দিনা মই ফোন কৰিলে 'অলপ বিজি আছোঁ' বুলি যে কাটি দিয়ে বন্ধুৱে ফোন, হাঁহি এটা মাৰোঁ। মাহৰ পিছত মাহ ধৰি সৰু মেছেজ এটাৰে খবৰ এটা ল'বলৈও সময় নোহোৱা পুৰণি চিনাকিয়ে যে কেতিয়াবা হঠাৎ কয়, 'সহায় এটা লাগিছিল, কৰি দিয়াচোন', তেতিয়াও হাঁহি এটা মাৰোঁ। মুখৰ আগত মোক দেৱতাৰ শাৰীলৈ তুলি মই আঁতৰিলেই এটাৰ পাছত এটাকৈ ছটিয়াই যায় যে বদনামৰ ছাই, কথাবোৰ গম পাওঁ আৰু হাঁহি এটা মাৰোঁ। অকলশৰীয়া হ'লেই প্ৰিয় অভ্যাসৰ দৰে কথা পাতি পাতি হঠাৎ নতুন লগ আহিলেই যে চিনি নোপোৱা হৈ যায় মানুহবোৰে, হাঁহি এটা মাৰোঁ। সময়ৰ ভাঁজে ভাঁজে এখোজ-দুখোজকৈ হেৰাই গৈ থাকে যে নিজা বন্ধুবোৰ, ওহোঁ জোৰ নকৰোঁ থাকিবলৈ। মাত্ৰ হাঁহি এটা মাৰোঁ।

এটা নিমাত হাঁহি। কেতিয়াবা শ্লেষৰ, কেতিয়াবা হুমুনিয়াহৰ, কেতিয়াবা যন্ত্ৰণাৰ, কেতিয়াবা স্বাভিমানৰ। এই হাঁহিবোৰে বচায়, ব্যাখ্যাৰ প্ৰয়োজন শূন্য এই ব্যস্ত পৃথিৱীত। সেয়ে হাঁহি থাকোঁ, নীৰৱ হৈ। হাঁহিৰ আঁৰৰ অৰ্থ বুজাজনে নিজে আঁকোৱালি ধৰিব, কিন্তু কোনোবা থাকক বুলিয়েই শব্দৰ খৰচ আজিকালি নকৰোঁ। কেতিয়াও নকৰোঁ।

'নিজক বিচাৰি ফুৰোঁ'

আজিকালি প্ৰায়ে নিজক বিচাৰি ফুৰোঁ। এজাক অচিনাকি ল'ৰা-ছোৱালীৰ মাজত অনৰ্গল কথা কৈ থকা কাৰোবাক দেখিলে ৰৈ যাওঁ, কোনোবা সৰু ল'ৰাই গধূলি জোনবাইৰ লগত হাঁহি হাঁহি কথা পাতি থকা দেখিলে তাৰ মুখলৈ চাই থাকোঁ, সৰু সৰু কথাত হাঁহিত বাগৰি পৰা মানুহবোৰক দেখিলে ৰৈ যাওঁ, বৰষুণত ভিজি ভিজি নিজেই নিজৰ প্ৰেমতপৰা মানুহবোৰক দেখিলে ৰ লাগি চাওঁ, উৎসৱবোৰ উছাহেৰে পালন কৰা মানুহবোৰ দেখিলে ৰৈ যাওঁ, মন গ'লেই পৰিৱেশ পাহৰি চিঞৰি চিঞৰি জুবিনৰ গান গাই যাবপৰা মানুহ লগ পালেই ওঁঠত হাঁহি এটা লৈ চাই থাকোঁ, অনবৰতে এজাক বন্ধুৰ লগত এনেয়ে অনাই-বনাই ঘূৰি ফুৰা মানুহবোৰ দেখিলে চাই থাকোঁ, আচলতে আজিকালি নিজক বিচাৰি থাকোঁ। সময়ৰ ভাঁজে ভাঁজে আমি সকলোৱে নিজক ক'ৰবাত এৰি আহোঁ। মইও এৰি আহিলোঁ, সেয়ে আজিকালি নিজক বিচাৰি ফুৰোঁ। কেতিয়াবা নিজৰ মাজতো বিচাৰোঁ, কিন্তু নাপাওঁ। নিজৰ ওচৰত নিজেই অচিনাকি হৈ যাওঁ। কিন্তু অন্য অচিনাকিৰ মাজতো নিজক বিচাৰি পাওঁ। মনে মনে ঈশ্বৰক খাটো, মানুহবোৰ নিজৰপৰা হেৰাই নাযাওক। এই হাঁহি হাঁহি বাগৰিপৰা মনবোৰ, জোনবাইৰ লগত অভিমান কৰিবপৰা মনবোৰ, বৰষুণৰ প্ৰেমতপৰা মনবোৰ, ওঁঠেৰে যাযাবৰী হৈ বাগৰি অহা গানবোৰ, এই বন্ধুৰ সৈতে ঘূৰি ফুৰা সময়বোৰ, হেৰাই নাযাওক। সেউজীয়া হৈ থাকক। কাৰণ, নিজেতো এতিয়া সৰাপাত। বৰষুণৰ সহস্ৰ টোপালেও সেউজীয়া কৰিব নোৱৰা হালধীয়া সৰাপাত।

'আমি লগ কৰাৰ কথা আছিল'

আমি লগ কৰাৰ কথা আছিল,
তোমাক ক'ব লগা বহু কথা আছিল
একেলগে কফিত চুমুক দি কথাবোৰ পতাৰ কথা আছিল
বাহুত কিছু হুমুনিয়াহ থোৱাৰ কথা আছিল
চকুপানীবোৰ জোৰকৈ জমা কৰি থোৱা আছিল
এতিয়া চাগে' নোৱাৰিম,
পানীবোৰৰ শুকান দাগ গালত কেতিয়াবাই পৰিল

কথাবোৰ আৰু কোৱা নহ'ব
হুমুনিয়াহবোৰ আৰু নসৰিব
কফি একাপ চাগে' খাম কেতিয়াবা লগ হৈ,
'ভালনে'ৰ উত্তৰ চাগে' 'উমম' বুলি আহিব,
কথাবোৰ কিন্তু পতা নহ'ব
কেতিয়াও কাৰো লগতেই পতা নহ'ব
কেতিয়াবা আকৌ কোনো এখন উপন্যাসত সোমাব সেইবোৰ কথা,
কোনোবা চৰিত্ৰৰ বাৰ্তালাপত বাগৰিব
কেতিয়াবা তোমাৰ হাতত পৰিলে,
চিনি পাবা কথাবোৰ
মাত্ৰ সুধিবলৈ মই নাথাকিম,
মই, ক'তোৱেই নাথাকিম!
আমি যে লগ পোৱাৰ কথা আছিল,
নালাগে দিয়া,
কেতিয়াবা কোনোবা উপন্যাসতে আমি লগ পাম,
তুমি চাগে' চিনি পাবা মোক,
মই নাথাকিম, মই ক'তোৱেই নাথাকিম!

'জেদী মানুহবোৰ'

এই যে সদায় সৰু সৰু কথাও কৈ অহা কোনোবাই হঠাৎ কাকো একো কথা নোকোৱা হৈ যায়, এই যে জীৱনৰ প্ৰতিটো মুহূৰ্ত ভগাই অহা কোনোবাই হঠাৎ জীৱনটো আনে নেদেখাকৈ বেৰি পেলায়, আপুনি ভবাৰ দৰে সেয়া অভিমান নহয়। সেয়া জেদ, নিজক কাৰো ওচৰত উজাৰি নিদিয়াৰ জেদ, নিজক নিজেই সামৰি ৰখাৰ জেদ, অৱহেলা পাই পাই নিজৰ মাজত পৃথিৱী গঢ়ি লোৱাৰ জেদ। সেয়ে কওঁ, সম্পৰ্ক যিহেতু গঢ়িছেই, বন্ধুত্ব যিহেতু কৰিছেই, অকণমান সময়ো তেওঁৰ বাবে আছুতীয়াকৈ ৰাখক। পাছত কিন্তু জোৰ কৰিও লাভ নাই। মনত ৰাখিব, ভালপোৱাৰে অভিমানহে ভাঙিব পাৰি। জেদ নোৱাৰি, একোৱেই নোৱাৰি। আৰু এই নিজক সামৰি জেদী হোৱা মানুহবোৰক একোৱেই প্ৰয়োজন নাথাকে। না সংগৰ, না অনুভৱৰ।

'ভালপোৱাৰ বিচ্ছেদ'

আমাৰ সকলোৰে জীৱনত এদিন নহয় এদিন সেই ক্ষণটো আহেই, যেতিয়া আমি আমাৰ ভালপোৱাবোৰৰপৰা আঁতৰি যাব লগা হয়। কেতিয়াবা সময়ে আঁতৰাই নিয়ে, কেতিয়াবা আমি নিজেই আঁতৰি আহোঁ নহ'লে কেতিয়াবা ভালপোৱাবোৰ নিজেই আঁতৰি যায়। এই ভালপোৱাবোৰ যিকোনো হ'ব পাৰে, আপুনি ভালপোৱা কিবা অভ্যাস, কিবা ভালপোৱা বস্তু, নাইবা কোনো বন্ধু বা ব্যক্তি। চাবচোন, আগতে জোনৰ লগত কথা পতাজনে হয়তো আজিকালি আনৰ ষ্টেটাছতহে জোনাক দেখা পায়। এসময়ত কবিতাৰ মাজতে দিন কটোৱা কোনোবাই হয়তো আজিকালি আনৰ ফটোৰ কেপশ্যনতহে কবিতা দেখে। এসময়ত বৰষুণ ভালপোৱা কাৰোবাৰ চাগে' বৰষুণৰ পৰশটোও মনত নাই। মাজনিশাৰ নিৰ্জনতা ভালপোৱাজনৰ চাগে' আজিকালি দায়িত্বৰ হেঁচাত প্ৰথম প্ৰহৰতে টোপনি যায়। গানৰ মাজত জীৱন বিচাৰি পোৱা কোনোবাই হয়তো কিমান দিন মোবাইলৰ প্লে' লিষ্টখনেই চোৱা নাই। দাঁতত ভাত এটা লাগিলেও খবৰ পোৱা বন্ধুজনৰ চাগে' বহুদিন মাতটোৱেই শুনা নাই। একেলগে জীৱন কটোৱাৰ সপোন দেখাজনে চাগে' কৰ্তব্যৰ ভৰত অকলে সময় কটায়। আগতে আপোনাৰ সৰু সৰু সিদ্ধান্তবোৰো লৈ দিয়া প্ৰিয়বন্ধুৱে চাগে' এতিয়া আপোনাৰ জীৱনৰ কোনো সিদ্ধান্তৰ কথা গম নাপায়। কথাবোৰ এনেকুৱাই হয়। আমাৰ ওচৰত একোৱেই নাথাকে। আঁতৰি গৈ থাকে। হয়, সময়ে নতুন কিবাৰে পূৰ্ণ কৰি দিয়েহি পুনৰ। কিন্তু কিছুমান বস্তুৰ যে বিকল্প নাথাকে। হাজাৰ ধুনীয়া লাইট লগালেও জোনাকৰ দৰে স্নিগ্ধ হ'ব জানো। কিন্তু উপায় নাই, কেতিয়াবা মনত পৰে। নিজৰপৰা নিজে কিমান আঁতৰি আহিলোঁ সেয়া ভাবি হুমুনিয়াহ সৰে। কিন্তু উভতি যোৱাৰ পথ নাই। জীৱন বস্তুটোৱেই ছিংগল নম্বৰ, প্লুৰেল নহয়। সময়ৰ সোঁতত আহি থকা এই ভালপোৱাবোৰ স্মৃতিৰ পেৰা টনকিয়াল কৰিবৰ বাবেহে, বুকুৰ ভৰ বঢ়াবৰ বাবেহে। জীৱন পাৰ কৰিব কিন্তু অকলেই লাগিব। সিয়েই সত্য। ভাল পাওক, ভালপোৱা জীৱনৰ অংশ। কিন্তু জীৱন মানে হৈছে আপুনিহে। অকলে আপুনি। এতিয়া মানি নল'লেও এদিন আমি সকলোৱে বুজি পাওঁ, পাৰ্থক্য এইটোৱে যে কেতিয়াবা নিজে বুজোঁ কেতিয়াবা সময়ে বুজায়। নিজে বুজি পালে ভাল, অন্যথা সময়ে বুজোৱাৰ বাবদ বৰ কষ্টকৰ মূল্য আদায় কৰি লয়।

এ ডে উইথ চেল্‌ফ

প্ৰতিবাৰেই চাগে' ১৪ ফেব্ৰুৱাৰীৰ দিনটো নিজৰ প্ৰিয়জনৰ সৈতেই কটায় ন! এইবাৰ ভেলেণ্টাইন তেওঁৰ লগত পালন কৰকচোন, যিয়ে আপোনাক নিস্বাৰ্থভাৱে আটাইতকৈ বেছিকৈ ভাল পায়। অৰ্থাৎ নিজৰ সৈতে। আচৰিত হৈছে চাগে', সঁচাই কৈছোঁ। আমাৰ জীৱনত প্ৰথম প্ৰেম যিয়েই নহওক, আমাৰ শেষ প্ৰেম কিন্তু আমি নিজেইহে হওঁ। আজিৰ দিনটো পাৰিলে নিজক দিয়ক। নিজক এপাহ ৰঙা গোলাপ দিয়ক বা নিজৰ প্ৰিয় এটা চকলেট। এবাৰ নিজৰে হাতখনত এটা চুমা খাওক, এবাৰ নিজে নিজক সাবটি লওক। মনত পেলাওক সেইবোৰ দিন, যিদিনা পৃথিৱীৰ অচিনাকি ৰূপত আপুনি নিজৰ ওচৰলৈ দৌৰি আহিছিল। যিদিনা নিজৰ লগত কেৱল আপুনিহে আছিল। পৃথিৱীয়ে ভাঙি থোৱাৰ দিনা যেতিয়া নিজেই নিজক বুজাইছিল আৰু নাকান্দিবি অ'। নিজেই নিজক সামৰিছিল। বিশ্বাস কৰক, আপোনাৰ নিচিনাকৈ আপোনাক আন কোনোৱে ভাল পাই পোৱা নাই, না আগলৈ পাব। মানুহ আহি থাকিব, আপোনাক ভাঙি থাকিব। কিন্তু ভঙা টুকুৰাকো সামৰি আপুনি নিজেইহে নিজক গঢ়িব। আজি নিজেই নিজক প্ৰমিজ কৰক, নিজতকৈ বেছি আন কাৰো নহয় আপুনি। নিজক কেতিয়াও আনৰ বাবে নেহেৰুৱাই আপুনি। অন্ততঃ এদিনৰ বাবে এবাৰ নিজৰ কাষলৈ ঘূৰি আহক না। আপোনাৰ আটাইতকৈ প্ৰিয় গানটো শুনক, আটাইতকৈ প্ৰিয় বস্তুটো খাওক, প্ৰিয় উপন্যাসখন আজি আকৌ এবাৰ পঢ়ক। আকৌ এবাৰ নিজৰ হৈ যাওক। আৰু দিনটোৰ শেষত আইনাখনলৈ চাই এবাৰ কওক, 'হেপ্পী ভেলেণ্টাইন মাই লাভ!'

নিজক ভালপোৱা প্ৰতিজনলৈ প্ৰেমৰ দিৱসৰ শুভেচ্ছা।

'গৌৰী শংকৰ'

যি প্ৰেমত সুকোমল সতীৰপৰা কঠোৰ দুৰ্গা হোৱাৰ শক্তি থাকে, যি প্ৰেমত এটা জনম অপেক্ষা কৰিব পৰাৰ ধৈৰ্য্য থাকে, যি প্ৰেমত সৰ্বস্ব উজাৰিবপৰাকৈ ত্যাগ থাকে, সেই প্ৰেম মহোৎসৱ হৈ পৰে, যাক সমস্ত সংসাৰে উদযাপন কৰে। শিৱৰাত্ৰি তেনে প্ৰেমৰে উদাহৰণ। প্ৰতি বছৰে শিৱৰাত্ৰিয়ে কৈ যায়, প্ৰেমৰ মৃত্যু

নহয়, হোৱা নাই। সপোন প্ৰাপ্তিৰ বাবে প্ৰতিষ্ঠাৰ অহোপুৰুষাৰ্থ কৰা প্ৰতিজন ল'ৰাৰ মাজত মহাদেৱ আছে। প্ৰেমৰ সাহসেৰে সংসাৰৰ সৈতে যুঁজি প্ৰিয়তমৰ বাবে ৰৈ থকা প্ৰতিজনী ছোৱালীৰ মাজত গৌৰী আছে। কোনে কয় প্ৰেম হেৰায়, গৌৰীৰ দৰে ত্যাগ আৰু বিশ্বাস, শংকৰৰ দৰে ধৈৰ্য্য আৰু তপস্যা কৰিতো চোৱা, সময়ে নিজেই সেই প্ৰেমত পূৰ্ণতাৰ ৰং সানিব। সেই প্ৰেমত স্বয়ং শিৱ পাৰ্বতীৰ আশিস থাকিব।

'নিজক জানিবলৈ নিদিব'

নিজৰ ঠুনুকা মনটোক ভালে ৰাখিবলৈ এটা সৰু টিপ দিওঁ ? কোনো মানুহক কেতিয়াও নিজক সম্পূৰ্ণকৈ জানিবলৈ নিদিব। সিমানলৈকেহে জানিবলৈ দিয়ক যিমানৰ প্ৰয়োজন আছে। প্ৰয়োজনৰ বাহিৰত গৈ কাকো নিজক জনোৱাৰ প্ৰয়োজন নাই। সিমানলৈকেহে আহিবলৈ দিয়ক, য'ৰপৰা তেওঁ আপোনাক কেৱল অনুমানহে কৰিব পাৰে, আঘাত নহয়। প্ৰয়োজন নাই, অবাবত শব্দ খৰচ কৰাৰ। যিয়ে বুজিব বিচাৰে, মৌনতাও বুজিব। কিন্তু অকলে আছে বুলিয়েই সকলোৰে বাবে দুৱাৰ খুলি নিদিব। মুখাৰ আঁৰৰ মুখবোৰ ভয়ংকৰ, খুব বেছি ভয়ংকৰ। শুনিবলৈ বেয়া লাগিব পাৰে, কিন্তু নিজক ভালে ৰাখিবলৈ কেতিয়াবা কিছুমান অংক কৰিব লগা হয়। আনৰ পৰা নিজৰ মাজত এটা গেপ ৰখাটো অহংকাৰ নহয়, সুৰক্ষাহে। এক আৱেগিক আত্মৰক্ষা। মনত ৰাখিব, ঢুকি নোপোৱাৰ বাবেহে জোনৰ ইমান আদৰ। মানুহৰ মাজত থকা হ'লে জোনো এলাগী হৈ পৰিলহেঁতেন।

এখন আকাশ লাগে

এই যে ব্যস্ততা, কোলাহল, প্ৰাপ্তি, সাফল্য, উৎসৱ এইবোৰৰপৰা উভতি আহি কাকোৱেই, কাকোৱেই নোপোৱা, এই যে জিৱণিৰ উশাহখিনি লৈ জোৰকৈ আঁকোৱালি ল'বলৈ কোনো নোহোৱা, এই যে ক'বলৈ থকা এসাগৰ কথা এফালৰপৰা কৈ যাবপৰাকৈ কোনোৱেই নথকা, এই যে কুঁচিমুচি সোমাই হুকহুকাই কান্দিবপৰাকৈ কাৰো এখন বুকু নথকা, ইয়াতকৈ ভয়ংকৰ নিসংগতা একো নাথাকে। একোৱেই নাথাকে। যিমানেই নিজক সামৰিলেও, যিমানেই নিজক বুজালেও, যিমানেই শব্দৰে

অনুভৱবোৰ উলিয়ালেও ক'ৰবাত কিবা এটা ৰৈ যায়। সকলো ব্যস্ততা, সকলো কোলাহল, সকলো সফলতাৰ সিপাৰে সেই কিবা এটা ৰৈ যায়। এই কিবা এটাৰ বাবে কাৰোবাক লাগে, সঁচাই লাগে। পৃথিৱীৰ পৰা উভতি আহি জিৰাবলৈ কাৰোবাক লাগে। গছ হৈ সকলোকে ছাঁ দি থাকিলেও গছকো খামুচি ৰ'বলৈ এডোখৰ মাটি লাগে। নিজাকৈ লাগে। জোন হৈ পোহৰ সিঁচিলেও জোনকো এখন আকাশ লাগে। নিজাকৈ লাগে।

অকলে থকা মানুহবোৰৰ বাবে

এতিয়াৰপৰা অকলেই থাকিম...
কান্দিবলৈ মন গ'লে গাৰুটো আছে,
ক'বলৈ মন গ'লে জোনটো আছে,
তাৰ পাছতো বাকী থাকিলে ডায়েৰীৰ পাততে লিখিম,

কিন্তু মই, অকলেই থাকিম...
একেবাৰে নোৱাৰিলে গুচি যাম সুৱৰ্ণ নাইবা চম্পাৰ কাষলৈ,
অৰুণাভৰ বুকুত উমলি থাকিম,
জঙ্কি পানেইৰ লগত ঐনিতম নাচিম,

কিন্তু, অকলেই থাকিম...
লগৰ বাবে গানবোৰ আছে,
প্ৰেমৰ বাবে ফাগুন শৰৎ আছে,
তাৰ পাছতো লাগিলে কানাইকে মাতিম,

কিন্তু মই, অকলেই থাকিম...
সাবটিব খুজিলে গছবোৰ আছে,
আৱৰিব খুজিলে আকাশখন আছে,
উমলিব খুজিলে ফুলবোৰ আছে,
তাৰ পাছতো মন গ'লে ছবিকে আঁকিম,

সৰাফুল

এতিয়াৰপৰা কিন্তু অকলেই থাকিম...
চাওঁচোন, অকলে থাকিলেনো কি হয়,
পৃথিৱীখনতো আৰু অকল মানুহৰ নহয়!

(অকলে থকা মানুহবোৰ অকলশৰীয়া নহয়, গোটেই প্ৰকৃতিয়ে তেওঁলোকৰ সংগী)

'কথাবোৰ নোহোৱা হয়'

সদায় পাতি অহা কথাবোৰ যে লাহে লাহে নোহোৱা হয়, সদায় নিয়মীয়া ফোনটো যে লাহে লাহে অনিয়মীয়া হয়, 'ব্যস্ত আছোঁ মই' এই কথাষাৰ যে বাৰে বাৰে আওৰাই থকা হয়, এই যে এসময়ত আপুনি হোৱাটছএপৰ ডিপিখন সলালেও লগে লগে গম পোৱাজনে এতিয়া আপুনি দুই-তিনি দিন অনলাইন নাহিলেও খবৰ নোপোৱা হয়, সৰু সৰু অভিমানবোৰ যে লাহে লাহে 'বাদ দে' বুলি বুকুতে হেঁচি থোৱা হয়, কিয় হৈছে এনেকুৱা কিয় কৰিছে এনেকুৱা ধৰণৰ প্ৰশ্নবোৰৰ যে উত্তৰ নোহোৱা হয়, আঁতৰি গৈ থকাৰ উমান পাইও যে ধৰি ৰখাৰ শক্তি নোহোৱা হয়, তাতেই জীৱনটোৱে বাগৰ সলায়। তাতেই কাহিনীবোৰ কাৰোবাৰ বাবে শেষ হয়, কাৰোবাৰ বাবে নতুনকৈ আৰম্ভ হয়। সলনি হোৱাজন আগুৱাই গৈ থাকে, একে হৈ থকাজন সময়ৰ আঁচোৰত টুকুৰা-টুকুৰ হৈ পৰে। ৰাতিবোৰ দীঘলীয়া হয়, গাৰুটোৱে উজাগৰী গল্প লিখে, চকুপানীৰ চিয়াহীৰে। জীৱন বৈ থাকে, বৈ থাকে, নৈৰ দৰে। সেয়ে কওঁ, সকলো অনুভৱৰ সকলো সম্পৰ্কৰ সকলো প্ৰিয় বস্তুৰ সিপাৰে নিজৰ ওচৰত নিজৰ বাবে এখন আছুতীয়া ঠাই ৰাখি থ'ব। নিজৰ ওচৰলৈ যিকোনো সময়তে ঘূৰি আহিব পৰাকৈ এডাল সাঁকো সাজি থ'ব। লগ বহুত থাকিব, কিন্তু এটা সময়ত চাবচোন চকুপানী মচাৰ হাতখন নিজৰহে হ'ব, কেৱল নিজৰ।

'আমি সকলো যেন অসুখী'

নাথাকে, আচলতে কোনো মানুহেই সুখত নাথাকে। আপুনি দেখা-শুনা কথাবোৰৰ আঁৰতো এসাগৰ কথা থাকে। এই যে আপুনি হাঁহি থকা দেখিলেই ধাৰণা কৰি লয় সুখী বুলি, হাঁহি এটাই কি সুখৰ সংজ্ঞা নিৰূপণ কৰিব পাৰে? আপুনি নাজানে

আপোনাৰ আগত হাঁহিটো বিৰিঙাই থাকিবলৈকে কিমানবাৰ চকুপানীৰ সৈতে যুঁজি আহিছে তেওঁ। নোৱাৰি, সদায় সকলোকে আৱৰিব নোৱাৰি। এই যে কাৰোবাৰ এক শক্তিশালী ব্যক্তিত্ব দেখিয়েই ভাবি লয় আপুনি তেওঁ সকলো পাৰে বুলি। নোৱাৰে। আপোনাৰ আগত শক্তিশালী হৈ থকাজনে কিমানবাৰ ভাঙি ভাঙি টুকুৰা হৈ নিজক গঢ়িছে আপুনি নাজানে। কাৰোবাৰ কবিতা, গল্প, উপন্যাস পঢ়ি তেওঁৰ অনুৰাগী হোৱাজনেও নাজানে কিমান আঘাতৰ পাছত সৰিছে শব্দ। কিমান যন্ত্ৰণাৰ পাছত লিখিছে কাহিনী। বাস্তৱত কিমান বিচ্ছেদৰ পাছত কল্পনাত আঁকিছে মিলনৰ চিত্ৰ। সকলো শব্দৰ সিপাৰে এবুকু কথা থাকে। যিখিনি নিজৰ সৈতেই কঢ়িয়াই ফুৰিব লাগে সদায়। লিখামেলা কৰা প্ৰতিজন মানুহেও কিছুমান কথা লিখিব নোৱাৰে, সুৰেৰে আনক আৱৰা মানুহেও বুকুত নিজৰ আটাইতকৈ বিৰহৰ সুৰটো অকলেই কঢ়িয়ায়। নোৱাৰি, সকলো দুখ শব্দ, সুৰেৰে উলিয়াব নোৱাৰি। সকলো কথা কৈ দিব নোৱাৰি। বিষবোৰ অভ্যাস হৈ বৈ থাকে, বুকুৰ ভিতৰে ভিতৰে। পৃথিৱীৰ অলক্ষিতে, গোপনে। সকলো মানুহেই বুকুত এখন শ্মশান কঢ়িয়াই ফুৰে। য'ত মাজে মাজে চিতা জ্বলে, কেতিয়াবা আৱেগৰ, কেতিয়াবা অনুভৱৰ, কেতিয়াবা সপোনৰ, কেতিয়াবা সম্পৰ্কৰ। পোহৰত হাঁহি থাকিলেও সেই হীৰুদাৰ কবিতাটো এন্ধাৰত সকলোৰে আওৰে—

“মই মৰি গৈছোঁ ভিতৰে ভিতৰে
এই যে কথা পাতোঁ, গান শুনো
সেয়া অভ্যাস
আচলতে,
মই মৰি গৈছোঁ তিলে তিলে... ...”

‘কিছুমান দুখ ভগাব নোৱাৰি’

আমি সকলোৰে এটা কথা খুব শুনো ন, যে দুখবোৰ ভগাই ল'লে পাতল হৈ পৰে। সঁচা কথা, মনৰ ভাৰবোৰ কথাৰে উলিয়াই দিলে মনটো ফৰকাল হয়। কিন্তু চাবচোন, কেতিয়াবা এই কথাটোৰে কামত নিদিয়ে। কিছুমান দুখ থাকে, যিবোৰ ভগাব নোৱাৰি। কিছুমান কষ্ট থাকে যিবোৰ কমাব নোৱাৰি। কেতিয়াবা শব্দৰো ইমান শক্তি নাথাকে যে সি বুকুৰ ভাৰখন পাতলাব পাৰে। সেই দুখবোৰ বৈ থাকে

বুকুৰ ভিতৰে ভিতৰে, উশাহৰ দৰে। আৰু আমিও সেইবোৰ কঢ়িয়াই ফুৰোঁ। হয়, কষ্ট হয় খুব। এটা বিষ সাঁচি থোৱাৰ দৰে হয়। কিন্তু কিছুমান কষ্টৰ বিষো যে মিঠা হৈ পৰে। কিছুমান কষ্ট অভ্যাসৰ দৰে হৈ যায়, যাক উলিয়াই দি ভিতৰখন খালী কৰি দিবলৈচোন কিবা মন নাযায়। চাবলৈ গ'লে একো কাৰণো নাথাকে। কিন্তু তথাপি ভাল লাগে। হয়তো সেই কষ্টত বিশেষ কাৰোবাৰ স্মৃতি লুকাই থাকে। কষ্টখিনি উলিয়াই দিলেই সেই স্মৃতিখিনিও যেন হেৰাই যাব। তাতকৈ বুকুতে সাঁচি থোৱা যায়। মাজে মাজে নিজেই নিজৰ সমুখতে উলিয়াই লোৱা যায়। সেই বিশেষ কষ্টখিনি কেৱল চকুলোৰ সৈতেহে ভগোৱা যায়। আন কোনেও, কোনেও তাক বুজি নাপায়। সেয়ে কওঁ, নিজৰ কথা আনক নোকোৱা সকলো মানুহ অহংকাৰী নহয়, আনক বিশ্বাস নকৰাও নহয়। তেওঁলোকে নিজৰ মাজতে কঢ়িয়াই ফুৰে এই এনেকুৱাই বহু কষ্টকৰ কাহিনী, যিবোৰ এসময়ত এক সংগী হৈ পৰে। যাক কাৰো সৈতে ভগাই লোৱা নাযায়। সেয়া থাকি যায়, একান্ত নিজৰ বাবে। নিজক ভালে ৰাখিবৰ বাবে।

'মাজে মাজে কান্দিব লাগে'

এটা কথা কওকচোন, আপুনি শেষবাৰ কেতিয়া কান্দিছিল বাৰু? নাই, এই হঠাৎ স্মৃতিৰ বতাহজাকে কোবাওঁতে ওলোৱা চকুপানী টোপালৰ কথা কোৱা নাই। কৈছোঁ, কন্দাৰ কথা। হিয়া উজাৰি কন্দাৰ কথা। মনত হয়তো পৰা নাই ন? নে কষ্টবোৰক অভ্যাস কৰি লৈ কন্দাই বাদ দি দিলে? নকৰিব এনেকুৱা। ভালে থাকিবলৈ মাজে মাজে কান্দিব লাগে। কান্দিবপৰাৰ্লৈকে মানুহবোৰ জী থাকে, সেউজীয়া হৈ থাকে। এবাৰ যদি কান্দিব নোৱৰা হয়, আপুনি আৰু মানুহ হৈ নাথাকে, শিল হৈ পৰে। আনৰ আগত নালাগে, কিন্তু নিজৰ ওচৰত মাজে মাজে কান্দিব। দুখবোৰ নিজেই নিজক শুনাব। বুকুখন পাতল হ'ব। শিল হোৱাৰ আখৰাত চকুৰ পুখুৰীটো শুকাই যাবলৈ নিদিব। হাঁহিবোৰ নিজে নিজেই উভতিব। সময়ে আকৌ সুখেৰে আঁচল ভৰাব, কিন্তু বুকুখন হেঁচি হেঁচি নিজক কষ্ট দি নাথাকিব। আৰু কন্দা মানুহবোৰ দুৰ্বল নহয়। সাহস লাগিব, নিজৰ দুখবোৰৰ নিজেই মোকাবিলা কৰিবলে। সেয়ে কওঁ, মাজে মাজে কান্দিব। আন নহ'লেও বাহিৰৰ পৃথিৱীখনৰ আগত হাঁহিৰ ওৰণিখন নিভাঁজকৈ ল'বলৈকে মাজে মাজে নিজৰ ওচৰত কান্দিব লাগে।

'এজন সংগী'

কেতিয়াবা জীৱনৰপৰা পলাবলৈকে মানুহক এজন সংগী লাগে। জীৱনৰ কঠোৰ বাস্তৱৰপৰা হাতত ধৰি আলফুলে এখন সপোনৰ পৃথিৱীলৈ লৈ যাবলৈকে কাৰোবাক লাগে। বিচাৰিলেই কাষত পোৱাকৈ লাগে। কিন্তু নাহে। তৰালী বায়ে গোৱাৰ দৰে, মাতিলেই অকল জোনাকহে নামি আহে। মানুহ নাহে, কোনো নাহে। হয়তো মইও নাযাম কোনোদিন। সেয়ে জোনাক আপোন, মোৰ নিজৰ বুলি ক'ব-পৰাকৈ আপোন। জোনাক আছে বাবেই চাগে' আজিও একেবাৰে নিসংগ হৈ যোৱাগৈ নাই। নিসংগতাৰ সিপাৰেও জোনাক থাকে, বুকুত সাবটি থাকে। জোনাক মোৰ, মই জোনাকৰ।

'কাৰণবিহীন বেয়া লগা'

এই যে কাৰণ নোহোৱাকৈ কেতিয়াবা আমাৰ মনটো বেয়া হয়। আমাৰ ভাষাত 'উইডাউট ৰিজন মুড অফ'। আমাক ভালপোৱা মানুহবোৰে, প্ৰিয়জনে বা বন্ধুৱে বাৰে বাৰে সোধে, কি হৈছে কোৱা। কিন্তু উত্তৰ নাথাকে। নিজেও নাজানো। আচলতে কি জানে, এই কাৰণবিহীন মন বেয়া লগাবোৰৰ বাবে বেলেগ একো নাই, অলপ কথা পাতিবলৈ লগ লাগে। না না, একো তেনেকুৱা তত্ত্বগধুৰ আলোচনা বা প্ৰেমালাপ নহয়। এনেই যি টি কথা। হীৰুদাৰ ভাললগা কবিতাৰ শাৰীৰ পৰা পূৰ্বপ্ৰেমৰ বিফল অধ্যায়লৈকে, নাইনটিজৰ ছুপাৰহিট গানৰপৰা কেৰিয়াৰটো কি হ'ব ভবালৈকে, আজি ৰাতিলৈ ঘৰত ভাতৰ লগত কি আছেৰপৰা সৰুতে কৰা দুষ্টালিবোৰলৈকে। কোনো সংগতিবিহীন অনৰ্থক কথাবোৰ। কেতিয়াবা এই অৰ্থহীন কথাবোৰো জৰুৰী। নভবাকৈ এটা বিষয়ৰ পৰা আন এটা বিষয়। খুব ছিৰিয়াছ কিবা এটাৰ পৰা একেবাৰে তৰল কথাটোলৈ গুচি যাবপৰাকৈ কথা পতাটো জৰুৰী। চাবলৈ গ'লে অৰ্থহীন যদিও এই কথাবোৰে ক'ৰবাত জী ৰাখে আমাক। আমি যে অকলে নাই, সেই কথা মনটোক বুজায় এই ধৰণৰ বাৰ্তালাপবোৰে। মগজুটোক জোৰ নিদিয়াকৈ পাতি যোৱা এই কথাবোৰেই সেই কাৰণবিহীন বেয়া লগাবোৰ আঁতৰ কৰে। চাবচোন, একো কথা পাতিবলৈ মন যোৱা নাই বুলি কোৱা বেছিভাগ মানুহেই ভিতৰি কথা

পাতিবলৈ লগ বিচাৰি ফুৰে। মাত্ৰ অভাৱ, এজন লগ। প্ৰেম বন্ধুত্ব একোৰে অভাৱ নাথাকিলেও কথা পতাৰ অভাৱ আজিৰ মানুহৰ। এনেয়ে হীৰুদাই কৈছিলনে—

"ৰিং মাৰি কাকোৰেই নোপোৱা, অথচ সকলো ওচৰ... ...!"

'আবেলি'

মনটো বেয়া লাগিলেই মই আবেলিবোৰ চাওঁ, এই যে বেলি আঁতৰি যাওঁতেও ৰঙীন হৈ থাকে আকাশ, এই যে বুকুলৈ এন্ধাৰ নামি আহিব বুলি জানিও ৰঙেৰে মেলা পাতে, সিয়েই মোক হাঁহিবলৈ শিকায়। মোক বাৰে বাৰে বুজায় যে এন্ধাৰ মানেই শেষ নহয়, এন্ধাৰ এক আৰম্ভণিহে। নতুন পোহৰ অহাৰ বাতৰি। অকলশৰীয়া হ'লেই মই নৈৰ পাৰলৈ যাওঁ, অকলে থাকিও নিজৰ বুকুতে উমলি থকা ঢৌবোৰে মোক শিকায়, অকলে থকাৰ পাছতো মোৰ বুকুতে জী আছে সূৰুযৰ ৰঙা আভা। কোনে কয় আমি অকলশৰীয়া!

'কিবা এটা বিশেষ'

ফৰৱাৰ্ডেড মেছেজৰ দিনত ফোন এটা কৰি শুভেচ্ছা জনোৱাজন কিবা এটা বিশেষ। 'ভালে আছোঁ'ৰ দিনত 'ভালে নাই অ' মই' বুলি ক'ব পৰাজন কিবা এটা বিশেষ। ন ন ট্ৰেণ্ডিং গান বা ইডিএমৰ দিনত ঘপকৈ লতাজীৰ গানৰ দুশাৰী গাই পঠোৱাজন কিবা এটা বিশেষ। ৱেব-ছিৰিজৰ দিনত পুৰণি উপন্যাসৰ কথা পতাজন কিবা এটা বিশেষ। ২০২৩তো জানমণি অঞ্জনাৰ বিহু গোৱাজন কিবা এটা বিশেষ। দিনৰ দিনটো পতা কথাতকৈ ৰাতি শোৱাৰ আগৰ সেই পাঁচ দহ মিনিটৰ বাৰ্তালাপখিনি কিবা এটা বিশেষ। এই বিশেষখিনি এনেকৈয়ে থাকক, সময়ে প্ৰদূষিত নকৰাকৈ। আনৰ বাবে হয়তো অ'ল্ড স্কুল, কিন্তু মধুৰ অতীতক বুকুত কঢ়িয়াই ফুৰাজন সঁচাই বিশেষ; কিবা এটা বিশেষ।

'কথাবোৰ এনেকুৱাও হয়'

ঃ তোমাক মইতো যাবলৈ কোৱা নাছিলোঁ, তুমি নিজেই গুচি গৈছিলা।

ঃ আৰু তুমি যাবলৈ দিলা? ৰখাই দিবপৰাকৈ অধিকাৰ জানো তোমাৰ নাছিল?

ঃ ৰখাই দিবলৈ মোৰ ভালপোৱাখিনি যথেষ্ট নাছিল?

ঃ আঁতৰি যাবলৈ মোৰ স্বাভিমানৰ ভৰ তাতকৈও বেছি আছিল।

ঃ এতিয়া কি ভাবিছা?

ঃ একো ভবা নাই। আৱেগৰ দুৱাৰবোৰ বন্ধ কৰিলোঁ, সকলোৰে বাবে। অকলেই আছোঁ, নিজৰ সৈতে।

ঃ ভয় নালাগে কষ্ট লৈ?

ঃ যাৰ হেৰুৱাবলৈ থাকে, তেওঁহে ভয় কৰে। মোৰ হেৰুৱাব লগা একোৱেই নাই। উশাহটোৰ বাহিৰে।

কথাবোৰ কেতিয়াবা এনেকুৱাও হয়। 'মই যাওঁ' বুলি কেতিয়াবা আঁতৰিবলৈ কোৱা নাযায়। কেতিয়াবা এই 'মই যাওঁ'টোৰ আঁৰত, 'ৰ'বাচোন' বুলি শুনাৰ হেঁপাহ থাকে। হেঁপাহ, প্ৰিয়জনৰ চকুত নিজক হেৰুৱাৰ ভয়কণ চোৱাৰ হেঁপাহ, প্ৰিয়জনৰ বুকুত নিজৰ মূল্য অনুভৱ কৰাৰ হেঁপাহ। সেয়ে এই 'যাওঁ' বুলি ক'লে কেতিয়াবা ৰ'বলৈ কৈ চাবচোন। প্ৰাৰ্থনা কৰি বা জোৰ কৰি নিজৰ স্বাভিমান গচকিবলৈ কোৱা নাই, কিন্তু প্ৰেমত কেতিয়াবা ভালপোৱাৰ লগতে কেইটিমান শব্দৰ আশা কৰাওতো ভুল হ'ব নোৱাৰে।

'সকলো বুজা মানুহবোৰ'

কিছুমান মানুহ থাকে, যি সকলো বুজি পায়। সকলোকে বুজি পায়। আনৰ বাবে নিজৰ সৈতে এৰাধৰা কৰি যায়। আপোনাৰ চৌপাশেই মন কৰিবচোন, এনে বহু মানুহ থাকে যাৰ কেতিয়াও ক'তো একো অভিযোগ নাই। এই ধৰক আপুনি তেওঁৰ সৈতে ৰেষ্টুৰেণ্টলৈ গ'ল আৰু তেওঁৰ একেবাৰে অপছন্দ কিবা এটা অৰ্ডাৰ কৰি দিলে। নাই, তেওঁ একো নকয়। এৰাধৰা কৰি যায়। নিজৰ হাজাৰ কাম থাকিলেও কেৱল ভালপোৱা বা বন্ধুত্বৰ খাতিৰতে আপোনাৰ সকলো কথা শুনি যায়। কেতিয়াবা খঙত আপুনি কিবা ক'লেও ওলোটাই উত্তৰ দিয়াৰ সলনি মৌন হৈ ৰয়। আচলতে এই মানুহখিনিয়ে নিজৰ মাজতে এখন পৃথিৱী গঢ়ি লয়। তাত তেওঁলোকে হাঁহে, কান্দে। আপোনাৰ মোৰ পৃথিৱীখনত তেওঁ কেৱল উশাহ ল'বলৈ আহে। সকলোৰে মাজত 'টেকেন ফৰ গ্ৰাণ্টেড' হৈয়ে ৰৈ যায়। 'অমুকহে, একো নাই বাদ দে' বুলি

সকলোৰে তেওঁক উপেক্ষা কৰি যায়। সকলোকে বুজি পোৱা মানুহজনক কোনেও নুবুজাকৈ এৰি যায়।

সেয়ে কওঁ, কেতিয়াবা সেই মানুহজনৰ বাবেও এৰা ধৰা কৰি চাবচোন। কেতিয়াবা তেওঁ ভালপোৱা বেয়া পোৱাবোৰৰ প্ৰতিও সঁহাৰি দিবচোন। কেতিয়াবা তেওঁ নিজেনো কেনে আছে, তাৰো খবৰ ল'বচোন। কাকো নিসংগ হ'বলৈ নিদিয়া মানুহজনৰ নিসংগতাখিনি কেতিয়াবা আঁতৰাই চাবচোন। তেতিয়া বুজিব, আনক বুজি পোৱা আনৰ কথা শুনা মানুহবোৰৰো ক'বলৈ, বুজাবলৈ এসাগৰ কথা থাকে। কিন্তু সেইবোৰ ৰৈ যায়। জোনৰ পোহৰৰ কথাহে পতা হয়, বুকুৰ দাগটো সকলোৰে অলক্ষিতে ৰৈ যায়। সদায় ৰৈ যায়।

'মোৰ বাবে সেয়াই যথেষ্ট'

এই যে তুমি আছা একেখন চহৰতে
এই যে আমি উশাহ লৈছোঁ একেলগে
মোৰ বাবে সেয়াও যথেষ্ট
এই যে একেজাক বতাহ তোমাক চুই মোৰ কাষলৈ আহে,
নাইবা মোক চুই তোমাৰ
সেয়াও যথেষ্ট
এই যে একেখন আকাশে আৱৰে আমাক
এই যে একেটা জোনেই সংগী আমাৰ
এই যে একেটা গানেই সামৰে আমাক,
'অহাৰ দৰেই উভতি আঁতৰি গ'লা...'
বিশ্বাস কৰা, মোৰ বাবে সেয়াও যথেষ্ট
তুমি মোৰ নহয়
না মই তোমাৰ
তথাপি ক'ৰবাত আমি সদায় আমাৰ
গান আকাশ জোনাক নাইবা সেই হীৰুদাৰ কবিতা,
সকলোতে আমি...
নালাগে থাকিব তুমি

যাওঁ বুলিলেই যে গুচি যাব পাৰোঁ স্মৃতিৰ ডেউকা মেলি,
অলপ চকুপানী, অলপ কষ্ট
সঁচাই কৈছোঁ, মোৰ বাবে সেয়াই যথেষ্ট!!

'আমি যুঁজিম আমি হাঁহিম'

"সকলোৰে চাকৰি হৈ আছে, তই কি কৰিছ?"
"পৰীক্ষাবোৰ নিদিয় কিয়?"
"চাকৰি ল'ব নোৱৰাবোৰ looser"

এইকেইদিন এইবোৰ কথাই উফৰি ফুৰিছে সকলোতে। কাণত পৰিছে চাগে' আপোনাৰো। আচলতে সমস্যাবোৰ ক'ত হয় জানে, এবাৰ পাৰ পোৱাৰ পাছত মানুহে পাহৰি যায় নৈখন কিমান গভীৰ আছিল। আৰু নৈত সাঁতুৰি পাৰলৈ আহিবলৈ যুঁজি থকাজনক এইদৰে কেতিয়াবা গালি বা গালি মিহলি উপদেশেৰে আৰু ধৰাশায়ী কৰি পেলায়। কিন্তু আপুনি ধৰাশায়ী নহ'ব। এটা চাকৰি পালেই যিদৰে কোনোবা সাংঘাতিক বিজয়ী হৈ নাযায়, একেদৰে নিজে যুঁজিবলৈ এৰি নিদিয়ালৈকে কোনো পৰাজয়ী নহয়। হয়, কেতিয়াবা ভাগৰ লাগিব পাৰে। থমকি ৰওক, কিন্তু স্তব্ধ কৰি নিদিব। লগতে পাৰ পোৱাসকলক কওঁ, কোনোবাই চাকৰি পাইছে শুভেচ্ছা দিয়ক। তেওঁলোকৰ কষ্টক মূল্য দি অভিনন্দন দিয়ক। কিন্তু নোপোৱাজনক পৰাজয়ী বুলি উপহাস নকৰিব। কাৰণ চাকৰি এটা জীৱিকাহে, চাকৰি মানেই জীৱন নহয়। কেতিয়াও নহয়। আৰু এই যে কোনোবাই চাকৰিৰ বাবে, কোনোবাই ব্যৱসায়ত নিজক প্ৰতিষ্ঠা কৰিবৰ বাবে, কোনোবাই প্ৰতিভাৰে স্বীকৃতি লাভৰ বাবে যুঁজি থকাৰ সময়খিনি, খুব কষ্টকৰ। কাৰোবাৰ সৰু কথা এটাইও বুকু ভেদী যাব পাৰে। সেয়ে নকৰিবচোন এনেকুৱা। পাৰিলে সাহস দিয়ক, উৎসাহ দিয়ক। কোনোবা দুই-এজনৰ বাবে যুঁজি থকা এদল যুঁজাৰুৰ মনটো ভাঙি নিদিব। চাবচোন আমি যুঁজিম, আমিও জিকিম। এদিন আমিও হাঁহিম। কিন্তু সেইদিনা আমাৰ দৰে যুঁজি থকা আন দহজনক নাহাঁহিম।

'জীৱনৰ আলহীবোৰ'

আলহীবোৰ আহি থাকে জীৱনলৈ। প্ৰথমে অচিনাকি, লাহে লাহে পৰিচয়। লাহে লাহে কথা, ভাল লগা সময়। 'মই থাকিম শেষলৈকে' বুলি আওৰাই সলনি

নোহোৱাৰ এশ এবুৰি প্ৰতিশ্ৰুতি। সন্দেহ কৰি কৰিও হাৰি যোৱা যায় অনুভৱৰ ওচৰত। উজাৰি দিয়া যায় নিজক। হয়তো এওঁ বিশেষ। অকলে আছোঁ বুলি আৱেগৰ দুৱাৰ বন্ধ কৰা প্ৰতিজন মানুহেই বিচাৰে, দুৱাৰৰ সিপাৰে কোনোবা আহি ৰওক। সেয়ে দুৱাৰ আকৌ খোলা যায়। লাহে লাহে অভ্যাস হৈ পৰে। অচিনাকিৰ পৰা চিনাকি, চিনাকিৰ পৰা কেতিয়াবা ভাল লগা কেতিয়াবা প্ৰেম কেতিয়াবা প্ৰিয়বন্ধু। মানি লোৱা যায় সকলো অধিকাৰ। তাৰ পাছত??? আলহীৰ আমনি লাগে, আলহী যাবলৈ ওলায়। আঁতৰি যায় 'সদায় আছোঁ' বোলা মায়াময় শব্দৰ জাল। কেতিয়াবা প্ৰাৰ্থনা কেতিয়াবা নীৰৱ কান্দোনৰ আস্ফালন। নুশুনে, কোনেও নুশুনে। সেই উজাগৰী নিশাৰ গাৰুটোৰ বাহিৰে। গুচি যায় আলহী। অভ্যাসে দিয়া বুকুভঙা কষ্টক সাবটি নিজকে খুচৰি থকা যায়, ভুল ক'ত আছিল? ভুল সলনি নোহোৱাৰ? ভুল নিজক উজাৰি দিয়াৰ? ভুল বিশ্বাসৰ নে অনুভৱৰ? ক'ত ভুল! উত্তৰ নাহে। আলহী নতুন জীৱনত ব্যস্ত। আৰু আমি, ভঙা টুকুৰা নতুনকৈ গঢ়াত। নিদিব, এই আলহীবোৰ আহিবলৈ নিদিব। জীৱনহে, ইটা বালিৰ ঘৰতো নহয় যে দুদিন থাকি গুচি যাব। অকলেই ভাল, না আঘাতৰ ভয়। না কিবা প্ৰত্যাশাৰ হাবিয়াস। কথাবোৰ সেই হীৰুদাই কোৱাৰ দৰে—

"গছবোৰে সামৰি থ'লে সিহঁতৰ গাৰ ছাঁ
বিৰ দি গুচি গ'ল দিন,
মোৰ চোতাল গৰকি থাকিল এন্ধাৰ, দুখৰ দৰে
অস্পষ্ট অনুত্তেজ ম্লান উদ্যমহীন।"

'নিজক মজবুত কৰাৰ উপায়'

জীৱনত নিজক মজবুত কৰি তোলাৰ এটা বিশেষ উপায় কি জানেনে, এৰি দিব জানিব লাগে। যিকোনো বিষয়, বস্তু, মানুহ বা সম্পৰ্ক যিয়ে আপোনাক মানসিক অশান্তি দিছে, তাক তাতেই এৰি দিব পাৰিব লাগে। কাৰণ জীৱনত এটা সময় এনেকুৱা আহে যেতিয়া একো অনুভৱ যেনে প্ৰেম ভালপোৱা বন্ধুত্ব এইবোৰতকৈও আটাইতকৈ প্ৰয়োজনীয় বস্তুটো হৈ পৰে মানসিক শান্তি। সেই যে আমি কওঁ, কমফোৰ্টনেচ। য'ত এই কমফোৰ্টনেচ নাথাকে, তাত আপুনি যিমানেই এৰা-ধৰা নকৰক কিয় একো কামত নিদিয়ে। শেষত গৈ চকুপানী আৰু গিলি পেলাব ধৰা হতাশা। প্ৰেম তেতিয়ালৈকেহে প্ৰেম হৈ থাকে যেতিয়ালৈকে তাত মানসিক শান্তি থাকে। বন্ধুত্ব তেতিয়ালৈকে হে বন্ধুত্ব হৈ থাকে যেতিয়ালৈকে কমফোৰ্টনেচ থাকে। আমি সম্পৰ্কৰ

দোহাই দি দি এৰাধৰা কৰি কৰি গৈ থাকোঁ, চকুপানীক আঁকোৱালি বাহিৰে হাঁহি থাকোঁ। সমুখৰজনে নিজৰ মতে চলি যায় আৰু আমি, সম্পৰ্কৰ ৰছী টানি ধৰি কাঁইটে বিন্ধা হাত চাই ৰৈ যাওঁ। সেয়ে কওঁ, এৰি দিবলৈ শিকক। কিবা কথা বা অনুভৱে যদি অশান্তি দিছে, সেই মুহূৰ্ততে এৰি আগ বাঢ়িবলৈ শিকক। কোনোবা নহ'লে মই নোৱাৰিম, এই ধৰণৰ মানসিকতা এৰি পেলাওক।আপুনি পাৰে, পাৰিব। পাৰিব লাগিব। মাত্ৰ নিজক বিশ্বাস কৰক। কি হ'ব, খুব বেছি কান্দিব? কান্দক। ভাঙি পৰিব? পৰক। কাৰোবাৰ লগত থাকি সদায় কন্দাতকৈ এবাৰেই কান্দক, এবাৰেই ভাঙক। তাৰ পাছত আগ বাঢ়ক। নিজক নিজে পূৰ্ণ কৰক। আৱেগবোৰ বুকুত ৰাখক। মাত্ৰ সেই আৱেগক ইমানো বেছি সুলভ কৰি নিদিব, যাতে আনে সেই আৱেগেৰে পুতলা সাজি খেলিবলৈ লয়।

'জীৱনৰ অনুৰাগ'

এই যে কোনোবাই হঠাৎ কয়, জোনটো চোৱাচোন। এই যে কোনোবাই হঠাৎ কয়, গান এটা পঠাওঁ শুনাচোন। এই যে কোনোবাই কিবা ভিডিঅ' এটাত মেনশ্যন কৰি কয়, এইটো চোৱাচোন। কিবা এটা মোহ জাগে এই মানুহখিনিলৈ। মোৰ মনটো ভাল লগাই মোৰ মুখত হাঁহি এটা বিৰিঙাই তেওঁলোকেও যেন কিবা এটা ভাল পায়। ব্যস্ত পৃথিৱী ব্যস্ত সময়, কোনো ক'তো কাৰো বাবে নৰয়। তাৰ মাজতো একেবাৰে তাকৰকৈ হ'লেও এই যে এখিনি মানুহ থাকে, যিয়ে হোৱাটছএপত কিবা এটা দুখৰ ষ্টেটাছ দেখি 'মোলৈ পঠোৱা না' বুলি কোৱাতকৈ 'ঠিকে আছানে' বুলি সোধে। তাতেই জীৱনটোলৈ নতুনকৈ অনুৰাগ জন্মে। জীৱনত সকলো হেৰুৱালেও এই মানুহখিনিক কেতিয়াও নেহেৰুৱাব। ৰং সলোৱা পৃথিৱীত এওঁলোকেহে ভালপোৱাৰ ৰং সিঁচিব।

'কথাবোৰ নকওঁ'

আজিকালি কথাবোৰ নোকোৱা হ'লোঁ। আজিকালি অনুভৱবোৰ ভগাবলৈ এৰি দিলোঁ। সকলোৰে কথা শুনি থকা, বুজি থকা মানুহবোৰৰো কিছু কথা থাকে। কিন্তু আজিকালি নকওঁ। কাকোৱেই নকওঁ। হয়তো কেতিয়াবা ক'ম। কোনোবা কাহিনীত, কেতিয়াবা কিবা গল্পত কিবা উপন্যাসত কোনোবা চৰিত্ৰ হৈ ক'ম।বাকীবোৰ

থাকক। মোৰ লগতেই থাকক। আচলতে এনেকৈ কথাবোৰ হেঁচি থোৱাটোতো এটা মাদকতা আছে। এই কথাবোৰ আন কোনেও যে নাজানিব, মোৰ লগতেই এদিন গুচি যাব। এইখন পৃথিৱীয়ে একো উমান নাপাব মোৰ বুকুখনৰ, ইয়াতো এটা আমেজ আছে। সঁচাই, কিছুমান কথা লুকুৱাই ৰখাতো এটা নিচা আছে। এই কথাবোৰে অকলশৰীয়া হ'বলৈ নিদিয়ে। কথাবোৰে নিজে নিজেই ঘৰ সাজে, কাহিনী সাজে। নিজতেই নিজৰ কাহিনী সাজি উমলি থাকে। কাহিনীবোৰ কোৱা নাযায়, কোৱা নাযায়। সেই যে হীৰুদাই লিখিছিল—

'প্ৰেমৰ কথাতো আৰু আনক ক'ব নোৱাৰি...'

এৰা, কথাবোৰ তেনেকুৱাই।

কোৱা নাযায়, কোৱা নাযায়।

'ভুল ব্যক্তিৰ সৈতে প্ৰেম'

ভুল ব্যক্তিৰ সৈতে প্ৰেম হোৱাৰ দৰে শাস্তি জীৱনৰ বাবে আন একোৱেই নাই। সঁচা অনুভৱ যেতিয়া এজন ভুল মানুহলৈ আহে, গোটেই জীৱনটোৱেই এক অভিশাপ হৈ পৰে। না আপুনি মানুহজনক আদৰিব পাৰে না সেই অনুভৱবোৰ পাহৰিব পাৰে।

ভুল ভালপোৱাৰ নাই, ভুল আপোনাৰো নাই, কিন্তু কষ্টখিনিতো আপুনিয়েই পায় ন!

ঘৃণা এনেকৈয়ে আহে, কেতিয়াবা প্ৰেমলৈ কেতিয়াবা নিজলৈ!!

'সদায় একে হৈ নাথাকে'

কথাবোৰ সদায় একে হৈ নাথাকে। কেতিয়াবা হঠাৎ পুৰণি চিনাকি কাৰোবাৰ বিয়াৰ খবৰ পাওঁ, নতুন সংসাৰৰ ফটোবোৰ পাওঁ। তেতিয়া মনত পৰে এসময়ত তেওঁৰ কাষত থকা আন এজনৰ কথা। সেই সময়ত তেওঁলোক দুজনক দেখি মই নিজেও চাগে কোনোবা সময়ত ভাবিছিলোঁ, প্ৰেম হ'লে এনেকুৱা হ'ব লাগে। বুকুখন গধুৰ হয়। কিয়নো এনে হ'ল বুলি প্ৰশ্ন হয়। কিন্তু নহয়, সকলো কাহিনী পূৰ্ণ নহয়। ওহোঁ, দোষ কাৰোৰে নাই। আচলতে সময়ৰ কলম আমাতকৈ অধিক শক্তিশালী।

কথাবোৰ হঠাতে সলনি হয়, বেলেগ হয়। কিছুদিনৰ কষ্ট বা আঘাত, কিন্তু জীৱন গৈ থাকে। নোৰোৱাকৈ গৈ থাকে। এনে নহয় যে তেওঁলোক অসুখী। সুখী, দুচকুত প্ৰাপ্তিৰ হাঁহি। এসময়ৰ এছোৱা কাহিনীৰ কথন তাত নাথাকে। আচলতে কথাবোৰ এনেকুৱাই। কোনো বৈ নাযায়। কোনোবা নহ'লে কোনো হেৰাই নাযায়। আজি মোৰ বাবে অপৰিহাৰ্য্য বুলি ভবা কোনোবা কাইলৈ মাথোঁ এটা অসংলগ্ন কাহিনী হৈ পৰি থাকিব কোনোবা এচুকত। আমি পাৰফেক্ট বুলি ভাবি থকা কিবা এটা কাইলৈ একেবাৰে অৰ্থহীন হৈও পৰিব পাৰে। আমি উশাহ কৰি লোৱা অভ্যাসবোৰ এসময়ত হুমুনিয়াহৰ মাজত সৰি পৰে। কিন্তু জীৱন, নৰয়। উভতি চাব পাৰি, কিন্তু উভতি যাব নোৱাৰি। কেতিয়াবা বৈ চাব পাৰি, কিন্তু বৈ দিব নোৱাৰি। জীৱন গৈ থাকে, গৈ থাকে।

'তোমাৰ কথা ভাবিলে আকাশত নিৰলে এটি তৰাফুল ফুলে' (হীৰুদা)

কাকো নোকোৱাকৈ কাৰোবাক বুকুত কঢ়িয়াই ফুৰাৰ নিচিনা মনোৰম অনুভৱ চাগে' আৰু একোৱেই নাই। কোনেও যে গম নাপায় আনকি সেই বিশেষজনেও নাজানে তেওঁৰ এটি হাঁহিতে যে আপোনাৰ বুকুত কৃষ্ণচূড়া ফুলে। তেওঁক দেখিলেই যে আপোনাৰ গোটেই দিনটোৱেই ফাগুন হৈ পৰে। ক'ৰবাত কেনেবাকৈ তেওঁৰ নামটো শুনিলেও পৃথিৱীৰ সমস্ত লাজ আহি মুখত ভিৰ কৰে। আৰু, আৰু যে কেতিয়াবা তেওঁৰ চকুত চকু পৰে, মাত্ৰ এটি পল বা অনুপল, কিন্তু কেইবাদিনলৈয়ে যেন মুখত হাঁহিফুল এপাহ ফুলি থাকে। তেওঁৰ মুখত নিজৰ নামটো শুনিলে বুকুৰ মাজত ক'ৰ পৰা জানো ঢেঁকী এটাই ধান বানে। সঁচাই, কাকো নোকোৱাকৈ ভালপোৱাৰো এক বেলেগ নিচা আছে। তেওঁৰ ফটোবোৰ চোৱা, তেওঁৰ মেছেজবোৰ বাৰে বাৰে পঢ়া, তেওঁ কেনেকৈ খোজ কাঢ়ে কেনেকৈ কথা পাতে, সকলো। নালাগে, তেওঁ মোৰ হ'ব নালাগে। তেওঁৰ স্বীকৃতিও নালাগে। কিন্তু, অকলশৰীয়া সময়তো যে তেওঁ নামৰ অনুভৱ এটাই মোক আৱৰি ৰাখে, কোনোবা প্ৰেমৰ গান শুনিলে যে তেওঁৰ মুখখন ভাহি আহে, সঁচাই কৈছোঁ, কিবা এটা বিশেষ ভাল লাগে। কথাবোৰ সেই হীৰুদাই কোৱাৰ দৰে—

"তোমাৰ কথা ভাবিলে আকাশত নিৰলে
এটি তৰাফুল ফুলে...
তোমাৰ কথা ভাবিলে অকলে অকলে
তৰাই তৰাই কথা পাতে..."

'সলনি নিজেই হোৱা নাযায়'

এটা কথা কি জানে, এই যে আমি কওঁ মানুহ সলনি হ'ল। আচলতে সলনি নিজেই হোৱা নাযায়, সলনি কৰি পেলায়। কেতিয়াবা সময়ে আৰু কেতিয়াবা খুব আপোন কোনোবাই। সলনি হোৱাও সহজ নহয়, আপুনিতো নাজানে কিমান কষ্ট কিমান যন্ত্রণাই তেওঁক সলনি কৰিছে। সলনি হোৱা প্ৰতিজন মানুহে নিজৰ লগতেই কতবাৰ যে যুঁজিব লাগে। বাৰে বাৰে নিজক একেই ৰাখিবলৈ চেষ্টা কৰে। কিন্তু এটাৰ পাছত আনটো আঘাতে সলনি কৰি পেলায়। কেতিয়াবা নিজক চায়েই ভাবোঁ, এই যে আজিকালি কোনোবাই কিছু সময় ভালকৈ কথা পাতিলেই মনত সন্দেহ এটাই উকমুকাই উঠে, এই যে কোনোবাই মৰমেৰে কিবা শাসন কৰিব ল'লেই, মোক লৈ চিন্তিত হ'লেই মনটো সাংঘাতিক বিদ্রোহী হৈ উঠে, এই যে বাৰে বাৰে কি হৈছে সোধাৰ পাছতো নিজক উজাৰি নিদিয়াৰ জেদ বাঢ়ি আহে, এই যে কোনোবাই হাত এখন আগ বঢ়াই দিলেই মনটোৱে তাত স্বাৰ্থপৰতাৰ ভাব দেখে, কিয় হয় এনে! গোলাপক বাদ দি কাঁইটক চোৱা, এনেতো মই নাছিলোঁ কোনোকালে। কোনোবাই হাঁহিলেই বন্ধু হোৱা, মাতিলেই পমি যোৱা, কথা পাতিলেই বিশ্বাস কৰি পেলোৱা মনটোৱে ইমান বেছি জটিলতা ক'ত শিকিলে নিজেই গম নাপালোঁ চোন। মানুহৰ অভিযোগ শুনো, সলনি হোৱাৰ। কিন্তু আজিকালি হাঁহি উঠে, একেদৰে থাকোঁতে আঘাত কৰা অৱহেলা কৰা মানুহেও যেতিয়া সলনি হোৱাৰ অভিযোগ দিয়ে খুব হাঁহি উঠে। আকৌ কৈছোঁ, আপুনি মানক বা নামানক নিজক সলনি কৰা প্ৰতিজন মানুহে এখন যন্ত্রণাৰ সাগৰ সাঁতুৰি আহে। যাৰ গভীৰতা এই অভিযোগ দিয়া মানুহবোৰে অনুভৱ কৰিব নোৱাৰে, কেতিয়াও নোৱাৰে।

'সকলো কষ্ট মোৰ লগতে কিয় হয়'

'সকলো কষ্ট সকলো দুখ মোৰ লগতে কিয় হয়'—এই প্ৰশ্নটো এবাৰ হ'লেও চাগে' জীৱনত কৰিছে ন? বহুতৰ মুখতে শুনো, অকল এন্ধাৰেই কিয় পাওঁ জীৱনত। কিন্তু আচল কথাটো কি জানে, কেতিয়াবা এন্ধাৰবোৰো লাগে। পাছফালে এন্ধাৰ আছে বাবেহে জোন ইমান উজ্জ্বল। যদি পোহৰ হৈ থাকিলহেঁতেন, জোনৰ দেখোন

অস্তিত্বই নাথাকিলহেঁতেন। দিনৰ ভাগত জোন দেখোঁ জানো! কেতিয়াবা উজ্জ্বল হ'বলৈ এন্ধাৰৰ মাজত থকাটো জৰুৰী। এন্ধাৰে আৰৰি থকাটোও জৰুৰী। গছ হৈ গজিবলৈও প্ৰথমে মাটিৰ অন্ধকাৰৰ মাজত পোত যাব লাগে। দুখ-কষ্ট-যন্ত্ৰণা এইবোৰো একেই। জীৱনে কেতিয়াবা আমাক ওখ গছ কৰিবলৈ বা জোন হৈ জিলিকাবলৈকে এন্ধাৰৰ মাজত ৰাখে। যন্ত্ৰণাবোৰে ঘেৰি ধৰে। কিন্তু যি উজ্জ্বলতা যন্ত্ৰণাৰ মাজেৰে আহে সেয়া আন ক'তো নাই। কষ্টৰ শেষত মৰা হাঁহিটোৰ নিচিনা সৌন্দৰ্য্য একোৱেই নাই। সেয়ে কওঁ, সময়বোৰক বিশ্বাস কৰকচোন। সময়ে সময়ত সকলো দিয়ে। প্ৰয়োজন মাত্ৰ অলপ ধৈৰ্য্য আৰু অলপ আত্মবিশ্বাসৰ। আমাৰ সকলোৰে ভাল হ'ব। মাত্ৰ তেতিয়ালৈকে আমি আমাক ভালে ৰাখিবতো লাগিব ন!

'সদায় ৰৈ যাব নোৱাৰি'

কেতিয়াবা কাৰোবাক ভাল পাবলৈ নিজক প্ৰাৰ্থনা কৰিব লগা হৈছেনে? হাজাৰ অৱহেলা আৰু অৱজ্ঞা পোৱাৰ পাছতো যেন মৰম কমি নাযাওক তাৰ বাবে নিজক বুজাই পাইছেনে? কাৰোবাৰ প্ৰতি নিজৰ ভালপোৱা কমি নাযাবলৈ নিজৰ ওচৰত সৰু হৈ পাইছেনে?

কিন্তু নোৱাৰি। সদায় কেৱল ভালপোৱাৰ খাতিৰত ৰৈ যাব নোৱাৰি। কেৱল একপক্ষীয় প্ৰেমৰ খাতিৰত নিজক শেষ কৰি যাব নোৱাৰি। মোৰ ভালপোৱাৰ বাবে মোক ভালপোৱাজনক সদায় উপেক্ষা কৰিব নোৱাৰি। সদায় ৰৈ যাব নোৱাৰি। সময় গৈ থাকে। কিছুমান কাহিনী শেষ হয়, একেবাৰে শেষ।

'গোলাপৰ দৰে মানুহবোৰ'

এটা কথা মন কৰিবচোন, জীৱনটোত যিমানেই আগ বাঢ়ি যাব প্ৰতিটো স্তৰতে আপোনাৰ লগ বা সংগ বেলেগ হৈ গৈ থাকে। প্ৰমাণ চাব মন গ'লে ফেচবুকতে পুৰণা ফটোৰ তলৰ কমেণ্টবোৰ চাবচোন। দুই-তিনি বছৰ আগতে আপোনাৰ প্ৰতিখন ফটোত কমেণ্ট দিয়া মানুহবোৰৰ বেছি ভাগৰ সৈতে চাগে' আপোনাৰ এতিয়া কথাই পতা নহয়। মানুহবোৰ হেৰাই থাকে এনেকৈ। চকুৰ আগত থাকিও হেৰাই থাকে। আচৰিত লাগে, আগতে চিঠিৰ যুগতো মানুহবোৰ আছিল। এতিয়া আঙুলিৰ টিপত কথা পাতিবপৰা দিনতো মানুহবোৰ হেৰাই থাকে।

কিন্তু তাৰ পাছতো কিছুমান মানুহ থাকে। জোখৰ হিচাপত হাতৰ আঙুলিৰে জুখিলে চাগে' আঙুলিও বাকী থাকি যাব, ইমান তাকৰ। কিন্তু থাকে। সেই তিনি-চাৰিজন মানুহ প্ৰতিটো স্তৰতে থাকে। সদায় কথা পাতি নাথাকিলেও সেই মানুহকেইজনে আপোনাক কেতিয়াও 'কি খবৰ' বুলি সুধিব লগা নহয়। তেওঁলোকে সকলো জানে। 'সদায় থাকিম' বুলি কথা নিদিলেও তেওঁলোক থাকে। সেইকেইজনক কাষত ৰাখক সদায়। আৱৰি ৰাখক সদায়। অ', নতুন কোনোবা আহিব যাব। আমি তেওঁলোককো আদৰিব লাগিব। কিন্তু সেই সদায় থকাকেইজনক এৰি নিদিব। কাৰণ শেৱালি শৰততহে আহে, কাঞ্চন ফাগুনতহে ফুলে। কিন্তু গোলাপ, প্ৰতি ঋতুতেই আপোনাৰ বাগিচা শুৱাই থাকে। এই মানুহখিনি গোলাপৰ দৰে। বাৰিষা, গ্ৰীষ্ম বা শীত, কেতিয়াও নেৰে আপোনাক। সেয়ে কৈছোঁ, শৰতৰ শেৱালি, ফাগুনৰ কাঞ্চন ভাল লাগে সঁচা। কিন্তু গোলাপৰ দৰে সদায় লগত থকা কেইজনক অৱহেলা নকৰিব। নহ'লে শৰৎ বা ফাগুন গ'লেই আপোনাৰ মন বাগিচা উকা হৈ পৰিব। গোলাপেহে প্ৰতি ঋতুতেই সজাব।

+++ +++ +++

'কাঞ্চনৰ কথকতা ঃ নিৰিবিলিৰ শেষত'

কাহিনীবোৰ শেষ নহয়। শেষ বুলি ভাবিলেও শেষ যেন লাগিলেও শেষটোৱে কঢ়িয়াই আনে এক নতুন আৰম্ভণি। কথাবোৰ হৈ থাকে, সময়বোৰ গৈ থাকে। ভৰি থাকে অনুভৱৰ সেউজীয়া কৰণি।

সন্ধ্যা আৰু অনুৰণৰ কাহিনীটোও তেনেকুৱাই। সেই যে জ্যোতি তোৰণৰ তলতে সাবটি ধৰিছিল অনুৰণে সন্ধ্যাক। সেয়া মাত্ৰ আৰম্ভণি। পাঁচ বছৰে বুকুত হেঁচি থোৱা অনুৰণৰ ভালপোৱাৰ কাহিনী সিমানতে শেষ কৰিবলৈ সময়ো চাগে ইমান নিষ্ঠুৰ নহয়।

ভালপোৱাবোৰ জী আছে, অনুৰণ সন্ধ্যা আগ বাঢ়িছিল জীৱনৰ নতুন ছন্দত। আঁতৰি আঁতৰি সিহঁতে সংগ্ৰাম কৰে জীৱনৰ নতুন খণ্ডত। সংগ্ৰাম প্ৰতিষ্ঠাৰ, সংগ্ৰাম মিলনৰ, সংগ্ৰাম সপোন পূৰণৰ।

মাজতে এদিন সন্ধ্যা তেজপুৰ বিশ্ববিদ্যালয়লৈ গৈছিল। কেইদিনমান আছিল। ভালেখিনি সলনি হোৱা চৌহদটোত ক'ৰবাত সিহঁতৰ হাঁহিবোৰ হেৰুৱাইছিল যদিও বিচাৰি পাইছিল স্মৃতিৰ সৰাপাত। কাঞ্চনে কাকো নাপাহৰে। সকলোৰে মৰম কঢ়িয়াই থাকে সংগোপনে। উভতি অহাৰ পাছতেই অনুৰণৰ ফোন ঃ

ঃ আজি ইউনিভাৰ্ছিটিলৈ গ'লা?

ঃ উম।

ঃ চব একেই আছেনে?

ঃ উম।

ঃ কৃষ্ণচূড়াবোৰ?

ঃ আছে দুই-এপাহ।

ঃ আৰু কাঞ্চন?

ঃ নাই, লঠঙা।

ঃ নিৰিবিলি?

ঃ একেই, শান্ত।

ঃ সেউজীয়াবোৰ?

ঃ জীপাল হৈ আছে, বৰষুণ আহিছিল চাগে'।

ঃ তুমি কান্দিছা ন?

ঃ নাই, এতিয়া আৰু কি বিচাৰি কান্দিম!

ঃ প্ৰাপ্তি নহ'লে স্বীকৃতি।

ঃ প্ৰাপ্তি তেতিয়াও নাছিল, এতিয়াও নাই। তেও তোমাক ভাল পাই যাম।

ঃ মোলৈ মনত পৰিছিল?

ঃ ওহোঁ, নাই পৰা।

ঃ সঁচানে?

ঃ তুমি তাতেই আছিলা, ইউনিভাৰ্ছিটিৰ বতাহজাকৰ মাজত।

ঃ আমি এনেকৈয়ে থাকিম, কোনেও নজনাকে কোনেও নুবুজাকে।

অনুৰণৰ অবিহনে TU সন্ধ্যাৰ বাবে যেন আধৰুৱা, সেই দুদিনেই তাইৰ দুবছৰ যেন লাগিল। ক'ত নাই অনুৰণ। এচেনচিয়েল, এমিনিটি আৰু গোবিন। অ', সেই যে দাজুৰ দোকানখন। অনুৰণে সুধিছিল—

ঃ আজিকালি সন্ধিয়া গোবিনলৈ গৈছিলা?

ঃ উমম, এদিন।

ঃ সেই আগৰ টেবুলখনতে বহানে?

ঃ উম, লাইটটো অফ কৰি লওঁ মাত্ৰ, ভাল নালাগে পোহৰত।

ঃ হুম, দাজু ভালে আছেনে?

ঃ উম আছে, তোমাৰ খবৰ লৈছে।

ঃ এৰা, আগতে যে আমি সদায় সন্ধিয়া যাওঁ।

ঃ আৰু তুমি সদায় সেই চিকেন ফ্ৰাইড ৰাইছ।

ঃ আৰু তুমি চিকেন মেগী।

ঃ লগত দুকাপ লাল চাহ, পাহৰিলা?

ঃ হাঃ হাঃ, কেতিয়াবা মই নগ'লে যে দাজুৱে তোমাক সোধে, 'আজি অকলে যে'!

ঃ উম, মোৰ বৰ দুখ লাগে তেতিয়া।

ঃ এতিয়া নালাগে?

ঃ এতিয়া দুখনো আৰু কি, বেছি সময় থাকিলে এন্ধাৰতো অভ্যাস হৈ যায়।

TU এৰাৰ পাছতো এৰিব নোৱাৰি ইয়াৰ মায়া। TUয়ে যেন ৰাখি থয় সকলোৰে বুকুৰ এটুকুৰা। আধৰুৱা বুকুখন লৈ উভতি যায় প্ৰতিজন তেজীয়ান। প্ৰতিটো ফাগুন প্ৰতিটো ব'হাগে সোঁৱৰায় TUৰ কথা। অনুৰণেও খবৰ লয় প্ৰতিজোপা গছৰ। প্ৰতিপাহ ফুলৰ।

ঃ শুনাচোন।

ঃ অ', কোৱা।

ঃ কৃষ্ণচূড়াবোৰ চাগে' ফুলিছে ন?

ঃ তেতিয়াই ফুলিলেচোন, আমি থাকোঁতেই।

ঃ নাই, তেতিয়া সেই দুই-এপাহ।

ঃ এতিয়া চাগে' ভৰি আছে।

ঃ তলখিনি যে ৰাঙলী হৈ থাকে।

ঃ তুমি যে খোজ কাঢ়ি গ'লেই বুটলি লোৱা।

ঃ আৰু তুমি পাতবোৰ ছিঙি ছিঙি মোলৈ মাৰা।

ঃ তোমাৰ চুলিত যে লাগি ধৰে, চাই ভাল লাগে।

ঃ আৰু তুমি যে হাঁহি হাঁহি গুচাই দিয়া।

ঃ মনত পৰিছে?

ঃ ফুলবোৰ সদায় ফুলি থকা হ'লে, কেতিয়াও মৰহি নোযোৱা হ'লে!

ঃ সুবাসবোৰ থাকিবতো সদায়।

ঃ কৃষ্ণচূড়াৰ যে সুবাস নাই, আছে যদি এবুকু ৰঙা তাকো বাৰেপতি বতাহে সৰায়।

পাটকাই মেন্স হোষ্টেল। পাহৰিব পাৰি জানো পাটকাইক? পাহৰিব পাৰি জানো পাটকাইৰ কাহিনীক? হাঁহি কান্দোন, চিঞৰ উৎপাত, কত কি কথকতা পাটকাইৰ। সময়ৰ গতিত নতুন হ'ব লৈছে পাটকাইও। সন্ধ্যাই এবাৰ গৈ চাইছিল হোষ্টেলখন। গধুৰ বুকুৰে উভতি আহিছিল তাই। ৰাতি ফোনত কৈছিল অনুৰণক—

ঃ পাটকাইত নতুনকৈ ৰং কৰিছে।

ঃ হয় নেকি!

ঃ তুমি যে ওপৰৰ ছাদখন বহুত ভাল পাইছিলা!

ঃ এতিয়া খোলা আছে জানো?

ঃ নাই, বন্ধ। যাবলৈ নিদিয়ে।

ঃ যাবলৈ নিদিলেও ভালপোৱা নকমে পাটকাইৰ ছাদৰ!

ঃ হম, তুমি যে তাৰ পৰা ৰাতি তৰা চোৱা আগতে।

ঃ উম, একে শাৰীতে থকা তৰা তিনিটা যে তুমি খুব ভাল পোৱা।

ঃ অ' অ', মই যে কওঁ, সেয়া তুমি মই আৰু...!

ঃ আজিকালি চোৱা নহয় ইমান।

ঃ কিয়, পাটকাইত নাই কাৰণে?

ঃ নহয়, ৰাতিবোৰ ডাৱৰীয়া হৈ থাকে চোন। তৰাবোৰ নেদেখি।

ঃ বৰষুণ নহালৈকে ডাৱৰবোৰ থাকিবই আৰু।

ঃ এৰা, বৰষুণ নিদিয়া ডাৱৰবোৰ বৰ অসহ্যকৰ।

ৰাতি ন মান বাজিছে চাগে'। সন্ধ্যা বহি আছে পুলটোত। তাইৰ প্ৰিয় পুলটো। অনুৰণ সন্ধ্যাৰ কাহিনী সি যেন আজিও কঢ়িয়াই আছে। ইয়াৰপৰাই জোনাকৰ বৰষুণত তিতিছিল সিহঁত। সন্ধ্যাৰ নিসংগতাৰ এশ এবুৰি কথা পুলটোৱে জানে, সমুখৰ নাহৰ জোপাই জানে। বতাহৰ লগতে বৈ আহে তাইৰ চকুপানী। এই যেন শুনিব চাইকেলৰ টিলিঙা, এই যেন শুনিব কাৰোবাৰ চিঞৰ। এই যেন আহিব এজাউৰি চিনাকি হাঁহি। নাই, একো নাই। তাৰ সলনি মোবাইলৰ ৰিংটো বাজে। অনুৰণৰ মাত—

ঃ কি কৰিছা?

ঃ পুলটোত বহি আছোঁ, আগতে যে আমি বহোঁ।

ঃ অহ, অকলে?

ঃ আৰুনো কোন থাকিব?

ঃ উম! সমুখৰ গছকেইজোপা আছেনে?

ঃ সৰুজোপা কাটিলে, ডাঙৰজোপা আছে।

ঃ আগতে যে সৰাপাতবোৰ উৰি আহি পৰেহি।

ঃ এতিয়াও পৰে, বতাহ মাৰিলে।

ঃ বননিখিনিত জোনাকীবোৰ ওলায়নে সন্ধিয়া?

ঃ দুই-এটা, আগতকৈ কম।

ঃ হম! জোনাক চাই আছা নেকি?

ঃ জোনেই নাই, জোনাক ক'ৰ পৰা থাকিব?

ঃ অহ, কৃষ্ণপক্ষহে এতিয়া।

ঃ এৰা, এতিয়া কৃষ্ণপক্ষ।

অনুৰাধা বাইদেৱে লিখিছিল, স্মৃতি এনে এক প্ৰেম যি বিচ্ছেদৰ পাছতো লগ এৰা নিদিয়ে। অনুৰণ সন্ধ্যাৰ প্ৰেমৰ বিচ্ছেদ নহ'লেও আঁতৰি অহাৰ বিৰহ হৈছিল। তাৰ পাছতো সিহঁত একেলগ হৈ আছিল। সিহঁত একেলগে আছিল জোনাকত, বৰষুণত, গানত। সেইদিনা বাহিৰৰ ফৰিংফুটা জোনাকত বহি অনুৰণে সন্ধ্যাক ফোনতে সুধিলে—

ঃ জোনাক চোৱানে এতিয়াও?

ঃ ওহোঁ, নাচাওঁ।

ঃ কিয়?

ঃ মনত পৰে খুব।

ঃ মোলৈ?

ঃ আমাৰ কথাবোৰলৈ।

ঃ তুমি যে জোৰ কৰি মাতি আনা মোক হোষ্টেলৰ পৰা জোনাক চাওঁ আহা বুলি।

ঃ আৰু তোমাৰ সদায় একেটাই কথা...

ঃ তুমি থাকোঁতে বেলেগ জোনক কিয় চাম!

ঃ জোনাক আৰু তোমাৰ সৈতে কথা, মোৰ প্ৰিয় কমবিনেছন বুইছা।

ঃ মিছা, মোতকৈ জোন বেছি ভাল পোৱা তুমি!

ঃ এতিয়াতো এইবোৰ চব শেষ হৈ গ'ল ন?

ঃ একো শেষ হোৱা নাই, সৌৱা চোৱা জোন এতিয়াও আছে।

ঃ আৰু তুমি?

ঃ জোন থকালৈকে সদায় তোমাৰ।

ঃ সদায়?

ঃ এটা চৰ্তত!

ঃ কি?

ঃ জোনতকৈ মোক বেছি ভালপাওঁ বুলি কোৱা না...!!

কেতিয়াবা সিহঁতে নিৰিবিলিৰ কথা পাতে। ভিচিৰ ঘৰৰ সমুখৰ সেই পুখুৰীটোৰ পাৰৰ মায়াসনা ঠাইকণ, কত কাহিনীৰ কথকতা তাতেই উৰি আছে এতিয়াও।

ঃ ঐ, আজিকালি নিৰিবিলিত বহিবলৈ মন নাযায় নেকি?

ঃ মাজে মাজে।

ঃ একেই আছে নে ঠাইখিনি?

ঃ পুখুৰীটোৰ পাৰে পাৰে কাঞ্চন লগাইছে নতুনকৈ, এজোপা যদি বগা আকৌ এজোপা গুলপীয়া।

ঃ আৰু ওখ গছবোৰ?

ঃ দুই-এজোপা কাটিছে।

ঃ চৰাইবোৰ আহেনে?

ঃ দেখা নাই বহুত দিন।

ঃ আগতে যে তুমি উপন্যাস পঢ়ি থাকা তাত বহি।

ঃ উম, বহুত ক্লাছো মিছ হ'ল তেনেকৈয়ে।

ঃ আজিকালি নপঢ়া?

ঃ ভাল নালাগে ইমান কাহিনীৰ মাজত থাকি।

ঃ কিয়?

ঃ কাহিনীৰ দৰেই জীৱন এটা পাবলৈ মন যায়। কিন্তু বাস্তৱবোৰ যে বেলেগ, সেই কাৰণে।

চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱন। সন্ধ্যাৰ পাহৰিব পাৰিবনে এই CSBৰ কথা? সেই যে সোৱণশিৰী হোৱাৰ আখৰা, কত দুষ্টালি, হাঁহি উফ...!! সন্ধ্যাই নাজানে CSBত আজিকালি কি হয়, কোনে তাত আখৰা কৰে! হয়তো কৰে, সন্ধ্যাহঁতৰ দৰে আন কোনোবাই ভৰাইছেহি সময়ৰ কোলা। আৰু স্মৃতি হৈ CSB থাকি গ'ল সিহঁতৰ বুকুৰ কোণত।

ঃ CSBত চাগে' আজিকালি কোনোৱেই নাযায় ন?

ঃ গৈনো কি কৰিব?

ঃ এৰা, লাইটবোৰ জ্বলাই থয়নে?

ঃ কেতিয়াবা জ্বলি থাকে, কেতিয়াবা এন্ধাৰ।

ঃ প্ৰেক্টিছৰ চিঞৰবোৰে গোটেই হলটো কঁপাই আছিল আগতে।

ঃ এতিয়া আৰু ক'ত সেইবোৰ, না নাটক না চিঞৰ।

ঃ উম, আগতে যে তাত তুমি নাটকৰ প্ৰেক্টিছ চাবলৈ মোকো টানি নিয়া, মিৰি জীয়ৰী বা সূৰ্য্যাস্ত নহ'লে অসীমত যাৰ হেৰাল সীমা।

ঃ আৰু তুমি যে কোৰা চব অচিনাকি, নাযাওঁ।

ঃ এতিয়াতো সময়বোৰো অচিনাকি হ'ল।

ঃ সময়বোৰ চিনাকিয়েই, মুখবোৰহে অচিনাকি।

ঃ আৰু মনবোৰ?

ঃ মনবোৰ নাটকৰ চৰিত্ৰৰ দৰেহে হ'লচোন, প্ৰতিখন নাটকত বেলেগ হৈ থাকে।

কে. বি. আৰ.ৰ নাটক।প্ৰতিজন তেজীয়ানৰ বাবে হেঁপাহৰ দিন। সেই দিনটো উৎকণ্ঠৰে পাৰ কৰা, সেই সন্ধিয়াৰপৰা গৈ গৈ ছিট ৰখা। সেই নাটকৰ মাজত অহা চিঞৰ, দিব্যদাৰ মেক আপ উফ... আৰু যে কত কি! সিহঁতে কে. বি. আৰ.ৰ কথা পাতে—

ঃ কে. বি. আৰ.ত চাগে' আৰু নাটক চোৱাই নহ'ব ন?

ঃ এৰা, ষ্টেজটোত আৰু উঠা নহ'ব।

ঃ লাইটবোৰ কেতিয়াও আমাৰ বাবে নজ্বলিব।

ঃ এতিয়া এন্ধাৰৰ মাজত পোহৰবোৰ ক'ত আৰু!

ঃ আগতে যে প্ৰতিটো চেমিষ্টাৰতেই এখন হ'লেও নাটক থাকেই।

ঃ সঁচাই, কিমান যে আশাৰে বৈ থাকোঁ।

ঃ তুমিতো একেবাৰে আগত বহাগৈ।

ঃ আৰু তুমি গেলেৰীত।

ঃ গেলেৰীত বহি নাটক চোৱাৰ মজাই বেলেগ।

ঃ পাৰ্থক্যতো তাতেই, তুমি নাটক চোৱা আৰু মই অনুভৱ কৰোঁ।

ঃ অনুভৱত কষ্ট থাকে, আৰু মই কষ্ট ভাল নাপাওঁ।

ঃ কষ্টবোৰক বেয়া পোৱানে অনুভৱক?

ঃ হয়তো দুয়োকে, যেনেকৈ তুমি বেয়া পোৱা বাস্তৱ জীৱনক।

ঃ সেইটোৰেই নুবুজিলা তুমি, নাটক ভাল পোৱা মানুহে জীৱনক বেয়া পাব নোৱাৰে, লাগিলে কল্পনাই হওক বা বাস্তৱ।

সৰাফুল

অনুৰণৰ সৈতে ৰাতি ইউনিভাৰ্ছিটিৰ অলিয়ে-গলিয়ে খোজ কঢ়া সন্ধ্যাৰ আটাইতকৈ প্ৰিয় অভ্যাস। এতিয়া নাই। সময়ৰ গতিত অভ্যাসবোৰ বৰ ভয় লগাকৈ সলনি হয়। হেৰাই যায় ভাল লগা অনুভৱ। স্মৃতিয়ে হানি-খুঁচি গধুৰ কৰে উশাহক। মাজে মাজে অনুৰণে সোধে—

ঃ ৰাতি ৰাতি এতিয়াও খোজ কাঢ়ানে?

ঃ নাই, কিবা এলাহ লাগেচোন।

ঃ তোমাৰো এলাহ লাগেনে, আগতে চোন মোৰ এলাহ লাগিছে বুলি ক'লেও জোৰ কৰি নিয়া।

ঃ আগৰ কথা বেলেগ আছিল।

ঃ এতিয়ানো কি হ'ল?

ঃ আজিকালি কিবা ভয় লাগেচোন, চৰাইবোৰে ইমান ভয় লগাকৈ চিঞৰে!

ঃ চৰাইৰ চিঞৰলৈ ভয়নে এন্ধাৰলৈ?

ঃ এন্ধাৰবোৰে জোকায় এতিয়া।

ঃ কিয়?

ঃ কাষত যে কোনো নাই, সেই কাৰণে চাগে'।

ঃ মোলৈ মনত পৰে?

ঃ উম, কেতিয়াবা যে তুমি ভাল পোৱা পাতলীয়া বতাহজাক মাৰে, তেতিয়া।

ঃ তুমি ঠিকে আছাতো?

ঃ আছোঁ, থাকিবতো লাগিবই।

ঃ এৰা, থাকিবতো লাগিবই।

এজাক দপদপীয়া বৰষুণ। খোলা খিৰিকীখনেৰে অহা টোপালবোৰে সন্ধ্যাৰ মুখত নিলাজ চুমা আঁকিছে। সন্ধ্যাৰ মনত পৰে। ঠিক এনে এজাক বৰষুণেই আছিল সিদিনা। বৰষুণ বেয়া পোৱা অনুৰণে সেইদিনাৰপৰাই চাগে' বৰষুণ ভাল পাবলৈ লৈছিল।

সোৰণশিৰীৰ খোলা খিৰিকীৰে বৰষুণ চাই সন্ধ্যাই অনুৰণলৈ ফোন লগাইছিল—

ঃ ঐ ঐ শুনা না!

ঃ কি হ'ল!

ঃ বৰষুণ দিছে।

ঃ দেখিছোঁ, আমাৰ হোষ্টেলৰ ফালেও দিছে।

ঃ ওলাই যাওঁ ব'লা না।

ঃ এনেই বলিয়া হৈছা নি অলপ?

ঃ ইমান দিনৰ মূৰত বৰষুণ, অলপ তিতো প্লিজ!

ঃ বেমাৰ কৰি নল'বা।

ঃ হ'ব থাকা তুমি, মই যাওঁ।

ঃ ঐ শুনা!

ঃ কি হ'ল?

ঃ নীলা দোপাত্তাখন লৈ আনিবা।

ঃ তুমিও আহিবা?

ঃ মই নথকাত বৰষুণক তোমাক চুবলৈ দিম নেকি?

ঃ ইমান মৰম মোলৈ?

ঃ ওলাই আহা, মই তোমাৰ হোষ্টেলৰ আগত।

ঃ তুমিতো বৰষুণ বেয়া পোৱা!

ঃ বেয়া পাওঁ, কিন্তু তোমাক যে...

ঃ মোক?

ঃ একো নাই, আহা সোনকালে।

প্ৰেমত পৰিলে বেয়াপোৱাবোৰো ভাল পোৱা হয় চাগে'। সন্ধ্যাই ভাবিছিল। আজিও সেই একেই বৰষুণ। পাৰ্থক্য মাত্ৰ, সিহঁত আজি দূৰৈত। সন্ধ্যাৰ মেছেজ লিখে—

ঃ ঐ শুলা নি?

ঃ নাই, কোৱা।

ঃ বাহিৰত বৰষুণ জানানে!

ঃ তিতি আহাগে যোৱা অলপ।

ঃ পাগল হৈছা নি অলপ?

ঃ বৰ ভাল পোৱাচোন আগতে বৰষুণ।

ঃ কেম্পাছত থাকোঁতে বেলেগ কথা।

ঃ কিয়, TUৰ বৰষুণত বেলেগ কিবা সৰিছিল নেকি?

ঃ উম, কেলে তিতি থাকানো বুলি ধমকিৰ লগত মৰম সৰিছিল।

ঃ ইমান মনত আছেনে!

ঃ তুমি হে পাহৰিলা।

ঃ পাহৰা হ'লে যোৱা তিতাগৈ বুলি ক'লোঁ হয় জানো!

ঃ এতিয়া শেষ হৈ গ'ল ন?

ঃ বৰষুণ দিয়ে আছে, যাব পাৰা।

ঃ বাদ দিয়া, শো মই।

ঃ শুনা...

ঃ কোৱা..

ঃ বৰষুণ জাকে মোলৈ মনত পেলালে ন?

শৰৎ সন্ধ্যাৰ আটাইতকৈ প্ৰিয়। তথাপি কৰ্মজীৱনৰ তাগিদাত আজিৰ শৰৎ আৰু ৰাস যেন তাইৰপৰা বহু দূৰৈত। মাজে মাজে ৰাসৰ কথা কৈ সন্ধ্যাক অনুৰণে এতিয়াও জোকায়—

ঃ ঐ শুনিছা!

ঃ কোৱা!

ঃ এইবাৰ ৰাস নাই নচা নি?

ঃ বুঢ়ী হ'লোঁ আৰু এতিয়া!

ঃ পচিছ নহওঁতেইনে?

ঃ ছোৱালী কুৰিতে বুঢ়ী বুলি কয় যে।

ঃ আমাৰ বিয়াৰ পাছত নাচিম দিয়া।

ঃ নাচিম মানে? তুমিও?

ঃ অ', মই কৃষ্ণ তুমি ৰাধা।

ঃ পিছে ৰাধাকৃষ্ণৰ বিয়া হোৱা নাছিল নহয়।

ঃ নামটো সদায় একেলগেই লয়।

ঃ নাম একেলগে লোৱাৰ চৰ্তত মোক এৰি যাব পাৰিবা?

ঃ কেতিয়াও নোৱাৰোঁ।

ঃ কিয়, কৃষ্ণই পাৰিছিলতো।

ঃ কৃষ্ণ হোৱাৰ সাহস আৰু ইচ্ছা এটাও নাই।

ঃ কিয় ?

ঃ ঈশ্বৰৰ বিৰহী প্ৰেম নকৰোঁ আমি, কাৰণ মোৰ প্ৰেম আৰু পৰিণয় কেৱল তুমি।

কথাৰ শেষ নহয়। দিনটো নানা ব্যস্ততাৰ অন্তত সিহঁতে ৰাতিটো নিজৰ কথাৰে সজাই লয়। শেষ বুলিও শেষ নোহোৱা এশ এবুৰি কথা।

ঃ Good Night.

ঃ এইটো কেই নম্বৰ good night বাৰু ?

ঃ তিনি নে চাৰি হ'বলা।

ঃ আৰু কেইটা good night দিবা ?

ঃ বেছি নাই, আৰু পাঁচটামান দি শুই যাম চাগে'।

ঃ হাঃ হাঃ, ফটোৱা, শোৱা না অ'।

ঃ ৰ'বা না অ'।

ঃ কি ৰ'বা না, এইখন হোষ্টেল পাইছা।

ঃ হোষ্টেল হোৱা হ'লে ইমান সময়ে ওলাই গ'লোঁহেঁতেন।

ঃ জানোতো, আৰু মোক আহা না আহা না বুলি কামোৰ দিলাহেঁতেন।

ঃ আৰু তুমি যে চোৰা লাজ লাজকৈ খিৰিকীৰ পৰ্দাখন দাঙি !

ঃ তুমি যে বৈ থাকা, কাঞ্চনজোপাৰ তলত।

ঃ এৰা, সেইজোপা মোৰ তোমাৰ বাবেই প্ৰিয়।

ঃ কি যে দিন আছিল ন !

ঃ শোৱা দিয়া।

ঃ শুনা,

ঃ কোৱা।

ঃ এতিয়াই শোৱানে ?

খবৰটো হুৰমূৰকৈ আহিল। সন্ধ্যাৰ পি.এইচ.ডি.ৰ ৰিজাল্ট। দিল্লী বিশ্ববিদ্যালয়ত ছিট পাইছে তাই। ঘৰৰ সেই মৰম আকলুৱা ছোৱালীজনী অত দূৰৈলৈ যাব বুলি শুনিয়েই মাক খুৰীয়েকহঁতৰ বুকু দহিছে। সন্ধ্যাৰো বুকু গধুৰ।

কিন্তু তাই জানে, তাই যাব লাগিবই। সপোনবোৰ পূৰ হ'বলৈ কেতিয়াবা আপোনবোৰৰ পৰা আঁতৰি থাকিব লাগিবই। সময় এয়া নিজক গঢ়াৰ। তাতে তেজপুৰে মজবুতকৈ গঢ়িছে তাইক। এৰা, পাৰিব। তাই পাৰিব। কিন্তু তাৰ মাজতো চকুৰ কোণ দুটি সেমেকে। অনুৰণৰ নামটো মনলৈ আহিলেই তাইৰ চকুৰ নৈ পাৰ ভাঙি আহে। পাৰিবনে সিহঁতে সময়বোৰ একেদৰেই ধৰি ৰাখিব? সময়ৰ ভাঁজত সিহঁত সদায় একে হৈ থাকিব জানো? যদি অনুৰণ সলনি হয়? যদি তাই সলনি হয়? অসমত থাকোঁতে দুই-এবাৰ সিহঁতে লগো পাইছিল। কিন্তু দিল্লীলৈ যোৱাৰ পাছত সম্ভৱ জানো? উশাহ গধুৰ হৈ আহে তাইৰ। কাহিনীবোৰ শেষ হ'ব নেকি? এনেতে যোৱাৰ আগদিনা অনুৰণৰ ফোন—

ঃ কাইলৈ যাবা গৈ?

ঃ উম।

ঃ পেকিং কৰিলা?

ঃ উম।

ঃ বস্তু চাগে' বহুত হৈছে।

ঃ বস্তুতকৈ আৱেগবোৰহে বেছি গধুৰ।

ঃ মন বেয়া?

ঃ সময়বোৰ ইমান খৰকৈ শেষ হ'ল।

ঃ শেষ নহ'লে আৰম্ভণি কেনেকৈ হ'ব?

ঃ পৰা নাই অ' নিজক সামৰিব।

ঃ পাৰিব লাগিব, আবেলি ভালপোৱা মানুহে বিৰহলৈ ভয় কৰে জানো?

ঃ বিৰহতকৈ বেছি মোক মৰমে কন্দুৱায়।

ঃ মৰমবোৰতো আছেই আৰু থাকিবই।

ঃ আৰু তুমি?

ঃ মই, মই কি?

ঃ থাকিবানে সদায়?

ঃ তুমিয়েইতো কৈছিলা, আৰম্ভ হ'লেতো শেষ নিশ্চয় হয়, কিন্তু...

ঃ কিন্তু শেষৰ পৰা যি আৰম্ভ হয়, তাৰ শেষ কেতিয়াও নহয়।

ঃ এৰা, কেতিয়াও নহয়। আমি আকৌ লগ হ'ম জীৱনৰ কোনোবা পাৰঘাটত, আকৌ এটি নতুন কাহিনী হ'ম।

ঃ উম, আমি আকৌ লগ হ'ম, মাত্র তথাপি ক'ৰবাত যেন হেৰুৱাৰ ভয়।

ঃ চিন্তা নকৰিবা, তোমাৰ প্ৰতিটো উজাগৰী গল্প শুনিবলৈ সদায় আছোঁতো মই।

প্ৰিয় পাঠক, এইখিনিতে আৰম্ভ হয় অনুৰণ সন্ধ্যাৰ এক নতুন অধ্যায়। নিজক প্ৰতিষ্ঠাৰ যুজঁত যুঁজি থাকে সিহঁতবোৰ। কিন্তু মোৰ বিশ্বাস সিহঁতৰ মিলন হ'ব। হ'ব লাগিবই। আৰু, আৰু সেই যে ময়ূৰৰ উপন্যাসখন। অ', 'ৰাধা'। সেইখনৰ কথা আছেনে মনত? অভিমন্যু প্ৰাণে-পনে লাগিছে প্ৰকাশৰ বাবে। সকলো প্ৰকাশ হ'ব। সিহঁতকেইটা আকৌ এদিন একেলগ হ'ব। সিহঁতৰ কাহিনীবোৰৰ কথা পাতি পাতি আকৌ এদিন কাঞ্চনৰ চহৰখনলৈ যাব। অনুৰণ ৰ'ব সন্ধ্যা উভতি অহালৈ, অভিমন্যু পখী সিহঁতো ৰ'ব যুঁজবোৰ শেষ কৰি আকৌ হাঁহিবলৈ। মইও ৰ'ম, সিহঁত সফল হৈ 'ৰাধা'ৰ সৈতে অহালৈ।

আপোনালোক ৰ'বনে?

মই জানো, নিশ্চয় ৰ'ব। কাঞ্চনবুলীয়া এটি বাটেৰে গৈ গৈ আমি জোনাক নিশা এটিত আকৌ লগ হ'ম। তেতিয়ালৈকে ভালে থাকিব দেই।

*** *** ***